● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

## দিগ্‌দৰ্শন

কেতিয়াও তললৈ নপৰাটোৱে জীৱনৰ গৌৰৱ নহয়, গৌৰৱ প্ৰতিবাৰেই পৰাৰ পাছতো পুনৰ থিয় দিয়াটোহে।

নেলছন মেণ্ডেলা
*আফ্ৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি*



www.dainikagradoot.in

৫ মহাত্মাৰ অন্তৰংগ বিদেশী ভক্তগণ
১৫ টি-২০ বিশ্বকাপত আজি ভাৰত-পাকিস্তান
৪ অমানৱীয় সীমাহীন অসভ্যতা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৭তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৬ কাতি ১৪২৮ ভাস্কৰাব্দ ২৪ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 24 October 2021 মূল্য ঃ ৭.০০ টকা

## বাংলাদেশত হিন্দুৰ সুৰক্ষাৰ দাবীৰে ইস্কনৰ কীৰ্তন প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** বাংলাদেশৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ সুৰক্ষাৰ দাবীত আজি ইস্কনৰ উদ্যোগত বিশ্বজুৰি কীৰ্তন প্ৰতিবাদ সাব্যস্ত কৰা হয়। আমেৰিকা, *১০ পৃষ্ঠাত চাওক*

## পৌৰ নিগমৰ ধৃত অভিযন্তাৰ গৃহত আঠ লাখ টকা জব্দ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** উৎকোচ গ্ৰহণৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা গুৱাহাটী পৌৰনিগম (জিএমচি)ৰ সহকাৰী অভিযন্তা *দুই পৃষ্ঠাত চাওক*

## মাতৃক হত্যা কৰি পলায়ন কৰা যুৱক ধৃত সৰ্থেবাৰীত

**অগ্ৰদূত বাৰ্তা**
**বৰপেটাৰোড, ২৩ অক্টোবৰ ঃ** বৰপেটাৰোডত যোৱা নিশা এক হত্যাকাণ্ড সংঘটিত হয়। নিচাসক্ত পুত্ৰই ধনৰ লালসাত বৃদ্ধা মাতৃক হত্যা কৰাৰ অভিযোগ উঠিছে। হত্যা সংঘটিত *দুই পৃষ্ঠাত চাওক*

নতুন কৌশলেৰে বাংলাদেশলৈ চোৰাংভাৱে পশুধন প্ৰেৰণ অব্যাহত আছে ■ বহিঃৰাজ্যৰ পৰাও অসমলৈ নিয়মীয়াকৈ আহিছে ■ সীমান্ত অঞ্চলত সুৰংগ খান্দি লুকুৱাই ৰখা হয় গৰু

# চৰকাৰী শ্ল'গানতহে বন্ধ গৰুৰ সৰবৰাহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** অসম চৰকাৰে ৰাজ্যত গৰুৰ চোৰাং সৰবৰাহ প্ৰতিৰোধৰ উদ্দেশ্যে আইন প্ৰণয়ন কৰিলেও বাস্তৱ ক্ষেত্ৰত ইয়াৰ যে কোনো মূল্য নাই সেয়া প্ৰমাণ হৈছে। কাৰণ অসমসহ ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অহা চোৰাং গৰুৰ লগতে ম'হৰো বাংলাদেশলৈ যোগান অব্যাহত আছে। তাৰে নামমাত্ৰহে কেতিয়াবা আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ)ৰ হাতত জব্দ হৈছে। ইফালে, চোৰাং সৰবৰাহ বন্ধ কৰিবলৈ যি কৌশল লোৱা হৈছে সেইবোৰক প্ৰত্যাহ্বান জনাই নিত্য নতুন কৌশলেৰে চোৰাং ব্যৱসায়ীৰ দল সক্ৰিয় হৈছে। ফলস্বৰূপে গৰুৰ চোৰাং সৰবৰাহ বন্ধৰ চৰকাৰী শ্ল'গান প্ৰহসনত পৰিণত হৈছে। বিএছএফৰ উচ্চস্তৰীয় সূত্ৰই জনোৱা মতে, চৰকাৰৰ নিৰ্দেশৰ পাছত ধুবুৰী আৰু দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ পৰা বাংলাদেশৰ লগত সংযোগ থকা চোৰাং ব্যৱসায়ীৰ পশুধন সৰবৰাহৰ পথবোৰত নিৰীক্ষণ ব্যৱস্থা কঠোৰ কৰি তোলা হয়। তাৰ সমানে সঘনে কৌশল সলনিৰে সক্ৰিয় হৈ পৰে চোৰাং ব্যৱসায়ীৰ দলো। এই সময়ত ব্ৰহ্মপুত্ৰত বাৰিষাৰ পানী নথকাত যেনি তেনি চাপৰি *১০ পৃষ্ঠাত চাওক*

তিনিদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীনগৰত উপস্থিত হৈ গৃহমন্ত্ৰীৰ ঘোষণা



## নিৰ্বাচনৰ পাছত পুনৰ পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰিব জম্মু-কাশ্মীৰে

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** সংবিধানৰ ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰ কৰি জম্মু-কাশ্মীৰক কেন্দ্ৰীয় শাসিত অঞ্চললৈ ৰূপান্তৰিত কৰাৰ সিদ্ধান্তই তুমুল প্ৰতিক্ৰিয়া অব্যাহত ৰখাৰ সময়তে পুনৰ হৃত মৰ্যাদা অৰ্পণ কৰিবলৈ সিদ্ধান্ত লৈছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঘোষণা কৰে যে জম্মু-কাশ্মীৰে পুনৰ পূৰ্ণাংগ *দুই পৃষ্ঠাত চাওক*

■ বৰাকক অসমৰ পৰা বিচ্ছিন্ন কৰাৰ দাবীক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ■ বৰাক-ব্ৰহ্মপুত্ৰই একেলগে অসমৰ উন্নয়নৰ বাবে কাম কৰাৰ পোষকতা ■ সৰৱ পৰেশ বৰুৱাসহ বিভিন্ন দল-সংগঠন

# অসমৰ অংগচ্ছেদৰ তীব্ৰ বিৰোধিতা




*বাংলাদেশত হিন্দুসকলৰ ওপৰত চলা আক্ৰমণৰ প্ৰতিবাদ ইস্কনৰ, মহানগৰীত শনিবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** এটি স্বল্পখ্যাত সংগঠনে শিলচৰ ৰেল ষ্টেছনত অসমীয়াত লিখা প'ষ্টাৰ ক'লা চিয়াহীৰে মচি দিয়া ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াই বৰাক উপত্যকাক অসমৰ পৰা বিচ্ছিন্ন কৰি দিবলৈ জনোৱা দাবীক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৰাক-ব্ৰহ্মপুত্ৰ উভয় উপত্যকাৰে বিশিষ্ট ব্যক্তি, দল-সংগঠনে এনে দাবীৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে। একাংশই ড° শইকীয়াৰ মন্তব্য ব্যক্তিগত বুলি উল্লেখ কৰি অসমক দুয়োটা উপত্যকাৰে শক্তিশালী কৰি গঢ়ি তোলাতহে গুৰুত্ব আৰোপ কৰে। তদুপৰি কোনো পাবত গজা সংগঠনৰ কাণ্ডক লৈ এখন ৰাজ্যক খণ্ড-বিখণ্ড কৰিব বিচৰাটো উচিত নহয় বুলিও বিভিন্নজনে মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো অসমক পুনৰ খণ্ডিত কৰাৰ বিৰোধিতা কৰি কয় যে ড° শইকীয়াৰ দৰে ব্যক্তিৰ বক্তব্যৰ ওপৰত তেওঁ মন্তব্য দিব নোখোজে। কেৱল বিতৰ্ক সৃষ্টি হোৱা বিষয়টোৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, 'আমি অখণ্ড ভাৰত, অখণ্ড অসমৰ বাবে কাম কৰিব লাগে। আমি এনে কোনো কাম কৰিব *১০ পৃষ্ঠাত চাওক*

কাইলৈৰ পৰা পুনৰ অনিশ্চয়তাত ফেৰী সেৱা

## সোমবাৰৰ পৰা মাজুলীলৈ বন্ধ হ'ব ৰ'পেক্স জাহাজৰ চলাচল

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২৩ অক্টোবৰ ঃ** নদীদ্বীপ মাজুলীত পুনৰ অনিশ্চয়তাত দেখা দিছে ফেৰী সেৱাই। যোৱা আঠ ছেপ্টেম্বৰত সংঘটিত শোকাৱহ দুৰ্ঘটনাৰ পাছত চৰকাৰী পক্ষৰ *১০ পৃষ্ঠাত চাওক*

মৰিয়নিত বিজেপিৰ হৈ নিৰ্বাচনী প্ৰচাৰত অতুল বৰা-কেশৱ মহন্ত

## নিৰ্বাচনৰ পূৰ্বে গলা-গলি আৰু পাছত ঠেলা-ঠেলি হয় বিৰোধী মহাজোঁটত



অসমক আগুৱাই নিয়াৰ ক্ষেত্ৰত কংগ্ৰেছ চূড়ান্তভাৱে ব্যৰ্থ হ'ল

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৩ অক্টোবৰ ঃ** 'স্বাধীনতাৰ পাছত সৰ্বাধিক সময় ৰাজত্ব কৰিলেও অসমক আগুৱাই নিয়াৰ ক্ষেত্ৰত চূড়ান্তভাৱে ব্যৰ্থ হ'ল কংগ্ৰেছ। যাৰ ফল অসমৰ ৰাইজে ভুগিবলগীয়া হয়।' এই মন্তব্য অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল *১০ পৃষ্ঠাত চাওক*

■ চীনৰ গতি-বিধিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে ভাৰতে ঃ গুৱাহাটীত প্ৰতিৰক্ষাৰ মুৰব্বী

## ভৌগোলিক অৱস্থিতিয়ে গুৰুত্ব বঢ়াইছে অসমৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** 'আগন্তুক ২০৩০ৰ ভিতৰত এছিয়া বিশ্বৰ প্ৰধান কেন্দ্ৰ হৈ পৰিব। ভাৰত, চীন, জাপনৰ দৰে এছীয় শক্তিসমূহৰ দ্ৰুত উত্থান চমকপ্ৰদ হ'ব। ভাৰতৰ উত্থানৰ অন্যতম কাৰণ হ'ব চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ বাবে গ্ৰহণ কৰা সাগৰ আৰু এক্ট ইষ্ট পলিচিৰ দৰে নীতি। এক্ট ইষ্ট পলিচিৰ মূল আধাৰ হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চল। এই ক্ষেত্ৰত অসমেই মুখ্য। কাৰণ আছিয়ান তথা পূব আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ স'তে ভাৰতৰ বাণিজ্যিক সম্পৰ্ক উন্নত কৰাৰ পথৰ দুৱাৰমুখ হৈছে অসম। গতিকে অসমে সকলো সুবিধা, কৌশলৰ সদ্ব্যৱহাৰ কৰিব লাগে। অসমৰ ভৌগোলিক অৱস্থিতিয়ে ৰাজ্যখনৰ গুৰুত্ব বৃদ্ধি কৰিছে।' আজি গুৱাহাটীত এই মন্তব্য কৰে দেশৰ তিনিওটা প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী বিপিন ৰাৱটে। অসম আৰক্ষীয়ে 'আছাম এট ক্ৰছৰোডছ ঃ *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ১৯° |
| ডিব্ৰুগড় | ২৯° | ১৮° |
| দিল্লী | ২৯° | ১৬° |
| কলকাতা | ৩১° | ২১° |
| মুম্বাই | ৩৪° | ২৬° |
| চেন্নাই | ৩০° | ২৬° |
| বাংগালুৰু | ২৫° | ২০° |
| শ্বিলং | ২৩° | ১৩° |

*২৩ অক্টোবৰ, ২০২১*

## চেঙা তেল



*এতিয়ালৈকে ৩১ নম্বৰ জনে বিপুল ভোটত জয়লাভ কৰিব বুলি দাবী কৰা দেখিবলৈ পালো।*

## মুখ্যমন্ত্ৰীয়ে পৈতৃক সম্পত্তিৰে আঁচনিৰ নামত ধন ব্যয় নকৰে

লুৰীণজ্যোতি গগৈৰ কটাক্ষ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**পাঠশালী/শালবাৰী, ২৩ অক্টোবৰ ঃ** অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মভূমি ভৱানীপুৰ বিধানসভা *১০ পৃষ্ঠাত চাওক*

■ ডিটেনছন কেম্প এতিয়া হাৰা হৈ গ'ল!

## কংগ্ৰেছ গাখীৰ নিদিয়া গৰু, ঘাঁহ খুৱাই কোনো লাভ নাই ঃ মুখ্যমন্ত্ৰী

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ/ গোসাঁইগাঁও/ শ্ৰীৰামপুৰ, ২৩ অক্টোবৰ ঃ** 'আপোনালোকে পাঁচ বছৰৰ কাৰণে *১০ পৃষ্ঠাত চাওক*



গোৱালপাৰাত সাধাৰণ কথাক লৈ কাজিয়া

## উন্মত্ত লোকৰ আক্ৰমণৰ প্ৰাণ হেৰুৱালে শ্ৰমিকে

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৩ অক্টোবৰ ঃ** গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত কুমৰীত আজি একাংশ উন্মত্ত লোকে এজনক মৰিয়াই মৰিয়াই হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছে। অৱশ্যে লোকজনৰ উচ্চ *দুই পৃষ্ঠাত চাওক*

## কণমানি পুত্ৰৰ সন্মুখতে আণ্টিমাক নৃশংসভাৱে হত্যা কৰিছিল দেৱযানীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** নিজৰ তিনিবছৰীয়া সন্তানৰ সন্মুখতে আণ্টিমা গুপ্তাক নৃশংসভাৱে হত্যা কৰি ৰন্ধন গেছৰ তলৰ কেবিনেটত মৃতদেহ লুকুৱাই থৈ পৰিয়ালক দুদিন ৰন্ধা-বঢ়া কৰি খুৱাইছিল মহানগৰীৰ পশ্চিম বৰাগাঁৱৰ হত্যাকাণ্ডৰ মূল অভিযুক্ত ধৃত দেৱযানী দাসে (৩৫)। যোৱা ২০ অক্টোবৰত অৰ্থাৎ লক্ষ্মী পূজাৰ দিনাই *দুই পৃষ্ঠাত চাওক*

তিনিদিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ অভিযুক্তক



কাজিৰঙা অভয়াৰণ্যৰ অবৈধ নিৰ্মাণৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ পিছ হুঁহকিছে অসম চৰকাৰ

## উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশকো অৱমাননা

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া কেন্দ্ৰীয় উচ্চ ক্ষমতাসম্পন্ন সমিতি (চিইচি)য়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ অহা-যোৱাৰ বাটৰ সংলগ্ন অঞ্চলত সমান্তৰালকৈ হোৱা অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে অসম চৰকাৰক ব্যৱস্থা ল'বলৈ পত্ৰ প্ৰেৰণ কৰিছে। ৰাজ্য চৰকাৰৰ মুখ্য সচিবলৈ প্ৰেৰণ কৰা এক পত্ৰত অহা চাৰি সপ্তাহৰ ভিতৰত কাৰ্যব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। চিইচিৰ সদস্য সচিব অমৰ নাথ ছেট্টিয়ে ছয় অক্টোবৰৰ পত্ৰত লিখিছে, '২০১৯ৰ ১২ এপ্ৰিলৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি সকলো অবৈধ নিৰ্মাণ কাৰ্য উচ্ছেদ কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ আৰু নটা চিহ্নিত বন্যপ্ৰাণী কৰিড'ৰ সংলগ্ন কোনো নতুন নিৰ্মাণ কাৰ্যত অনুমোদন নিদিবলৈ অনুৰোধ জনোৱা হ'ল। অহা চাৰি সপ্তাহৰ ভিতৰত চিইচিলৈ কাৰ্যব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন প্ৰেৰণ কৰিব লাগিব।' বন্যপ্ৰাণী কৰিড'ৰ পৰিদৰ্শন কৰি কেন্দ্ৰীয় উপ-বন মহাপৰিদৰ্শক *১০ পৃষ্ঠাত চাওক*

ৰাজ্যৰ পাঁচ সমষ্টিত উপ-নিৰ্বাচন ঃ ৩১ প্ৰাৰ্থীৰ নজনেই কোটিপতি

## ধৈৰ্য কোঁৱৰৰ বিৰুদ্ধে নটা-ফণীধৰ-ৰূপজ্যোতিৰ বিৰুদ্ধেও দুটাকৈ গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** অহা ৩০ অক্টোবৰত ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'ব লগা উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি শাসকীয় মিত্ৰদলৰ সমান্তৰালভাৱে বিৰোধী দলসমূহৰো প্ৰচাৰ তুংগত উঠিছে। ভৱানীপুৰ, তামুলপুৰ, গোসাঁইগাঁও, থাওৰা আৰু মৰিয়নি সমষ্টিত অনুষ্ঠিত হ'ব লগা এই উপ-নিৰ্বাচনত বিজেপি, কংগ্ৰেছ, ইউপিপিএল, এআইইউডিএফ, বিপিএফ, গণ সুৰক্ষা পাৰ্টি, চিপিআই, অসম সংগ্ৰামী মঞ্চ, ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেচনেল, ৰাষ্ট্ৰীয় ৰোড মেপ পাৰ্টি আৰু ১১ জন নিৰ্দলীয় প্ৰাৰ্থীসহ মুঠ ৩১জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই প্ৰাৰ্থীসকলৰ ভাগ্য নিৰ্ণয় কৰিব পাঁচটা সমষ্টিৰ মুঠ ৭,৯৬,৪৫৬ জন প্ৰাৰ্থীয়ে। ইয়াৰ মাজতে ভোটগ্ৰহণলৈ মাজত মাথোঁ এসপ্তাহ থকাৰ সময়তে আজি এই ৩১জন প্ৰাৰ্থীৰ *১০ পৃষ্ঠাত চাওক*

NERIM GROUP OF INSTITUTIONS
Affiliated to Dibrugarh University, Gauhati University & ASTU, Approved by NCTE, BCI & AICTE, MoE, Govt. of India
NERIM
Estd. 1992
Admissions open for the following Under Graduate and Post Graduate programes. Admissions shall be made as per prescribed Regulation of the concerned University.
B.Com(H) | M.Com | BCA | MCA | BSW | MSW | BBA | MBA | M.Sc. (Computer Sc.) | LL.B(H) 3-year | MA (Education) | B.Ed | MA (App. Psychology) | PGDCA 1-year any Graduate
For Working Professionals.
MBA (Part Time) 3-year
(Approved by AICTE) Any Graduate with minimum 2-year Working Experience Or Self Employed.
PGDM
(Approved by AICTE) 50% in Graduation Or with MAT Score.
(N.B.: Online classes is also available for MBA (Part Time) & PGDM)
Prof. (Dr) Sangeeta Tripathi, Director, Jayanagar, Khanapara, Guwahati, Assam, Pin-781022 nerimindia@gmail.com For details, visit our website www.nerimindia.org or contact Admission Counsellor on 9954190758 / 9954051419 / 9864750000

# বিজেপিয়ে অসমৰ মানুহক মূৰ্খ সজাইছে ঃ ভট্টাচাৰ্য

■ মন্ত্ৰী হোৱাৰ বাসনাতেই ৰূপজ্যোতিয়ে বিজেপিত যোগদান কৰিলে

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৩ অক্টোবৰ ঃ** মৰিয়নিত ক্ৰমশঃ তীব্ৰতৰ হৈছে নিৰ্বাচনী প্ৰচাৰ অভিযান। আটাইকেইটা দলেই নিৰ্বাচনী প্ৰচাৰ অভিযান আকৰ্ষণীয় কৰি তুলিছে। কংগ্ৰেছৰ হৈ আজি অসম প্ৰদেশ কংগ্ৰেছ আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৪ অক্টোবৰ, ২০২১ দেওবাৰ পৃষ্ঠা তিনি

■ পূৰবী উদ্যোগৰ বাবে অনা গাখীৰৰ টেংকাৰ দুৰ্ঘটনাগ্ৰস্ত

# গাখীৰৰে উভৈনদী হ'ল চাংসাৰিৰ ৰাষ্ট্ৰীয় ঘাইপথ



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৩ অক্টোবৰ ঃ** চাংসাৰিৰ সমীপৰ ডোৱা কঁহৰাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা এক পথ দুৰ্ঘটনাত এখন গুৱাহাটী অভিমুখী গাখীৰ কঢ়িয়াই অনা টেংকাৰ দুৰ্ঘটনাত পতিত হয়। শিলিগুৰিৰ পৰা গুৱাহাটীলৈ অহা এইছ আৰ-৫৫ এল-৭৬০২ নম্বৰৰ গাখীৰৰ গাড়ীখনে সেনা ছাউনীৰ সন্মুখৰ পথৰ দাঁতিৰ খুঁটিত নিয়ন্ত্ৰণ হেৰুৱাই খুন্দিয়ায়। দ্ৰুতগতিত অহা বৃহৎ টেংকাৰখনে খুঁটিত খুন্দিওৱাৰ ফলত গাড়ীৰ আগফালৰ চকা ধামসহ খুলকি বহুদূৰ পায়গৈ। চকাখুলি পৰাৰ ফলত গাড়ীৰ ইন্ধন টেংকী ছিটিকি পথৰ বহু দূৰলৈ যায়। পথৰ মাজত গাড়ীখন আবদ্ধ হৈ পৰাৰ লগে লগে অঞ্চলটোত হুৱাদুৱা লাগে। দুৰ্ঘটনাগ্ৰস্ত গাড়ীৰ টেংকাৰৰ পৰা গাখীৰৰ নদী বোৱা দেখি স্থানীয় লোকে বাল্টি-বটল লৈ যিয়ে যেনেকৈ পাৰে গাখীৰ সংগ্ৰহত নামি পৰে। আৰক্ষীয়ে জনোৱা অনুসৰি আঠ পৃষ্ঠাত চাওক

## গৰাকীৰ কেঁকো সাপৰ ব্যৱসায়ৰ বিষয়ে জ্ঞাত হোৱাত আক্ৰমণ

■ ব্যৱসায়ীক আটক

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৩ অক্টোবৰ ঃ** বিশ্বনাথৰ বালিপুখুৰীৰ বাসিন্দা গণেশ চবৰক যোৱা ১৭ অক্টোবৰত নিজৰ গাঁৱৰে ৰাস্তাৰ কাষত শৰীৰত আঘাতপ্ৰাপ্ত অচেতন অৱস্থাত পৰি থকাত উদ্ধাৰ কৰিছিল ৰাইজে। গাঁওবাসীয়ে গণেশৰ পৰিয়ালক খবৰ দিয়াত উপস্থিত হৈ চিকিৎসালয়ত ভৰ্তি কৰায়। গাঁওবাসীয়ে গণেৰ পৰিয়ালক সদৰী কৰা মতে গণেশে কাম কৰা গৰাকী দেবেন গোৱালাই গুৰুতৰভাৱে মাৰধৰ কৰি পেলাই থৈ যায়। যাৰ ভিত্তিত গণেশৰ পৰিয়ালে বিশ্বনাথৰ জিনজিয়া থানাত এই সন্দৰ্ভত এক এজাহাৰ দাখিল কৰে। কিন্তু কালি গুৰুতৰভাৱে আহত হৈ থকা গণেশৰ চেতনা উভতি অহাৰ পাছতহে এই ঘটনাৰ প্ৰকৃত ৰহস্য ফাদিল হয়। আঠ পৃষ্ঠাত চাওক

■ ১৫শ টকা দিলে প্ৰতিষেধক নিদিয়াকৈ প্ৰমাণপত্ৰ প্ৰদান

## বিলাসীপাৰাত ক'ভিড প্ৰতিষেধক প্ৰদানৰ নামত ব্যাপক অনিয়ম

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ২৩ অক্টোবৰ ঃ** দেশত কৰ'না প্ৰতিষেধক প্ৰদানৰ সংখ্যা এশ কোটিৰ ঘৰ অতিক্ৰম কৰি ইতিহাস সৃষ্টি কৰিছে বুলি কালি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ এনে পদক্ষেপক বিভিন্ন পক্ষই প্ৰশংসা কৰিছে। কিন্তু নামনি অসমৰ ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাত চৰকাৰৰ এনে পদক্ষেপক ধূলিসাৎ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। বিলাসীপাৰাৰ ভিতৰুৱা অঞ্চলসমূহত কৰ'না প্ৰতিষেধকৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ তুলিছে ধুবুৰী জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সমিতিৰ সম্পাদক নাজিমুল হকে উত্থাপন কৰা অভিযোগ মতে, বিলাসীপাৰাৰ কাজাইকাটা উপ-স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ ক'ভিড প্ৰতিষেধক কেন্দ্ৰত স্বাস্থ্যকৰ্মী, নাৰ্ছে দালালৰ আঠ পৃষ্ঠাত চাওক

## শাৰীৰিকভাৱে অসুস্থ প্ৰবীণ অভিনেত্ৰী প্ৰভা হাজৰিকা ঃ আজিও নাপালে শিল্পী পেঞ্চন



বিশেষ সংবাদদাতা

**নগাঁও, ২৩ অক্টোবৰ ঃ** ৬০ৰ দশকত অসমৰ অভিনয় জগতখনৰ লগত জড়িত হৈ পৰা অভিনেত্ৰী প্ৰভা হাজৰিকাৰ নাট্য জীৱন অতি বৰ্ণাঢ্য। মৰম তৃষ্ণা নামৰ সংগীত মধুৰ চলচিত্ৰখনৰ নায়িকা প্ৰভা সম্প্ৰতি শাৰীৰিকভাৱে অসুস্থ। সাৰদা কান্ত বৰদলৈ, ফণী শৰ্মা, তচদ্দুক ইউচুফ, জ্ঞানদা বৰা, স্বনামধন্য নাট্যকাৰ-অভিনেতাৰ সান্নিধ্যত অভিনয় জীৱন আৰম্ভ কৰা নগাঁও চহৰৰ লাওখোৱা পথ নিবাসী প্ৰভা হাজৰিকা ২০০৭তে এক জটিল ৰোগত আক্ৰান্ত হৈছিল। স্বামী প্ৰাক্তন মন্ত্ৰী লক্ষী প্ৰসাদ হাজৰিকা আৰু বৰ পুত্ৰ বিক্ৰম হাজৰিকাৰ মৃত্যুৰ পাছত মানসিকভাৱে প্ৰভা হাজৰিকা ভাগি পৰিছিল। এমুঠি চাউল, উৰুখা পঁজা, এজনী নায়িকাৰ মৃত্যু, উপপথ, মগ্ৰীবৰ আজান, ভোটাই ডেকা আদি বিভিন্ন নাটকত সুন্দৰ অভিনয় কৰিছিল হাজৰিকাই। হাজৰিকাই সুৰংগৰ মাজেদি আৰু আইনা নামৰ দুখন জনপ্ৰিয় ধাৰাবাহিকত অভিনয় কৰিছিল। এসময়ত বিহুৱতী হিচাপে খ্যাতি অৰ্জন কৰা অভিনেত্ৰীগৰাকীয়ে খহনীয়া নামৰ নাটকত প্ৰথম অভিনয় কৰিছিল। আঠ পৃষ্ঠাত চাওক

■ বিদেশত কৰ্মৰত বিজ্ঞানীৰ স'তে নগাঁও কলেজত মত বিনিময় অনুষ্ঠান ■ বিদেশত উচ্চ শিক্ষা আৰু গৱেষণাৰ বাবে জলপানিৰ ব্যৱস্থা আছে ঃ ড° জগন্নাথ বিশ্বকৰ্মা

# গৱেষণাৰ বাবে বিষয়ৰ বাধ্য-বাধকতা নাই



বিশেষ সংবাদদাতা

**নগাঁও, ২৩ অক্টোবৰ ঃ** নগাঁও কলেজৰ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ উদ্যোগত ছুইজাৰলেণ্ডস্থিত চুইচ ফেডাৰেল ইনষ্টিটিউট অৱ একুৱেটিক টেকন'লজিৰ বিশিষ্ট বিজ্ঞানী নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ ড° জগন্নাথ বিশ্বকৰ্মাৰ লগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়াই আঁত ধৰা মত বিনিময় অনুষ্ঠানত অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে আদৰণি ভাষণ প্ৰদান কৰে। ড° বৰকটকীয়ে নগাঁও কলেজৰ পৰা ছুইজাৰলেণ্ডলৈ ড° বিশ্বকৰ্মাৰ যাত্ৰাই নগাঁও কলেজক বিশ্ব দৰবাৰত চিনাকি কৰাত উল্লেখযোগ্য অৰিহণা যোগাইছে বুলি উল্লেখ কৰে। ড° বৰকটকীয়ে এয়া নগাঁও কলেজৰ বাবে গৌৰৱ বুলি উল্লেখ কৰে। লগতে তেওঁ এই আলোচনাই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নতুন চিন্তা আৰু বাট উন্মোচিত কৰিব বুলি উল্লেখ কৰি ড° বিশ্বকৰ্মাক ভূয়সী প্ৰশংসা কৰে। ড° বিশ্বকৰ্মাই আঠ পৃষ্ঠাত চাওক

## বাগানপাৰাত বজাৰ নিবিদাৰ নামত অনিয়মৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ২৩ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ বিটিচিৰ বাগানপাৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বাগানপাৰা সাপ্তাহিক বজাৰৰ নিবিদা দিয়াৰ নামত ব্যাপক খেলি অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। এই লৈ নিবিদাৰ পৰা বঞ্চিত কে'বাজনো যুৱকে আজি বাগানপাৰাত এক সংবাদমেল সম্বোধন কৰে। বিজেপিৰ বাগ্‌সা জিলাৰ যুৱ মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য মধু নাৰ্জাৰীয়ে কৰা অভিযোগ মতে তিনি মাহৰ পূৰ্বে বিটিচিৰ মাৰ্কেটিং আঠ পৃষ্ঠাত চাওক

## শোণিতপুৰত ক'ভিডত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৩ অক্টোবৰ ঃ** শোণিতপুৰত আজি পুনৰ এজন ক'ভিড ৰোগীৰ মৃত্যু হোৱাৰ লগতে ২১ জনৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰে। উল্লেখ্য যে শাৰদীয় দুৰ্গোৎসৱত ক'ভড প্ৰতিৰোধী নীতি-নিয়ম শূন্য হৈ পৰা তেজপুৰত চৰকাৰীভাৱে বৰ্তমানেও বিভিন্ন সভা-সমিতি অনুষ্ঠিত হৈ আহিছে। শাৰদীয় দুৰ্গোৎসৱৰ পাছতে শোণিতপুৰত কৰ'নাত আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰ ২০ৰো অধিককৈ বৃদ্ধি পাইছিল। পুনৰ এই সংখ্যা কালি হ্ৰাস পালেও আজি পুনৰ এই সংখ্যা ২১ জনৰ অধিককৈ বৃদ্ধি পালে। উল্লেখ্য যে কৰ'নাৰ সংক্ৰমণ অব্যাহত থকাৰ মাজতে যিসকলে ৰাজহুৱা বা চৰকাৰী যিকোনো সভা-সমিতি অনুষ্ঠিত কৰি জনসমাগমৰ পৰা মুকলি কৰিছে তেনে আঠ পৃষ্ঠাত চাওক

## শিল্পী, সাহিত্যিক, লোকশ্ৰী চাওঁ দেৱেন্দ্ৰ চৰণ বৰবৰুৱাৰ বিয়োগ



বিশেষ সংবাদদাতা

**নগাবাট, ২৩ অক্টোবৰ ঃ** কবি, শিল্পী তথা সাহিত্যিক লোকশ্ৰী চাও দেৱেন্দ্ৰ চৰণ বৰবৰুৱা (৭৮) আৰু নাই। আজি দিনৰ ১.৪০ বজাত নিজ বাসগৃহত তেওঁৰ মৃত্যু হয়। ঢুলীয়া শিল্পী সন্মিলনৰ যোৰহাট জিলা সমিতিয়ে ঢোলৰ চাপৰ মাৰি আৰু তিতাবৰ মহকুমা সমিতিয়ে ঢুলীয়া শিল্পী সন্মিলনৰ পতাকাৰে বৰবৰুৱাৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জনায়। উল্লেখ্য যে ১৯৪৫ত তিতাবৰ বৰএৰাত জন্মগ্ৰহণ কৰা বৰবৰুৱা এসময়ত ককা নীলমণি ফুকনৰ ব্যক্তিগত সচিবৰ দায়িত্ব পালন কৰিছিল। সেই সময়ছোৱাত বৰবৰুৱাই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, হেমঙ্গ বিশ্বাস, কথাশিল্পী চৈয়দ আব্দুল মালিক, সুধাকণ্ঠ ড° ভূপেন আঠ পৃষ্ঠাত চাওক

## জুৰীয়াত দুই ড্ৰাগছ ব্যৱসায়ীক ৰাইজে আটক কৰি গতালে আৰক্ষীক

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ জুৰীয়াৰ পাৰ্শ্বৱৰ্তী জেঙনীত আজি ড্ৰাগছসহ দুই যুৱকক আটক কৰে স্থানীয় ৰাইজে। ড্ৰাগছ ব্যৱসায়ী দুজনে ড্ৰাগছ ব্যৱসায়ৰে নৱ প্ৰজন্মক ধ্বংসৰ দিশলৈ ঠেলি দিব বিচৰাত অতিষ্ঠ হৈ পৰা ৰাইজে আটক কৰি স্থানীয় ডুমডুমীয়া আৰক্ষীক গতাই দিয়ে। ধৃত ড্ৰাগছ ব্যৱসায়ী দুজন দক্ষিণ কলাডুবা গাঁৱৰ আছাদুল ইছলাম আৰু জাৰামাৰী গাঁৱৰ ৰজত আলী। তেওঁলোকে বহুদিন ধৰি অঞ্চলটোত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। আজি ৰাইজে ড্ৰাগছসহ দুই যুৱকক আটক কৰি ডুমডুমীয়া আৰক্ষী চকীত চমজাই দিয়ে।

## হোজাইত ক'ভিডত এজনৰ মৃত্যু

■ ১৬জন আক্ৰান্ত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৩ অক্টোবৰ ঃ** হোজাইত আব্দুল কুদুচ (৭২)ৰ নামৰ এজন লোকৰ মৃত্যু হয়। হোজাই মোৱাজাৰৰ ৰোহিনী পথাৰৰ লোকজন যোৱা ১৭ অক্টোবৰত ক'ভিডত আক্ৰান্ত হৈছিল। যোৱা নিশা চিকিৎসাধীন অৱস্থাত লোকজনে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যু হোৱা লোকজনক লৈ ক'ভিডৰ দ্বিতীয় লহৰত এতিয়ালৈকে আঠ পৃষ্ঠাত চাওক

## বিশিষ্ট নাট্যকাৰ-শিক্ষাবিদ ৰামকুমাৰ ভট্টাচাৰ্যৰ বিয়োগ

■ অসমীয়া বোলছবি 'ওপৰ মহলা'ৰ কাহিনী-চিত্ৰনাট্য আছিল ভট্টাচাৰ্যৰ



বিশেষ সংবাদদাতা

**নগাঁও, ২৩ অক্টোবৰ ঃ** নগাঁও চহৰৰ উত্তৰ হয়বৰগাঁও মহেশ চন্দ্ৰ দেৱ গোস্বামী পথ নিৱাসী বিশিষ্ট নাট্যকাৰ, শিক্ষাবিদ, নগাঁও সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰামকুমাৰ ভট্টাচাৰ্য (৮৫)ৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত আজি দুপৰীয়া পৰলোকপ্ৰাপ্তি ঘটে। হৃদৰোগত আক্ৰান্ত ভট্টাচাৰ্যক তিনিদিন পূৰ্বে চিকিৎসালয়খনত ভৰ্তি কৰোৱা হৈছিল। নগাঁও জিলাৰ আঠ পৃষ্ঠাত চাওক

■ এঘণ্টা ধৰি বন্ধ কোঠাত ছাত্ৰীক আবদ্ধ কৰি থ'লে শিক্ষকে ■ চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ শিক্ষকৰ অমানৱীয় আচৰণক লৈ ব্যাপক প্ৰতিক্ৰিয়া

## অংক নোৱাৰাৰ বাবেই ছাত্ৰীক নিৰ্মমভাৱে প্ৰহাৰ শিক্ষকৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৩ অক্টোবৰ ঃ** মৰিগাঁৱৰ চৰাইবাহীত এগৰাকী ছাত্ৰীয়ে এটা অংক ভুলকৈ কৰাত এজন শিক্ষকে বেটেৰে মৰিয়াই গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰা ঘটনাই অঞ্চলটোৰ লগতে সমগ্ৰ জিলাখনতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও জিলাৰ চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰীক শিক্ষকে অংক কৰিবলৈ দিছিল। ছাত্ৰীগৰাকীয়ে অংকটো কৰোঁতে ভুল হোৱাত নিকেতনখনৰ পাৰ্থ নাথ নামৰ অংক শিক্ষকজনে ছাত্ৰীগৰাকীক বেটেৰে মৰিয়াই মৰিয়াই শৰীৰৰ বিভিন্ন অংগত গুৰুতৰভাৱে জখম কৰাৰ লগতে এটা কোঠাত এঘণ্টাতকৈও অধিক সময় অভিভাৱকক অৱগত নকৰাকৈ আবদ্ধ কৰি থয়। পাছত নিকেতনখনৰ প্ৰধান আচাৰ্যই সমগ্ৰ ঘটনাৰ সন্দৰ্ভত গুৰুতৰ আঘাতপ্ৰাপ্ত ছাত্ৰীগৰাকীৰ অভিভাৱকক অৱগত কৰে। লগে লগে পৰিয়ালৰ লোকে আহি শিক্ষকৰ অত্যাচাৰৰ বলি হোৱা ছাত্ৰীগৰাকীক আঠ পৃষ্ঠাত চাওক

## তিনিচুকীয়াত ড্ৰাগছসহ মহিলা গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৩ অক্টোবৰ ঃ** আজি পুৱা নিউ তিনিচুকীয়া ৰে'লৱে ষ্টেছনত তিনিচুকীয়া সদৰ আৰু হিজুগুৰি আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলায়। অভিযানত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। ১০ টা পেকেটত ১১০ গ্ৰাম ড্ৰাগছ জব্দ কৰা মহিলাগৰাকী হিজুগুৰিৰ বিপ্লৱ চক্ৰৱৰ্তীৰ আঠ পৃষ্ঠাত চাওক

ন্যায় নাপালে আত্মহত্যাৰ ভাবুকি ভুক্তভোগী পিতৃ-কন্যাৰ

## পত্নীক অকথ্য নিৰ্যাতন চলোৱা স্বামীক মাটিয়া আৰক্ষীয়ে ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ অক্টোবৰ ঃ** পত্নীক অকথ্য নিৰ্যাতন চলোৱা স্বামীক গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষীয়ে গ্ৰেপ্তাৰৰ পৰিৱৰ্তে ৰক্ষণা-বেক্ষণ দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ মতে, জিলাখনৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত গাৰোমাৰী গাঁৱৰ আয়ুব আলী মোল্লাৰ পুত্ৰ মকিবুল মোল্লাই প্ৰথমা পত্নীক এৰি দিয়াৰ পাছত বিভিন্ন প্ৰলোভন দেখুৱাই কামৰূপ জিলাৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ পলাহৰটাৰী গাঁৱৰ চৌকাত আলীৰ কন্যা তাছলিমা খাতুনক সামাজিক ৰীতি-নীতি অনুসৰি ২০১৬ৰ ২৭ অক্টোবৰত বিয়া কৰায়। কিন্তু বিয়াৰ ছমাহ পাছৰে পৰা যৌতুক বিচাৰি স্বামী মকিবুলৰ লগতে তেওঁৰ পৰিয়ালে তাছলিমাক শাৰীৰিক আৰু মানসিক নিৰ্যাতন আৰম্ভ কৰিবলৈ ধৰে। স্বামী গৃহৰ অকথ্য নিৰ্যাতনৰ বিষয়ে অৱগত হৈ তাছলিমাৰ পিতৃয়ে এক লাখ টকাৰে এখন মটৰ চাইকেল কিনি দিয়াৰ লগতে ব্যৱসায় কৰিবলৈ ৯৬ হেজাৰ টকা যৌতুক হিচাপে দিয়ে। কিন্তু তাৰ পাছতো পুনৰ তাছলিমাৰ ওপৰত নিৰ্যাতন আৰম্ভ কৰে। ইয়াতেই ক্ষান্ত নাথাকি মকিবুলে যোৱা ১২ আগষ্টত পত্নী তাছলিমাক মানসিকভাৱে অত্যাচাৰ কৰি গাত কেৰাচিন তেল ঢালি জ্বলাই দিয়াৰ চেষ্টা চলায়। তাছলিমাৰ গাৰ কাপোৰত জুই লগাত কাপোৰ খুলি প্ৰাণপণে ৰক্ষা পৰে। পিছদিনাও স্বামীয়ে মাৰপিট কৰি কোলাত থকা সন্তানসহ ঘৰৰ পৰা উলিয়াই দিয়ে। এই সন্দৰ্ভত মাটিয়া থানাত তাছলিমাই যোৱা ২৪ ছেপ্টেম্বৰত এখন এজাহাৰ দাখিল কৰে। মাটিয়া আঠ পৃষ্ঠাত চাওক

## থানামুখ শ্মশানত শেষকৃত্য সম্পন্ন অধ্যাপক শিৱসিংহ কোঁৱৰৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৩ অক্টোবৰ ঃ** কালি মৃত্যু হোৱা শিৱসাগৰ কলেজৰ প্ৰাক্তন উপাধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ শিৱসিংহ কোঁৱৰৰ শেষকৃত্য আজি শতাধিক গুণমুগ্ধৰ উপস্থিতিত শিৱসাগৰৰ থানামুখ শ্মশানত সম্পন্ন কৰা হয়। ইয়াৰ পূৰ্বে জিলাখনৰ প্ৰায় প্ৰতিটো শৈক্ষিক-সামাজিক অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত থকা শিৱসিংহ কোঁৱৰৰ প্ৰতি বিভিন্ন দল-সংগঠনে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আছু, আটাছুকে ধৰি জিলাখনৰ প্ৰায় প্ৰতিটো দল-সংগঠনে আঠ পৃষ্ঠাত চাওক

## শিৱসাগৰৰ থাওৰাত নিৰ্বাচনী প্ৰচাৰ চলালে নগাঁৱৰ কৃষক সমাজৰ প্ৰতিনিধি দলে

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৩ অক্টোবৰ ঃ** নগাঁৱৰ মিকিৰ বামুণী গ্ৰাণ্টৰ কৃষক সমাজৰ এটা প্ৰতিনিধি দল আজি শিৱসাগৰ জিলাৰ থাওৰা বিধানসভা সমষ্টিত উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ৰাতুল বৰাৰ নেতৃত্বত অহা প্ৰতিনিধি দলটোত মিকিৰ বামুণী গ্ৰাণ্টৰ স্থানীয় কৃষক চিকাৰী ৰংপী, বৰসিং ক্ৰ', ৰাজেন টিমুং, লক্ষীৰাম মাৰ্দী আৰু ভাইটী বে' উপস্থিত থাকে। তেওঁলোকক সহযোগিতা প্ৰদান কৰে মিকিৰ বামুণী গ্ৰাণ্টৰ সমাজকৰ্মী ইশান কোচ ৰাজবংশী অসমীয়াই। থাওৰাত উপস্থিত হৈ তেওঁলোকে উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কৃষ্ণ গগৈৰ সমৰ্থনত আঠ পৃষ্ঠাত চাওক

## নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰি মুখ্যমন্ত্ৰীয়ে চলাইছে প্ৰচাৰ ঃগগৈ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৩ অক্টোবৰ ঃ** 'গোসাঁইগাঁও সমষ্টিৰ উপ-নিৰ্বাচন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী আচৰণ বিধিক ভৰিৰে মোহাৰি প্ৰতিখন সভাত ৰাইজক ভুৱা প্ৰতিশ্ৰুতি দি আছে। তেওঁ সংসদীয় নিয়ম-নীতি নাজানে। তেওঁ কেৱল জাত-পাত আৰু বিভাজনৰ ৰাজনীতি কৰি ধন বল-বাহুবল প্ৰয়োগ কৰি উপ-নিৰ্বাচনত মিত্ৰদল ইউপিপিএলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছে, কিন্তু ৰাইজ সচেতন বিজেপিৰ জনবিৰোধী আৰু স্বৈৰাচাৰী শাসনত অতিষ্ঠ ৰাইজে এই উপ-নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ভোটদান কৰিব। বিজেপিৰ বিৰুদ্ধে ভোট দিলে কংগ্ৰেছৰ বাহিৰে আৰু কোনো দল নাই।

**এআইইউডিএফক ভোট দিয়া মানে বিজেপিক ভোট দিয়া ঃ ৰকিবুল**

এআইইউডিএফ আৰু বিপিএফক ভোট দিয়া মানে বিজেপিৰ মিত্ৰদল ইউপিপিএলক দিয়া হ'ব। গতিকে বিজেপি-ইউপিপিএলৰ বিৰোধী ভোটাৰে কংগ্ৰেছক ভোট দিবলৈ সাজু হৈছে।' এই মন্তব্য সাংসদ তথা কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ। আজি গোসাঁইগাঁও সমষ্টিৰ হাউৰিয়াপেটত অনুষ্ঠিত এক প্ৰচাৰ সভাত গগৈয়ে লগতে কয়, আঠ পৃষ্ঠাত চাওক

■ তিনি জেল ফেৰত-পাঁচ নিলম্বিত শিক্ষক-শিক্ষয়িত্ৰীক যোগদানক লৈ প্ৰতিক্ৰিয়া
■ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰি স্মাৰকপত্ৰ প্ৰেৰণ মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ

## অধ্যক্ষক হত্যাৰ অপচেষ্টাৰ গোচৰত অভিযুক্ত শিক্ষকৰ পুনৰ একেখন বিদ্যালয়তে যোগদান

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৩ অক্টোবৰ ঃ** কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ অধীনস্থ দৰং জিলাৰ একমাত্ৰ শিক্ষানুষ্ঠান জৱাহৰ নৱোদয় বিদ্যালয় চৌহদৰ ভিতৰত ডিঙিত প্লাষ্টিকৰ ৰছীৰে অধ্যক্ষক হত্যাৰ চেষ্টা চলাই চাকৰিৰ পৰা নিলম্বন আৰু বদলি হোৱা আঠজনকৈ শিক্ষকে পুনৰ শিক্ষানুষ্ঠানখনত যোগদান কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে যোৱা ১৮ জুলাইৰ মাজনিশা বিদ্যালয়খনৰ অধ্যক্ষ তথা ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত কৃতী শিক্ষক পি ৰাজেশক বিদ্যালয়ৰ চৌহদৰ ভিতৰত প্লাষ্টিকৰ ৰছীৰে ডিঙিত মেৰিয়াই হত্যাৰ অপচেষ্টা চলোৱাৰ ভিডিঅ' বিভিন্ন মাধ্যমত ভাইৰেল কৰাৰ অভিযোগত জেললৈ যাবলগীয়া হৈছিল তিনিজনকৈ স্নাতকোত্তৰ শিক্ষক। সহকৰ্মীৰে অবৈধ সম্পৰ্কৰ ৰূপ দিয়াৰ পৰিকল্পনাৰে শিক্ষককেইজনে অধ্যক্ষজনক এইদৰে হত্যাৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল বুলি অভিযোগ উঠিছিল। আনহাতে, এই ষড়যন্ত্ৰৰ অংশীদাৰ আন পাঁচজন শিক্ষকক ধৰি বিদ্যালয়খনৰ মুঠ আঠজন শিক্ষকক নৱোদয় বিদ্যালয় সমিতিয়ে দুটাকৈ বিভাগীয় তদন্তৰ পাছত চাকৰিৰ পৰা নিলম্বন কৰি শাস্তিমূলকভাৱে আন কে'বাখনো বিদ্যালয়ত সংযোজন কৰিছিল। কিন্তু এই ঘটনাৰ তিনিমাহ নৌহওঁতে আৰু আদালতত গোচৰৰ শুনানি প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠাৰ সময়তে আটাইকেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে পুনৰ একেখন বিদ্যালয়তে যোগদান কৰিছে। শিক্ষকৰ দৰে পৱিত্ৰ বৃত্তিটোক কলংকিত কৰি একাংশ নিষ্ঠাবান অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী, অভিভাৱক আদিৰ বহু ত্যাগ আৰু কষ্টৰ বিনিময়ত আৰ্জিত বিদ্যালয়খনৰ উজ্জ্বল ভাবমূৰ্তি যথেষ্ট পৰিমাণে হেয় প্ৰতিপন্ন কৰা নিকৃষ্ট মানসিকতাৰ এই আঠ শিক্ষক-শিক্ষয়িত্ৰী গোটক এইদৰে বিদ্যালয়খনত পুনৰ যোগদানৰ সুবিধা প্ৰদান কৰা নৱোদয় বিদ্যালয় সমিতিৰ শ্বিলংস্থিত আঞ্চলিক কাৰ্যালয়ৰ সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে মঙলদৈৰ মহকুমা ছাত্ৰ সন্থাই। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত আঠ পৃষ্ঠাত চাওক

## চিৰাঙৰ বিজনীৰ কাৰাটিকাত ড্ৰাগছসহ গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা/অগ্ৰদূত ব্যুৰ'

**কাজলগাঁও/বঙাইগাঁও, ২৩ অক্টোবৰ ঃ** চিৰাঙৰ বিজনীৰ কাৰাটিকাত আজি বিয়লি বিজনী মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত আৰক্ষীৰ দলে কাৰাটিকা চ'কত অভিযান চলাই ড্ৰাগছ বিক্ৰী কৰিবলৈ চেষ্টা কৰোঁতে হাতে-লোটে গ্ৰেপ্তাৰ কৰে কাৰাটিকা নিবাসী ড্ৰাগছ সৰবৰাহকাৰী আবছাৰ উদ্দিন ওৰফে টাকু (২৯)ক। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীজনৰ পৰা প্ৰথমে তিনিটা ড্ৰাগছভৰ্তি কণ্টেইনাৰ, এটা খালী কণ্টেইনাৰ, এটা ম'বাইল হেণ্ডছেট আৰু এখন স্কুটী জব্দ কৰে। পাছত স্কুটীখনত তালাচী চলাই পুনৰ তিনিটা ড্ৰাগছভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰে। উক্ত স্থানত আঠ পৃষ্ঠাত চাওক

■ শিক্ষকৰ বিৰুদ্ধে এজাহাৰ ভুক্তভোগীৰ

## অনলাইন বিজিনেছ এপৰ জৰিয়তে লক্ষ লক্ষ টকা হৰলুকি

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৩ অক্টোবৰ ঃ** অনলাইন বিজিনেছ এপৰ জৰিয়তে এক অসাধু চক্ৰই গ্ৰাহকৰ পৰা লক্ষ লক্ষ টকা লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। একাংশ লোকৰ সোনকালে ধনী হোৱাৰ সস্তীয়া সপোনৰ বাবে পূব কামৰূপ আৰু পশ্চিম দৰং অঞ্চলত এনেদৰে অনলাইন ব্যৱসায়ৰ পোহাৰ মেলি লক্ষ লক্ষ টকা আত্মসাৎ কৰিবলৈ সক্ষম হৈছে অসাধু চক্ৰ। লুণ্ঠনকাৰী এই চক্ৰটোৰ নেতৃত্ব গ্ৰহণ কৰা বুলি সঘনে উচ্চাৰিত হৈছে এজন শিক্ষকৰ নাম। ইতিমধ্যে ৭২ গৰাকী ভুক্তভোগী গ্ৰাহকে চফিকুল চিষ্টি নামৰ বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত শিক্ষকগৰাকীৰ বিৰুদ্ধে বাইহাটা চাৰিআলি থানাত এখন এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা মতে বভিনী নামৰ অনলাইন এপটোৰ জৰিয়তে এটা দুষ্ট চক্ৰই বাহাইটা চাৰিআলি অঞ্চলৰ বহু লোকৰ পৰা কে'বা লাখ টকা লুটি নিয়ে। এই নেটৱৰ্কিং ব্যৱসায়ত বাইহাটা চাৰিআলিৰ বহু লোকে দুই হেজাৰৰ পৰা দুই লক্ষ টকাৰে নিজৰ নাম পঞ্জীয়ন কৰাইছিল। অধিক লাভৰ আশা দেখুৱাই লাখ লাখ টকা লুটি দুৰ্গা পূজাৰ পূৰ্বে বন্ধ হয় বভিনী ম'বাইল নেটৱৰ্কিং ব্যৱসায়। নেটৱৰ্কিং ব্যৱসায়ৰ আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৬ কাতি ১৪২৮ ভাস্কৰাব্দ ২৪ অক্টোবৰ ২০২১



## ভাৰতৰ অভিলেখ



ক'ভিড-১৯ৰ টিকাকৰণৰ ক্ষেত্ৰত ভাৰতে অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। ভাৰতে এশ কোটি টিকাকৰণ সম্পূৰ্ণ কৰিলে। ভাৰতে নটা মাহত এই অভিলেখ সৃষ্টি কৰিলে বুলি ক'ব পাৰি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ এই সফলতাৰ বাবে চিকিৎসক, স্বাস্থ্যকৰ্মী, প্ৰতিষেধক প্ৰস্তুতকাৰী উদ্যোগ আৰু এই কাৰ্যত সহযোগ কৰা দেশবাসীক অভিনন্দন জনাইছে। 'ভাৰতে ইতিহাস ৰচনা কৰিলে' বুলি মন্তব্য আগবঢ়াইছে প্ৰধানমন্ত্ৰী মোদীয়ে। এশ কোটি প্ৰতিষেধক প্ৰদানৰ সফলতাৰ বাবে বিশ্ব স্বাস্থ্য সংস্থা (ডব্লিউ এইছ অ')ই ভাৰতক অভিনন্দন জনাইছে। দেশৰ জনসাধাৰণৰ প্ৰতি সমভাৱেৰে সেৱা আগবঢ়োৱা চৰকাৰৰ নীতিৰ বাবেই ১৩৮ কোটি জনসংখ্যাৰ দেশ ভাৰতত এই সাফল্য লাভ সম্ভৱ হৈছে বুলি ক'ব পাৰি। উল্লেখ্য যে আফ্ৰিকাৰ বহু দেশৰ লগতে এছিয়াৰো বহু দেশত ক'ভিড প্ৰতিষেধকৰ অভাৱৰ ফলত জটিল পৰিস্থিতিৰ উদ্ভৱ হৈছে। সাধাৰণ নাগৰিকৰ কথা বাদেই, আনকি চিকিৎসক, নাৰ্ছসকলেও ক'ভিড প্ৰতিষেধক লাভ কৰা নাই। বিদেশৰ পৰা প্ৰতিষেধক ক্ৰয় কৰি আমদানি কৰিবলগীয়া হোৱাত এই দেশবিলাকত প্ৰতিষেধকৰ অভাৱ হৈছে। উল্লেখ্য যে ভাৰত বিকশিত দেশ নহয় যদিও ভালেমান দিশত ভাৰতৰ অগ্ৰগতি বিকশিত বা উন্নত দেশবিলাকতকৈ কম নহয়। সেইবিলাকৰ ভিতৰত চিকিৎসা সেৱা আৰু ঔষধ উৎপাদন বিশেষভাৱে উল্লেখনীয়। ক'ভিড-১৯ৰ প্ৰতিষেধক ব্যাপক হাৰত উৎপাদনৰ ক্ষেত্ৰত পুনেস্থিত ছে'ৰাম ইনষ্টিটিউট অৱ ইণ্ডিয়া (এছ আই আই)ৰ ভূমিকা আৰু অৰিহণা গুৰুত্বপূৰ্ণ। ক'ভিডৰ প্ৰতিষেধক ক'ভিশ্বিল্ড উৎপাদনকাৰী ছে'ৰাম ইনষ্টিটিউটে টিটেনাছ, ডিপথেৰিয়া, বসন্ত, হেপাটাইটিছ বি, ৰুবেলা, মাম্প্‌ছ আদি বিভিন্ন প্ৰতিষেধক উৎপাদন কৰে আৰু ই হ'ল বিশ্বৰ ভিতৰত সৰ্ববৃহৎ প্ৰতিষেধক উৎপাদনকাৰী প্ৰতিষ্ঠান। উল্লেখ্য যে এই প্ৰতিষ্ঠানটো ১৯৬৬তেই চাইৰাছ পুনাৱালাই প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে ক'ভিড-১৯ৰ প্ৰতিষেধক ক'ভাক্সিনৰ উৎপাদনকাৰী হায়দৰাবাদৰ ভাৰত বায়'টেক নামৰ প্ৰতিষ্ঠানৰ নামো এই ক্ষেত্ৰত উল্লেখ কৰিব লাগিব। উল্লেখ্য যে ভাৰতে বায়'টেকন'লজী অথবা জৈৱ প্ৰযুক্তিৰ গৱেষণাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ভাৰতে ক'ভিড-১৯ৰ দৰে ভয়ংকৰ মহামাৰীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সক্ষম হৈছে এই ক্ষেত্ৰত দেশৰ বিজ্ঞান-প্ৰযুক্তিৰ অগ্ৰগতিৰ বাবেই। যদিহে ক'ভিড-১৯ৰ প্ৰতিষেধক পাকিস্তান, বাংলাদেশ আদি দেশবিলাকৰ দৰে ভাৰতে বিদেশৰ পৰা ক্ৰয় কৰিবলগীয়া হ'লহেঁতেন, তেন্তে ১৩৮ কোটি ভাৰতীয়ৰ কি অৱস্থা হ'লহেঁতেন, সেয়া সহজে অনুমেয়। বিজ্ঞান-প্ৰযুক্তি আৰু প্ৰতিষেধক উৎপাদনকাৰী উদ্যোগ প্ৰতিষ্ঠানৰ ভূমিকা আৰু অৰিহণাৰ উপৰি ভাৰতৰ ২৩ লাখ আশা তথা অংগনৱাড়ী মহিলা কৰ্মীক প্ৰশিক্ষণ দি ক'ভিডৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে ফ্ৰন্টলাইন ৱৰ্কাৰ হিচাপে সাজু কৰা, লাখ লাখ চিকিৎসক, নাৰ্ছ তথা সহায়িকা নাৰ্ছ (মিডৱাইফ)ৰ অক্লান্ত পৰিশ্ৰম তথা সেৱাৰ বাবেই ভাৰতে এইদৰে ন মাহত এশ কোটি টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ সক্ষম হ'ল আৰু তেওঁলোকৰ প্ৰতি দেশে কৃতজ্ঞতা জনাব লাগিব। একমাত্ৰ চীন দেশৰ বাহিৰে এনে সফলতা আন কোনো দেশে লাভ কৰা নাই। যোৱা সময়ছোৱাত চীন দেশে ৭০ শতাংশ লোকক সম্পূৰ্ণকৈ বা দুটাকৈ প্ৰতিষেধক প্ৰদান কৰিছে, যাৰ ফলত ক'ভিড অথবা কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিবলৈ আৰু স্বাভাৱিক পৰিৱেশ গঢ়ি তুলিবলৈ চীনৰ চৰকাৰ সফল হৈছে।

ভাৰতে ইয়াৰ সফলতাৰ অভিলেখ গঢ়াৰ পাছতো কিন্তু অত্যুৎসাহী হৈ পৰা উচিত নহ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ভাৰতে এই মুহূৰ্তলৈকে মাত্ৰ ৩০ শতাংশ প্ৰাপ্তবয়স্ক লোকককহে সম্পূৰ্ণকৈ বা দুটাকৈ ক'ভিড প্ৰতিষেধক প্ৰদান কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ ১৮ বছৰৰ উৰ্দ্ধৰ আন ৭০ শতাংশ লোকে মাত্ৰ এটা প্ৰতিষেধক লৈছে নাইবা একাংশই কোনো প্ৰতিষেধকেই লোৱা নাই। কিয়নো ২৫ শতাংশ অৰ্থাৎ এক চতুৰ্থাংশ প্ৰাপ্তবয়স্কই এটাও প্ৰতিষেধক লোৱা নাই বুলি প্ৰকাশ পাইছে। প্ৰকাশিত তথ্য অনুসৰি প্ৰাপ্তবয়স্কসকলৰ বাবে ভাৰতে আৰু ৯০ কোটি টিকাকৰণ কৰিব লাগিব। তেওঁলোকৰ উপৰি দুবছৰৰ উৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ বাবে ৮০ কোটি প্ৰতিষেধক দিয়াৰ প্ৰয়োজন আছে। অৰ্থাৎ ভাৰতে আৰু ১৭০ কোটি টিকাকৰণ কৰিবলৈ বাকী আছে। বিশেষকৈ দুবছৰৰ পৰা ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে ৮০ কোটি প্ৰতিষেধকৰ প্ৰয়োজন বুলি কোৱা হৈছে। মুঠ ১৭০ কোটি প্ৰতিষেধক অথবা টিকাকৰণৰ বাবে ভাৰতে ইয়াৰ অভিযান ক্ষিপ্ৰতৰ কৰিব লাগিব। বিৰোধী দলৰ অভিযোগ যে কেন্দ্ৰীয় চৰকাৰে অহা ডিচেম্বৰৰ ভিতৰত এশ কোটি লোকক দুটাকৈ প্ৰতিষেধক দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। এতিয়ালৈকে যিহেতু ৩০ শতাংশ লোকককহে সম্পূৰ্ণ বা দুটাকৈ প্ৰতিষেধক দিয়া হৈছে, সেয়ে এশ কোটিক দুটাকৈ প্ৰতিষেধক দিবলৈ হয়তো আৰু কে'বা মাহ অপেক্ষা কৰিব লাগিব। যোৱা ছেপ্টেম্বৰত ভাৰতে ২৩ কোটি ৫০ লাখ লোকক টিকাকৰণ কৰিছিল; কিন্তু অক্টোবৰত এতিয়ালৈকে মাত্ৰ ১১ কোটি টিকাকৰণহে কৰা হৈছে। টিকাকৰণ অভিযান যে মন্থৰ হৈ পৰিছে, এই তথ্যই তাকেই দেখুৱাইছে। অৱশ্যে কেইখনমান ৰাজ্যই টিকাকৰণৰ ক্ষেত্ৰত আগশাৰীত স্থান লাভ কৰিছে। সেই ৰাজ্যবিলাকৰ ভিতৰত উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, পশ্চিমবংগ, গুজৰাটৰ নাম উল্লেখনীয়। এই ক্ষেত্ৰত অসমৰ নামো ল'ব লাগিব। অসমে এতিয়ালৈকে দুই কোটিৰো অধিক লোকক টিকাকৰণ কৰিছে। অসমে ৭০ শতাংশ ১৮ বছৰৰ ওপৰৰ লোকক ইতিমধ্যে প্ৰতিষেধক প্ৰদান কৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ; কিন্তু অসমে এতিয়ালৈকে মাত্ৰ ১৬ শতাংশ লোকককহে সম্পূৰ্ণকৈ বা দুটাকৈ প্ৰতিষেধক প্ৰদান কৰিছে। এই তথ্যই দেখুৱায়, অসমৰ গৰিষ্ঠ সংখ্যক লোকে সম্পূৰ্ণকৈ প্ৰতিষেধক লোৱা নাই। টিকাকৰণৰ ক্ষেত্ৰত গতি মন্থৰ হোৱাটো কোনোপধ্যে কাম্য নহয়।

ভাৰতৰ প্ৰাপ্তবয়স্কৰ বাবে ৯০ কোটি আৰু দুইৰ পৰা ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে ৮০ কোটি প্ৰতিষেধক প্ৰদানৰ কাম কেতিয়ালৈ সম্পূৰ্ণ কৰিব, সিও এক ডাঙৰ প্ৰশ্ন। দুটা প্ৰতিষেধক নল'লে কোনো লোকে সম্পূৰ্ণ প্ৰতিৰোধ ক্ষমতা লাভ কৰিব নোৱাৰিব। দুটা প্ৰতিষেধক ল'লেহে সম্পূৰ্ণ প্ৰতিষেধক লোৱা বুলি ক'ব পৰা যাব। ইতিমধ্যে ৰাছিয়া, ব্ৰিটেইন, ছিংগাপুৰ আৰু চীন আদি দেশত সংখ্যাগৰিষ্ঠ লোকক প্ৰতিষেধক প্ৰদানৰ পাছতো পুনৰ কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি (যেনে ডেল্টা প্লাছ)ৰ সংক্ৰমণ বৃদ্ধি পাইছে। ব্ৰিটেইনে ৬৭ শতাংশ আৰু ছিংগাপুৰে ৮০ শতাংশ লোকক দুটাকৈ প্ৰতিষেধক দিয়াৰ পাছতো এতিয়া পুনৰ ব্যাপক হাৰত ক'ভিডত আক্ৰান্ত হৈছে হেজাৰ হেজাৰ লোক। আনকি চীনে ৭০ শতাংশ লোকক দুটাকৈ প্ৰতিষেধক দিয়াৰ পাছতো ইয়াৰ কোনো কোনো প্ৰদেশত পুনৰ হেজাৰ হেজাৰ লোক ক'ভিডত আক্ৰান্ত হৈছে আৰু আক্ৰান্ত অঞ্চলবিলাকত তলাবন্ধ ঘোষণা কৰিবলগীয়া হৈছে। ইজৰাইলে সকলো প্ৰাপ্তবয়স্ক লোকক তৃতীয়টো প্ৰতিষেধক ল'বলৈ নিৰ্দেশ দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰয়ো প্ৰাপ্তবয়স্কসকলক তৃতীয়টো প্ৰতিষেধক প্ৰদান অব্যাহত ৰাখিছে। ক'ভিড প্ৰতিষেধক তথা পুনৰ সংক্ৰমণৰ ক্ষেত্ৰত এইবিলাক দেশৰ অভিজ্ঞতাৰ পৰা ভাৰতে নিশ্চয় শিক্ষাগ্ৰহণ কৰিব লাগিব আৰু সময় থাকোতেই পদক্ষেপ ল'ব লাগিব।

# অমানৱীয় সীমাহীন অসভ্যতা

## ক্ষমতাসীনৰ উচটনি বা প্ৰশ্ৰয় অবিহনে পৃথিৱীৰ ক'তো সাম্প্ৰদায়িক হিংসা নহয়

### আত্মজিজ্ঞাসা

কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

পৃথিৱীৰ প্ৰায় সকলো দেশতেই জাতিগত বা ধৰ্মীয় সংখ্যালঘু মাত্ৰেই বৈষম্যৰ চিকাৰ। তেওঁলোক সংখ্যাত কম, তেওঁলোকৰ আৰ্থিক বা ৰাজনৈতিক ক্ষমতা সীমিত। সেইবাবে তেওঁলোকৰ ৰক্ষাৰ দায়িত্ব আচলতে সংখ্যাগুৰুৰ ওপৰত। গণতন্ত্ৰৰ প্ৰকৃত অৰ্থ ফৰাচী লেখক আলবেয়াৰ কামুৰ মতে সংখ্যাগুৰুৰ শাসন নহয়, সংখ্যালঘুৰ ৰক্ষণা-বেক্ষণ।

সম্প্ৰতি দুৰ্গা পূজাৰ সময়ত বাংলাদেশৰ বিভিন্ন স্থানত যি ৰক্তপাত আৰু সহিংসতাৰ ঘটনা ঘটিছে, সেই ঘটনাৰ বাবে সংখ্যাগুৰু সম্প্ৰদায়ৰ সকলো সদস্যক দায়ী কৰা অন্যায়। সম্ভৱতঃ ক্ষুদ্ৰ এটা গোষ্ঠী বা কিছু ব্যক্তিয়ে নিজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থসিদ্ধিৰ উদ্দেশ্যে এই কাম কৰিছে। 'নিউয়ৰ্ক টাইমছ'-এ এই ঘটনাক সাম্প্ৰতিক সময়ত বাংলাদেশত সংঘটিত 'সবাতোকৈ ভয়াৱহ সাম্প্ৰদায়িক সংঘৰ্ষ' হিচাপে অভিহিত কৰিছে। এই ঘটনাক এটা ধৰ্মীয় ৰং দিয়াৰ চেষ্টা চলিছে। মুছলমানৰ পৱিত্ৰ ধৰ্মগ্ৰন্থৰ অৱমাননাৰ প্ৰতিবাদত বক্তব্য-বিবৃতিতো আছে, আৰু আছে মিছিল, লণ্ড-ভণ্ড আৰু সহিংসতা। অথচ যি অৱমাননাৰ কথা কোৱা হৈছে, সেয়া আচলতে কাৰ কাম? সেয়া নিৰ্ধাৰণৰ আগতেই ধাৰ্মিক আৰু বুদ্ধিমান ব্যক্তিয়ে কেনেকৈ সংখ্যালঘুৰ কান্ধত দোষ জাপি দিয়ে? পূজা মণ্ডপত মুছলমানৰ পৱিত্ৰ ধৰ্মগ্ৰন্থ থৈ কোনো হিন্দুৱে যে নিজৰ বিপদ মাতি নানে, সেই কথা বুজিবলৈ ৰকেট বিজ্ঞানী হোৱাৰ প্ৰয়োজন নাই।

মহাত্মা গান্ধীয়ে কৈছিল ঃ এখন দেশ বা জাতি কিমান সভ্য, সেয়া বুজিবৰ বাবে সেই দেশৰ বা সেই জাতিৰ নাৰী আৰু সংখ্যালঘুৰ অৱস্থা চোৱাৰ দৰকাৰ। তেওঁলোকে যদি সমানাধিকাৰ ভোগ কৰে, সমাজ বা ৰাষ্ট্ৰ যদি তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ সক্ষম হয়, তেনেহ'লে বুজিব লাগিব, সেই দেশ বা জাতি সভ্য হৈছে। গান্ধীৰ নিৰ্দেশিত সভ্যতাৰ এই মাপকাঠিত বাংলাদেশৰ অৱস্থা গিলাছৰ আধা খালী আধা পূৰ্ণ পানীৰ দৰে।

এটা কথা লক্ষ্য কৰিবলগীয়া যে সংখ্যালঘুৰ ওপৰত আক্ৰমণৰ বিষয়ত সবাতোকৈ আগতে সৰৱ হোৱাৰ কথা দেশৰ মুছলিম ধৰ্মীয় নেতাবোৰৰ; কিন্তু ধৰ্মীয় নেতাবোৰ আগুৱাই অহা দেখা নগ'ল। ইয়াৰ বিপৰীতে অন্ধকাৰত পোহৰ হৈ আহিছে নাগৰিক মহলৰ একাংশৰ প্ৰকাশ্য প্ৰতিবাদ। বিভিন্ন চহৰত অৰাজনৈতিক গোষ্ঠীৰ উদ্যোগত মানৱ বন্ধন হৈছে; কিন্তু প্ৰতিবাদৰ এই প্ৰদীপটো এনেকৈ কঁপি কঁপি জ্বলি আছে যে খুব জোৰে অলপ বতাহ আহিলেই নুমাই যাব একেবাৰেই।

**দুই**

বাংলাদেশত ডেৰ কোটিতকৈও বেছি লোক হিন্দু সম্প্ৰদায়ৰ। পৃথিৱীৰ অধিকাংশ দেশৰ জনসংখ্যা ইয়াতকৈ কম। এই বিৰাট জনগোষ্ঠী মেজৰিটী ছভিনিজমৰ বলি। ধৰ্মীয় সংখ্যালঘুৰ অস্তিত্ব বিপন্ন। তেওঁলোক এতিয়া বিলীয়মান প্ৰজাতি। ১৯৪১ত তেওঁলোকৰ সংখ্যা আছিল শতকৰা ২৮ শতাংশ। সেয়া কমি কমি এতিয়া উপনীত হৈছে ন শতাংশত।

পৃথিৱীৰ সকলোতে কিছু বিবেচনাবোধ থাকে, মানুহৰ কিন্তু সাম্প্ৰদায়িকতাৰ কোনো বিচাৰ-বিবেচনা নাই। ইয়াত কাৰো নিষ্কৃতি নাই। ধৰ্ম লৈ হানাহানি হ'লে নিৰাপদ নহয় কোনো মানুহ। এয়া সবাতোকৈ ভয়ংকৰ। সবাতোকৈ অমানৱীয়। সীমাহীন অসভ্যতা।

উপ-মহাদেশত ধৰ্ম অৱমাননাৰ অভিযোগত দুৰ্বল জনগোষ্ঠীৰ ওপৰত আক্ৰমণৰ ইতিহাস বহু পুৰণি। বেছিভাগ ঘটনাৰ আৰম্ভণি হয় উৰা বাতৰিৰে। ডিজিটেল যুগত উৰাবাতৰিৰ বাহন হৈছে ফেচবুক। মন্দিৰত কোৰান ৰখাৰ যি গল্পটো প্ৰচাৰিত হৈছে, তাৰ চিত্ৰনাট্য খুবেই দুৰ্বল। আৰু এটা কথা। ক্ষমতাসীনৰ উচটনি বা প্ৰশ্ৰয় অবিহনে পৃথিৱীৰ ক'তো সাম্প্ৰদায়িক হিংসা নহয়। সেয়া য'তেই নহওক কিয়। ঢাকা, দিল্লী, গুজৰাট, বছনিয়া, ৰাখাইন।

**তিনি**

ভাৰতৰ নৱম ৰাষ্ট্ৰপতি ড° শংকৰ দয়াল শৰ্মা। গভীৰ জ্ঞানৰ অধিকাৰী ড° শৰ্মাই পৱিত্ৰ কোৰানক লৈ কবিতা এটা লিখিছিল। কবিতাটোৰ শিৰোনাম 'আল কোৰান'। কবিতাটো—

যি আছিল কৰ্ম সঞ্চালনৰ গ্ৰন্থ
হৈ গ'ল প্ৰাৰ্থনা পুস্তক
যি আছিল অধ্যয়নৰ বাবে
ৰৈ গ'ল আবৃত্তিৰ বাবে
জীৱন্তৰ বিধান আছিল
হৈ গ'ল মৃতকৰ ছাড়পত্ৰ
জ্ঞান-বিজ্ঞানৰ শাস্ত্ৰ আছিল
পৰি গ'ল মূৰ্খৰ হাতত
সৃষ্টিক বশ কৰাৰ আহ্বান আছিল
ৰৈ গ'ল মাদ্ৰাছাৰ পাঠ্যক্ৰমত
প্ৰাণহীনক বিচাৰিছিল প্ৰাণৱন্ত কৰিবলৈ
লাগি গ'ল বিদেহীৰ পৰিত্ৰাণ কল্পে
হে মুছলমান, এয়া কি কৰিলা?
চকু মেলা আৰু ভাবি চোৱা।

**চাৰি**

যুক্তৰাষ্ট্ৰভিত্তিক সংস্থা ৱৰ্ল্ড জাষ্টিচ প্ৰজেক্টে শুকুৰবাৰে যি আন্তৰ্জাতিক আইনৰ সূচক প্ৰকাশ কৰিছে, তাত দেখা গৈছে যে বিশ্বৰ ১৩৯ খন দেশৰ ভিতৰত ভাৰতৰ স্থান বহু তলত। এই অৱনতি কেৱল আইনৰ শাসনত নহয়। গণতন্ত্ৰ, সংবাদ মাধ্যমৰ স্বাধীনতা, মানৱাধিকাৰৰ সূচকবোৰতো যে আমি ক্ৰমাগত পিছুৱাই আছো, সেয়া জানিবলৈ বিদেশী সংস্থাৰ প্ৰতিবেদনৰ প্ৰয়োজন নাই। খোলা চকুৰেই বহু কিছু দেখা যায়।

সাতটা বিষয় বিবেচনাত লৈ আইনৰ শাসনৰ সূচক নিৰ্ণয় কৰা হয়। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় ক্ষমতাৰ সীমাবদ্ধতা, নিয়ন্ত্ৰণমূলক ক্ষমতাৰ প্ৰয়োগ, ফৌজদাৰী বিচাৰ আৰু দেৱানী বিচাৰ লাভ কৰা, জন নিৰাপত্তা আৰু চৰকাৰী তথ্য প্ৰকাশৰ মাত্ৰা। ইয়াৰ কোনোটোতেই আমাৰ অগ্ৰগতিৰ লক্ষণ নাই। বৰঞ্চ বেছিভাগ ক্ষেত্ৰতে আমি আগৰ অৱস্থান ধৰি ৰাখিব পৰা নাই। ধৰি ৰাখিবলৈ ব্যৰ্থ হৈছো।

দক্ষিণ এছিয়াৰ দেশবোৰৰ ভিতৰত আইনৰ শাসনত শীৰ্ষত আছে নেপাল (৭০)। তাৰ পাছত শ্ৰীলংকা (৭৬), ভাৰত (৭৯), বাংলাদেশ (১২৪), পাকিস্তান (১৩০) আৰু আফগানিস্তান (১৩৪)।

বিশ্ব ক্ষুধা সূচকত পাকিস্তান, বাংলাদেশ, নেপালতকৈও তলত ভাৰত। বিশ্ব ক্ষুধাৰ তালিকাত ভাৰতৰ স্থান এইবাৰ ১০১ত। এপিনে লাখ লাখ মানুহৰ ক্ষুধাৰ হাহাকাৰ, আনপিনে বিশ্বৰ সৰ্ববৃহৎ সামৰিক শক্তিৰূপে দেশক গঢ়াৰ লক্ষ্য। সাতটা নতুন প্ৰতিৰক্ষা কোম্পানী মুকলি কৰিলে প্ৰধানমন্ত্ৰীয়ে।

**পাঁচ**

মানুহক লৈয়েই দেশ, সমাজ, জাতি, ৰাষ্ট্ৰ, যুদ্ধ-বিগ্ৰহ, ধৰ্ম আৰু পাৰিবাৰিক জীৱন। দেহতত্ত্ব বিশেষজ্ঞৰ মতে পঞ্চ ইন্দ্ৰিয়ৰ দ্বাৰাই মানুহে নিজকে নিয়ন্ত্ৰণ কৰে। চিকিৎসাবিদৰ মতে ২০৬ অস্থিৰে মানুহৰ দেহ গঠিত। তাৰ উপৰি আছে বিভিন্ন উপাদান; কিন্তু মানুহক নিয়ন্ত্ৰণ কৰে তাৰ মন আৰু বিবেকে। আনপিনে, মানুহৰ জীৱন-যাত্ৰাৰ ক্ষেত্ৰত দুটি বিষয়— মানসিকতা আৰু বিবেকৰ দ্বাৰাই তাৰ অৱস্থানৰ বহিঃপ্ৰকাশ ঘটায়। দাসত্ব আৰম্ভ হয় 'শক্তি'ৰ কাষত শিৰ নত কৰাৰ মাধ্যমত। দাসত্ব দুই প্ৰকাৰৰ। শাৰীৰিক আৰু মানসিক।

হোমাৰে কৈছে, 'এজন মানুহৰ ভুলৰ যোগফলৰ নাম জীৱন।' ভুল, প্ৰৱঞ্চনা আৰু দাসত্ব এক কথা নহয়। ভুলৰ মাচুল অনুশোচনা হ'ব পাৰে; কিন্তু দাসত্বৰ কোনো পৰিমাৰ্জনা হ'ব নোৱাৰে, এই কাৰণতে যে মানুহ লোভ আৰু স্বাৰ্থৰ বশৱৰ্তী হৈয়েই দাসত্ব কৰে। মুক্ত মানুহে কাগজে-কলমে স্বাধীন হৈও দাসত্ব কৰে কেৱল নিজৰ স্বাৰ্থ চৰিতাৰ্থ কৰিবৰ বাবে। জাতিৰ স্বাৰ্থৰ পৰিৱৰ্তে।

দিনে দিনে বাঢ়ি গৈছে আমাৰ ভণ্ডামি।

**ছয়**

বৈপৰীত্যৰ নানা কথন। শিক্ষামন্ত্ৰী পেগুৱে আনুষ্ঠানিকভাৱে সংস্কৃত ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে এটা দুবছৰীয়া পাঠ্যক্ৰম মুকলি কৰি সংস্কৃত ভাষা শিকিবৰ বাবে নিজেও সেই পাঠ্যক্ৰমত নামভৰ্তি কৰিছে। এফালে সংস্কৃত ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰ আনপিনে আৰবী ভাষাৰ পাঠদান বন্ধ।

**শিক্ষানীতিৰ লক্ষ্য, উদ্দেশ্য যদি বিবেচিত হয়, তেনেহ'লে আমি দেখিম তাত নীতি-নৈতিকতাৰ কোনো লালন নাই। বৰঞ্চ বস্তুগত লোভ-লালসা-হিংসা-প্ৰতিহিংসাৰ অনুশীলন, অনুসৰণ আৰু অনুশাসন চলিছে। শিক্ষাৰ প্ৰাথমিক স্তৰ বিপৰ্যস্ত। মাধ্যমিক স্তৰ দুৰ্নীতিগ্ৰস্ত। উচ্চ শিক্ষা প্ৰায় ধ্বংসপ্ৰাপ্ত।**

দুৰ্নীতিত আকণ্ঠ নিমজ্জিত ৰাষ্ট্ৰ তৰণী। শিক্ষা যেতিয়া ৰাষ্ট্ৰৰেই অংশ, তেতিয়া শিক্ষা ক্ষতিগ্ৰস্ত নহৈ নোৱাৰে। শিক্ষানীতিৰ লক্ষ্য, উদ্দেশ্য যদি বিবেচিত হয়, তেনেহ'লে আমি দেখিম তাত নীতি-নৈতিকতাৰ কোনো লালন নাই। বৰঞ্চ বস্তুগত লোভ-লালসা-হিংসা-প্ৰতিহিংসাৰ অনুশীলন, অনুসৰণ আৰু অনুশাসন চলিছে। শিক্ষাৰ প্ৰাথমিক স্তৰ বিপৰ্যস্ত। মাধ্যমিক স্তৰ দুৰ্নীতিগ্ৰস্ত। উচ্চ শিক্ষা প্ৰায় ধ্বংসপ্ৰাপ্ত।

দেশত হাতীৰ উৎপাত বাঢ়িছে। হাতী এটাৰ মৃত্যু হ'লে বন বিভাগৰ মানুহ আহে। চৰকাৰৰ মানুহ আহে। হাতীৰ গচকত মানুহৰ মৃত্যু হ'লে কোনো নাহে। চৰকাৰৰ উদাসীনতা মন কৰিবলগীয়া।

গুৱাহাটীত গিজগিজাই আছে পুলিচৰ অসংখ্য উচ্চ পদস্থ বিষয়া। কাৰোবাক পাৰি দিয়ে ৰঙা দলিচা আৰু কাৰোবাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰে প্ৰয়োজনতকৈ বেছি কঠোৰতা।

নিৰীহ জনতাৰ ওপৰত লাঠি চাৰ্জ কৰি পুলিচে দেখুৱায় বীৰত্ব। আনপিনে জয়ন্ত মল্লৰ গাড়ী চালকে পুলিচক দিয়ে ধমকি। বীৰত্ব দেখুৱাবলৈ সাহস নাই। চুপ হৈ থাকে।

৭৮ হেজাৰ বৰ্গকিলোমিটাৰ সৰু এখনি দেশ। এই দৰিদ্ৰ দেশত ইমান নেতা, ইমান বেছি সংগঠন পৃথিৱীৰ আন কোনো দেশতে নাই। ইমান বেছি অশান্ত মানুহ, ইমান বেছি সমস্যা আন কোনো দেশতে নাই। কোটিপতি কোটি কোটিৰ পতি হৈছে। আনপিনে বাঢ়িছে ভিক্ষাৰীৰ সংখ্যা। ভিক্ষাৰী আৰু কোটিপতিয়ে একেই দেশত জন্মগ্ৰহণ কৰিছে। একেই সময়ৰ মানুহ তেওঁলোক; কিন্তু তেওঁলোকৰ মাজত কি আকাশ-পাতাল ব্যৱধান!

দুজন ভিক্ষাৰী। এজন ভিক্ষাৰীয়ে আনজন ভিক্ষাৰীক প্ৰশ্ন কৰিছে ঃ তুমি যে লটাৰীত টিকেট কিনিছা, লটাৰীত টকা পালে কি কৰিবা?

ঃ এখন গাড়ী কিনিম।

ঃ গাড়ীৰে কি কৰিবা?

ঃ গাড়ীত উঠি ভিক্ষা কৰিম। খোজ কাঢ়ি কাঢ়ি ভিক্ষা কৰাত বৰ কষ্ট।

ভিক্ষাৰীৰো মন আছে; কিন্তু সেই মন ভিক্ষাতেই আটক হৈ গৈছে। তাৰ বাহিৰলৈ যাব পৰা নাই।

**সাত**

উচ্চাকাংক্ষা অবিহনে ৰাজনীতি নহয়। হিমন্ত বিশ্ব শৰ্মাই উচ্চাকাংক্ষা নিৰ্ভৰ ৰাজনীতি কৰিয়েই ইমান দূৰ আহিছে। পাঁচ বছৰৰ বাবে মুখ্যমন্ত্ৰী হ'বলৈ অহা নাই। অন্ততঃ ১৫ বছৰ তেওঁ অসমৰ মুখ্যমন্ত্ৰী হৈ থাকিব।

দুগৰাকী কংগ্ৰেছী বিধায়ক আৰু এগৰাকী এ আই ইউ ডি এফৰ বিধায়কক বিজেপিলৈ আনিলে। খুব সম্ভৱ জিকাই লৈ আহিব তিনিওকে। সকলো টকাৰ খেলা। আপোন-পৰ শব্দবোৰ আজি-কালি আপেক্ষিক।

জীৱনৰ চৌদিশে আছে কমেডি

সেয়া ধৰিব নোৱাৰিলে হৈ যায় ট্ৰেজেডী। *ফোন ঃ ০০১৪০৩২৭০১৮১৭*



# মই প্ৰমাণ কৰি দিলো দৰমহা বেছি ভাল

ৰিজু হাজৰিকা

সকলো যুৱক-যুৱতীয়ে দৰমহা পোৱা চাকৰিহে বিচাৰে। যুগ যুগ ধৰি এই স্পৃহাটো আমাৰ সমাজত চলি আছে। গাঁৱৰ ল'ৰা-ছোৱালীবিলাকে কিবা প্ৰকাৰে মেট্ৰিকটো পাছ কৰি চহৰলৈ চাকৰি বিচাৰি আহে। পিয়ন-চকিদাৰেই হওঁক বা কেৰাণী, অফিচাৰেই হওঁক চাকৰি এটা পালেই হ'ল। মাহটো শেষ হোৱালৈ অধৈৰ্য হৈ অপেক্ষা কৰে— কোনদিনা দৰমহাটো পাই। দৰমহা পোৱাৰ লগে লগে গাঁৱৰ ঘৰলৈ যায়। দৰমহাৰ টকাৰে ঘৰ পৰিয়ালৰ সকলোজনলৈ নতুন পোছাক লৈ যায়। এইটো এটা গৌৰৱ আৰু আনন্দৰ কথা।

চাকৰিত বেছি পৰিশ্ৰম নাই। অফিচলৈ গৈয়েই প্ৰথমতে মুখ-হাত ধুই চকিখনত বহে। তাৰ পাছত চাহ আহে। চাহ খাই কোনোৱে তামোল খায়, কোনোৱে চিগাৰেট খায়, কোনোৱে হাতৰ তলুৱাৰ চপৰিয়াই চাদা খায়। তাৰ পাছত এক-আধা ঘণ্টামান ফাইল স্পৰ্শ কৰে। অলপ পাছতে আহে লাঞ্চৰ টাইম। কেণ্টিনলৈ যায়। তাতে আড্ডা মাৰি মাৰি চাহ খায়। তাৰ পৰা আহি আধা ঘণ্টামান কাম কৰি হাত ধোৱে। ঘৰলৈ যোৱাৰ খদম-দম, বজাৰ কৰিব লাগে। এনে ধৰণে চাকৰি পালে, দৰমহা পালে ভাল।

কিন্তু ইয়াৰ ব্যতিক্ৰমো আছে। মোৰ বয়স ২৫ বছৰ হওঁতে মোৰ ছাৰ এজনে মোক কৈছিল— শুনা দৰমহাতকৈ লাভ বেছি ভাল। লাভ মানে 'প্ৰফিট'। লাভ ক'ত, কেনেকৈ হয়? বিজিনেচ কৰিলেহে লাভ হ'ব। দৰমহাখিনিয়ে তোমাক কোনো মতে খুৱাই থাকিব। কিন্তু প্ৰফিটে তোমাক ভাগ্য দিব। দৰমহাই তোমাক সমাজত ধনী লোক বুলি পৰিচয় দিব নোৱাৰে। তুমি যদি আনকি পাৰ্টটাইম উৎপাদন কেন্দ্ৰত যোৱা, অথবা মাৰ্কেটিং বা চাভিচিং ব্যৱসায়ো খোলা তোমাৰ প্ৰফিটে তোমাৰ গোটেই মনোভাৱ সলনি কৰি দিব।

তদুপৰি তুমি যদি কোনো প্ৰশিক্ষণ কেন্দ্ৰ খোলা, পৰামৰ্শ কেন্দ্ৰ খোলা অথবা টিউচন কেন্দ্ৰ খোলা বাতো তোমাৰ লাভ আহিব। সকলো মানুহৰে এটা নিজ নিজ হ'বি থাকে। যেনে কিছুমানে ছবি আঁকি ভাল পায়, কিছুমানে লেখি ভাল পায়, কিছুমানে বাঁহ-বেতৰ কাম কৰি ভাল পায়, কাঠৰ মূৰ্তি তৈয়াৰ কৰি ভাল পায়, কিছুমানে কম্পিউটাৰ তৈয়াৰ কৰি ভাল পায়, কিছুমানে বা ৰন্ধা-বঢ়া কাম কৰি ভাল পায়। গতিকে এবাৰ যদি তুমি এনে এটা কাম আৰম্ভ কৰা তোমাৰ এৰিবলৈ মন নাযাব। ছাৰৰ কথাখিনি মোৰ বৰ মনঃপুত হ'ল।

মই ছাৰৰ কথামতে কেইদিনমান চিন্তা কৰিলো— কোনটো মই ধৰো। মোৰ দুটা কামত সাধাৰণতে মন আছে। এটা হ'ল— ছবি অঁকা, আনটো হ'ল— ৰন্ধা-বঢ়া কৰা। ছবি অঁকাত মই ভালেই আছিলো। প্ৰথমতে ছবি আঁকিছিলো এজনী খোপা ডাঙেৰী তিৰোতাৰ ছবি। তেওঁৰ চুলি কোছা আছিল বৰ দীঘল। সেই চুলিৰে এটা মস্ত খোপা বান্ধি দিলো। খোপাত গুজি দিছিলো এটা হালধীয়া নাৰ্জি ফুল। ওঁঠত লগাই দিছিলো ৰঙা লিপষ্টিক। তলত লিখি দিলো খোপা ডাঙেৰী। খোপা ডাঙৰীক সকলোৰে চালে, কিন্তু নিকিনিলে। চৰাইৰ ছবি আঁকিলো নানা চৰাই। কপৌ, শালিকা, বগলী চৰাই। সকলোৰে চালে, কিন্তু কোনেও নিকিনিলে। হতাশ হৈ ছবি অঁকা কামো এৰি পেলালো। এইবাৰ ধৰিলো ৰন্ধা বঢ়া কামত। মই ক্লাছ চিক্সত পঢ়াৰে পৰা এটা মেচত ৰান্ধনি আছিলো। এপোৱা মাংসত একৈশটা জলকীয়া দি মাংস ৰান্ধিলো। মেচৰ সদস্য সকলে খাব নোৱাৰি মুখ মেলি দিলে। তাৰ পাছত মেচ এৰি পাঁচ আলিত এখন টেবুল পাৰি তাতে পকৰী, আলুৰ চপ, ঘুগুনি আদি বনালো। তাতে দুদিনমান এইবোৰ বিক্ৰী হ'ল। কিন্তু শেষত কোনো গ্ৰাহক নহা হ'ল। কাৰণ তাতে তেনেকুৱা দোকান কে'বাখনো হ'ল। অৱশেষত ৰন্ধা বঢ়া ব্যৱসায়টো এৰি দিলো। এনেদৰে কে'বাটাও ব্যৱসায় কৰি এৰি দিলো— লাভ নহ'ল তাৰ পাছত পুতলা ব্যৱসায়ত ধৰিলো। তাৰো মাৰ খালো। তাৰ পাছত কাগজৰ চিলা বনোৱা কামত ধৰিলো। তাতো মাৰ খাই এৰি দিলো। তাৰ পাছত কে'বাটাও ব্যৱসায়ত ধৰি মাৰ খাই এৰি দিলো।

শেষত এদিন ছাৰক লগ ধৰি কথাটো অৱগত কৰিলো। ছাৰে ক'লে— হে তুমি কামবিলাক এৰি দিব নালাগিছিল। ব্যৱসায়ত এনেকুৱাই। ডাঙৰ ডাঙৰ কোম্পানী বিলাকৰো প্ৰথমতে লচ। কিন্তু এৰি নিদিয়ে। পাছত লাভ হয়। তোমাৰো এনেকুৱাই। মই ক'লো— নহয় ছাৰ মই নোৱাৰিম। মই চাকৰি এটাকে বিচাৰি ল'ম। ছাৰে মুখেৰে একো নামাতিলে। ময়ো গুচি আহিলো। আহি চাকৰি বিচাৰি এটা অফিচত কাম এটা পালো। চাহ-মিঠাই আনি দিব লাগে। দৰমহা মাহে আঠ হেজাৰ।

ইয়াতে মোৰ লাভ হ'ল। অফিচৰ কৰ্মচাৰী ছাৰহঁতে সদায় ৰুটি, পৰঠা, ৰসগোল্লা খায়। মই হিচাপ কৰি পইচা লৈ সেইবোৰ কিনি আনো। ৰসগোল্লাবোৰ চেপি চেপি ৰসখিনি মই শ্লাইচৰ লগত খাও, ৰুটিৰো আধা ছিঙাবোৰ খাওঁ। মই টিফিন খিনি খাবই নালাগে। চুবুৰিতো মোৰ নাম হ'ল— মই চাকৰি পালো। বিজিনেচতকৈ চাকৰি ভাল বুলি প্ৰমাণ কৰিলো। মোক ছোৱালী দিয়া মানুহৰো আকাল নোহোৱা হ'ল। ভাল চহকী মানুহৰ ছোৱালী এজনী বিয়া কৰালো। এতিয়া মই অফিচৰ চকীত বহি থাকো।

# দাঁতত লাগিল এওঁৰ ভাত ঘাটত ভাঙিল তেওঁৰ মাত

মনোজ কুমাৰ ভট্টাচাৰ্য

— হেৰা, ক'ত আছাহে তুমি? আহাচোন ওলাই আহা, কি আনিছো চোৱাহি।
— গৈ আছো।
— বেগতে আহা। মোৰ ৰৈ থাকিবলৈ সময় নাই।
— বাপ্‌ৰে কি অধৈৰ্য মানুহহে আপুনি?
— তাৰমানে ইমান পৰে তুমি মোৰ ধৈৰ্যৰ পৰীক্ষা লৈ আছা হয়নে?
— মই কাপোৰ ইস্ত্ৰি কৰি আছিলো। গৰম ইস্ত্ৰিটো থৈ ফটকৈ ওলাই আহিব নোৱাৰি নহয়।
— ঠিক আছে, বুজিলো। তুমি বুদ্ধিমতীৰে কাম কৰিছা।
— কিয় মাতিছিল কওক। মোৰো ৰৈ থাকিবলৈ সময় নাই।
— ডায়লগ নামাৰিবাহে তুমি? তোমালৈ এয়া কি আনিছো আগতে চাই লোৱা।
— কি আনিছেনো?
— দেখুৱাও ৰ'বা। মোকহে কোৱা, এতিয়া দেখোন তুমিয়েই অধৈৰ্য হৈ পৰিছা।
— আগতে কওঁক চকু মেলি থাকিম নে মুদি থাকিম?
— তোমাৰ ইচ্ছা। এয়া লোৱা। কাপোৰ আনিছো তোমালৈ। পূজাৰ কাপোৰ।
— কি মানুহহে আপুনি? কাপোৰ লৈ ড্ৰয়িংৰুমৰ পৰাই মাতি আছিল যে! ভিতৰলৈ যোৱা নাই কিয়? ইচ একেবাৰে শাৰী নহয় যেন মোলৈ গাড়ী এখনহে আনিছে, ইয়াত নাচালে নহয়।
— ইয়ালৈ তোমাক মাতি অনাৰ কাৰণ আছে বুজিছা? চলিহানী আহি আছে তোমাৰ পূজাৰ কাপোৰ চাবলৈ।
— কোনে ক'লে আপোনাক? তেওঁক লগ পাইছিল নেকি?
— অ'। ঘৰত নাথাকেই নহয় মানুহজনী। ৰাস্তাতহে থাকে। মোক দেখিয়েই মাত দিলে বুজিছা?
— তাৰ পাছত?
— হাতত বেগকেইটা দেখিয়েই পূজাৰ কাপোৰ আনিলেই নেকি? ৰজাৰ দৰে বজাৰ কৰিব পৰাটো কিমান মজাৰ কথা আপুনিহে ভালকৈ জানে দেই, হয়নে? বুলি টিপ্পনী এটাও মাৰিলে।
— আপুনি কি ক'লে? মোলৈ কাপোৰ অনা বুলি ক'লে নেকি?
— কৈছো। সেইবাবেতো তেওঁ কাপোৰ চাবলৈ আহিব বুলি কৈছে। গতিকে মই এইখিনি ইয়াতে থৈছো। তেওঁ আহিলে আকৌ উলিয়াইহে আনিব লাগিব। মিছাতে কাম বাঢ়িবহে।
— কিয় ক'লে? ক'ব নালাগিছিল। সকলোকে বাটে-বাটে কৈ অহাৰ দৰকাৰ নাই নহয়।
— কি কোৱাহে তুমি? বাটে বাটে কাক কি কৈ আহিলো? তেওঁ সুধিছে বাবেহে কৈছো।
— আনক ক'লেও একো কথা নাই। তেওঁ জানিলেহে বিপদ। মানুহজনী বৰ হিংসাকুৰীয়া নহয়।
— হেৰা, এইবোৰ কথাত মূৰ নঘমাবা বুজিছা। দস্তুৰমত নিজৰ ঘামৰ টকাৰে নিজৰ পত্নীৰ বাবে পূজাৰ কাপোৰ আনিছো। ইয়াত লুকাবলগীয়া কি আছেহে?
— সেইটোতো হয়েই। পিছে পদুলি শুঙাজনী কি সাংঘাতিক আপুনিতো নাজানে? ঘৰে ঘৰে চাহ-তামোল খাই কথা লগাই ফুৰেহে।
— য'তে ঘূৰে ঘূৰক, য'তে ফুৰে ফুৰক দিয়া। আমাৰনো কি? কথা লগোৱা, আনক ঠগোৱা সেইটোতো তেওঁৰ স্বভাৱেই।
— সিদিনা আমাৰ কথাও ঘাটত বৰ বেয়াকৈ কৈছে জানে?
— কওক দিয়া। কাৰ মুখতনো সোপা দিবলৈ যাবা। সকলোৰে বাক্ স্বাধীনতা আছে যেতিয়া যাৰ যি ইচ্ছা তাকে ক'বই। তুমি কাণ নিদিলেই হ'ল।
— কাণ দিয়াততো নায়েই, আজিৰ পৰা তেওঁক স্থান দিয়াতো নাই। কাৰোবাৰ দাঁতত এটা ভাত লাগিলেও তাকে ৰহণ লগাই তেওঁ ঘাটত মাত ভাগি মৰে কিয় বুজিয়েই নাপাওঁ।
— সেইটো তেওঁৰ স্বভাৱেই। কথাতে কয় নহয়— চোৰে নেৰে চোৰ বৃত্তি, কুকুৰে নেৰে ছাই, যাৰ যি স্বভাৱ মৰিলেও লগতে যায়।
— সিদিনা যে মই ঘৰ মচি থাকোতে পিছলি ফ্ৰিজত




খুন্দা খাই কপালত দুখ পালো, সেইটো চলিহানীৰ মুখত বেলেগ ৰূপ পালে জানেনে? বৰানীয়ে মোক কৈছে নহয়।
— কি ?
— আপুনি বোলে মোক মাৰি কপাল ফুলাই দিছে। লাজতে মানুহৰ আগত মই ফ্ৰিজত খুন্দা খোৱা বুলি কৈছো। চাওকচোন ক'ৰ কি কথা কয়? মানুহে কি ভাবিব কওঁকচোন?
— একো নাভাবে। তেওঁকো সকলোৰে জানে, আমাকো জানে দিয়া।
— কূটনীজনীৰ কি চাব ফুটনি? বাটে-ঘাটে, য'তে-ত'তে কেৱল পৰচৰ্চা, পৰনিন্দা। যত দোষ আনৰ গাত, নিজে কিন্তু ধোৱা তুলসীৰ পাত।
— হেৰা, ভাষাৰ ব্যাকৰণ নজনা লোকৰ পৰা তুমি সাহিত্যৰ কথা আশা কৰাটো জানো উচিত?
— ঠিকেই। *ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৪ অক্টোবৰ দেওবাৰ, ২০২১ পৃষ্ঠা ৫

# মহাত্মাৰ অন্তৰংগ বিদেশী ভক্তগণ

## নিজ পৰিশ্ৰমৰে জীৱিকা অৰ্জন কৰাৰ সকলোৰে অধিকাৰ আছে, সেই জীৱিকাৰ মূল্য লাগে এজন নাপিতৰে হওক বা এজন উকীলৰে হওক



**১৮৮৮ত** মোহনদাস গান্ধীয়ে লণ্ডনলৈ আহিয়েই বেৰিষ্টাৰী আইন শিক্ষাৰ অৰ্থে 'দ্য ইনাৰ টেম্পল' অনুষ্ঠানত ভৰ্তি হয়হি। এই অনুষ্ঠানত তিনি বছৰীয়া পাঠ্যক্ৰমত উত্তীৰ্ণ হ'ব পাৰিলেই বৃত্তিধাৰী বেৰিষ্টাৰৰ যোগ্যতা অৰ্জন কৰিব পাৰি। নিৰামিষ খাদ্যৰ বাবে তেওঁ প্ৰথম অৱস্থাত অসুবিধা পালেও লণ্ডনৰ নিৰামিষ খাদ্যৰ ৰেস্তোৰাঁকেইখন বিচাৰি পোৱাৰ পাছত তেওঁৰ সেই সমস্যা দূৰ হয়। সেই সময়ত লণ্ডনত চিন্তাবিদসকলৰ মাজত ঈশ্বৰ তত্ত্ব আৰু নিৰীশ্বৰবাদ— দুয়োটা বিষয়ৰ চৰ্চাই গুৰুত্ব লাভ কৰিছিল আৰু লগতে নিৰামিষভোজী আন্দোলনো চলি আছিল। নিৰামিষভোজী আন্দোলনটো কেৱল নিৰামিষ আহাৰতে আৱদ্ধ নাছিল। পাাচাত্যৰ চিন্তাশীল সাহিত্যিক ইমাৰ্চন, হেনৰিথৰো আৰু ৱাল্ট হুইট্‌মেনৰ নিচিনা মনীষীসকলৰ অতীন্দ্ৰিয়বাদ আৰু প্ৰকৃতিবাদ চিন্তাধাৰাৰ সোঁতে লণ্ডনত যি খলকনি তুলিছিল, তাৰেই প্ৰতিসৰণকাৰী সোঁতৰ দৰে বৈছিল নিৰামিষ্যবাদ। নিৰামিষ্যবাদত নিহিত হৈ আছিল মানৱতাবাদ আৰু সমাজবাদৰ আদৰ্শ। মোহনদাসে নিজৰ মনৰ স'তে মিল থকা এই অনুষ্ঠানবোৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিল। এই সময়তে যোচিয়া অ'ল্ডফিল্ড নামৰ থিয়'লজিষ্টৰ (ব্ৰহ্মবাদী) এজনৰ আগমন ঘটিছিল লণ্ডনলৈ। এওঁ থিয়'লজী বিষয়ৰ স্নাতক আছিল আৰু পাছলৈ এজন বেৰিষ্টাৰ আৰু চিকিৎসক হৈছিল। অ'ল্ডফিল্ডে নিৰামিষ্য আন্দোলনৰ Vegetarian নামৰ সাপ্তাহিক আলোচনীখনৰ সম্পাদকৰ ভাৰ লৈ ১৮৯০ত অনুষ্ঠিত 'আন্তৰ্জাতিক ভেজিটেৰিয়ান কংগ্ৰেছ'লৈ মোহনদাসক নিমন্ত্ৰণ জনোৱাৰ পাছৰে পৰা তেওঁ ইমানেই উদ্বুদ্ধ হ'ল যে লণ্ডন ভেজিটেৰিয়ান ছ'চাইটীৰ কাৰ্যকৰী কমিটীৰ সদস্য হৈ পৰিল। থিয়ছ'ফিষ্ট বন্ধু অ'ল্ডফিল্ড আছিল মোহনদাসতকৈ ছবছৰৰ জ্যেষ্ঠ। এই ইংৰাজ বন্ধুজনৰ লগত তেওঁৰ যিমান অন্তৰংগভাৱে বন্ধুত্ব গঢ় লৈ উঠিছিল, অন্য কোনো ইংৰাজ ভদ্ৰলোকৰ লগত সিমানখিনি হোৱাগৈ নাছিল। এইজন বন্ধুৰ লগত মোহনদাসে একেলগে বাস কৰিছিল। আত্মজীৱনীত গান্ধীজীয়ে লিখিছিল, এজন নৱদীক্ষিতৰ প্ৰবল উদ্যমৰে তেওঁ অ'ল্ডফিল্ডৰ লগত বাস কৰা ঘৰৰ ওচৰতে এটা 'ভেজিটেৰিয়ান' ক্লাব গঠ কৰি নিজে ছেক্ৰেটাৰী হৈ বন্ধু অ'ল্ডফিল্ডক সভাপতি কৰি লৈছিল। অ'ল্ডফিল্ডৰ উদগনিত মোহনদাসে নিৰামিষ্যবাদৰ বিষয়ে বক্তৃতা দিয়া আৰু সাক্ষাৎকাৰতো অংশগ্ৰহণ কৰিছিল। এনেবোৰ অনুষ্ঠানতে ২১ বছৰীয়া মোহনদাসৰ ৰাজনৈতিক আৰু দাৰ্শনিক চিন্তাধাৰাৰ দিশটোও উন্মোচিত হৈ উঠিছিল। ক্ৰমে নিৰামিষ্যবাদীসকলৰ মাজত গান্ধী এক খ্যাতিসম্পন্ন ব্যক্তিৰূপে স্বীকৃত হ'ল, যিহৰ বাবে তেওঁ বন্ধু অ'ল্ডফিল্ডৰ প্ৰতি কৃতজ্ঞ হৈ থাকিল। এৱেঁই গান্ধীৰ প্ৰথম বিদেশী বন্ধু আৰু ভক্ত। ১৯২০ত লুই ৰিচ্ছ নামৰ এজন ইউৰোপীয় বন্ধু তথা ভক্ত তেওঁ বিচাৰি পালেহি দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গ চহৰত। সেই সময়ত গান্ধীয়ে অহিংস আন্দোলনৰে দক্ষিণ আফ্ৰিকাৰ প্ৰৱাসী ভাৰতীয়সকলক শ্বেতাংগ চৰকাৰখনৰ বৰ্ণ-বৈষম্যৰ নাৰকীয় আচৰণৰ বিৰুদ্ধে নেতৃত্ব দিছিল। এই অহিংস আন্দোলনৰ সত্যাগ্ৰহ অভিযানৰ দ্বাৰাই গান্ধীজীয়ে ভাৰতীয়সকলক বৰ্ণ বৈষম্যৰ নিৰ্যাতনৰ পৰা মুক্তি দিবলৈ সক্ষম হৈছিল আঠ বছৰ কালৰ সংগ্ৰামৰে। এনে সংগ্ৰামৰ মাজতে ইউৰোপীয় বন্ধু লুই ৰিচ্ছৰ সহায়ত জোহান্সবাৰ্গত এটা ওকালতি কেন্দ্ৰ খুলি বসবাস কৰিবলৈ লৈছিল। গান্ধীক সহায় কৰিবলৈ চাৰিজন ভাৰতীয় কেৰাণী আৰু ৰাছিয়াৰ পৰা অহা 'মিছ চেল্‌চিন' নামৰ এজনী ১৭ বছৰীয়া যুৱতীক ছেক্ৰেটাৰীৰূপে নিযুক্তি দিছিল। এইগৰাকী নৱাগতাই গান্ধীৰ মহানুভৱতা আৰু আদৰ্শত উদ্বুদ্ধ হৈ খুব কম বেতনতে কাম কৰি দিছিল আৰু গান্ধীয়েও তেওঁক নিজ কন্যাৰ দৰে জ্ঞান কৰিছিল। বিদেশী বন্ধু লুইৰিচ্ছে গান্ধীৰ আদৰ্শত উদ্বুদ্ধ হৈ ব্যৱসায়ী ফাৰ্মৰ মেনেজাৰৰ পদ ইস্তফা দি গান্ধীৰ ওকালতি চেম্বাৰত চাকৰি ল'লেহি। ইতিমধ্যে ১৯০৪ত জোহান্সবাৰ্গত 'প্লেগ' মহামাৰীয়ে দেখা দিলে। এই খবৰ পায়েই গান্ধীজীয়ে সহযোগীসকলৰ স'তে প্লেগসকলৰ সেৱা-শুশ্ৰূষা কৰিবলৈ ল'লে। চহৰৰ অন্য এজন স্থানীয় ডাক্তৰে নাৰ্ছৰে স'তে আহি ৰোগী চিকিৎসা কৰিলে। গান্ধীয়ে তেওঁ বিশ্বাস কৰা মাটি আৰু পানীৰ প্ৰাকৃতিক চিকিৎসা ৰোগীসকলক দিবলৈ ইচ্ছা কৰাত ২৩ জন ৰোগীৰ মাত্ৰ তিনিজনেহে তেওঁৰ চিকিৎসা গ্ৰহণ কৰিলে। শেহত ৰোগীসকলৰ মৃত্যু হ'বলৈ ধৰাত গান্ধীয়ে চিকিৎসা কৰা মাত্ৰ দুজন ৰোগীহে বাচি থাকিল। বিদেশত গান্ধীৰ এনে জনসেৱা কাকতে-পত্ৰে প্ৰকাশিত হোৱাৰ খবৰে দুজন শ্বেতাংগ ব্যক্তিক কেৱল আকৰ্ষিত কৰাই নহয়, তেওঁলোক দুয়োজনকে অনুপ্ৰাণিত কৰিলে। ব্যক্তি দুজন আছিল এলবাৰ্ট ৰেষ্ট আৰু হেনৰি পোলক। এলবাৰ্ট ৰেষ্ট এগৰাকী ধীৰস্থিৰ, দয়ালু আৰু ঈশ্বৰ বিশ্বাসী ইংৰাজ লোক। গান্ধীয়ে তেওঁক নিৰামিষ ৰেস্তোৰাঁ এখন লগ পোৱাৰে পৰা দুয়োৰো মাজত বন্ধুত্বই গঢ় লৈছিল। দ্বিতীয়জন ২২ বছৰীয়া ব্যক্তি আছিল ব্ৰিটিছ ইহুদী যুৱক হেনৰি পোলক। গান্ধীৰ দৰে নিৰামিষভোজী আৰু প্ৰাকৃতিক চিকিৎসাত বিশ্বাসী। ইংৰাজ যুৱকজনৰ লগত চিনাকি হৈ গান্ধীয়ে যেন তেওঁৰ মনৰ মানুহজনকহে বিচাৰি পালে। প্ৰগাঢ় বন্ধুত্ব গঢ় লৈ উঠিল দুয়োৰে মাজত। ১৯০৪ত ডাৰবানলৈ যোৱা ৰেলখনত গান্ধী উঠিবৰ সময়ত হেনৰি পোলকে তেওঁক দেখা কৰিবলৈ আহি জন ৰাস্কিন প্ৰণীত Unto This Last গ্ৰন্থখন পঢ়িবলৈ দিছিল। ২৪ ঘন্টাৰ সেই ট্ৰেইন যাত্ৰাত গ্ৰন্থখন পঢ়ি তেওঁ ইমানেই সম্মোহিত হ'ল যে চিন্তা কৰিবলৈ ধৰিলে, তেওঁ নিজে চিন্তা কৰা কথাবোৰেইচোন গ্ৰন্থখনত লিখিছে। গ্ৰন্থৰ কথাখিনি আছিল, 'নিজ পৰিশ্ৰমৰে জীৱিকা অৰ্জন কৰাৰ সকলোৰে অধিকাৰ আছে, সেই জীৱিকাৰ মূল্য লাগে এজন নাপিতৰে হওক বা এজন উকীলৰে হওক। এই কৰ্মীসকলৰ জীৱনেই সাৰ্থক জীৱন।' সেই মূল্যৱান কথাষাৰকে সাৰোগত কৰি গান্ধীয়ে সংকল্প ল'লে, বেৰিষ্টাৰৰ বৃত্তি এৰি তেওঁ কায়িক পৰিশ্ৰমৰে জীৱিকা অৰ্জন কৰিব। এই উদ্দেশ্যে তেওঁ ডাৰবান চহৰৰ নিকটৱৰ্তী 'ফিনিক্স' নামৰ ঠাইত তেওঁৰ ধনী ভক্তসকলৰ অৰ্থ-সাহায্যৰে সহকৰ্মীসকলৰ বাবে এখন কৃষি পাম স্থাপন কৰি ল'লে। গান্ধীৰ একান্ত ভক্ত হেনৰি পোলকে অতি উৎসাহেৰে কৃষি পামখনত থাকিবলৈ ল'লে। পোলকে যেন তেওঁৰ কল্পনাৰ ঠাইখনহে বিচাৰি পালে। অন্য ভক্তসকলেও নিজ নিজ পৰিয়ালৰে স'তে আহি এই সৎ কৰ্মত যোগ দিলেহি। ইতিমধ্যে কস্তুৰবাই ল'ৰাকেইটাৰে স'তে দক্ষিণ আফ্ৰিকালৈ আহি তেওঁলোকৰ লগত বাস কৰিলে। পোলকে 'মিলি' নামৰ এজনী ইংৰাজ যুৱতীক বিয়া কৰোৱাৰ ইচ্ছা শুনি গান্ধীয়ে এই বিবাহৰ আয়োজন কৰি সস্ত্ৰীক পোলকক ফিনিক্স বাসস্থানতে ৰাখিলে। সেইদৰে অবিবাহিত ভক্ত এলবাৰ্ট ৰেষ্টে লণ্ডনৰ জোতা ফেক্টৰীৰ শ্ৰমিক এগৰাকীক বিয়া কৰাই শাহুৰেককো লগত আনি ফিনিক্স বাসস্থানত থাকিবলৈ ল'লে। এনে অৱস্থাত পূব আৰু পশ্চিমীয়া সংস্কৃতিৰ মিলনথলীলৈ পৰিণত কৰিলে গান্ধীৰ যুটীয়া পৰিয়ালৰ ঘৰখনে। পূৰ্বৰে পৰা গান্ধী পৰিয়ালে 'বসুধৈব কুটুম্বকম্' মনোভাৱেৰে একেলগে বাস কৰাৰ অভ্যাস কৰি লৈছে। চাওঁতে চাওঁতে ফিনিক্সৰ আশ্ৰমসদৃশ বাসভূমিখন ৩৩টামান পৰিয়ালৰ এখন সৰু গাঁও হৈ পৰিল। সময় পালে পোলকে গান্ধীৰ ল'ৰাকেইটাক শিক্ষাদান কৰে। ক্ৰমে চৰকাৰ বিৰোধী আইন অমান্য আন্দোলনে গুৰুৰ ৰূপ ল'লে। গান্ধীৰ বাবে সত্যাগ্ৰহ সংগ্ৰাম হ'ব এক সত্যৰ পৰীক্ষা। গান্ধীজীক অসংখ্য সংত্যাগ্ৰহীৰে স'তে কে'বাবাৰো চৰকাৰে কাৰাগাৰত ৰাখিলে। তেওঁৰ বিদেশী ভক্তকেইজনো গ্ৰেপ্তাৰৰ পৰা হাত সাৰিব নোৱাৰিলে। কাৰাবৰণ কৰা আন্দোলনকাৰী আৰু তেওঁলোকৰ জেইলত থকা সময়খিনিত পৰিয়ালবিলাকৰ ভৰণ-পোষণৰ বাবে গান্ধীয়ে ফিনিক্সৰ দৰে জোহান্সবাৰ্গৰ ওচৰত এখন কৃষিপাম স্থাপন কৰিলে। এই দিশত ভাৰতৰ উদ্যোগপতিসকলৰ অৰ্থ-সাহায্যত কৃষি পামখনে গঢ় লৈ উঠিল। গান্ধীৰ সম্পদশালী জাৰ্মান বন্ধু কেলেনাবাখও অৰ্থ-সাহায্য কৰি কৃষি পামখনতে থাকিবলৈ ল'লে। এইজন স্থপতিবিদ বন্ধু আছিল গান্ধীৰ স'তে সমভাৱাপন্ন, যিজনে প্ৰথম লগ পোৱাৰ দিনাই গান্ধীৰ পৰা বুদ্ধদেৱে সন্ন্যাস লোৱাৰ বিষয়ে জানিব বিচাৰিছিল। স্বাধীনতা আৰু সমাজ সংস্কাৰৰ চিন্তাধাৰাৰে কৃষি পামৰ বাসস্থানখনৰ নাম দিলে 'টলষ্টয় ফাৰ্ম' এই ফাৰ্মত সত্যাগ্ৰহীসকলে কাৰাগাৰত কয়দীৰ জীৱন কটোৱাৰ অভ্যাস কৰিবলৈ জেইলৰ কয়দীৰ নিচিনাকৈ শ্ৰম আগবঢ়ায়। কেলেনাবখে পামৰ ঘৰ-দুৱাৰ সজাৰে পৰা থকা-মেলাৰ কাঠৰ আচবাব সাজি গান্ধীক সহায় কৰিলে। জাৰ্মান বন্ধুজনে 'মনাষ্টেৰি'লৈ গৈ চামৰাৰ চতি-জোতা তৈয়াৰ কৰিবলৈ শিকি আশ্ৰমবাসীকো এই শিল্পকৰ্ম শিকালে। আশ্ৰমৰ ওপৰঞ্চি চতি-জোতাবোৰ কেলেনাবাখে বন্ধু-বান্ধৱক বেচি আশ্ৰমবাসীক অৰ্থ-সাহায্য কৰে। সংগ্ৰামৰ সময়ত গান্ধীক পদে পদে সহায় কৰি এওঁ গ্ৰেপ্তাৰ বৰণেৰে কাৰাগাৰত বাস কৰে। ইপিনে, দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ চৰকাৰখনৰ আন্দোলনকাৰীক কৰা গুলিচালনা, গ্ৰেপ্তাৰ আদি নিৰ্যাতনবোৰৰ বিষয়ে সমগ্ৰ পৃথিৱীত প্ৰসাৰিত হ'বলৈ ধৰিলে। গান্ধীক সহায় কৰিবলৈ ভাৰতৰ পৰা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'শান্তি নিকেতন'ৰ ইংৰাজ অধ্যাপকদ্বয় ৰেভাৰেণ্ড চাৰ্লছ এণ্ড্ৰুজ আৰু উইলিয়াম পিয়াৰ্ছনে দক্ষিণ আফ্ৰিকা ওলালহি। আনহাতে, বিশ্ব জনমতৰ ধিক্কাৰ ৰোধ কৰাৰ অৰ্থে শ্বেতাংগ চৰকাৰখনে এটা কমিছন গঠন কৰি ইয়াৰ দ্বাৰা গান্ধীক জেইলৰ পৰা মুক্তি দিলে। লগতে হেনৰি পোলক আৰু কেলেনবাখকো মুকলি কৰি দিলে। ডাৰবান বন্দৰত উপস্থিত হোৱা ৰেভাৰেণ্ড এণ্ড্ৰুজ আৰু পিয়াৰ্ছনক স্বাগত জনাবলৈ গান্ধী বন্দৰত উপস্থিত হ'লহি। এণ্ড্ৰুজে পৰম শ্ৰদ্ধাৰে গান্ধীক ভৰি ছুই প্ৰণাম জনালে। শেহান্তৰত ভাৰতৰ পৰা অহা এই দুজন ৰেভাৰেণ্ড অধ্যাপকৰ মধ্যস্থতাত প্ৰৱাসী ভাৰতীয়সকলৰ ইমানদিনে চলি থকা যুঁজখনৰ সামৰণি পৰিল আৰু আন্দোলনৰো লক্ষ্য পূৰণ হ'ল। গান্ধীৰ অবিচল নেতৃত্বই প্ৰমাণ কৰি দেখুৱালে সত্যাগ্ৰহৰ অস্ত্ৰ যিসকলে ধাৰণ কৰে, তেওঁলোকে কেতিয়াও পৰাজয় নামানে। দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলৰ সমস্যা সমাধান কৰি গান্ধীজীয়ে পত্নী কস্তুৰবাৰ স'তে ভাৰতলৈ আহি পৰাধীন দেশখনৰ স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিলে। উল্লেখ্য যে চি এফ এণ্ড্ৰুজে ১৯৪০ৰ পাঁচ এপ্ৰিলৰ দিনা কলিকতাত মৃত্যুবৰণ কৰে। গান্ধীয়ে দেখা কৰিবলৈ যাওঁতে তেওঁ কৈছিল, 'মোহন! স্বৰাজ আহি আছে।' গান্ধীজীৰ জীৱনত তেওঁক 'মোহন' বুলি সম্বোধন কৰা মাত্ৰ এজন খ্যাতনামা ব্যক্তি এণ্ড্ৰুজেই আছিল।

১৯২৫ত 'মেডেলিনা শ্লেভ' নামৰ এগৰাকী যুৱতীয়ে সবৰমতী আশ্ৰমত গান্ধীজীৰ শিষ্যাৰূপে থাকিবলৈ লয়হি। এওঁ আছিল ব্ৰিটিছ এড্‌মিৰেল এজনৰ কন্যা। মহাত্মা গান্ধীৰ বিষয়ে কিতাপে-পত্ৰে পঢ়ি জীৱনৰ প্ৰকৃত আনন্দ বিচাৰি পালে যদিও তেওঁ ভোগ-বিলাসৰ মাজত ডাঙৰ-দীঘল হৈছিল। গান্ধীজীয়ে তেওঁক নিজা কন্যাৰূপে আঁকোৱালি লৈ নাম দিলে 'মীৰা'। ইয়াৰ অৰ্থ হ'ল মধ্যযুগৰ ৰাজপুত ৰাজকুমাৰী মীৰাই ভগৱান শ্ৰীকৃষ্ণৰ বাবে সৰ্বস্ব ত্যাগ কৰিছিল। ২২ বছৰ ধৰি মীৰাই মহাত্মাৰ কুটীৰৰ কাষতে এটা সৰু কুটীৰত বাস কৰি গান্ধীৰ সহায়িকা আৰু শিষ্যা হৈ থাকিল। ১৯৪৭ৰ দুই অক্টোবৰ আছিল মহাত্মাৰ ৭৮ সংখ্যক জন্মদিৱস। পুৱাই মীৰাই আশ্ৰমৰ পৰা আহি বাপুজীৰ কোঠাৰ মজিয়াত পুষ্প সজ্জাৰে আঁকিলে পৱিত্ৰ 'ওঁম' শব্দ আৰু অন্যান্য ধৰ্মীয় প্ৰতীক। প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু প্ৰমুখ্যে সকলো নেতাই আহি মহাত্মাক অভিনন্দন জনালে। দেশ-বিদেশৰ পৰা আহিল জাপ জাপ অভিনন্দন টেলিগ্ৰাম। বাপুৱে সকলোকে অনুৰোধ কৰিলে ভগৱানৰ ওপৰত প্ৰাৰ্থনা কৰিবলৈ যে দেশৰ ঘৃণা আৰু হত্যাৰ জ্বলন্ত প্ৰতিৱেশত তেওঁ জীয়াই থাকিব নোৱাৰে। এই পাশৱিক নৰমেধৰ অসহায় দৰ্শক হৈ থকাতকৈ তেওঁক যেন ভগৱানে এই অশ্ৰুসাগৰৰ পৰা লৈ যায়; তেওঁ নিজেও ভগৱানৰ ওচৰত এই ভিক্ষাৰে প্ৰাৰ্থনা জনালে।



হেনৰি পোলক



যোচিয়া অ'ল্ডফিল্ড



অৱলোকন
অহল্যা গগৈ

ফোন: ৯৯৫৪০৩৮৭০৪

# আন্দোলন



ডাঃ নৰেন্দ্ৰ নাথ দত্ত

বৰ্তমান আমি এক জটিল পৰিস্থিতিৰ মাজেৰে গৈ আছো। কৰ'না অতিমাৰীৰ বিৰুদ্ধে আন্দোলন স্বৰূপে প্ৰতিষেধকৰ প্ৰয়োগ আৰু সাৱধানতা অৱলম্বনৰ প্ৰচাৰেৰে ৰাইজক সজাগ কৰা হৈছে। সজাগতাই একমাত্ৰ প্ৰতিৰোধৰ উপায় আৰু প্ৰতিৰোধৰ বাবে পালন কৰা অৱলম্বনেই কৰণীয়! আন্দোলন বুলি কোৱাৰ লগে লগে বহু কথাই মনলৈ আহিছে। মাত্ৰ কিছুদিন আগতে নিৰ্বাচন হৈ গ'ল। নিৰ্বাচনৰ লগতো কিছুমান সৰু কালৰ স্মৃতি মনত ভাহি উঠিছে। সৰু কালৰ পৰাই বিভিন্ন পৰিস্থিতি দেখিছো। কিছুমান সেই সময়ত বুজো, কিছুমান নুবুজা অৱস্থা; কিন্তু আন্দোলন বুলি ক'লে প্ৰথমেই স্বাধীনতা আন্দোলনৰ কথা মনলৈ আহে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিষয়ে উল্লেখ কৰোতে ১৮৫৭-১৯৪৭ৰ সময়ছোৱা বিশেষভাৱে উল্লেখনীয়; কিন্তু ১৯০৫ত ধৰ্মীয় সংখ্যাগৰিষ্ঠতাৰ ওপৰত বংগ বিভাজনৰ প্ৰয়াস কৰাৰ সময়তে প্ৰথমে ইয়াৰ বিৰোধ কৰি আন্দোলন গঢ়ি উঠিছিল। পাছলৈ ইয়াৰ পৰাই ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ হিচাপে আগশাৰীৰ নেতাৰ নেতৃত্বত ব্ৰিটিছ ইণ্ডিয়াৰ অধীনত ইণ্ডিয়ান চিভিল ছাৰ্ভিচ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে ভাৰতীয়সকলক অধিকাৰ প্ৰদানৰ দাবীৰে আন্দোলন হয়। বিংশ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত লালা লাজপত ৰায়, বাল গংগাধৰ তিলক, বিপিন চন্দ্ৰ পাল, অৰবিন্দ ঘোষ, চিদাম্বৰম পিল্লাই আদি স্বৰাজপ্ৰাপ্তি আন্দোলনৰ গুৰি ধৰোতা। পাছলৈ ১৯২০ৰ পৰা মহাত্মা গান্ধীৰ নেতৃত্বত অহিংসা আৰু অসহযোগ নীতিৰ আধাৰত জাতীয় কংগ্ৰেছে স্বাধীনতা আন্দোলন চলাই যায়। ভাৰতৰ সৰহ সংখ্যক লোক তেতিয়া দৰিদ্ৰতাৰ কবলত; খাদ্য-বস্ত্ৰৰ অভাৱত দিন নিয়াইছে। জনতাৰ দুখত দুখী হৈ গান্ধীজীয়ে আঠুমূৰীয়াকৈ চুৰিয়া পিন্ধি সৰ্বসাধাৰণ ৰাইজৰ দৰে সামান্য আহাৰ গ্ৰহণেৰে আন্দোলন চলাই যায়। অৱশেষত দুখন পৃথক দেশত বিভক্ত হোৱাৰ পাছত ভাৰতৰ শাসন ব্যৱস্থা হস্তান্তৰিত কৰা হয় ভাৰতবাসীলৈ। গান্ধীজীৰ আদৰ্শেৰে উদ্বুদ্ধ তথা পৰম শিষ্য বিনোৱা ভাৱে (বিনায়ক নৰহৰি ভাৱে)ই ১৯২০-৩০ৰ স্বৰাজ আন্দোলনৰ কালছোৱাত কে'বাবাৰো কাৰাবাস খাটিবলগীয়া হৈছিল। আচাৰ্য বুলি সৰ্বজনবিদিত বিনোৱা ভাৱেই সমগ্ৰ ভাৰত পদব্ৰজে ভ্ৰমণ কৰি ভূস্বামীসকলক তেওঁক নিজৰ সন্তান জ্ঞান কৰি ১/৬ অংশ ভূমি দান হিচাপে দিয়াৰ বাবে অনুৰোধ কৰিছিল। যি ভূমি তেওঁ ভূমিহীন দলিতসকলৰ মাজত ভগাই দিব। অন্ধ্ৰপ্ৰদেশৰ এগৰাকী ভূস্বামীয়ে তেওঁৰ আহ্বানত একৰ খাটি দলিতসকলৰ বাবে আগবঢ়ায়। ইয়াৰ লগে লগে ১৯৫১ৰ পৰাই ভূদান আন্দোলনৰ ৰূপ লয়। এই আন্দোলনৰ উদ্দেশ্য আছিল ভূমিহীন পিছপৰা শ্ৰেণীৰ লোকসকলৰ সংস্থাপনৰ উদ্দেশ্যে ভূস্বামীসকলে স্বেচ্ছাই কৰা দান। তেওঁৰ মতে 'ভূমি সংস্কাৰ নীতি' স্বেচ্ছাই কৰা আন্তৰিক পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা উচিত। আইনী বা চৰকাৰীভাৱে জোৰ-জুলুমৰ দ্বাৰা ভূমি সংস্কাৰ নীতি অনুচিত। ইয়াৰ পাছত তেওঁ 'গ্ৰামদান' ব্যৱস্থাৰ প্ৰতি উৎসাহিত কৰি সমবায় ব্যৱস্থাৰ অন্তৰ্গত গাঁওবাসীৰ মাটি একত্ৰিত কৰে। ইয়াত সকলোৱে একগোট হৈ শ্ৰমদান কৰা ব্যৱস্থাক তেওঁ 'জীৱন দান' আখ্যা দিয়ে। বিনোৱা ভাৱে অসমলৈ আহোতে মই পঞ্চম মানত। তেওঁক দেখা মনত আছে। জয়প্ৰকাশ নাৰায়ণো এই ব্যৱস্থাৰ প্ৰতি আকৰ্ষিত হৈ স্বেচ্ছাসেৱক হিচাপে যোগদান কৰিছিল। ১৯৭৯ত বিনোৱা ভাৱে অনশন ব্ৰত পালনৰ দ্বাৰা হিন্দুসকলৰ পূজ্য গো-মাতা হত্যা নিবাৰণৰ বাবে এক আন্দোলন কৰে। চৰকাৰে তেওঁৰ অনশন ব্ৰত আন্দোলনত বাধ্য হৈ গো-হত্যা নিবাৰণ আইন সমগ্ৰ ভাৰতত বলবৎ কৰিবলৈ বাধ্য হয়। এয়া সমাজ সংস্কাৰক হিচাপে নিষ্ঠাৰে লোৱা পদক্ষেপ বুলি মানুহে ভাবিছিল। প্ৰতিটো উদ্দেশ্যত তেওঁ সফল হৈছিল। এক আলোড়নৰ সৃষ্টি কৰি শুদ্ধ দিশে পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল, যাৰ ফলত সাধাৰণ লোকসকলে সকাহ পাইছিল। আন্দোলনৰ প্ৰকৃত অৰ্থ এয়ে হোৱা বাঞ্ছনীয়। আন্দোলন এক সংগঠিত ব্যৱস্থা মাত্ৰ। কোনো শোষণ বা অন্যায়ৰ বিৰোধ কৰি কৰা প্ৰতিবাদ যিটো স্বতঃস্ফূৰ্তভাৱে আৰু সুনিয়োজিতভাৱে অনুষ্ঠিত হয়। ইয়াৰ দ্বাৰা অশুদ্ধ অথবা অনুচিত ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি শুধৰণি অনা হয়। এই পৰিৱৰ্তন যিকোনো ক্ষেত্ৰতে হ'ব পাৰে— ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, ধাৰ্মিক অথবা সাংস্কৃতিক। ইয়াৰ উপৰি পাৰিপাৰ্শ্বিক ক্ষেত্ৰত শুধৰণি বা পৰিৱৰ্তন সাধন কৰিবলৈও আন্দোলনৰ প্ৰয়োজন হয়। ইয়াৰ আটাইতকৈ সুন্দৰ উদাহৰণ গছ-বিৰিখ জধে-মধে কটাৰ পৰা ৰক্ষা কৰিবলৈ কৰা 'চিপ্‌কো আন্দোলন।' ই এক সফল প্ৰয়াস।

এতিয়া আহো আগত উল্লেখ কৰা মোৰ ল'ৰালি দিনৰ নিৰ্বাচনৰ সময়ৰ কথালৈ। ৫০ৰ দশকৰ কথা। আমি বোধকৰো হাইস্কুল পাইছো, প্ৰাইমাৰী স্কুলৰ পাছত। কোন ক্লাছত পঢ়ো ঠিক মনত নাই। টিহু চহৰখনতো নিৰ্বাচনৰ পৰিৱেশ। তেতিয়া নিৰ্বাচনলৈ বা ভোট দিয়াত মানুহ কিমান সজাগ নাজানিছিলো। শিক্ষিত মানুহৰ সংখ্যাও আছিল তাকৰ। সকলোৱে গান্ধীজীৰ কংগ্ৰেছকেই ব্ৰিটিছ খেদা দল বুলি মানিছিল আৰু ইয়াৰ সমগ্ৰ শ্ৰেয় গান্ধী মহাত্মাকে দিছিল; কিন্তু ইয়াৰ মাজতে কিছুমানে বামপন্থীক সমৰ্থন কৰিছিল। উঠি অহা চামটোৱে কমিউনিষ্টৰ নীতিত প্ৰভাৱিত হৈছিল। এইবোৰ আমি নুবুজো। আমাৰ স্কুলৰ দুজনী বাইদেউ সদৃশ ওপৰ শ্ৰেণীৰ ছাত্ৰীয়ে আমাক মাতি বুজালে— দেশত বামপন্থীৰ চৰকাৰ হ'লে লাভ কি হ'ব! সকলো সমান, ধনী-দুখীয়াৰ প্ৰভেদ নাথাকিব। গতিকে আমি ভোট দিয়া মানুহবোৰক কমিউনিষ্টক ভোট দিয়াৰ বাবে ক'ব লাগে। মনত আছে সেই দুগৰাকী বাইদেউৰ চেহেৰা। বগা বৰণৰ, দীঘলকৈ বেণী গুঠা, ওখ। এজনীক কমলা বাইদেউ বুলি মাতিছিলো, আনজনীৰ নামটো পাহৰিলো। আমিও তেওঁলোকক হ'ব বুলি কৈ 'বুথ'ত গৈ ভোট দিব অহা মানুহক কমিউনিষ্টক ভোট দিবলৈ কওঁ। তেওঁলোকেও আমাৰ কথা শুনি 'অ', হয় নেকি, হ'ব দে, দিম!' বুলি কৈ থয়। ইয়াৰ মাজতে আমাৰ কথা-কাণ্ড এজনে লক্ষ্য কৰি আছিল। আমি গম নাপাওঁ। তেওঁ হাতত চেকনি এডাল লৈ আমাক ধমক দি ক'লে, 'ঐ তহঁতে এইবোৰ কি কৰি ফুৰিছ? ওঁঠ টিপিলে গাখীৰ ওলাব। কোনে কাক ভোট দিব এতিয়াই ক'ব পৰা হ'লি, যা ঘৰাঘৰি! আৰু যদি তহঁতক দেখো কোব খাবি।' আমি ভয়তে দৌৰ! এতিয়া ভাবো এইটো সেই সময়ত আমি নজনা-নুবুজাকৈ এটা পন্থাই পৰিৱৰ্তন সাধনৰ চেষ্টাত কৰা আলোড়নৰ আমিও অংশ হৈ পৰিছিলো একপ্ৰকাৰ। অৱশ্যে অপৰিপক্ক অৱস্থাত নিজৰ বিবেকৰ নিয়ন্ত্ৰণ নোহোৱাকৈ আনৰ দ্বাৰা মাত্ৰ পৰিচালিতহে হৈছিলো। ভাবিলে এতিয়াও হাঁহি উঠে।



ছাত্ৰ অৱস্থাত আমি দেখা ভাষা আন্দোলন খুব স্পৰ্শকাতৰ। অসমত অসমীয়া ভাষা প্ৰতিষ্ঠিত কৰিবলৈ কৰিবলগীয়া আন্দোলন কম দুৰ্ভাগ্যজনক নহয়। এই আন্দোলনৰ হ'বলগীয়া পৰিস্থিতি বহু বছৰ পূৰ্বে সৃষ্টি কৰি থৈছিল ব্ৰিটিছসকলে। ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম ব্ৰিটিছৰ অধীনলৈ গ'ল। প্ৰশাসনিক সা-সুবিধাৰ বাবে ব্ৰিটিছে বহুতো বাংলাভাষী লোক কলকাতাৰ পৰা অসমলৈ আনে। ইয়াৰ ফলস্বৰূপে অসমত থকা ব্ৰিটিছ কাৰ্যালয় আৰু ন্যায়ালয়ত বাংলা ভাষাৰ প্ৰয়োগ আৰম্ভ হ'ল; কিন্তু পাছলৈ আমেৰিকান ব্যাপ্টিষ্ট মিছনেৰী আৰু কেইগৰাকীমান সচেতন অসমীয়া ব্যক্তিৰ প্ৰচেষ্টাত পুনৰ অসমীয়া ভাষা প্ৰতিষ্ঠিত হ'ল। অসমত অসমীয়া ভাষাক চৰকাৰী ভাষা আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ শিক্ষণ মাধ্যম হিচাপে ব্যৱহৃত কৰিবলৈ সময়ে সময়ে সংঘটিত হোৱা সামাজিক তথা ৰাজনৈতিক আন্দোলন। *অহা দেওবাৰে*

ফোন: ৯৪৩৫০৪৬৫২৭

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# অসমীয়া জাতীয় অভিধানৰ উপদেষ্টা, আভিধানিক, সুবৃহৎ 'মিচিং শব্দকোষ'ৰ প্ৰণেতা মিচিং ভাষাৰ বাবে ৰোমান লিপিৰ প্ৰবল প্ৰবক্তা টাবুৰাম টাইদক সুঁৱৰি

দ° দেৱব্ৰত শৰ্মা



**শিক্ষাবিদ,** ভাষাতাত্ত্বিক, আভিধানিক টাবুৰাম টাইদক ঘনিষ্ঠভাৱে পাইছিলো ঘাইকৈ 2010 চনৰ পহিলা জানুৱাৰিৰ দিনা **অসমীয়া জাতীয় অভিধান**ৰ প্ৰথম খণ্ড উন্মোচনৰ আগেপাচে। তেতিয়াৰ পৰা সুদীৰ্ঘ এক দশক জুৰি তেখেত অভিধানখনৰ উপদেষ্টা হৈ আছিল আৰু তেখেতৰ সুপৰামৰ্শৰে আমি বাধিত আৰু উপকৃত হৈছিলো।

ভাষা আৰু অভিধানতত্ব সম্পৰ্কে তেখেতৰ সাগৰসংকাশ জ্ঞানৰ পূৰ্ণপ্ৰকাশ ঘটিছে তেখেতৰ দ্বাৰা সম্পাদিত আৰু Anundoram Borooah Institute of Language, Art & Culture, Assam (ABILAC)-অৰ দ্বাৰা প্ৰকাশিত **'MISING GOMPIR KUMSUNG, মিচিং শব্দকোষ, A Dictionary of the Mising Language'** -অৰ মাজেৰে। প্ৰায় 700 পৃষ্ঠাৰ এই সুবৃহৎ গ্ৰন্থ তেখেতৰ বিদ্যায়তনিক জগতৰ এক অক্ষয় কীৰ্তিস্তম্ভ হৈ থাকিব।

শব্দকোষখনত প্ৰথমতে মিচিং ভাষাত, ৰোমান লিপিত প্ৰৱিষ্টি শব্দবোৰ দিয়া হৈছে। তাৰ পাচত ক্ৰমে মিচিং, অসমীয়া আৰু ইংৰাজীত সিবিলাকৰ অৰ্থবোৰ দিয়া হৈছে। শব্দকোষখনে কেৱল মিচিং ভাষাকে সমৃদ্ধ কৰা নাই, ই সহযোগী ভাষা অসমীয়া তথা ভাষাতত্বৰ বাবেও এক বৃহৎ অৱদান।

ইয়াৰ পাতনিত মিচিং ভাষাৰ বাবে ৰোমান লিপিৰ ঐতিহাসিক প্ৰাসংগিকতা ব্যাখ্যা কৰি টাইদে কৈছেঃ

"...The first writer amongst the Misings, Sonaram Panyang Kotoki, wrote a book, titled **Miri Jaatir Buranji ('A history of the Mising People'** 1935) in Assamese and so used the Assamese script wherever he needed to use a Mising word or a sentence. Around the time of, and after, independence, some booklets and magazines containing material written in Mising, using the Assamese script were brought out. But none of these early attempts at writing the Mising language in the Assamese script reflected the distinctive phonemic features of the language. A scientific attempt in this respect began in 1968, when the Guwahati Mising Kcbang, an association of the Mising people residing in Guwahati, Assam, formed in that year, addressed itself, *inter alia*, to the task of adopting for the Mising language an alphabet that would reflect all the phonemes in the language. The Kcbang (meaning 'association/organization') in Guwahati published some experimental material in Mising, using the Assamese script as well as the Roman. Its efforts were later reinforced by the formation of the Mising Agom Kcbang (The Mising Language Society), abbreviated MAK, in 1972 as the apex organization of the Misings, devoted to the cause of preservation and development of the language. The apex body decided finally sometime in 1975 to use the Roman writing system for Mising, with substantial modification of the Roman alphabet, as it is used in English, in keeping with the phonemic system of the language. A brief account of the modifications and of the alphabet, as adopted finally for the language by MAK, is given in 'INTRODUCTION, Part II, A Guide to the Dictionary, Section 1'..."
(**Mising Gompir Kumsung**, p- .11)

**পুনৰ (যুক্তাক্ষৰ-জৰ্জৰিত অসমীয়া লিপিৰ জটিলতাৰ বিপৰীতে) যুক্তাক্ষৰবিহীন এক সৰল লিপিৰূপে ৰোমান লিপিৰ পোষকতা কৰি তেখেতে লিখিছেঃ**

"...The Mising Agom Kcbang (literally, the Mising Language Society, popularly known as the Mising Sahitya Sabha, literally, the Mising Literary Society),the apex body of the Misings established in 1972 for the preservation and the development of Mising language and literature, took the phonemic system of the language into account, while deciding, sometime in the mid-1970s, to adopt the Roman system of writing for the Mising language. If the Roman alphabet, as it is used in English, were adopted for the Mising language without any modification, it would have contained a few superfluous consonants. More importantly, however, it is the fourteen vowel phonemes that prompted the Kcbang to consider adopting the Roman alphabet in a modified form. Apart from the consonants, they wanted the alphabet of the Mising language to reflect the distinctive feature of its vowel system but the Roman alphabet, as it is used in English, with only five vowel letters, was inadequate for the purpose. What they, therefore, finally decided to do with the Roman alphabet was :

(i) separate the vowels from the consonant, accommodating all the fourteen vowel phonemes in the alphabet, and

(ii) rearrange the consonants, forming subgroups of the sounds and letters, most of them according to their places of articulation.

As we know, these are two phonetically significant features reflected in the writing systems of Indo-Aryan languages including Sanskrit- something that is not found in the Roman alphabet. Thus the Roman alphabet, as adapted for the Mising language by the Mising Agom Kcbang, combines the scientific features of classical Indian graphology with regard to the classification and arrangement of sounds and of the strictly alphabetic and linear system of Roman graphology, devoid of conjuncts or ligatures of consonants and the allographs of vowels to go with consonants, which characterises modern Indian writing system also. The alphabet of the Mising language, as finally adopted, reads as follows :

The Vowels

o o: a a: i i: u u: e e: é é: í í:

The Consonants

| | | |
|---|---|---|
| k | g | ng |
| s | j | ny |
| t | d | n |
| p | b | m |
| r | l | y |
| w | h..." | (p .191-92) |

**ইয়াৰ পৰা দেখা গৈছে অসমীয়া লিপিৰ জটিলতাৰ বিপৰীতে মিচিংসকলে মাত্ৰ ১৪ টা স্বৰবৰ্ণ; ১৭ টা ব্যঞ্জনবৰ্ণহে গ্ৰহণ কৰিছে।** *(অহা সংখ্যাত)*

*লেখক **অসমীয়া জাতীয় অভিধান** আৰু **জাতীয় ইতিহাস**ৰ মুখ্য সম্পাদক; ফোন: 9435351255*

# সিহঁতে আমাক গান গাব নিদিয়ে


**সাংবাদিকসকল** সমাজৰ চকু আৰু বিবেক। তেওঁলোক যুক্তিবাদী। শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত, ন্যায়-অন্যায়ৰ পৰিমাপক যতন সাংবাদসেৱীসকল। তেওঁলোক বিচাৰ ধাৰাৰ তুলাচনী। পক্ষপাতশূন্যতাই সংবাদসেৱাক মহত্ত্ব দান কৰি আহিছে। সংবাদসেৱীৰ ধৰ্ম— সকলো সময়তে শিৰ উন্নত কৰি ৰখা আৰু নিজৰ মেৰুদণ্ডত পোন হৈ থকাটো। ধুমুহাই চুলি উৰুৱাব পাৰে, কিন্তু উভালি নিব নোৱাৰে। সকলো প্ৰতিকূলতাক অতিক্ৰম কৰি প্ৰলোভনক জয় কৰিব পাৰিলেহে সংবাদসেৱাৰ কলোচাছ থিয় হৈ থাকিব।



সংবাদসেৱাৰ দীঘলীয়া যাত্ৰাত বাধাৰ বৰ বৰ প্ৰাচীৰ, জোঙাল জোঙাল কাঁইট, গভীৰ গড়খাৱৈ আৰু ক্ষুৰৰ সাঁকো পাৰ হ'বলগীয়া হয়। ৰাষ্ট্ৰযন্ত্ৰ, ন্যস্ত স্বাৰ্থজড়িত মহলৰ ষড়যন্ত্ৰৰ বলি হোৱাটো নিশ্চিত যদিও প্ৰকৃত সংবাদসেৱীয়ে শিৰ নত নকৰে। নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ যাওঁতে সংবাদসেৱীসকলে নিন্দুকৰ সমালোচনাৰ পাত্ৰ হয়, দুৰ্জনৰ আক্ৰমণৰ সন্মুখীন হয়। সেইবোৰ যুক্তি-তথ্য-তত্ত্বৰে আৰু শব্দ শেলেৰে প্ৰতিহত কৰিব লাগিব। সাংবাদিকসকল সত্যৰ উপাসক আৰু অসত্য, মিথ্যাচাৰৰ বিনাশকাৰী। দুৰ্নীতি-ভ্ৰষ্টাচাৰী দৈত্যৰ বিৰুদ্ধে গদাধাৰী সাংবাদিক দুৰ্জেয় সাহসী হ'বই লাগিব।

সাংবাদিকসকল নিৰপেক্ষ নহয়। তেওঁলোক পক্ষপাতদুষ্টও হ'ব নোৱাৰে। তেওঁলোকে অৱধাৰিতভাৱেই ৰাইজৰ পক্ষ ল'ব। সাংবাদিকে নিৰন্ন-নিবস্ত্ৰজনৰ পেটৰ দামামা কাণ পাতি উনাব পাৰিব লাগিব। আৰ্তজনৰ চকুপানীৰ ভাষা বুজিব লাগিব। অন্যায়-অবিচাৰ-শোষণ-বঞ্চনাৰ বিৰুদ্ধে কলম গৰজি উঠিব পাৰিব লাগিব। গণকণ্ঠৰ গণগীতৰ অৰ্থ আৰু তাৎপৰ্য বুজি পাব লাগিব আজিৰ সংবাদ জগতে।

নকৈ নোৱাৰি
ভবানীপ্ৰসাদ অধিকাৰী



লোক-ভাষা আৰু লোক-সংগীতেৰে বগা মানুহৰ বিশ্বত ত্ৰাসৰ সৃষ্টি কৰা ক'লা ছালৰ প'ল ৰ'বছনৰ কণ্ঠ ৰোধ কৰিবলৈ বিশ্ব সাম্ৰাজ্যবাদী আমেৰিকাই ফেচিষ্ট আক্ৰমণ কৰা কাহিনী কোনে নাজানে? বিশ্বজুৰি সন্ত্ৰাস-নিপীড়ন জাপি দিয়াৰ প্ৰতিবাদত পিষ্ট জনকণ্ঠ গৰজি উঠিছিল। বিশ্ৰুত বিদ্ৰোহী কবি নাজিম হিকমতে প'ল ৰ'বছনৰ পক্ষত লিখিছিল — 'সিহঁতে আমাক গান গাব নিদিয়ে, বন্ধু ভাই....।' কুৰি শতিকাৰ শেষাৰ্দ্ধ বিশ্বক থৰথৰকৈ কঁপোৱা মানুহৰ প্ৰতিবাদী কণ্ঠৰ প্ৰতিধ্বনি এশ বছৰ অতিক্ৰম কৰাৰ পাছতো আজিও বাজি আছে। ভাৰতত ভিন্ন ৰূপত স্বাধীন চিন্তাক ৰুদ্ধ কৰাৰ কাহিনীৰ অন্ত নাই। ১৯৭৫ চনৰ ২৫ জুনত ইন্দিৰা গান্ধীয়ে জাপি দিয়া জৰুৰীকালীন অৱস্থাৰ কাহিনী মনত আছেনে? সিহঁতে সৰ্বকালৰ বাবে আমাক গান গাবলৈ নিদিয়াকৈ থাকিব পাৰিলেনে? শোষিত, নিষ্পেষিত, শ্ৰমজীৱী মানুহৰ মুক্তিৰ যুঁজখন ৰুধিব পাৰিলেনে? ভাৰতীয় অসমীয়া স্বাধীন চিন্তা আৰু বিবেকক ভেটা দিব খোজা শক্তিক প্ৰতিহত কৰাটোৱেই আজিৰ সংকল্প। সকলো অপশক্তিৰ বিৰুদ্ধে সেয়েহে সমাগত সময়ৰ প্ৰতিটো মুহূৰ্ততে আমি জনাম প্ৰত্যাহ্বান। আমি আমাৰ গান গামেই। ■

*লেখক পাণ্ডুকলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক*
*ফোন: ৯৮৬৪০৭৯০১৯*




# শ্বেয়াৰ বজাৰত বিনিয়োগৰ পৰিকল্পনা নেকি?

## কেনেদৰে কৰিব প্ৰস্তুতি...

**উপাৰ্জনৰ** কিছু পৰিমাণৰ অৰ্থ প্ৰত্যেকেই সঞ্চয় কৰে। কোনোবাই যদি বেংক বা ডাকঘৰত, আন কোনোবাই বৰ্তমানে বজাৰত চলি থকা বিভিন্ন বিনিয়োগ আঁচনিৰ নামত ধন খটুৱায়। বেংক আৰু ডাকঘৰত শেহতীয়াকৈ সুতৰ হাৰ ভালখিনি হ্ৰাস পোৱা বাবে বৰ্তমান প্ৰজন্মৰ বেছিভাগেই নিজৰ কষ্টোপাৰ্জিত ধন ৰেকাৰিং ডিপ'জিট বা ফিক্সড্ ডিপ'জিট আঁচনিত বিনিয়োগ কৰিব নিবিচাৰে। তাৰ পৰিৱৰ্তে বহুতেই শ্বেয়াৰ বিনিয়োগৰ বাবে ঢাল খাইছে। সামান্য বিপদাশংকা থাকিলেও, শ্বেয়াৰ বজাৰত সাৱধানে চাই-চিতি খোজ দিলে কম সময়ৰ ভিতৰতে যে ভাল ৰিটাৰ্ণ ঘূৰাই পোৱাটো সম্ভৱ তাক বুজি উঠিছে নতুন প্ৰজন্মৰ বিনিয়োগকাৰীসকলে। আপুনিও যদি শ্বেয়াৰ বজাৰত বিনিয়োগৰ বাবে আগ্ৰহী, তাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাব লাগিব জানি থওঁক...

শ্বেয়াৰ বজাৰত বিগত কেইটামান দিন ধৰি সূচকৰ ধাৰাবাহিক উত্থান পৰিলক্ষিত হৈছে। ছেনছেক্সে ৬০,০০০ৰ সীমা অতিক্ৰম কৰাৰ বিপৰীতে নিফটিয়েও প্ৰায় ১৮ হেজাৰৰ সীমা অতিক্ৰম কৰিছে। সূচকৰ বৃহৎ উত্থানলৈ লক্ষ্য ৰাখিয়েই বহুতো নতুন বিনিয়োগকাৰীয়ে শ্বেয়াৰ বজাৰত বিনিয়োগ কৰিছে। যোৱা কেইমাহমানত প্ৰায় ১.৫ কোটি নতুন বিনিয়োগকাৰীয়ে শ্বেয়াৰ বজাৰত যোগদান কৰিছে। যোৱা ছেপ্টেম্বৰত আইপিঅ'ত আবেদনকাৰীৰ সংখ্যাই দেখুৱাই দিছে যে কিমানে নতুনকৈ শ্বেয়াৰ বজাৰত বিনিয়োগ কৰিবৰ বাবে হাহাকাৰ কৰিছে। এইবোৰ দেখি আপুনিও যদি শ্বেয়াৰ বজাৰত বিনিয়োগৰ বাবে আগ্ৰহী হৈ পৰিছে তেন্তে প্ৰথমেই আপোনাক প্ৰয়োজন হ'ব এই বজাৰখনৰ বিষয়ে সম্যক জ্ঞান থকাৰ। অন্য আঁচনিত বিনিয়োগ কৰা আৰু শ্বেয়াৰ বজাৰত বিনিয়োগ কৰাৰ মাজত পাৰ্থক্যৰ বিষয়েও ধাৰণা থকাৰ প্ৰয়োজন হ'ব। অন্যথা, শ্বেয়াৰ বজাৰৰ গতিবিধি বুজি পোৱা সম্ভৱ নহয়। কোনটো ষ্টকে ভাল কৰি আছে, কোনটোৱে ভাল ৰিটাৰ্ণ প্ৰদান কৰিছে ইত্যাদিৰ বিষয়ে আগৰে পৰা আগ্ৰহ আৰু জ্ঞান থাকিব লাগিব। যদি এই গোটেই বিষয়সমূহ সঠিকভাৱে জনা যায়, শ্বেয়াৰ বজাৰত সঠিকভাৱে বিনিয়োগ কৰিব পাৰিব আৰু আৰ্থিকভাৱে কম দিনৰ ভিতৰতে লাভান্বিত হ'ব পাৰিব।

### আপুনি নিজেই অনলাইন বা অফলাইনযোগে

শ্বেয়াৰ বজাৰত বিনিয়োগ কৰিব পাৰে। যদি আগতীয়া কোনো অভিজ্ঞতা নাই তেন্তে দালালৰ জৰিয়তেও শ্বেয়াৰ বজাৰত টকা খটুৱাব পাৰে।




### উচ্চ বিপদাশংকা মানেই বৃহৎ লাভ

ষ্টক এক্সচেঞ্জৰ জৰিয়তে শ্বেয়াৰ ক্ৰয় আৰু বিক্ৰী প্ৰক্ৰিয়াক শ্বেয়াৰ ট্ৰেডিং বুলি কোৱা হয়। থেতিয়া কোম্পানী এটাক ৰাজহুৱা কোম্পানী হিচাপে স্বীকৃতি দিয়া হয়, সেই কোম্পানীটোৰ শ্বেয়াৰ ক্ৰয় আৰু বিক্ৰী কৰিবলৈ শ্বেয়াৰ বজাৰত পঞ্জীয়ন কৰা হয়। যদিও শ্বেয়াৰ বজাৰত বিনিয়োগ কৰাটো সদায় বিপজ্জনক বুলিয়ে ধৰা হয়, গতিকে বিনিয়োগ কৰাৰ আগতে বিনিয়োগকাৰীয়ে কিমান ৰিস্ক বা বিপদাশংকা ল'বলৈ সাজু তাক এবাৰ নিজে জুখি চোৱা প্ৰয়োজন। কিয়নো অধিক ৰিটাৰ্ণ পাবলৈ, আপুনি কিছু পৰিমাণৰ বিপদাশংকা ল'বই লাগিব। শ্বেয়াৰ বজাৰত সচৰাচৰ প্ৰচলিত এটা ধাৰণা হ'ল, 'উচ্চ বিপদাশংকা মানেই বৃহৎ লাভ'। এই ধাৰণা ইতিমধ্যে কে'বাবাৰো সত্য বুলি প্ৰমাণিত হৈছে। গতিকে কোনো এজন ব্যক্তিয়ে যদি বিপদাশংকা ল'ব পাৰে, তেন্তে শ্বেয়াৰ বজাৰত বিনিয়োগ কৰি নিশ্চিতভাৱে তেওঁ ভাল ৰিটাৰ্ণ আশা কৰিব পাৰে। অৱশ্যে, শ্বেয়াৰ বজাৰত প্ৰৱেশ কৰাৰ আগতে প্ৰথমে নিজৰ লক্ষ্য নিৰ্ধাৰণ কৰিব লাগিব আৰু সেই লক্ষ্য অনুসৰিয়ে বিভিন্ন ক্ষেত্ৰত ধন বিনিয়োগ কৰিব লাগিব। যদি কোনোবাই বৃহৎ ধনৰ গৰাকী হ'ব বিচাৰে তেন্তে তেওঁ নিয়মীয়াকৈ বিনিয়োগ কৰিব লাগিব। অতিৰিক্ত ধন বিনিয়োগ নকৰি অলপ অলপকৈ দীৰ্ঘম্যাদৰ বাবে বিনিয়োগ কৰিলে লাভৰ আশা বেছি।

### কি কয় এঞ্জেল ব্ৰোকিঙৰ বিশেষজ্ঞই

শ্বেয়াৰ বজাৰৰ ব্যৱসায়ৰ আটাইতকৈ প্ৰতিষ্ঠিত নামবোৰৰ ভিতৰত এটা নাম হৈছে এঞ্জেল ব্ৰোকিং। এই এঞ্জেল ব্ৰোকিঙৰ বিশেষজ্ঞসকলৰ মতে, শ্বেয়াৰ বজাৰত বিনিয়োগ কৰাৰ আগতে বিনিয়োগকাৰীজনৰ এটা স্বচ্ছ পৰিকল্পনা থকাটো অত্যন্ত জৰুৰী। তদুপৰি শ্বেয়াৰ বজাৰত প্ৰৱেশ কৰাৰ আগতেই বিনিয়োগকাৰী এজনে নিজৰ সমস্ত ধাৰ পৰিশোধ কৰি ল'ব লাগে। যদি বেংকৰ পৰা কোনো ঋণ লোৱা হৈছিল, যেনে- ব্যক্তিগত ঋণ বা ক্ৰেডিট কাৰ্ডৰ বকেয়া বিল ইত্যাদিও পৰিশোধ কৰি ল'ব লাগে।

### পৰিকল্পনাৰ প্ৰয়োজন

শ্বেয়াৰ বজাৰৰ বিশেষজ্ঞসকলে আন এটা গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰিছে। তেওঁলোকে কয় যে আন সকলো বিনিয়োগ আঁচনিত বিনিয়োগ কৰাৰ পাছত আৰু ঘৰুৱা সকলো কাম সম্পূৰ্ণ কৰাৰ পাছত মাহটোৰ শেষত ৰাহি হোৱা ধনহে শ্বেয়াৰ বজাৰত খটুৱাব লাগে। টকা কেতিয়াও ধাৰ লৈ শ্বেয়াৰ বজাৰত বিনিয়োগ কৰিব নালাগে। তদুপৰি অতি প্ৰয়োজনৰ সময়ত লাগিব বুলি সঞ্চিত কৰি ৰখা ধনৰ পৰা শ্বেয়াৰ বজাৰত বিনিয়োগ কৰাটো সঠিক সিদ্ধান্ত নহয়। কিয়নো শ্বেয়াৰ বজাৰত লাভ বা লোকচানৰ কোনো নিশ্চয়তা নাই। গতিকে জৰুৰী প্ৰয়োজনীয়তাৰ বাবে কিছু ধন হাতত ৰখাটো অতি প্ৰয়োজন।

### লক্ষ্য নিৰ্ধাৰণ কৰিব লাগিব

এঞ্জেল ব্ৰোকিঙৰ মতে, বিনিয়োগ কৰাৰ আগতে, বিনিয়োগকাৰীয়ে তেওঁ কি বিচাৰিছে সেয়া সঠিকভাৱে বুজিব লাগিব। কি কাৰণত শ্বেয়াৰ বজাৰত টকা বিনিয়োগ কৰিব বিচাৰিছে তাৰ ওপৰত ভিত্তি কৰি ম্যাদৰ কথাটো নিৰ্ভৰ কৰিব। দীঘলীয়া সময়ৰ বাবে নে কম সময়ৰ বাবে ধন বিনিয়োগ কৰিব বিচাৰে সেয়া নিৰ্ভৰ কৰিব আপোনাৰ লক্ষ্য আৰু সম্বলৰ ওপৰত। বিশেষজ্ঞসকলে অনুভৱ কৰে যে এককালীন অৰ্থ বিনিয়োগৰ পৰিৱৰ্তে নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে অলপ অলপকৈ বিনিয়োগ কৰাটো বেছি সুৰক্ষিত।

### আপডেট হৈ থকাৰ প্ৰয়োজন

প্ৰতিমুহূৰ্তত শ্বেয়াৰ বজাৰৰ বিষয়ে সকলো তথ্য জনাটো গুৰুত্বপূৰ্ণ। বজাৰৰ পৰিস্থিতিবোৰ নিয়মীয়াকৈ আলোচনা কৰা প্ৰয়োজন। তদুপৰি বিনিয়োগকাৰীয়ে ষ্টকত বিনিয়োগ কৰা কোম্পানীটোৰ বিষয়ে সকলো তথ্য জনা প্ৰয়োজন। সেই কোম্পানীটোৰ পৰিচালনা ব্যৱস্থা তথা অতীতৰ অৱস্থা জনাটোও সমানেই গুৰুত্বপূৰ্ণ।

### নিজৰ এক বাজেট তৈয়াৰ কৰিব লাগিব

শ্বেয়াৰ বজাৰত বিনিয়োগ কৰিবলৈ এক নিৰ্দিষ্ট বাজেট নিৰ্ধাৰণ কৰা প্ৰয়োজন। কাৰণ কেতিয়াবা বহুতে এবাৰতে মোটা অংকৰ ধন বিনিয়োগ কৰে। ই কিন্তু লাভ নহয়, সমস্যাৰহে সৃষ্টি কৰে। সেয়েহে, বাজেট নিৰ্ধাৰণ কৰাটো অতি গুৰুত্বপূৰ্ণ যাতে কোনো সমস্যাৰ উদ্ভৱ নহয়।

### কোম্পানীটোৱে কি ব্যৱসায় কৰে জানিব লাগিব

যিটো কোম্পানীৰ শ্বেয়াৰৰ নামত ধন বিনিয়োগ কৰে সেই কোম্পানীটোৰ ব্যৱসায়ৰ বিষয়ে জনাটো গুৰুত্বপূৰ্ণ। বিনিয়োগ কৰাৰ সময়ত সেই ব্যৱসায়ৰ বিশেষ গুৰুত্ব বা জনপ্ৰিয়তা নাথাকিলেও, অনাগত দিনবোৰত ই কিমানখিনি বিকশিত হ'ব বা সম্ভাৱনীয়তা কিমান তাক আপুনি অনুমান কৰিব পাৰিব লাগিব। গতিকে ব্যৱসায়ৰ চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰি বিনিয়োগ কৰাটো সঠিক সিদ্ধান্ত।




# মাত্ৰ ৫০ হেজাৰ টকাৰে আৰম্ভ কৰক এই ব্যৱসায়..মাহে কোটি টকাৰ লাভ!

**অত্যাৱশ্যকীয়** সামগ্ৰীৰ মূল্যবৃদ্ধি, অনিয়ন্ত্ৰিত ইন্ধনৰ দামকে ধৰি দৈনন্দিন জীৱনৰ অপৰিহাৰ্য পণ্যসমূহৰ খৰচ নিতৌ বাঢ়িয়েই আছে। মধ্যবিত্ত পৰিয়াল এটাৰ আয় যিমান, তাৰে সংসাৰৰ বাজেট মিলাওতে প্ৰায় গোটেইখিনিয়েই খৰচ হোৱাৰ নিচিনা হয়। জমা কৰিবলৈ একো এটা বাকীয়ে নৰয়গৈ কেতিয়াবা। এনেস্থলত নিজৰ লগতে পৰিয়ালৰ ভৱিষ্যতৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰাটো বহুতৰে বাবে দুৰূহ কাম যেন হৈ পৰিছে। স্বাভাৱিকতে এনে পৰিস্থিতিত সকলোৱে নিজৰ চাকৰি বা ব্যৱসায়ৰ সমান্তৰালভাৱে ঘৰতে কিবাকৈ অতিৰিক্ত উপাৰ্জনৰ দিহা উলিয়াব পাৰি নে তাৰ উপায় চিন্তিছে।

আপুনি যদি ঘৰতে বহি আপোনাৰ নিজৰ এক ব্যৱসায় আৰম্ভ কৰিব বিচাৰে তেন্তে মাত্ৰ ৫০ হেজাৰ টকাৰে আৰম্ভ কৰিব পৰা লাভজনক ব্যৱসায় এটাৰ বিষয়ে জনাবলৈ ওলাইছো আজিৰ এই প্ৰতিবেদনত। ব্যৱসায়টো হৈছে অনলাইন হৰ্ডিঙৰ। এই ডিজিটেল যুগত, অনলাইন হৰ্ডিঙৰ ব্যৱসায় আপোনাৰ বাবে এক লাভজনক চুক্তি হ'ব পাৰে, যাৰ দ্বাৰা আপুনি কোটি টকা উপাৰ্জন কৰিব পাৰে। বিজ্ঞাপন ষ্টাৰ্ট আপ সংস্থা গ' হৰ্ডিংছ ডটকমৰ প্ৰতিষ্ঠাপক দীপ্তি অৱস্থী শৰ্মা হৈছে এই ব্যৱসায় কৰি সুপ্ৰতিষ্ঠিত হোৱা এনে এগৰাকী উদ্যমী মহিলা যিয়ে এই ব্যৱসায়ৰ পৰা প্ৰতি মাহে এক কোটি টকাতকৈও অধিক উপাৰ্জন কৰি আছে বৰ্তমানে। ভাৰতত হৰ্ডিঙৰ ব্যৱসায় কেনেদৰে আৰম্ভ কৰিব লাগে আৰু ইয়াত আনুমানিক কিমান টকা মাহৰ মূৰত উপাৰ্জন কৰিব পাৰি সেই সম্বন্ধে জানিবলৈ আমি দীপ্তিৰ কাহিনীটো পঢ়িলেই সকলো ধাৰণা স্পষ্ট কৰিব পাৰিম।

দীপ্তি অৱস্থী শৰ্মাৰ বয়স তেতিয়া মাত্ৰ ২৭ বছৰ আছিল। যেতিয়া তেওঁ ২০১৬ত পোন প্ৰথমবাৰৰ বাবে অনলাইন হৰ্ডিঙৰ ব্যৱসায় আৰম্ভ কৰিছিল। আন বহু যুৱ ব্যৱসায়ীৰ দৰে দীপ্তিৰো নাছিল ব্যৱসায়ত খটুৱাব পৰাকৈ মূলধন। ধনৰ অভাৱৰ বাবেই দীপ্তিয়ে মাত্ৰ ৫০ হেজাৰ টকাৰ প্ৰাৰম্ভিক



মূলধনৰ বিনিয়োগেৰে অনলাইন হৰ্ডিঙৰ ব্যৱসায়টো পৰীক্ষামূলকভাৱে আৰম্ভ কৰিছিল। কিন্তু পৰৱৰ্তী মাত্ৰ এবছৰৰ ভিতৰতেই দীপ্তিয়ে ইয়াৰ দ্বাৰা ইমান বেছি আয় কৰে যে সেয়া কোনো চমৎকাৰতকৈ কম নাছিল। প্ৰথম বছৰতে ১২ কোটি টকা উপাৰ্জন কৰি দীপ্তি উল্লাসিত হৈ পৰিছিল। সমান্তৰালভাৱে বিপণন আৰু বিজ্ঞাপন জগতখনতো দীপ্তিৰ এক ভাবমূৰ্তি প্ৰতিষ্ঠা হৈছিল। তাৰ আৰু এবছৰ পাছত দীপ্তিৰ কোম্পানীৰ টাৰ্ণঅ'ভাৰে ২০ কোটি টকা অতিক্ৰম কৰিছিল।

দীপ্তিয়ে জানিবলৈ দিয়া মতে, এই কামটো বিপণন আৰু প্ৰযুক্তিৰ সহায়ত আৰম্ভ কৰিব পাৰি। ইয়াৰ বাবে, এই ব্যৱসায়ৰ বাবে ইচ্ছুক ব্যক্তিজনে কেৱল নিজৰ ডমেইন নামৰ স'তে এটা ৱেবছাইট সৃষ্টি কৰিব লাগিব আৰু ইয়াত নিজৰ ব্যৱসায়টোৰ বিষয়ে বহুল প্ৰচাৰ কৰিব লাগিব। ব্যৱসায়ৰ কাম আৰম্ভ কৰিবলৈ, প্ৰথমে বিজ্ঞাপন দিবলৈ স্থান বিচাৰিব লাগিব আৰু বিজ্ঞাপনদাতাৰ স'তে যোগাযোগ কৰি স্থান চূড়ান্ত কৰিব লাগিব। কৰ'না পৰিস্থিতিৰ বাবে আজিৰ তাৰিখত এই ব্যৱসায় দ্ৰুতগতিত বৃদ্ধি পাইছে। কাৰণ প্ৰতিদিনে মানুহে নিজৰ ঘৰৰ পৰাই ফোন কৰি বিজ্ঞাপন দিব বিচাৰে। উল্লেখ্য যে এমাহৰ বাবে এনে একোখন হৰ্ডিং স্থাপন কৰিবলৈ প্ৰায় এক লাখ টকা লোৱা হয় বিজ্ঞাপনদাতাৰ পৰা। দিল্লী, মুম্বাইৰ দৰে ঠাইত মাহে ১০ খন হৰ্ডিঙৰ অৰ্ডাৰ পালে ১০ লাখ টকালৈকে উপাৰ্জন কৰিব পাৰে। আনবোৰ চহৰত এই মূল্য সাতৰ পৰা আঠ লাখ টকাৰ ভিতৰত। অৰ্থাৎ ব্যৱসায়ী এজনে যদি মাহটোত অতি কমেও ১০ খন হৰ্ডিঙৰ অৰ্ডাৰ ল'ব পাৰে, তেন্তে বছৰেকত এক কোটি টকালৈকে উপাৰ্জন কৰিব পাৰে। কোনোবাটো মাহত যদি অৰ্ডাৰ নাপায়ো, উৎসৱৰ বতৰত হৰ্ডিঙৰ অৰ্ডাৰ প্ৰচুৰ পৰিমাণে আহে। ফলস্বৰূপে, এই ব্যৱসায় অতি লাভজনক হ'ব পাৰে।

# কোনবোৰ কাৰণত আয়কৰ ৰিফাণ্ড ঘূৰাই পাওঁতে পলম হ'ব পাৰে?

**সময়মতে** আয়কৰ জমা দিয়াৰ পাছতো আপুনি বাৰু আয়কৰ ৰিটাৰ্ণ এতিয়াও পাবলৈ বাকী আছে নেকি? যদি আয়কৰ ৰিফাণ্ড ঘূৰাই পোৱা নাই তেন্তে জমা দিয়াৰ সময়ত ক'ৰবাত কিবা ভুল থাকি যোৱা নাইতো! বহু ক্ষেত্ৰত দেখা যায় যে কৰদাতাসকলে আয়কৰ জমা দিয়াৰ এসপ্তাহৰ ভিতৰতেই ৰিটাৰ্ণৰ টকা ঘূৰাই পায়। কেতিয়াবা আকৌ কোনো কোনোৰ ক্ষেত্ৰত ৰিটাৰ্ণ পাবলৈ বহু সময়ৰ দৰকাৰ হয়। কি কি কাৰণত ৰিফাণ্ড ঘূৰাই পাওঁতে পলম হ'ব পাৰে সেই বিষয়ে জানো আহকচোন...




সাধাৰণতে আয়কৰ দাতা এজনৰ আয়কৰৰ পৰিমাণ তেওঁৰ আনুমানিক বিনিয়োগৰ নথিৰ ভিত্তিত কোনো এটা বিত্তীয় বৰ্ষৰ বাবে আগতীয়াকৈ কাটি ৰখাৰ নিয়ম। কিন্তু যদি ব্যক্তিগৰাকীয়ে বিত্তীয় বৰ্ষটোৰ শেষৰ ফালেহে দৰকাৰী কাগজ-পত্ৰবোৰ জমা দিয়ে আৰু দেখে যে একাউন্টৰ পৰা ইতিমধ্যে বেছিকৈ কৰ কাটি ৰখা হৈছে তেন্তে সেই টকা ঘূৰাই পাবলৈ ব্যক্তিজনে আইটিআৰ প্ৰ-পত্ৰ পূৰণ কৰি আয়কৰ বিভাগত জমা দিব লাগে। এনে কৰিলে তেওঁ অধিক পৰিমাণত কাটি ৰখা টকাখিনি ঘূৰাই পায়। ইয়াকে আয়কৰ ৰিটাৰ্ণ বুলি কোৱা হয়। যদি আপোনাৰ আইটিআৰ জমা দিওঁতে পলম হৈছে আৰু জমা দিয়া প্ৰ-পত্ৰ পৰীক্ষা কৰি চাওঁতে আয়কৰ বিভাগৰো বিলম্ব হৈছে তেন্তে ৰিটাৰ্ণ লাভ কৰোঁতেও পলম হোৱাটো প্ৰায় নিশ্চিত। তদুপৰি আয়কৰ কৰ্তন আৰু ৰিটাৰ্ণ জমাৰ বাবে সংলগ্ন কৰা বেংক একাউণ্টটোৰ কেৱাইচি দাখিল নকৰিলে বা বেংকৰ শ্লিপখন ভুলকৈ পূৰ কৰিলেও ৰিফাণ্ড লাভত পলম হ'ব পাৰে। সময়মতে ৰিফাণ্ড ঘূৰাই নাপালে কৰদাতাজনে প্ৰথমেই এনএছডিএল ৱেবছাইটলৈ গৈ নিজৰ ৰিফাণ্ডৰ ষ্টেটাছ পৰীক্ষা কৰি চাব লাগে। www.incometaxindia.gov.in বা www.tin-nsdl.com ক্লিক কৰি খুব সহজতেই ৰিফাণ্ড সম্পৰ্কীয় তথ্য পাব পৰা যায়। ইয়াৰ বাবে ৰিফাণ্ডৰ স্থিতিৰ টেবত ক্লিক কৰি নিজৰ পেন নম্বৰ তথা মূল্যায়নৰ বছৰ লিখিব লাগিব। যদি আয়কৰ বিভাগে ৰিটাৰ্ণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে তেন্তে ৰিটাৰ্ণৰ টকা পোৱাৰ পদ্ধতি, ৰেফাৰেন্স নম্বৰ আৰু কোন তাৰিখে পাব ইত্যাদি সমস্ত তথ্য উল্লেখ কৰি এক বাৰ্তা পঠিয়াব কৰদাতাজনলৈ। আনহাতে, এই একেই তথ্য ই-ফাইলিং প'ৰ্টেলত গৈও পাব পৰা যায়।

# পেঞ্চনৰ টকাৰ হোম ডেলিভাৰী দিব আইপিপিবিয়ে

**কৰ'না** সংকটৰ মাজতো সমগ্ৰ দেশে যি সময়ত তলাবন্ধ পালন কৰি আছিল, সেই সময়ত ভাৰতীয় ডাক বিভাগে নিজৰ দায়িত্ব যথাযথভাৱে পালন কৰি গৈছিল। ডাকোৱালে পোৱা নাছিল ৱৰ্ক ফ্ৰম হোমৰ সুবিধা। দুৰ্যোগপূৰ্ণ পৰিস্থিতিত দেশৰ ডাক বিভাগটো কিমান সক্ষম আৰু উপযোগী সেয়া আকৌ এবাৰ প্ৰমাণিত হৈছে। ভাৰত চৰকাৰৰ এই দক্ষ বিভাগটোৰ সৌজন্যতেই সম্প্ৰতি ঘৰতে বহি পেঞ্চনৰ টকা উপলব্ধ কৰিব পাৰিছে পেঞ্চনভোগীসকলে। যুগৰ পৰিৱৰ্তনৰ স'তে তাল মিলাবলৈ ক্ৰমশঃ প্ৰযুক্তি নিৰ্ভৰশীল হৈ পৰিছে ভাৰতীয় ডাক বিভাগ। পেঞ্চনৰ টকাৰ হোম ডেলিভাৰী দিয়াৰ ব্যৱস্থা কৰিছে ইণ্ডিয়া পোষ্ট পেমেণ্ট বেংক চমুকৈ আইপিপিবিয়ে। পেঞ্চনভোগী উপভোক্তাই অনলাইনযোগে 'ডাকপে' নামৰ এক বিশেষ এপৰ মাধ্যমেদি সামান্য ডেলিভাৰী মাচুল দি ঘৰত বহিয়েই পেঞ্চন ল'ব পাৰিছে। ডিজিটেল প্ৰক্ৰিয়াৰ মাধ্যমেদি দেশৰ প্ৰত্যন্ত অঞ্চলৰ গ্ৰাহকৰ আৰ্থিক সংহতিকৰণৰ উদ্দেশ্যে মুকলি কৰা এই এপৰ দ্বাৰা অনলাইন লেনদেনৰ সমান্তৰালভাৱে ডাক বিভাগ আৰু ইণ্ডিয়া পোষ্ট পেমেণ্ট বেংকৰ বেংকিং সেৱাও উপলব্ধ কৰা হৈছে। ডাক বিভাগে মুকলি কৰা এই ডিজিটেল পেমেণ্ট এপ্লিকেছন 'ডাকপে' সম্প্ৰতি জনপ্ৰিয় হৈ পৰিছে উপভোক্তাৰ মাজত।

## ডাকপেৰ গ্ৰাহকৰ বাবে আছে এইবোৰ সুবিধা..

কি কি সুবিধা আছে ডাকপেৰ গ্ৰাহকৰ বাবে....

- গ্ৰাহকে ডমেষ্টিক মানি ট্ৰেন্সফাৰ প্ৰক্ৰিয়া আৰু কিউ আৰ কোড স্কেন কৰি আনলৈ টকা পঠিয়াব পাৰে।
- দোকানলৈ গৈ ভাৰ্চুৱেল ডেবিট কাৰ্ডৰ মাধ্যমেদি ইউপিআই ব্যৱহাৰ কৰি বিল পৰিশোধ কৰিব পাৰে।
- 'ডাকপে'ৰ বায়'মেট্ৰিক পদ্ধতিৰ মাধ্যমেদি যিকোনো বেংকৰ গ্ৰাহকে বেংকিং সেৱাৰ সুযোগ পাব পাৰে।
- বিদ্যুৎ, টেলিফোনৰ বিলো পৰিশোধ কৰিব পৰা যায় 'ডাকপে'ৰ মাধ্যমেদি।
- ইয়াৰ মাধ্যমেদি অনলাইন বেংকিং সেৱা, ছেভিংছ একাউণ্ট, ৰেকাৰিং ডিপ'জিট, পিপিএফ বা অন্যান্য যিকোনো ক্ষুদ্ৰ সঞ্চয় প্ৰকল্পৰ একাউণ্ট ঘৰত বহিয়েই খুলিব পৰা যায়।

আদিত্য বিৰলা চান লাইফ মিউচুৱেল ফাণ্ডৰ নতুন আঁচনি

# ভাৰতত থাকিয়েই বিশ্বৰ সৰ্ববৃহৎ কোম্পানীৰ শ্বেয়াৰত বিনিয়োগ কৰক




**আদিত্য** বিৰলা চান লাইফ মিউচুৱেল ফাণ্ডে শেহতীয়াকৈ বজাৰত নাছডেক ১০০ ফাণ্ড অৱ ফাণ্ড মুকলি কৰিছে। এই নাছডেক ১০০ ফাণ্ড অৱ ফাণ্ড হৈছে এক মুক্ত সমাপ্ত ফাণ্ড, যি বিদেশী ইটিএফ আৰু নাছডেক ১০০ সূচক আধাৰিত সূচক। ইয়াৰ জৰিয়তে বিশ্বৰ শীৰ্ষ কোম্পানী যেনে ফেচবুক, এপল, মাইক্ৰছফ্ট, এডোব আৰু অন্যান্য কোম্পানীৰ শ্বেয়াৰত বিনিয়োগ কৰিব পাৰে বিনিয়োগকাৰী এজনে। নাছডেক হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্বেয়াৰ বজাৰৰ সূচক। যদি আপুনি এই পুঁজিত বিনিয়োগ কৰে, এই পুঁজিয়ে আপোনাৰ ধন বিশ্বৰ ১০০টা শীৰ্ষস্থানীয় শ্বেয়াৰত বিনিয়োগ কৰিব। অৰ্থাৎ, আপুনি ভাৰতত বহি বিশ্বৰ সৰ্ববৃহৎ কোম্পানীবোৰৰ শ্বেয়াৰত বিনিয়োগ কৰি প্ৰচুৰ লাভ আদায় কৰিব পাৰে। বিৰলাৰ নতুন পুঁজিৰ অফাৰ বিগত ১৫ অক্টোবৰৰ পৰা মুকলি হৈছে আৰু অহা ২৯ অক্টোবৰত বন্ধ হ'ব। ইয়াত কমেও পাঁচ হেজাৰ টকা বিনিয়োগ কৰিব পাৰি। স্মৰ্তব্য, যোৱা ২০ বছৰত নাছডেক ১০০ সূচক চাৰি গুণ বৃদ্ধি পাইছে।




# ষ্টেট বেংকৰ গ্ৰাহকসকলৰ বাবে সোণালী সুযোগ

### বিনামূলীয়াকৈ আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব পাৰিব

**যোৱাটো** বিত্তীয় বৰ্ষৰ বাবে আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ সময় এতিয়াও পাৰ হৈ যোৱা নাই। আয়কৰ বিভাগে এই সময়সীমা সম্প্ৰতি অহা ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰিছে। যিসকলে এতিয়াও আয়কৰ ৰিটাৰ্ণ দাখিল কৰা নাই। তেওঁলোকৰ বাবে আছে এক সুখবৰ। ভাৰতীয় ষ্টেট বেংকৰ (এছবিআই)ৰ গ্ৰাহকসকলে বিনামূলীয়াকৈ তেওঁলোকৰ আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব পাৰিব এতিয়া। কেৱল এইবোৰেই নহয়, প্ৰতি বছৰে এছবিআইৰ গ্ৰাহকসকলে বিনামূলীয়াকৈ অনলাইনযোগে ৰিটাৰ্ণ দাখিল কৰাৰ সুযোগ পাব? দেশৰ সৰ্ববৃহৎ বেংক এছবিআয়ে শেহতীয়াকৈ এই কথা ঘোষণা কৰিছে। বেংকে কৈছে যে য়'ন' এপৰ জৰিয়তে কৰদাতাসকলে খুব সহজতে বিনামূলীয়াকৈ ৰিটাৰ্ণ দাখিল কৰিব পাৰিব। এক টুইটযোগে বেংকটোৱে এই কথা সদৰী কৰিছে। এছবিআইৰ যিকোনো গ্ৰাহকে এইদৰে বিনামূলীয়াকৈ আয়কৰ দাখিল কৰোতে প্ৰ পত্ৰ-১৬, সুতৰ উপাৰ্জনৰ প্ৰমাণপত্ৰ, কৰ ৰাহি কৰিবলৈ বিনিয়োগৰ প্ৰমাণ, কৰ্তন কৰা আয়কৰৰ বিৱৰণ তথা আধাৰ আৰু পেন নম্বৰ দাখিল কৰাটো প্ৰয়োজনীয় হ'ব। য়'ন' এপত লগ ইনৰ কৰাৰ পাছত, বেংকটোৰ উপভোক্তাই মেনুৰ পৰা 'ছপচ এণ্ড অৰ্ডাৰছ' বিকল্পটো বাছনি কৰিব লাগিব। তাৰ পাছত 'টেক্স এণ্ড ইনভেষ্টমেণ্ট' পেজটো খুলি, তাত থকা 'টেক্স টু উইন' বিকল্পটো বাছনি কৰিব লাগিব। ইয়াতেই আয়কৰ ৰিটাৰ্ণ বিনামূলীয়াকৈ দাখিল কৰিব পাৰিব। বেংকে দাবী কৰিছে যে এই পদ্ধতিতে আয়কৰ ৰিটাৰ্ণ পৰিশোধ কৰিলে যিদৰে সহজতে প্ৰয়োজনীয় সংশোধনৰ সুযোগ পাব, তেনেদৰে আয়কৰ বিভাগক দিয়া অতিৰিক্ত কৰো দ্ৰুতগতিত বেংকৰ একাউণ্টত সোমাব।




# কন্যা সন্তানৰ উজ্জ্বল বিত্তীয় ভৱিষ্যতৰ বাবে 'সুকন্যা সমৃদ্ধি'

**প্ৰধানমন্ত্ৰী** নৰেন্দ্ৰ মোদীৰ 'বেটী বচাও বেটী পঢ়াও' প্ৰচাৰ অভিযানৰ অংশ হিচাপে মুকলি কৰা সুকন্যা সমৃদ্ধি যোজনা নামৰ আঁচনিখন দেশৰ ভিতৰতে অন্যতম জনপ্ৰিয় ক্ষুদ্ৰ সঞ্চয় আঁচনি বুলি জনা যায় আজিকালি। কন্যা সন্তানৰ বিত্তীয় ভৱিষ্যৎ গঢ়াৰ বাবে ইয়াতকৈ শ্ৰেষ্ঠ লাভজনক আৰু চকু মুদি ভৰসা কৰিব পৰা আঁচনি হয়তো দ্বিতীয়খন নোলাব। কন্যা শিশুৰ নিৰাপদ আৰু সুৰক্ষিত ভৱিষ্যৎ সুনিশ্চিত কৰাৰ উদ্দেশ্যে অধিকাংশ অভিভাৱকে আজিকালি সুকন্যা সমৃদ্ধি যোজনাৰ ওপৰতে নিৰ্ভৰ কৰে। অন্যান্য ক্ষুদ্ৰ সঞ্চয় আঁচনি যেনে—ডাকঘৰৰ জমা আঁচনি আদিৰ তুলনাত এই আঁচনিত বহু বেছি পৰিমাণে ৰিটাৰ্ণ পাব পাৰি। তাৰ উপৰি আয়কৰ আইনৰ ৮০ চি ধাৰাৰ অধীনত এই আঁচনি বিনিয়োগ কৰিলে সুত আৰু লাভসহ সমস্ত ধনৰাশিত সম্পূৰ্ণ কৰ ৰেহাইৰ সুবিধাও থাকে। আজিৰ প্ৰতিবেদনত সুকন্যা সমৃদ্ধিৰ বিষয়ে কিছু কথা সামৰি লোৱা হৈছে।

১০ বছৰৰ তলৰ যিকোনো কন্যাশিশুৰ অভিভাৱকে সুকন্যা সমৃদ্ধি একাউণ্ট (এছএছএ) খুলিব পাৰে। এটা পৰিয়ালৰ সৰ্বাধিক দুগৰাকী কন্যা শিশুৰ বাবে এছএছএ খুলিব পাৰি। অৱশ্যে যমজ সন্তানৰ ক্ষেত্ৰত দুটাতকৈ অধিক একাউণ্টো খুলিব পৰা যায়। সুকন্যা সমৃদ্ধি আঁচনিৰ সুতৰ হাৰ নিৰ্ধাৰণ কৰে কেন্দ্ৰীয় চৰকাৰে। প্ৰতি ত্ৰিমাসিকৰ মূৰে মূৰে এই সুতৰ হাৰ পৰিৱৰ্তন কৰাৰ নিয়ম। কোনো এটা বিত্তীয় বৰ্ষত এই আঁচনিত ন্যূনতম বিনিয়োগৰ পৰিমাণ হৈছে ২৫০ টকা আৰু সৰ্বোচ্চ বিনিয়োগৰ পৰিমাণ হৈছে ১.৫ লক্ষ টকা। যদি অভিভাৱকে কোনো এটা বিত্তীয় বৰ্ষৰ ভিতৰত ন্যূনতম ধন বিনিয়োগ নকৰে তেন্তে সংশ্লিষ্ট একাউণ্টক ডিফল্ট একাউণ্ট হিচাপে গণ্য কৰে ডাক বিভাগে। এনে ডিফল্ট একাউণ্ট সহজতে পুনৰুদ্ধাৰো কৰিব পাৰি। ইয়াৰ বাবে একাউণ্ট খোলাৰ পাছৰে পৰা ১৫ বছৰ পূৰ্ণ হোৱাৰ আগমুহূৰ্তলৈ যিকোনো সময়ত পুনৰ ন্যূনতম ২৫০ টকাকৈ আৰু প্ৰতিটো ডিফল্ট বছৰৰ বাবদ অতিৰিক্ত ৫০ টকাকৈ জমা দিব লাগিব। কন্যাৰ ১৮ বছৰ পূৰ হোৱাৰ পাছত অথবা দশম শ্ৰেণীৰ পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পাছতহে সুকন্যা সমৃদ্ধি একাউণ্টৰ ধন মোকলাব পাৰিব। একাউণ্ট খোলাৰ দিনাৰ পৰা ২১ বছৰ পৰ্যন্ত বা কন্যাৰ বিয়াৰ বয়সলৈ এই একাউণ্টৰ ম্যাদ থাকে সচৰাচৰ।




কন্যা শিশুৰ বিত্তীয় ভৱিষ্যতৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সুকন্যা সমৃদ্ধি আঁচনিৰ লগতে পৰিস্থিতি সাপেক্ষে অন্যান্য বিনিয়োগ পৰিকল্পনাৰ ওপৰতো সমানেই নজৰ দিব লাগিব অভিভাৱকে। বিশেষজ্ঞসকলৰ মতে, বৰ্তমান যিহেতুকে এই আঁচনিৰ সুতৰ হাৰ আন প্ৰায়ভাগ সঞ্চয় আঁচনিৰ তুলনাত অধিক (৭.৬ শতাংশ), গতিকে সদ্যহতে আগন্তুক কেইটামান ত্ৰিমাসিকত ইয়াৰ সুতৰ হাৰ বঢ়াৰ কোনো সম্ভাৱনা নাই। বিশেষজ্ঞসকলৰ মতে, এছএছএৰ সমান্তৰালভাৱে অন্য কোনো দীৰ্ঘ ম্যাদী বিনিয়োগৰ যথাযথ বিকল্প হ'ব পাৰে ইকুইটি বা সমাংশৰ বজাৰখন। ইয়াৰ বাবে বিনিয়োগকাৰীজনক প্ৰয়োজন হ'ব মিশ্ৰ ৰণকৌশলৰ। ইকুইটিৰ স'তে খুব সহজতেই মিশ্ৰিত কৰিব পাৰি সুকন্যা সমৃদ্ধি একাউণ্টক আৰু ই যথেষ্ট লাভজনকো। বিশেষজ্ঞৰ পৰামৰ্শ মতে, কোনো এটা পৰিয়ালে যেতিয়া নিজৰ কন্যা শিশুৰ উচ্চ শিক্ষা বা বিয়াৰ বাবে ধন জমা



কৰিবলৈ আৰম্ভ কৰে, বিনিয়োগৰ বাবে ৰখা সমস্ত ধন সুকন্যা সমৃদ্ধি একাউণ্টত একেবাৰতে বিনিয়োগ কৰাতকৈ অলপ পৰিমাণে বিনিয়োগ কৰাহে উচিত। তাৰ পৰিৱৰ্তে পৰিয়ালটোৱে সৰহভাগ টকা বিনিয়োগ কৰিব লাগে ইকুইটিত। ম্যাদ পূৰণ হোৱাৰ সময় কাষ চাপিলে সুকন্যা সমৃদ্ধিত বিনিয়োগৰ পৰিমাণ পুনৰ বঢ়াব লাগে আৰু ইকুইটিত কৰা বিনিয়োগৰ পৰিমাণ লাহে লাহে কমাই আনিব লাগে। এই ক্ষেত্ৰত এছএছএক নিজৰ বিনিয়োগ পোৰ্টফলিঅ'ৰ এটা সৰু অংশ হিচাপে গণ্য কৰিবলৈহে দিহা দিয়ে বিশেষজ্ঞমহলে।

দেওবৰীয়া দৈনিক
অগ্রদূত

# সুৰাই আনিছে ধ্বংস

## সুৰাই জীৱন হ'ব নোৱাৰে



■ ডাঃ মানবেন্দ্ৰ নায়ক, জ্যেষ্ঠ মেডিচিন বিশেষজ্ঞ

সুৰাই জীৱন ধ্বংস কৰাৰ উপৰি একো একোটা পৰিয়াললৈ বিপৰ্যয় মাতি আনিছে। পুৱাৰে পৰাই সুৰাৰ ৰাগিত মতলীয়া কিশোৰ-কিশোৰীসকলে লিপ্ত হৈছে অসামাজিক কাৰ্যকলাপত। এগৰাকী ব্যক্তিয়ে যদি কেনেবাকৈ সুৰাৰ ৰাগীত মতলীয়া হয় তেতিয়া তেওঁ জীৱনৰ কথা নাভাবে। সুৰাই জীৱনটো তিল তিলকৈ কেনেদৰে মৃত্যুৰ মুখলৈ ঠেলি নিয়ে তাৰ ছবিখন প্ৰত্যক্ষ কৰাৰ পাছতো সতৰ্ক নহয়। সুৰাই যেন জীৱন তেনে মনোভাবেৰে পুৱাৰে পৰাই আৰম্ভ কৰে জীৱন ধ্বংসৰ আখৰা।

**সুৰাই** জীৱন ধ্বংসৰ মুখলৈ ঠেলি দিছে। মাদক দ্ৰব্য সেৱনকাৰীৰ সংখ্যা দিনক দিনে বৃদ্ধি পোৱাৰ ফলত কেৱল পাৰিবাৰিক ক্ষেত্ৰতে নহয় সমাজক, দেশৰ উন্নয়ন আদিতো প্ৰভাৱ পৰিছে। সুৰাই জীৱন ধ্বংস কৰাৰ উপৰি একো একোটা পৰিয়াললৈ বিপৰ্যয় মাতি আনিছে। পুৱাৰে পৰাই সুৰাৰ ৰাগিত মতলীয়া কিশোৰ-কিশোৰীসকলে লিপ্ত হৈছে অসামাজিক কাৰ্যকলাপত। এগৰাকী ব্যক্তিয়ে যদি কেনেবাকৈ সুৰাৰ ৰাগীত মতলীয়া হয় তেতিয়া তেওঁ জীৱনৰ কথা নাভাবে। সুৰাই জীৱনটো তিল তিলকৈ কেনেদৰে মৃত্যুৰ মুখলৈ ঠেলি নিয়ে তাৰ ছবিখন প্ৰত্যক্ষ কৰাৰ পাছতো সতৰ্ক নহয়। সুৰাই যেন জীৱন তেনে মনোভাবেৰে পুৱাৰে পৰাই আৰম্ভ কৰে জীৱন ধ্বংসৰ আখৰা।

এনেধৰণৰ মনোভাব সম্পন্ন লোকে সন্তানৰ কথা নাভাবে। জীৱন-সম্পত্তি ধ্বংস কৰিবলৈও কুণ্ঠাবোধ নকৰে। তাতোকৈ ডাঙৰ কথা এই যে কিছুমান ব্যক্তিয়ে ঘৰতে সুৰা পান কৰি এনে এক পৰিস্থিতিৰ সৃষ্টি কৰে য'ত কেৱল এখন হতাশাৰ ছবিহে ফুটি উঠে। পিতৃ-মাতৃয়ে যেতিয়া সুৰাৰ ৰাগিত মতলীয়া হয় তেতিয়া তেওঁলোকৰ সন্তানে যে ভৱিষ্যতে এখন সুন্দৰ ছবি কল্পনা কৰিব সেয়া আশা কৰিব নোৱাৰি।

সুৰাই জীৱন হ'ব নোৱাৰে। অৱশ্যে সুৰা পান কৰাটো অপৰাধ বুলি ক'ব নোৱাৰি। কাৰণ ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই সুৰাৰ প্ৰচলন হৈ আহিছে বিভিন্ন ৰূপত। কেতিয়াবা সোমৰস, কেতিয়াবা মদিৰা ইত্যাদি। সুৰাপান অপৰাধ নহয় যদি সেৱনৰ পাছত আসামাজিক কাম-কাজত লিপ্ত হোৱাটো চিন্তনীয় বিষয়। কাৰণ সমাজ এখন, এটা পৰিয়াল আৰু এখন দেশত সুস্থ পৰিৱেশৰ বাবে প্ৰথমে প্ৰতিৰোধ কৰিব লাগিব অপৰাধমূলক কাম-কাজ। এতিয়া পৰিয়াল তথা সমাজত যিবোৰ অপৰাধ সংঘটিত হৈছে তাৰ অধিকাংশৰ মূলতে হ'ল সুৰা। সুৰা সেৱনতকৈ সেৱনকাৰীয়ে নিজকে নিয়ন্ত্ৰণ কৰাটো বেছি গুৰুত্বপূৰ্ণ। যিদৰে নিয়ন্ত্ৰণহীন বাহন এখনে য'তে ত'তে খুন্দিয়াই দুৰ্ঘটনা সংঘটিত কৰাৰ লগতে চালক-যাত্ৰীকো মৃত্যুৰ মুখলৈ ঠেলি দিয়ে তেনেদৰে সুৰা সেৱনত নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে পদে পদে বিপদ।

সুৰাই যে কেৱল শাৰীৰিকভাৱে ক্ষতি কৰে তেনে নহয়, সমান্তৰালভাৱে মানসিক ক্ষেত্ৰখনতো প্ৰভাৱ পেলায়। কাৰণ দীৰ্ঘদিন সুৰা সেৱনৰ ফলত সেৱনকাৰীজন লাহে লাহে হতাশাত ভুগিব ধৰে। হতাশাই একাকিত্বৰ সৃষ্টি কৰে। একাকিত্বত ভোগা লোকে যিকোনো কামেই কৰিব পাৰে।

সুৰাই সামাজিক ক্ষেত্ৰখনতো ক্ষতিসাধন কৰে। সুৰাপায়ীয়ে নাপাই যথোপযুক্ত সন্মান। ধন-সম্পত্তিৰ অধিকাৰী হোৱাৰ উপৰি উচ্চ শিক্ষিত হ'লেও সুৰা সেৱন কৰিলে তেওঁ সামাজিকভাৱে যিমান সন্মান লাভ কৰিব লাগে সেয়া নাপায়। যদিহে সুৰাক নিয়ন্ত্ৰণ কৰিব নোৱাৰে তেতিয়াহ'লে কোনো ব্যক্তিয়ে নিজকেও নিয়ন্ত্ৰণ কৰিব নোৱাৰে। সুৰাৰ ধৰ্মই হ'ল সেৱনকাৰীক বিভ্ৰান্ত কৰি আনৰ দৃষ্টিত হেয় প্ৰতিপন্ন কৰা। সুৰাই ব্যক্তি এগৰাকীক চাৰিওফালৰ পৰাই সংকুচিত কৰে। এসময় এই পৰিসৰৰ পৰা ওলাই আহিব নোৱাৰি ঢলি পৰে মৃত্যুৰ কোলাত। ধ্বংসৰ মাজলৈ ঠেলি থৈ যায় পৰিয়ালক, নিষ্পাপ সন্তানক।




**একোটা পৰিয়াল, এখন সমাজক তিলতিলকৈ ধ্বংসৰ মুখলৈ ঠেলি দিয়ে সুৰাই। তদুপৰি বিভিন্ন ভয়াৱহ অপৰাধৰ কাৰণ হৈ পৰে সুৰা সেৱন। আমাৰ সমাজখন সুৰাই কিদৰে গ্ৰাস কৰিছে আৰু ইয়াৰ পৰিণাম কি হ'ব পাৰে, এই সম্পৰ্কীয় আলোচনাৰে আজিৰ এই প্ৰতিবেদন—**

**শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— অৰূপ কলিতা, মণিমালা ডেকা।**

## সুৰাই সংসাৰ ভাঙি চূৰমাৰ কৰা পৰিয়ালৰ কথাৰে..

■ ৰিংকু বৰুৱা, ক্ষুদ্ৰ ব্যৱসায়ী



**সুৰাই** কেনেদৰে এখন সংসাৰ চূৰমাৰ কৰিব পাৰে সেই কথা বহুতৰে কল্পনাৰো অগোচৰ। পৃথিৱীত এনে কোনো নাৰী নাই যিয়ে তেওঁৰ স্বামীয়ে বিবাহৰ খোৱাখুৱীৰ নিশা সুৰাপান কৰি মাতাল হৈ অহাতো বিচাৰিব। তেনে এক পৰিয়ালৰ কথাই মই অতি ওচৰৰ পৰা জানো। ফুলশয্যাৰ নিশাৰ পৰাই মাতাল স্বামীৰ অত্যাচাৰ সহ্য কৰিবলগীয়া হোৱা সেইগৰাকী নাৰীক পাছত স্বামীয়ে ধন দাবী কৰিবলৈ ল'লে। শাৰীৰিক নিৰ্যাতনৰ বলি হৈ উপায়ান্তৰ আৰু অসহায় মহিলাগৰাকীয়ে তেওঁৰ নিজৰ ঘৰৰ পৰা আৰু আত্মীয়ৰ পৰা সহায় লৈ স্বামীৰ দাবী কিছুদিন পূৰণ কৰিবলগীয়া হ'ল যদিও মহিলাগৰাকীৰ ওপৰত নিৰ্যাতনৰ অন্ত নপৰিল। এদিন পাঁচ হেজাৰ টকা মহিলাগৰাকীয়ে তেওঁৰ মাতৃগৃহৰ পৰা আনি নিদিয়াৰ বাবেই স্বামীয়ে প্ৰহাৰ কৰি মুমূৰ্ষু প্ৰায় অৱস্থা কৰিলে। উপায়ান্তৰ হৈ মহিলাগৰাকী আৰক্ষীৰ ওচৰ চাপিল। ইয়াতে ক্ষুণ্ণ হৈ স্বামীয়ে পুনৰ তেওঁৰ সেই পত্নীক প্ৰহাৰ কৰি ছিলিঙত ওলমাই দিয়াৰ বাবে আগবাঢ়োতেই আৰক্ষী আহি পাই মহিলাগৰাকীক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰে। সেই সময়ত সেই অসহায় মহিলাগৰাকী চাৰে পাঁচ বছৰীয়া আৰু এটি আঢ়ৈ বছৰীয়া সন্তানৰ মাতৃ আছিল। এনে অৱস্থাত এক সাহসী সিদ্ধান্তৰে মহিলাগৰাকীয়ে আইনগতভাৱে সেই স্বামীৰ পৰা আঁতৰি আহি দুই সন্তানৰ বাবে নিজ চেষ্টা আৰু কষ্টৰে পৰিশ্ৰম কৰিবলৈ ল'লে। এসময়ত তেওঁ পথৰ দাঁতিত শাক-পাচলি আৰু ঘুগুনি বিক্ৰী কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছিল।

সন্তানসহ তেওঁৰ জীৱনলৈ নামি আহিছিল চূড়ান্ত ভাবুকি। এই সকলোৰে বাবে দায়ী আছিল সুৰা। এনে ক্ষেত্ৰত চৰকাৰে কেৱল ৰাজহ সংগ্ৰহৰ বাবেই সুৰাৰ প্ৰচলন কৰা কাৰ্যক মানিবলৈ কঠিন। হেজাৰ হেজাৰ পৰিয়াল ধ্বংস কৰি, মৃত্যু মুখলৈ ঠেলি দি ৰাজ্য চলোৱাটো কিমানদূৰ যুক্তি সংগত! অৱশ্যে ইয়াৰ বিৰুদ্ধে নিৰ্যাতিত মাতৃ সমাজে একত্ৰিত হৈ চুবুৰিয়ে চুবুৰিয়ে সুৰা বিৰোধী সমিতি গঠন কৰি সমাজৰ শুভচিন্তক, আৰক্ষী আৰু প্ৰশাসনৰ সৎ সহযোগ লাভ কৰিলে সুৰাৰ এই ধ্বংসমুখী আগ্ৰাসনৰ বিৰুদ্ধে এক প্ৰতিৰোধ গঢ়ি তুলিব পাৰে। এয়া সমাজৰ লগতে ভুক্তভোগী নাৰী আৰু তেওঁলোকৰ সন্তানৰ ভৱিষ্যতৰ সুৰক্ষাৰ বাবেই অতি আৱশ্যক।

## মাদক দ্ৰব্য সমাজৰ ব্যাধি স্বৰূপ

■ বিজয়া ডেকা, জৱাহৰলাল নেহৰু কলেজ

**মাদক** দ্ৰব্য সেৱনৰ কুফল অকল ঘৰখনেই নহয় সমাজখনেও ভুগিবলগীয়া হয়। মাদক দ্ৰব্য সেৱন কৰা ব্যক্তিয়ে বহু সময়ত নকৰিবলগীয়া কামত লিপ্ত হৈ ঘৰ তথা সমাজত অশান্তিৰ সৃষ্টি কৰে। অসুস্থ ঘৰুৱা পৰিৱেশ, বন্ধু-বান্ধৱৰ প্ৰৰোচনা অথবা অসামাজিক পৰিৱেশত পৰি কেতিয়াবা কিশোৰ-কিশোৰীসকল নিজে নজনাকৈয়ে মাদক দ্ৰব্য সেৱনত অগ্ৰসৰ হয়। বৰ্তমান সময়ত লাভ কৰা আনন্দৰ মাদকতাই হয়তো ভৱিষ্যতৰ অন্ধকাৰ ছবিখন উপলব্ধি কৰাত তেওঁলোক ব্যৰ্থ হয়। প্ৰতিখন ঘৰ সুস্থভাৱে আৰু সন্তানক সুপথে পৰিচালিত কৰাত মাতৃগৰাকীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। নিজ সন্তানে কি কৰি আছে, কেনে বন্ধুৰ সংস্পৰ্শলৈ আহে, ঘৰৰ মানুহজনে কি কি কামত জড়িত হৈ আছে আদি কথা কম-বেছি পৰিমাণে অৱগত হোৱা অতি প্ৰয়োজন। হকে বিহকে সন্তানক দোষ ধৰা বা দোষ ঢাকিবলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে তেওঁ ভাল বন্ধু হোৱাটোৱে হ'ব ইতিবাচক দিশ।

পিতৃ-মাতৃ, অভিভাৱক তথা সমাজৰ প্ৰতিগৰাকী ব্যক্তি সজাগ হ'লেহে সমাজৰ পৰা মাদক দ্ৰব্যৰ প্ৰচলন কমাব পৰা যাব আৰু ঘৰ, সমাজ তথা দেশত প্ৰগতি আৰু শান্তি বিৰাজ কৰিব।



## মদ প্ৰতিৰোধৰ বাবে প্ৰচলিত আইন কঠোৰ হ'ব লাগিব

■ ডাঃ শৈলেশ বণিক্য
ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটিৰ গুৱাহাটী শাখাৰ প্ৰাক্তন সভাপতি



অতি কম বয়সৰ পৰাই মদ্যপানৰ অভ্যাস গঢ়ি তোলা কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। বহুতৰ জীৱনলৈ নামি আহিছে বিপৰ্যয়। সুৰাপানৰ অভ্যাস গঢ়ি উঠা বাবে লাহে লাহে অধোগতি হ'বলৈ ধৰিছে নৱ প্ৰজন্মৰ। দীৰ্ঘদিন ধৰি মদ্যপান কৰাৰ ফলত শাৰীৰিক-মানসিক ক্ষতিসাধন হয়। ২০-৪০ শতাংশ কম বয়সীয়া লোকৰ সোনকালে বিভিন্ন শাৰীৰিক-মানসিক সমস্যাই গা কৰি উঠে।

**মদ্যপানৰ** বাবে বহুতৰ জীৱনলৈ নামি আহিছে বিপৰ্যয়। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি বিশ্বত বছৰি তিনি নিযুত লোকৰ মৃত্যু হয় মদ্যপানৰ বাবে। মৃত্যু হোৱা লোকৰ পৰিসংখ্যাৰ পৰা চালে ৫.৩ শতাংশৰ মৃত্যুৰ কাৰণ হ'ল মদ্যপান। আমাৰ ৰাজ্যখনতো ইয়াৰ প্ৰভাৱ দেখা যায়। অতি কম বয়সৰ পৰাই মদ্যপানৰ অভ্যাস গঢ়ি তোলা কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। বহুতৰ জীৱনলৈ নামি আহিছে বিপৰ্যয়। সুৰাপানৰ অভ্যাস গঢ়ি উঠা বাবে লাহে লাহে অধোগতি হ'বলৈ ধৰিছে নৱ প্ৰজন্মৰ। দীৰ্ঘদিন ধৰি মদ্যপান কৰাৰ ফলত শাৰীৰিক-মানসিক ক্ষতিসাধন হয়। ২০-৪০ শতাংশ কম বয়সীয়া লোকৰ সোনকালে বিভিন্ন শাৰীৰিক-মানসিক সমস্যাই গা কৰি উঠে। তদুপৰি মদ্যপানৰ ফলত শৰীৰত বিভিন্ন প্ৰয়োজনীয় উপাদানৰ অভাৱ হোৱা বাবে সংক্ৰমণজনিত ৰোগে গা কৰি উঠিবলৈ সুযোগ লাভ কৰে। মদ্যপানৰ ফলত সঘনাই দুৰ্ঘটনাত পতিত হোৱা, সামাজিক বিশৃংখলা, অপৰাধজনিত ঘটনা সংঘটিত হয়। সামাজিক ক্ষেত্ৰতো কুপ্ৰভাৱ পৰে। যেতিয়া মদ্যপান কৰি ঘৰৰ বাহিৰলৈ ওলাই আহে তেতিয়া সমাজৰ আন লোকৰ দৃষ্টিত হেয় হ'বলৈ ধৰে। আনে সন্মান নকৰা হয়।

মদ্যপান কৰা বিষয়টো নিৰ্ভৰ কৰে সামাজিক পৰিৱেশ আৰু যি ঠাইত বসবাস কৰে তাৰ পৰিৱেশৰ ওপৰত। সাধাৰণতে গ্ৰামাঞ্চল, চাহ বাগিচা অঞ্চলত সুৰাপায়ীৰ সংখ্যা বেছি। সৰুৰে পৰা এনেবোৰ ঠাইত এনে এক পৰিৱেশ লাভ কৰে য'ত আপোনা আপুনি সুৰাৰ মাজত সোমাই পৰে। সৰুৰে পৰাই সুৰাৰ মাজত ডুব যোৱাৰ ফলত ভৱিষ্যৎ অন্ধকাৰময় হৈ পৰে। অশনি সংকেত কঢ়িয়াই আনে। আনকি শিক্ষা-দীক্ষাৰ লগতে ক্ৰীড়া, সংগীত আদিৰ প্ৰতিভাধৰসকলৰ প্ৰতিভা বিকাশৰ পূৰ্বেই ধ্বংস হৈছে একমাত্ৰ সুৰা তথা মাদক দ্ৰব্য সেৱনৰ বাবে। সুৰাই জীৱন ধ্বংস কৰে বুলি সকলোৱে কয় যদিও দৰাচলতে এয়া ধ্বংস নিৰ্ভৰ কৰে পৰিয়ালৰ অনুশাসন আছে নে নাই তাৰ ওপৰত। উন্নত দেশবোৰত সুৰা প্ৰস্তুত কৰা হয় শৰীৰৰ বাবে উপকাৰী উপাদানেৰে। ইয়াৰ বিপৰীতে আমাৰ ৰাজ্যখনত যিবোৰ সুৰা প্ৰস্তুত কৰা হয় তাৰ অধিকাংশই হ'ল অপকাৰী উপাদান সমৃদ্ধ। ফলত সুৰাৰ বাবে কিমান লোকৰ মৃত্যু হৈছে সেয়া সকলোৱে দেখিছে। ইয়াৰ পাছতো সজাগতা অৱলম্বন কৰা নাই।

সুৰাই জীৱন ধ্বংস কৰে নে নকৰে সেয়া সদায় বিতৰ্কৰ বিষয় হৈ আহিছে। একাংশৰ মতে, সুৰাই স্বাস্থ্যৰ উন্নতি কৰে। আন একাংশই আকৌ ধ্বংসৰ মুখলৈ ঠেলি দিয়ে বুলি মন্তব্য কৰিছে। দৰাচলতে যেতিয়া ইয়াৰ অপব্যৱহাৰ হয় তেতিয়া ধ্বংস অনিবাৰ্য। দীৰ্ঘদিন ধৰি মদ্যপান কৰিলে যকৃতৰ পৰা আৰম্ভ কৰি মস্তিষ্ক, স্নায়ু আদিৰ ওপৰত প্ৰভাৱ পৰিবলৈ ধৰে। সেয়েহে মদ প্ৰতিৰোধৰ বাবে দেশৰ প্ৰচলিত আইন কঠোৰভাৱে কাৰ্যকৰী হ'ব লাগিব।

## সমাজক শ্মশানমুখী কৰিছে

■ অঞ্জন উপাধ্যায়
জ্যেষ্ঠ সাংবাদিক



**যিখন** ৰাজ্যত যোৱা পাঁচ বছৰত চৰকাৰে কেৱল সুৰা বিক্ৰীৰ পৰাই লাভ কৰি আহিছে এশ কোটি টকা আৰু যিখন ৰাজ্যত চৰকাৰী অনুজ্ঞাপত্ৰ প্ৰাপ্ত ১২৩৪ খন সুৰা বিপণী আছে সেইখন ৰাজ্যত সুৰাই কেনেদৰে সমাজ আৰু পৰিয়ালত প্ৰভাৱ পেলাইছে সেই কথা এই দুই চৰকাৰী পৰিসংখ্যাৰ পৰাই স্পষ্ট হৈছে। ইয়াৰ উপৰি আছে পানশালাবোৰ। এইবোৰ তথাকথিত বৈধ বেপাৰ।

ইয়াৰ বাহিৰেও অবৈধ বুলি কোৱা চুলাই মদৰ উপৰি অৰুণাচল প্ৰদেশৰ পৰা চোৰাংভাৱে সৰবৰাহ হোৱা সুৰাৰো এখন বহু ডাঙৰ আৰু সৰ্বব্যাপী বজাৰ আছে। এতিয়া কথা হ'ল এই সুৰাই চৰকাৰৰ ৰাজভঁৰাললৈ বছৰি এশ কোটি টকা দিছে ঠিকেই; কিন্তু এই এশ কোটি টকাৰ বিনিময়ত সমাজ আৰু পৰিয়ালসমূহৰ অৱস্থা কেনে হৈছে? নতুন প্ৰজন্মৰ ভৱিষ্যৎ ক'লৈ নিছে? দুবছৰৰ আগতে এইমছে প্ৰকাশ কৰা এক সমীক্ষাত অসমৰ ২৭ লাখ মানুহে এলকহল সেৱন কৰাৰ তথ্য প্ৰকাশ পাইছিল। সেই সময়ৰ ৰাজ্যখনৰ জনসংখ্যাৰ হিচাপত প্ৰায় ন শতাংশ। ভয়ংকৰ কথাটো হৈছে ১০ বছৰৰ পৰা ৭৫ বছৰ বয়সৰ মাজত এলকহল সেৱনৰ তথ্য উদ্ধাৰ হৈছিল। এটা অপ্ৰিয় সত্য হ'ল ৰাজ্যত অসম গণ পৰিষদৰ চৰকাৰ আৰু কংগ্ৰেছ চৰকাৰৰ দিনত বহুসংখ্যক সুৰাৰ বিপণীৰ অনুজ্ঞাপত্ৰ দিলে। ২০১৬ৰ বিজেপি চৰকাৰে বাৰৰ ৩১৬খন অনুজ্ঞাপত্ৰ দিছে। অৱশ্যে ২০০১ৰ পৰা অসমত সুৰাৰ অনুজ্ঞাপত্ৰ দিয়াটো বন্ধ থাকিলেও প্ৰতিখন গাঁৱত যি ধৰণৰে সুৰা চোৰাংভাৱে উপলব্ধ তাৰ পৰা এইক্ষেত্ৰত এখন সমাজ শেষ হ'বলৈ অধিক সময় নালাগে যেন অনুমান হয়। অসমত প্ৰতিটো জাতি জনগোষ্ঠীৰ মাজত সুৰাৰ প্ৰচলন আছে। সুৰাই কোনো ধৰ্মক বাদ দিয়া নাই। সকলোকে গ্ৰাস কৰিছে। পৰম্পৰা, জাতীয় বৈশিষ্ট্যৰ নামত সুৰাৰ ব্যৱহাৰ জোখতকৈ বেছি ব্যৱহাৰ কৰা হয়। সেই সুযোগৰে বেপাৰ কৰা হয়। সাংস্কৃতিক কাৰ্যসূচী, ঘৰুৱা অনুষ্ঠান সকলোতে সুৰাৰ ব্যৱহাৰ হৈছে আৰু এয়া বহু বেছি পৰিমাণে হোৱাটোৱেই অতি ভয়ংকৰ কথা হৈ পৰিছে। চকুৰ সন্মুখত সুৰাই পৰিয়াল কেনেদৰে ধ্বংস কৰে আমি দেখিছো। ৰেছনৰ দোকানৰ বাকী পৰিশোধ কৰাৰ আগত চৰকাৰী চাকৰিয়ালে সুৰাৰ বিপণীৰ বাকী মাৰিবলৈ যোৱা আৰু তাত মাহটোৰ উপাৰ্জন শেষ কৰি অহা বহু পৰিয়ালৰ বিলৈ দেখিছো। আনকি এতিয়া শ্মশানলৈ মৃতকৰ সৎকাৰৰ বাবে যাবলৈও সুৰাৰ বটল দিবলগীয়া হোৱা ঘটনাই সমাজ ব্যৱস্থাকে শ্মশানমুখী কৰাৰ লগতে দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্তৰ সন্তানসকলৰ বাবে অধিক ভয়াৱহতা নমাই আনিছে। সুৰা বিক্ৰী কৰি ঘৰ চলাবলৈ গৈ নিজ ঘৰ ধ্বংস কৰাৰ দৰেই যাতে ৰাজ্যখন বা সমাজখন ধ্বংস নহয় তাৰ বাবে চৰকাৰে ব্যৱস্থা লওক। জনমত গঢ়ি উঠক।

## পৰিয়াল-সমাজলৈ অশান্তি কঢ়িয়াই আনে

■ ড° মলিনা দেৱী ৰাভা
অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিকালী মহাবিদ্যালয়



**উত্তৰ**-পূব ভাৰতৰ প্ৰাণকেন্দ্ৰ অসম আৰু অসমীয়া জাতি-সংস্কৃতিৰ বৰঘৰ শুৱনি কৰা পাহাৰ-ভৈয়ামৰ ভিন্ন জনগোষ্ঠীৰ ভিতৰত ৰাভা জনগোষ্ঠীৰ সামাজিক সাংস্কৃতিক জীৱন পৰিক্ৰমা অতিশয় বৈচিত্ৰ্যপূৰ্ণ। ৰাভাসকলে অসমক নিজৰ গৃহভূমি আৰু অসমীয়া ভাষাক শিক্ষাৰ মাধ্যমৰূপে গ্ৰহণ কৰিলেও ঘৰুৱা পৰিৱেশত স্বকীয় ভাষাৰে কথোপকথন কৰাৰ উপৰি সুকীয়া ভাষা-সংস্কৃতিৰে জীৱন অতিবাহিত কৰি আহিছে। ভাৰতৰ বিশেষকৈ অসম, মেঘালয়, অৰুণাচল, মিজোৰাম, ত্ৰিপুৰা, ডিমাপুৰ, পশ্চিমবংগ, বিহাৰ আৰু বিদেশী ৰাষ্ট্ৰৰ ভিতৰত চীন, জাপান, বাংলাদেশ, নেপাল আদি ৰাষ্ট্ৰসমূহতো বসবাস কৰি আছে। অসমত ঘাইকৈ গোৱালপাৰা, কামৰূপ, দৰং, বঙাইগাঁও, কোকৰাঝাৰ, ধুবুৰী, ওদালগুৰি জিলাত ৰাভাৰ সংখ্যা অত্যধিক।

গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰে ৰাভা সমাজ নিয়ন্ত্ৰিত। সমাজ উত্তোৰণৰ গুৰুত্বপূৰ্ণ দায়িত্ব জাতি বা শাখা সমাজ, আঞ্চলিক সমাজ আৰু নিখিল ৰাভা জাতীয় পৰিষদ এই তিনিখলপীয়া সমাজ ব্যৱস্থাৰে ৰাভা সমাজ পৰিচালিত হয়।

সাম্প্ৰতিক সময়ত পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ দ্ৰুত অগ্ৰগতিৰ লগে লগে শিক্ষাৰ ক্ষেত্ৰত পুৰুষৰ সমানে মহিলাসকলকো সমমৰ্যাদা প্ৰদান কৰিছে যদিও একাংশ ৰাভা মহিলা আজিও অশিক্ষিত হোৱা হেতুকে নিজ পৰিয়াল আৰু অঞ্চলসমূহত সন্মুখীন হোৱা নিত্য নতুন সমস্যাসমূহ সাধাৰণৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰা দেখা নাযায়। ফলত প্ৰায় ৮০ শতাংশ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰাৰ উপৰি বেছিভাগ শিশুৱে ন্যূনতম চিকিৎসা সেৱা অবিহনে জন্মগ্ৰহণ কৰি পুষ্টিহীনতাৰ বাবে যমৰ যাতনা ভুগিবলগীয়া হয়। এই ক্ষেত্ৰত বিয়া-সবাহ, দেৱ-দেৱীৰ নামত পূজা-পাতল কৰা ইত্যাদিত মাদক দ্ৰব্যৰ প্ৰচলনে পুৰুষ-মহিলা, বুঢ়া-বুঢ়ী ডেকা-ল'ৰা সকলোকে সুস্থ চিন্তা-চৰ্চাৰ পৰিৱৰ্তে পৰিয়াল আৰু গাঁওসমূহত বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰাৰ ফলত মাতৃগৰাকীয়ে নিজ সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। উল্লেখ্য যে ঘৰখনেই হৈছে সন্তানসকলৰ প্ৰথম পঢ়াশালি আৰু মাতৃগৰাকী হৈছে এনে পঢ়াশালীৰ প্ৰথম শিক্ষয়িত্ৰী। সহজ-সৰল আৰু কোমল মনৰ গৰাকী সম্পন্নসকলৰ শাৰীৰিক, মানসিক আৰু চাৰিত্ৰীক বিকাশ সাধন হয় পঢ়াশালিৰূপী ঘৰখনত পিতৃ-মাতৃৰ জৰিয়তে। তদুপৰি ঘৰখনৰ লগতে অঞ্চলটোৰ সুস্থ পৰিৱেশ আৰু পৰিয়ালৰ সদস্যসকলক অনুকৰণ কৰিয়ে সন্তানসকলে ভৱিষ্যৎ জীৱনৰ বাবে আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু বৃত্তিমূলক কৰ্মপ্ৰেৰণা আহৰণ কৰি পৰৱৰ্তী সময়ত আত্মনিৰ্ভৰশীল হ'বলৈ শিকে। তেনেস্থলত এচাম অভিভাৱকে দৰিদ্ৰতাৰ দোহাই দি নিজ গৃহতে মদ প্ৰস্তুত কৰি ব্যৱসায় কৰাৰ উপৰি সেৱন কৰাৰ ফলত সন্তানসকলো বিপথে পৰিচালিত হৈ পৰিয়াল, সমাজ আৰু দেশৰ বাবে অশান্তিৰ কাৰক হৈ পৰে। এনেক্ষেত্ৰত সন্তানসকলক দেশ আৰু সমাজৰ দক্ষ, লগতে প্ৰতিভাশালী নাগৰিক হিচাপে গঢ়ি তুলিবলৈ বিশেষকৈ মাতৃ সমাজ আৰু প্ৰতিবেশী প্ৰতিগৰাকী নাগৰিকে অতন্ত্ৰ প্ৰহৰীৰ দায়িত্ব পালন কৰাৰ প্ৰয়োজন আহি পৰিছে।

## মদে আমাৰ সমাজ ব্যৱস্থাক ধ্বংস কৰিছে

■ গণেশ শইকীয়া, কাৰ্যকৰী সভাপতি, সদৌ অসম কোচ সন্মিলন



**আজিৰ** সময়ত সুস্থভাৱে মদৰ ব্যাখ্যা আৰু ইয়াৰ প্ৰাদুৰ্ভাৱে সমাজ একোখনক কেনেকৈ তিল-তিলকৈ ধ্বংসৰ মুখলৈ লৈ গৈছে সেয়া মুখৰোচক কাহিনীলৈ পৰ্যবসিত হৈছে যদিও প্ৰকৃতাৰ্থত মদৰ জন্ম ভাৰতীয় সভ্যতাত, ভাৰতীয় ইতিহাসত তেনে নাছিল— এয়া ইতিহাসৰ পটভূমি। বিশ্বৰ প্ৰথমখন লিখিত গ্ৰন্থ ঋক্‌বেদ। ঋক্‌বেদৰ পৰৱৰ্তী সময়ত একো একোটা যুগৰ ব্যৱধানত ৰচিত হৈছিল ভাৰতীয় সভ্যতাৰ যজুৰ, সাম আৰু অথৰ্ব বেদ। বেদৰ ৰচক সকল আছিল অতীতৰ ভিন্ন যুগৰ ঋষি-মুনিসকল। বেদৰ পাছতো এই 'ঋষি মুনি'সকলৰ উৰ্বৰ মগজু তথা চিন্তা শক্তিৰ পৰা বিভিন্ন উপনিষদ আৰু পুৰাণৰ সৃষ্টি। ভাৰতীয় অতীত সভ্যতাৰ প্ৰায় প্ৰতিটো স্তৰত ৰচিত হোৱা এই মহান পুস্তকা— শাস্ত্ৰসমূহৰ প্ৰায় প্ৰতিখন মহানকাব্যত 'সোমৰস' নামৰ এবিধ পণ্যৰ নাম পোৱা যায়। ঋষি-মুনি সমাজৰ খাদ্য ভাণ্ডাৰৰ তালিকাত 'সোম' নামৰ এবিধ গছলতাৰ ৰস হৈছে সোমৰস। এই নিচাযুক্ত সোম লতাৰ ৰস 'সোমৰস' ঋষি মুনিসকলৰ বিভিন্ন ক্ৰিয়া-কৰ্মত পানীয় হিচাপে ব্যৱহাৰ হোৱাৰ তথ্য পোৱা যায়। কিন্তু সেই পানীয় ঋষি সমাজে ব্যৱহাৰ কৰিছিল বিশ্বব্ৰহ্মাণ্ড মন্থনৰ ৰসাচ্ছাদনত, কোনো ধ্বংসৰ কামত নহয়। এফালে অমৃত আৰু আনফালে সোমৰস। এই খাদ্যসম্ভাৰ ব্যৱহাৰে সমাজ একোখনক উন্নতিৰ শিখৰলৈ নিয়াই নহয় বিশ্বৰ ভৱিষ্যত প্ৰজন্মৰ বাবে থৈ গ'ল অমূল্য তথ্যৰ ভাণ্ডাৰ। এক কথাত অবিশ্বাস্য হ'লেও বৰ্তমানৰ বিজ্ঞান-তথ্য প্ৰযুক্তি ভাৰতীয় অতীত তথ্যৰ ওপৰত প্ৰতিষ্ঠিত।

কিন্তু প্ৰমাণিত তথ্য প্ৰয়োজনাধিক অমৃত ভক্ষণে জীৱ জগতৰ উন্নতি সাধন কৰাৰ পৰিৱৰ্তে সমাজ একোখন নিশ্চিহ্ন কৰিব পাৰে। অতীতৰ সোমৰস মদ সদৃশ সেই যুগৰ পানীয়ই হ'ল বৰ্তমান সময়ৰ মানুহে প্ৰয়োজনৰ তাগিদাত প্ৰস্তুত কৰা হৰেক ৰকমৰ মদ। আমি অতীতলৈ চালে দেখিম শ্ৰীকৃষ্ণৰ 'যদুবংশ' এসময়ত সেই সোমৰস বা মদ ব্যৱহাৰ কৰাৰ বাবেই সমূলঞ্চে ধ্বংস হৈছিল আৰু বিভিন্ন দেৱ-দেৱতাৰ মাজত এইবিধ দ্ৰব্য ব্যৱহাৰ হোৱাৰ বাবেই বিভিন্ন অথন্তৰ ঘটিছিল। তদ্ৰূপ ঘটনা সংঘটিত হৈছে আজিৰ সমাজত। আজি আমাৰ ভাৰতীয় সমাজৰ বিশেষকৈ অসমৰ প্ৰায় প্ৰতিটো জাতি-জনগোষ্ঠীৰ ঘৰুৱা বা ৰাজহুৱা কৰ্মসমূহৰ খাদ্য তালিকাত মদে স্থান পাইছে। অসমৰ আতিথ্যপৰায়ণ সমাজ ব্যৱস্থাত মদৰ স্থান নাই যদিও বৰ্তমান ই এক আশ্চৰ্যকৰ নব্য সভ্যতাৰ স্থানলৈ গমন কৰাৰ হেতু। শংকৰ-মাধৱ-আজান ফকীৰৰ সমাজ ব্যৱস্থাৰ নামঘৰ-সত্ৰ-মছজিদ-গিৰ্জাৰ পৰা বিহুতলী, ভাওনা, সাংস্কৃতিক অনুষ্ঠানলৈকে সকলোতেই মদে এক সুকীয়া স্থান লৈছে। আনকি গৰুচৰোৱা স্থলীৰ পৰাও ই সমাজক ইতিকিং কৰাই নহয় অসমৰ শ শ পৰিয়াল পৰিজন ইয়াৰ হাতোৰাত পৰি ধ্বংস হৈছে। এই নব্য সভ্যতা হৈ পৰিছে পৰিয়াল একোটাৰ সভ্যতাৰ মাপকাঠি।

## সুৰাৰ বিৰুদ্ধে মাত মতাৰ বাবে শত্ৰু বাঢ়িছে

■ তৰুণ দাস, সমাজকৰ্মী



**সমগ্ৰ** ৰাজ্যখনতে আজি যেন সুৰা পানকাৰীয়ে এক অঘোষিত প্ৰতিযোগিতা আৰম্ভ কৰিছে। ঠাই বিশেষে কিছু পৰিৱেশ দেখিলে এনেই লাগিব আপোনাৰো। দক্ষতা আৰু উৎসাহে সমাজ জীৱনত মানুহক সহায় কৰে। কিন্তু বৰ্তমান একাংশ লোকৰ দক্ষতা থাকিলেও যেন সেই দক্ষতা মদৰ ৰাগিত এজাক ধ্বংসমুখী ধুমুহালৈ পৰিৱৰ্তিত হৈছে।

অকালতে হেৰাই গৈছে বহুতো ফুল কুমলীয়া ডেকা, ধ্বংস হৈছে একো একোখন সোণৰ সংসাৰ। একোটা সৰু সৰু চুবুৰি, গাঁও, একোখন পঞ্চায়ত, পৌৰসভা অঞ্চলৰ একোটা অঞ্চল। এইসকল মদ নোখোৱাকৈ থকা সমাজ সেৱা কৰি থকা লোকৰ শত্ৰু হৈ থিয় দিছে। একাংশ শুদ্ধ অন্তৰৰ লোকৰ সহযোগিতা নতুবা বহু সময়ত অকলেই হ'লেও নিজা অঞ্চলটোৰ, সমাজখনৰ, চহৰখনৰ বাবে ভাল কাম কৰাৰ চেষ্টা কৰো; কিন্তু এই কামে একাংশ মাতাল লোকৰ স্বাৰ্থত আঘাত হানে। পৰিণতিত এতিয়া মোৰ যেন প্ৰতিটো খোজতে সৃষ্টি হৈছে এনে বহু শত্ৰু। কাৰণ মই সম্পূৰ্ণভাৱে মদ, ভাঙৰ বাবে সমাজ ধ্বংস কৰা কাৰ্যৰ বিৰোধিতা কৰিছো। একোটা ধৰ্মীয় স্থানত মদাহীৰ উপদ্ৰৱ। ২০০৪ত তেজপুৰত বিষাক্ত সুৰা পান কৰি ১৬ জনৰ মৃত্যু ঘটিছিল। তাৰ মাজত পৰিচিত বহুজন আছিল। য'ত মদে সমাজ ধ্বংস কৰা বা একো একোজন লোকক ধ্বংস কৰা ঘটনাৰ মই যেন এজন প্ৰত্যক্ষদৰ্শী। যোৱা কিছু বছৰ আগতে সুন্দৰভাৱে আৰম্ভ হোৱা বিহু, পূজা সাংস্কৃতিক বা সামাজিক অনুষ্ঠানবোৰ উপভোগ কৰিবলৈ হিলদল ভাঙি ৰাইজ ওলাই অহা প্ৰত্যক্ষ কৰিছিলো; কিন্তু আজি যেন দিনক দিনে তেনে অনুষ্ঠানবোৰৰ পৰা একাংশ মানুহ আঁতৰ হৈ আহিবলৈ বাধ্য হৈছে। ইয়াৰ মূলতে হৈছে একাংশই মদ খাই কৰা উদ্ভণ্ডালি। ক'বলৈ শুনিবলৈ বেয়া— এতিয়া নাটক-ভাওনাৰ অভিনেতা, ভাৱৰীয়াকো মদ নহ'লে নহয়। সাংস্কৃতিক অনুষ্ঠানৰ কাষতে মদৰ ৰাগিত যুৱকক হত্যা কৰাৰ ঘটনা তেজপুৰত ঘটিছে।

সেয়ে বৰ্তমানৰ চৰকাৰখনৰ প্ৰতি মোৰ এটি বিনম্ৰ অনুৰোধ জনাইছো পাৰিলে মদৰ প্ৰচলন সম্পূৰ্ণৰূপে নিষিদ্ধ কৰক। নিবনুৱাক পাৰদৰ্শিতাৰ ভিত্তিত সুসংস্থাপিত কৰি ৰাজহ সংগ্ৰহৰ ব্যৱস্থা কৰক। ধলপুৱাৰে পৰা নিশালৈকে মদৰ ৰাগিত একোখন সমাজ ধ্বংস কৰি ঠাই বিশেষে পৰিৱেশ বিনষ্ট কৰাৰ লগতে পোহৰ পৰিষ্কাৰ সংস্কাৰত বাধা প্ৰদান কৰি থকা এখন চৰকাৰৰ এটা জাতি ধ্বংসৰ কাৰণ হৈ পৰা লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি সকলো দিশ সাঙুৰি লৈ সুন্দৰ সমাজ গঢ়িব নোৱাৰিনে?

# বালিলেছা কালী দেৱালয় সমিতিৰ কাৰ্যকাল উকলাৰ পাছতো হিচাপ নিদিয়াত অসন্তুষ্টি

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৩ অক্টোবৰ ঃ** বালিলেছাস্থিত কালী দেৱালয়ত শেহতীয়াকৈ দেৱালয় উন্নয়ন সমিতিৰ বিৰুদ্ধে ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে যোৱা কিছুবছৰ ধৰি দেৱালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদকে হিচাব দাখিল নকৰাক কেন্দ্ৰ কৰি ৰাইজৰ মাজত এই অসন্তোষৰ সৃষ্টি হৈছে। পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদকৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগৰ বাবে শক্তিধৰ্মী ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কালি দেৱালয়ৰ উন্নয়ন সমিতিৰ বিৰুদ্ধে স্থানীয় শতাধিক ৰাইজে স্বাক্ষৰ কৰি জিলা উপায়ুক্ত গীতিমণি ফুকনক বিহিত ব্যৱস্থা লোৱাৰ বাবে স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, কালী দেৱালয়খন সুচাৰুৰূপে পৰিচালনা আৰু উন্নয়নৰ বাবে পৰম্পৰাগত আৰু দেৱালয়ৰ সংবিধান মতে অংশীদাৰী ৰাইজৰ উদ্যোগত তিনিবছৰ পূৰ্বে এখন উন্নয়ন সমিতি গঠন কৰি দায়িত্ব দিয়া হয়। সমিতিৰ কাৰ্যকাল তিনিবছৰ উকলি যোৱাৰ পাছত দেৱালয়ৰ সমগ্ৰ আয়-ব্যয়ৰ হিচাপ আৰু উন্নয়নৰ খতিয়ান ৰাজহুৱা সভা অনুষ্ঠিত কৰি ৰাইজক দাখিল কৰিব লাগে। উত্থাপিত অভিযোগ মতে, উন্নয়ন সমিতিখনৰ সভাপতি আৰু সম্পাদকে দেৱালয়ৰ সংবিধান উলংঘা কৰি বিগত ছবছৰে ৰাজহুৱা সভা অনুষ্ঠিত নকৰাৰ লগতে আয়-ব্যয়ৰ হিচাপো সভাপতি, সম্পাদকে ৰাইজক দাখিল কৰা নাই। মূলতঃ দেৱালয়ৰ নৈবেদ্য উৎসৰ্গা, যাত্ৰীৰ মানস কৰা সামগ্ৰী, হোম, পুখুৰীৰ মাছ বিক্ৰী, গাড়ী মটৰৰ উৎসৰ্গা, বিবাহ ভৱনৰ ভাড়া, যাত্ৰীয়ে দোৱলয়ত ৰছিদ বহীৰ জৰিয়তে প্ৰদান কৰা নগদ ধন, প্ৰণামীৰ জৰিয়তে লাভ কৰা ধন, যাত্ৰীয়ে মানস কৰি দেৱীৰ ওচৰত সোণ, ৰূপ, মণি, মুকুতা আদি বিভিন্ন সামগ্ৰী দান কৰা আৰু অন্যান্য শিতানৰ জৰিয়তে বছৰি লাখ লাখ টকা দেৱালয়ত সংগ্ৰহ হয় যদিও সভাপতি, সম্পাদকে খেয়াল-খুচি মতে তিনিবছৰীয়া কাৰ্যকাল উকলি যোৱাৰ পাছতো ৰাইজক হিচাপ নিদিয়া বুলি অভিযোগ উঠিছে।

## ■ উপায়ুক্তক ৰাইজে দিলে স্মাৰকপত্ৰ

ৰাইজে অভিযোগ কৰা মতে, ক্ৰয় হোৱা ধন আৰু সোণ, ৰূপ, মুকুতাৰ নামত এক বৃহৎ কেলেংকাৰি সংঘটিত হৈছে। যাৰ বাবে সভাপতি, সম্পাদকে এটা দুষ্ট চক্ৰৰ স'তে লগ হৈ ৰাইজক ৰাজহুৱা সভা পাতি হিচাপ দাখিল কৰিবলৈ সক্ষম নোহোৱা বুলি স্মাৰকপত্ৰত অভিযোগ তোলে। এই ক্ষেত্ৰত ৰাইজে জিলা উপায়ুক্তক বিহিত ব্যৱস্থা লৈ উচিত তদন্ত সাপেক্ষে আইনীভাৱে ৰাইজক হিচাপ অৱগত কৰা দাবী জনায়।

# বিশ্বনাথত ঋণ প্ৰদানৰ অভিযানৰ আয়োজন

## ■ বেংকৰ লগত আৰ্থিক অন্তৰ্ভুক্তিকৰণ প্ৰয়োজনীয়তাৰ ওপৰত কৰা হ'ব আলোকপাত

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৩ অক্টোবৰ ঃ** বিশ্বনাথ জিলাৰ বেংকসমূহৰ মহাপ্ৰবন্ধক কৃষ্ণ ভৌমিকৰ উদ্যোগত অহা ২৬ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে বিশ্বনাথ চাৰিআলি নগৰস্থিত 'হিমালয় বিবাহ ভৱন' প্ৰাংগণত পোন প্ৰথমবাৰৰ বাবে ঋণ প্ৰদানৰ এক মহা অভিযান আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰা হৈছে। অভিযানত বিশ্বনাথ জিলাৰ বেংকসমূহে অংশগ্ৰহণ কৰি সাধাৰণ ৰাইজৰ আৰ্থিক সজাগতা, সবলতা আৰু বেংকৰ লগত আৰ্থিক অন্তৰ্ভুক্তিকৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰিব। ইয়াৰ লগতে আজিৰ গোলকীয় বিত্তীয় ব্যৱস্থাত ইলেকট্ৰনিক মাধ্যমৰ যোগেৰে বিত্তীয় লেনদেন, ব্যৱসায়িক সম্পৰ্ক আৰু সমাপন আদিৰ বিষয়ে বিভিন্ন দৃশ্য-শ্ৰব্য মাধ্যমেৰে ৰাইজৰ আগত দাঙি ধৰা হ'ব। মহাঅভিযান কাৰ্যসূচীত বেংকসমূহৰ নিজা নিজা বিভিন্ন আঁচনি যেনে ব্যৱসায় প্ৰতিষ্ঠাৰ ঋণ, উদ্যোগত প্ৰতিষ্ঠাৰ ঋণ, গৃহ নিৰ্মাণ ঋণ, শিক্ষাৰ বাবে ঋণ, চাকৰিৰ বিপৰীতে ঋণ, মাটিবন্ধকী ঋণ আৰু চৰকাৰী সাহায্যযুক্ত ঋণ যেনে কৃষক ঋণ পত্ৰ, প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা, ষ্টেণ্ড আপ ইণ্ডিয়া, কৃষি আন্তঃগাঁথনি পুজি, প্ৰধানমন্ত্ৰী সংস্থাপন আঁচনি, মীন আৰু পশুপালন আঁচনি, আত্মনিৰ্ভৰশীল ভাৰত আঁচনি, মধ্যমীয়া আৰু ক্ষুদ্ৰ উদ্যোগ আঁচনি আৰু অন্যান্য ৰাজ্যিক আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰা হ'ব। জিলাখনৰ সামগ্ৰিক উন্নয়ন আৰু কৃষকসকলৰ দুগুণ উপাৰ্জনৰ লক্ষ্যৰে আয়োজিত হ'বলগীয়া এই মহাঅভিযানত সামাজিক সুৰক্ষা আঁচনি যেনে প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা আঁচনি, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, অটল পেঞ্চন যোজনা, প্ৰধানমন্ত্ৰী শস্য বীমা যোজনা আদিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সুফল গ্ৰহণ কৰিবৰ বাবেও ৰাইজক সজাগ কৰা হ'ব। জিলাৰ উপায়ুক্ত, জিলা প্ৰশাসনৰ বিষয়ববীয়া, ৰাইজৰ প্ৰতিনিধি, কৃষি, মীন, পশুপালন, উদ্যোগ, হস্ততাঁত বস্ত্ৰশিল্প, জিলা পৰিষদ, পঞ্চায়ত আদিৰ বিষয়ববীয়া, জিলাৰ বিশিষ্ট উদ্যোগপতি, কৃষক, মীনপালক, পশুপালক আদিয়ে সাধাৰণ ৰাইজৰ প্ৰগতি আৰু আৰ্থিক উন্নয়নৰ বাবে কৰণীয় কাৰ্যক্ৰমণিকাৰ ওপৰত দিহা-পৰামৰ্শ আগবঢ়াব। উল্লেখ্য যে জিলা উন্নয়ন প্ৰবন্ধক (ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক)গৰাকীয়ে সমূহ বিষয়ৰ লগতে কৃষি ঋণ, আত্মসহায়ক গোট, যুটীয়া দায়বদ্ধ গোট সম্পৰ্কে দৃশ্য-শ্ৰব্য মাধ্যমেৰে আলোকপাত কৰিব। তদুপৰি, এই মহাঅভিযানৰ মুখ্য কাৰ্যসূচী হিচাপে বেংকসমূহে নিজা গ্ৰাহকসকলক প্ৰদান কৰিবৰ বাবে বিভিন্ন আঁচনিৰ ঋণ মঞ্জুৰি পত্ৰ ৰাজহুৱা পত্ৰ ৰাজহুৱাভাৱে বিতৰণ কৰিব।

# হেটোমতোলা প্ৰাথমিক বিদ্যালয়ত চুৰি

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ২৩ অক্টোবৰ ঃ** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত হেটোমতোলা প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা চুৰি কাণ্ড সংঘটিত হয়। তথ্য মতে, বিদ্যালয়ৰ মধ্যাহ্ন ভোজন ৰন্ধা গৃহত তলা ভাঙি প্ৰৱেশ কৰি খাদ্য বনোৱা চাৰিটা হাণ্ডি আৰু বাচন বৰ্তন লৈ যায়।

ইতিমধ্যে প্ৰধান শিক্ষক মনিৰুদ্দিন আহমেদে ছিপাঝাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ইফালে, কণ কণ ছাত্ৰ-ছাত্ৰীৰ খাদ্য বনোৱা সামগ্ৰী চুৰি কাণ্ডৰ ঘটনাত আৰক্ষীয়ে দুৰ্বৃত্তক কৰায়ত্ত কৰিব বুলি আশা কৰিছে স্থানীয় ৰাইজে।

## ■ বন্ধ কৰাৰ দাবীত আমছু আৰু স্থানীয় ৰাইজৰ প্ৰতিবাদ ■ বননি সংকুচিত হোৱাত শংকিত ৰাইজ

# পথ সম্প্ৰসাৰণৰ নামত ডবকা সংৰক্ষিত বনাঞ্চল ধ্বংস



**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২৩ অক্টোবৰ ঃ** হোজাই জিলাৰ ডবকা সংৰক্ষিত বনাঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা ৩৬ নম্বৰ ঘাইপথছোৱা চাৰিলেনযুক্ত ঘাইপথলৈ শীঘ্ৰে সম্প্ৰসাৰণ কৰাৰ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে হোজাই জিলাৰ ১৫ কিলোমিটাৰ পথৰ ভিতৰত ১২ কিলোমিটাৰ পথ ডবকা সংৰক্ষিত বনাঞ্চলখনৰ মাজেৰে যাব। চাৰিলেনযুক্ত ঘাইপথছোৱা সম্প্ৰসাৰিত হোৱাৰ বাবে বনাঞ্চলখনৰ পাঁচ সহস্ৰাধিক মূল্যবান গছ কাটিবলগীয়া হ'ব। ইতিমধ্যে বন বিভাগে কাটিবলগীয়া গছ সমূহত নম্বৰ অংকন কৰিছে। ফলত বনাঞ্চলখন সংকুচিত হোৱাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য হেৰুৱাব। তদুপৰি ইয়াত বসবাস কৰা বন্য প্ৰাণীকবলৰ প্ৰতি চৰম ভাবুকিৰ সৃষ্টি হ'ব। ডবকা বনাঞ্চলখন ৰক্ষাৰ স্বাৰ্থত আজি ডবকা আঞ্চলিক আমছুৰ উদ্যোগত আৰু হোজাই জিলা আমছুৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত শতাধিক কৰ্মী-ৰাইজে ডবকা শাল বাগানত এক অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে কিছুমান প্ৰকাণ্ড প্ৰকাণ্ড গছত 'আমাক নাকাটিব', 'আমাক হত্যা নকৰিব', 'আমাক সুৰক্ষা দিয়ক', 'অক্সিজেনৰ স্বাৰ্থত আমাক ৰক্ষা কৰক' আদি শ্ল'গান দি একোএকোখন প্লে-কাৰ্ড গছত আঁৰি গছসমূহ প্ৰত্যেকেই সাবটি ধৰি অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। পাছত বনাঞ্চলখনতেই সকলো একত্ৰিত হৈ 'ডবকা বনাঞ্চল ৰক্ষা কৰক', 'চাৰিলেনযুক্ত পথ নিৰ্মাণৰ নামত গছ কটা বন্ধ কৰক', 'বন্য প্ৰাণীৰ বাসস্থান ধ্বংস কৰা নচলিব' ইত্যাদি শ্ল'গান দি সমগ্ৰ পৰিৱেশ উত্তাল কৰে। এই সন্দৰ্ভত হোজাই জিলা আমছুৰ সভাপতি কবিৰ আহমেদ লস্কৰে কয় যে প্ৰস্তাৱিত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ নামত সংৰক্ষিত বনাঞ্চলখনৰ গছ কটা কাৰ্য কোনো কাৰণতে মানি লোৱা নহ'ব। কিয়নো পথ সম্প্ৰসাৰণৰ বাবে বিকল্প পথৰ ব্যৱস্থা আছে। গতিকে অতিশীঘ্ৰে বিষয়টো গুৰুত্ব সহকাৰে লৈ ডবকা সংৰক্ষিত বনাঞ্চলৰ পৰিৱৰ্তে বিকল্প পথেৰে পথচোৱা সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ তথা প্ৰশাসনক দাবী জনাইছে। ৰাষ্ট্ৰীয় ঘাইপথছোৱা ডবকা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ পাছফালেদি নি দীঘলজাৰুণী বনগাঁও, টঙীয়া, হীৰাগাঁও তপতজুৰী, হালধীআটী হৈ কাৰ্বি আংলং জিলাত প্ৰৱেশ কৰিলে সংৰক্ষিত বনাঞ্চলখন সম্পূৰ্ণৰূপে সুৰক্ষিত হ'ব বুলি স্থানীয় দল-সংগঠন আৰু প্ৰকৃতিপ্ৰেমী ৰাইজে দাবী কৰে। উল্লেখ্য যে ডবকা সংৰক্ষিত বনাঞ্চলখনত সম্প্ৰতি পহু, হলৌ বান্দৰ, বনগাহৰি, নাহৰফুটুকী, হাতী, ভালুক আদিকে ধৰি বিভিন্ন প্ৰজাতিৰ পক্ষী আছে। তদুপৰি বনাঞ্চলখনত বহুকেইটা স্থানত হাতীৰ কৰিডৰ আছে। চাৰিলেনযুক্ত পথ নিৰ্মাণ হ'লে হাতী চলাচলত অসুবিধাৰ সৃষ্টি হোৱাই নহয় অন্য বন্য জীৱকুলৰ প্ৰতি চৰম ভাবুকিৰ সৃষ্টি হ'ব বুলি প্ৰকৃতিপ্ৰেমী ৰাইজে আশংকা প্ৰকাশ কৰিছে।

# অভয়াপুৰীত কলিতা জনগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলা কলিতা জনগোষ্ঠীয়ে সংগঠনটোৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস ২৫ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে অভয়াপুৰীত উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। বঙাইগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি আৰু সাধাৰণ সম্পাদকে জানিবলৈ দিয়া মতে, অভয়াপুৰীৰ ধৰ্মপুৰস্থিত হাতীয়াৰ ভৱনত আয়োজন কৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ কাৰ্যকৰী সভাপতি, উপ-সভাপতি ক্ৰমে সত্যনাৰায়ণ কলিতা আৰু নিখিল দাসে বন্তি প্ৰজ্বলন কৰাৰ পাছতে সভাপতি জয়ন্ত দাসে পতাকা উত্তোলন, উপদেষ্টা কামেশ্বৰ কলিতাই স্মৃতি তৰ্পণ কাৰ্যসূচীৰ মুকলি কৰে। ইয়াৰ পাছতে সাধাৰণ সম্পাদক ভবেন দাসে উদ্বোধন কৰিবলগীয়া মুকলি সভাত উপদেষ্টা ৰমেন দাস, কলিতা জনগোষ্ঠী সন্মিলনৰ মহিলা মৰ্চাৰ সভানেত্ৰী বনলতা দাস, জিলা সমিতিৰ প্ৰাক্তন সভাপতি সতীশ চন্দ্ৰ দাস আদিয়ে অংশ ল'ব। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত জনগোষ্ঠীটোৰ কৰ্মকৰ্তা সকলোক ক'ভিড প্ৰট'কল মানি অংশ ল'বলৈ আহ্বান জনাইছে সাধাৰণ সম্পাদক ভবেন দাসে।

# আজি লৰমা কালী মন্দিৰত বাৰ্ষিক শ্ৰীশ্ৰীকালীপূজা

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৩ অক্টোবৰ ঃ** বৰভাগ ৰাজহচক্ৰৰ অন্তৰ্গত লৰমা কালীমন্দিৰত অইন বেলিৰ দৰে এইবেলিও কাইলৈ উলহ-মালহেৰে বাৰ্ষিক শ্ৰীশ্ৰীকালীপূজাৰ আয়োজন কৰা হৈছে। তদুপলক্ষে পুৱা সমাজসেৱা, ধৰ্মধ্বজা উত্তোলনৰ পাছতে সন্ধিয়া পূজাৰম্ভ, দেৱীৰ মহাস্নান, ওজাপালি প্ৰদৰ্শন, নিশাৰ ভাগত বলিদান, সমূহীয়া শান্তি, ঘট বিসৰ্জন, প্ৰসাদ আৰু ভোগ বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰিব। পূজা পৰিচালনা কৰিবলৈ গিৰীশ চন্দ্ৰ চক্ৰৱৰ্তীক সভাপতি আৰু দিলীপ কুমাৰ শৰ্মা (সোনটি)ক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰিছে।

# বঙাইগাঁৱত সাংবাদিকক হত্যাৰ ভাবুকি ঃ দল-সংগঠনৰ গৰিহণা

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৩ অক্টোবৰ ঃ** গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত এখনৰ বঙাইগাঁৱৰ সংবাদদাতা উপানন্দ শৰ্মাক ২০ অক্টোবৰৰ নিশা প্ৰাণে মৰাৰ ভাবুকি দিয়াৰ অভিযোগত আৰক্ষীয়ে জিলাখনৰ সিদলসতীৰ মাণিক বৰ্মণক কৰায়ত্ত কৰি আজি আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে বিগত বছৰত তলা বন্ধৰ সময়ত সিদলসতীৰ মাণিক বৰ্মণে আধাৰ কেন্দ্ৰ স্থাপন কৰি আধাৰ কাৰ্ড দিয়াৰ নামত স্থানীয় লোকৰ পৰা ধন লোৱাৰ তথ্য ভিত্তিক এবছৰ পূৰ্বে সাংবাদিকজনে বাতৰি পৰিৱেশন কৰিছিল। কিন্তু এবছৰ পাছত লোকজনে সংবাদ পৰিৱেশন কৰা সাংবাদিকজনক ফোনত দুৰ্ব্যৱহাৰ কৰাৰ লগতে মৃত্যুৰ ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে। সাংবাদিক শৰ্মাই ম'বাইল নম্বৰটোৰ উৎস বিচাৰি কালি বঙাইগাঁও সদৰ থানাত এখন এজাহাৰ দাখিল কৰাত বঙাইগাঁও থানাই ৮৬৫-২০২১ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি অনুসন্ধান কৰি যোৱা নিশা অভিযুক্ত মাণিক বৰ্মণক গ্ৰেপ্তাৰ কৰে।
সাংবাদিকক হত্যাৰ ভাবুকি দিয়া কাৰ্যক বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। জিলাখনৰ বিভিন্ন অৰাজনৈতিক সংগঠনেও এনে কাৰ্যক ধিক্কাৰ দিয়াৰ লগতে দোষীক কঠোৰ শাস্তি দিয়াৰ বাবে দাবী জনাইছে।

## সৃজনগ্ৰাম ইউনাইটেড হাইস্কুলৰ সাধাৰণ সভা

# বিদ্যালয় পৰিচালনা সমিতিৰ নতুন সভাপতি-উপ-সভাপতি পদত চাৰিজনৰ নাম প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ইউনাইটেড হাইস্কুলৰ সাধাৰণ সভা এখন যোৱা ২২ অক্টোবৰত শতাধিক অভিভাৱক, শুভাকাংক্ষীৰ উপস্থিতিত অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰবীন্দ্ৰ চন্দ্ৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰূপচান্দ ভূঞাই উদ্দেশ্য ব্যাখ্যা কৰে। ক'ভিড প্ৰট'কল অনুসৰি অনুষ্ঠিত সভাখনত বিদ্যালয় পৰিচালনা সমিতি সন্দৰ্ভত শিক্ষা বিভাগে দিয়া আদেশ অনুসৰি নতুনকৈ সমিতি গঠনৰ বিষয়টো আলোচনা কৰে। সেই অনুসৰি সভাপতি আৰু উপ-সভাপতি পদ দুটাৰ বাবে চাৰিজন ব্যক্তিৰ নাম প্ৰস্তাৱ আকাৰে গ্ৰহণ কৰি সংশ্লিষ্ট পক্ষলৈ প্ৰেৰণৰ সিদ্ধান্ত লয়। সেইমতে সভাপতি পদত অঞ্জন কলিতা আৰু প্ৰমোদ কুমাৰ ৰায়, উপ-সভাপতি পদত গিৰীন কিশোৰ ৰায়সহ আন এজনৰ নাম প্ৰেৰণ কৰে।

# ছিপাঝাৰত শৰৎ বিশেষ সংখ্যা 'অনুভৱ' উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ২৩ অক্টোবৰ ঃ** ছিপাঝাৰৰ বৰদৌলগুৰি কবৈচুবাস্থিত অনুভৱ প্ৰকাশৰ উদ্যোগত প্ৰকাশিত দুমহীয়া আলোচনী 'অনুভৱ'ৰ শৰৎ বিশেষ পঞ্চম সংখ্যাটো পৰহি উন্মোচন কৰা হয়। এই উদ্দেশ্যে আবেলি নেহৰু স্মৃতি বালিকা বিদ্যালয়, হাজৰিকাপাৰাত অনুষ্ঠিত হয় এক অনুষ্ঠান। হাজৰিকাপাৰাৰ সাহিত্য সভাৰ সভাপতি, ৰাজ্যিক বঁটাপ্ৰাপ্ত শিক্ষক শিৱপ্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত আৰু অনুভৱ প্ৰকাশনৰ পৰিকল্পক, হাজৰিকাপাৰা, দেবানন্দ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয় প্ৰণৱ কুমাৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানৰ পূৰ্বে মংগলাচৰণ কৰে শিক্ষয়িত্ৰী কৃপালিনী দেৱীয়ে। সাংবাদিক গগন কুমাৰ নাথে আঁত ধৰা অনুষ্ঠানত আলোচনীখন উন্মোচন কৰে ক্ৰমে সমগ্ৰ শিক্ষা, দৰঙৰ আঁচনি বিষয়া ধনজিৎ ৰাজবংশী আৰু ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ হৰেণ ডেকাই। শৰৎ বিশেষ সংখ্যা অনুভৱৰ সম্পাদিকা, শিক্ষয়িত্ৰী অৰ্চনা নন্দিতা শৰ্মাই মনোভাব ব্যক্ত কৰা অনুষ্ঠানত বক্তব্য প্ৰদান কৰে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক মহাদেৱ শৰ্মা, ৰাজ্যিক বঁটাপ্ৰাপ্ত শিক্ষক বলেন্দ্ৰ ৰাই কলিতা আৰু যুৱ লেখক মৃগাংক কলিতাই। শিক্ষয়িত্ৰী উদেষ্ণা শৰ্মা, সংগীত শিল্পী ক্ৰমে ধীৰাজ কুমাৰ কলিতা, প্ৰস্তুতি শৰ্মা, বাবুল শৰ্মাই গীত পৰিৱেশন কৰা অনুষ্ঠানত কবিতা আবৃত্তি কৰে হিমাশ্ৰী বৰুৱাই। বিগত গ্ৰীষ্ম-বৰ্ষা সংখ্যা 'অনুভৱ'ৰ সম্পাদিকা, শিক্ষয়িত্ৰী প্ৰিয়ংকা ভৰদ্বাজ আৰু আগন্তুক হেমন্ত সংখ্যা অনুভৱৰ সম্পাদক ধীৰাজ কুমাৰ কলিতাই মনোভাব ব্যক্ত কৰা অনুষ্ঠানত প্ৰচ্ছদ শিল্পী ডিম্পীমণি ভাৰতী, অলংকৰণ শিল্পী ভাগ্যশ্ৰী শৰ্মা, দেৱৰ্ষি কলিতা, মৃগাংক কলিতা, চিত্ৰশিল্পী শৰৎ চন্দ্ৰ নাথক অভিনন্দন জনোৱা হয়। অনুভৱ প্ৰকাশনৰ উদ্যোগত অসম ভিত্তিত অনুষ্ঠিত অণুগল্প প্ৰতিযোগিতাৰ ফলাফল এই অনুষ্ঠানতে ঘোষণা কৰা হয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় প্ৰণৱ কুমাৰ নাথে।

# জামুগুৰিহাটৰ বিশিষ্ট সমাজকৰ্মী কৃতী শিক্ষক ৰঞ্জিত মণ্ডলৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৩ অক্টোবৰ ঃ** জামুগুৰিহাটৰ এগৰাকী অগ্ৰণী সমাজসেৱক, ঐতিহ্যমণ্ডিত বাপুজী ভৱন নাট্য সমাজৰ প্ৰাক্তন সভাপতি, জামুগুৰি ব্যৱসায়ী সন্থাৰ প্ৰাক্তন সভাপতি তথা শংকৰদেৱ শিশু নিকেতনৰ বিজ্ঞান শিক্ষক ৰঞ্জিত মণ্ডলৰ (৭২)ৰ কালি বিয়লি পৰলোকপ্ৰাপ্তি ঘটে। উল্লেখ্য যে ১৯৪৯ত জন্মলাভ কৰা মণ্ডলে ১৯৭৬তে জামুগুৰি হাটৰ মাজমজিয়াত ব্যৱসায়ৰে কৰ্মজীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত শংকৰদেৱ শিশু নিকেতনৰ বিজ্ঞান শিক্ষক হিচাপে সেৱা আগবঢ়ায়। ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনাৰ অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব বহন কৰা মণ্ডল অঞ্চলটোৰ শতবৰ্ষ গৰকা সাৰ্বজনীন দুৰ্গাপূজা সমিতি সভাপতি, জামুগুৰি বেংগলী হৰি সেৱা সমাজ সভাপতি আৰু উপদেষ্টাৰ দায়িত্ব পালন কৰিছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গুণমুগ্ধসকল বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লয় বাৰেচহৰীয়া ভাওনা কমিটী, বাপুজী ভৱন নাট্য সমাজ, জামুগুৰি সাহিত্য সভা, জামুগুৰি সাহিত্য সন্মিলনী, আলাপ, জামুগুৰি ব্যৱসায়ী সন্থা, নদুৱাৰ প্ৰেছ ক্লাৱ, জামুগুৰি ব'হাগী মেলা আদিয়ে। মৃত্যুৰ সময়ত পত্নী, দুই জী-জোঁৱাই-ভ্ৰাতৃ-ভতিজাসহ অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# হাজো হয়গ্ৰীৱ মাধৱ দোমোঠাৰগুৰিত শ্ৰীশ্ৰীমহালক্ষ্মী পূজা উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৩ অক্টোবৰ ঃ** ধনৰ অধিষ্ঠাত্ৰী লক্ষ্মী দেৱীৰ পূজা। ৰাজ্যজুৰি ব্যাপক উলহ-মালহেৰে আয়োজন চলিছে লক্ষ্মী পূজাৰ। তীৰ্থনগৰী হাজোতো দেখা গ'ল লক্ষ্মী পূজাৰ উখল-মাখল পৰিৱেশ। তীৰ্থনগৰী হাজোৰ ঐতিহ্যমণ্ডিত হাজো হয়গ্ৰীৱ মাধৱ দোমোঠাৰগুৰিত বৰ্ণাঢ্য কাৰ্যসূচীৰে সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি এইবেলিৰ শ্ৰীশ্ৰী লক্ষ্মী পূজাভাগ উদ্‌যাপন কৰা হয়। এক সাংস্কৃতিক কাৰ্যসূচীৰে লক্ষ্মী পূজাস্থলীত এক উখল-মাখল আধ্যাত্মিক পৰিৱেশৰ লগতে ধূপ-দীপ-নৈবেদ্যৰে দেৱীৰ শ্ৰীচৰণত পূজা অৰ্চনা কৰে সমূহ ভক্তপ্ৰাণ ৰাইজে। আজিৰ সন্ধিয়াৰ ভাগত পূজাস্থলীত উপস্থিত থাকে এমট্ৰনৰ উপ-প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ, পূজা পৰিচালনা কমিটীৰ সভাপতি কমল ভাগৱতী, সম্পাদক পংকজ বৰুৱা, কোষাধ্যক্ষ মহিম কুমাৰ দাস আদি।

# আন্তঃৰাষ্ট্ৰীয় নৃত্য প্ৰতিযোগিতাত উজলিল অসম কন্যা




**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২৩ অক্টোবৰ ঃ** মালয়েছিয়াৰ কলা মন্দিৰ ডেন্স একাডেমীৰ দ্বাৰা আয়োজিত আন্তঃৰাষ্ট্ৰীয় ধ্ৰুপদী নৃত্য সমাৰোহত উজ্বলি উঠিবলৈ সক্ষম হৈছে অসম কন্যা বৰ্তমানৰ বাগ্‌সা জিলাৰ গৌদান দৈলাজান, বৰঘাগ্ৰা নিবাসী ছায়াশ্ৰী বসুমতাৰী। যোৱা সাতৰ পৰা ১৭ অক্টোবৰলৈ ভাৰত, মালয়েছিয়া, ইংলেণ্ড, আমেৰিকা, বেংকক, দক্ষিণ আফ্ৰিকা আদি দেশৰ নৃত্যাংগনাসকলৰ মাজত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় নাট্যদ্বানী অনলাইন নৱৰাত্ৰি নৃত্য আৰু সংগীত সমাৰোহত ধ্ৰুপদী নৃত্য শিল্পী ছায়াশ্ৰী বসুমতাৰীয়ে 'নাট্য কলা পুৰস্কাৰ' লাভ কৰি উজলি উঠিবলৈ সক্ষম হৈছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন দেশৰ প্ৰখ্যাত নৃত্যাংগনাসকলে অংশগ্ৰহণ কৰা এই নৃত্য সমাৰোহত বঁটা লাভ কৰা বাবে নৃত্য পটীয়সীগৰাকীলৈ অসংখ্য গুণমুগ্ধ আৰু শুভাকাংক্ষীয়ে সামাজিক মাধ্যমযোগে ইতিমধ্যে শুভেচ্ছা তথা অভিনন্দন জনাইছে। চত্তিশগড়ৰ ইন্দিৰা কলা সংগীত বিশ্ববিদ্যালয়, খৈৰাগৰৰ প্ৰাক্তন ছাত্ৰী প্ৰতিভাৱান নৃত্য শিল্পীগৰাকীয়ে ইতিমধ্যে ২০২০ত মালয়েছিয়া কুৱালালামপুৰত এআইবিএৰ দ্বাৰা আয়োজিত আৰ্ন্তজাতিক ধ্ৰুপদী নৃত্য প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ, ২০১৮ত ডুবাইত নৃত্য কলাকেলিৰ দ্বাৰা অনুষ্ঠিত নাডাম আন্তঃৰাষ্ট্ৰীয় ধ্ৰুৱদী নৃত্য সমাৰোহত নৃত্য প্ৰতিভা পুৰস্কাৰ, ২০১৮ত নেপালত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় নৃত্য আৰু সংগীত সমাৰোহত নৃত্যমণি পুৰস্কাৰ, ২০১৮ত বৃন্দাবন-মথুৰাত কৃষ্ণ ৰংগ মহোৎসৱৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ব্ৰিজলতা পুৰস্কাৰ, ২০১৭ত ওড়িছা-কটক গ্ল'বেল থিয়েটাৰ সমাৰোহত নৃত্যশ্ৰী পুৰস্কাৰ, একেটা বছৰতে চত্তিশগড়ত অনুষ্ঠিত ভাৰতীয় ধ্ৰুপদী নৃত্যৰ নৃত্য বিলাসিনী পুৰস্কাৰ, ৰামমূৰ্তি ভগদৰ সমাৰোহত কলাকৃতি সন্মান, দিল্লীত অনুষ্ঠিত ভাৰতীয় ধ্ৰুপদী নৃত্য সমাৰোহত সুবৰ্ণ প্ৰভাৰ সন্মানকে ধৰি অনেক পুৰস্কাৰ, বঁটা, সন্মান আদি লাভ কৰিছে। এই গৰাকী প্ৰতিভাৱান নৃত্য শিল্পীয়ে উচিত প্ৰচাৰৰ অভাৱত প্ৰতিভা বিকাশৰ উপযুক্ত এখন ক্ষেত্ৰ লাভৰ পৰা আজিও বঞ্চিত হৈ আছে। অৱশ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত কে'বাখনো হিন্দী দৈনিক কাকতত নৃত্য পটীয়সীগৰাকীৰ নৃত্য প্ৰতিভাৰ বিষয়ে ইতিমধ্যে ক'বাতাও বাতৰি প্ৰচাৰ হৈছে। ভাৰতীয় ধ্ৰুপদী নৃত্য ধাৰাৰ ভাৰত নাট্যম নৃত্য শৈলীৰ এম এ ডেল্ট ডিগ্ৰীধাৰী নৃত্যশিল্পীগৰাকীয়ে যোগ্য সংস্থাপন লাভ কৰি নৃত্যকলা প্ৰচাৰ আৰু নৃত্য শিক্ষাদানৰ পৰা আজিলৈ বঞ্চিত হৈ আছে। সম্প্ৰতি 'নৃত্যছায়া কলা আংগন' নামেৰে এটি নৃত্য আৰু শিল্পকলাৰ অনুষ্ঠান আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে যদিও এই দিশত নৃত্যশিল্পীগৰাকীয়ে বিভিন্ন কাৰণত বিশেষ আগবাঢ়িব পৰা নাই বুলি জনাইছে, সুধী নৃত্য আৰু শিল্পকলা অনুৰাগী ৰাইজে এই নৃত্য শিল্পীগৰাকীৰ উপযুক্ত সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰ আৰু বিটিচি চৰকাৰক অনুৰোধ জনাইছে।

# মধ্যাহ্ন ভোজনৰ ৰান্ধনী যুৱতীক শ্লীলতাহানিৰ অপচেষ্টা শিক্ষকৰ

## ঢেকিয়াজুলিৰমেজেংজুলিত শিক্ষকৰ কাণ্ড

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ২৩ অক্টোবৰ ঃ** সম্প্ৰতি সমগ্ৰ ৰাজ্যতেই নাৰী নিৰ্যাতনৰ ঘটনা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। সময়ে সময়ে নাৰী সুৰক্ষাক লৈ বিভিন্ন দল-সংগঠনে প্ৰতিবাদী, ধৰ্ণা আদি প্ৰদান কৰাৰ লগতে চৰকাৰেও এই ক্ষেত্ৰত কঠোৰ আইন প্ৰণয়ন কৰিছে যদিও বৰ্তমানো একাংশ নীচ মানসিকতাৰ লোকৰ হাতত মহিলাই শ্লীলতা হেৰুৱাব লগা ঘটনা সংঘটিত হৈয়ে আছে ৰাজ্যখনত। এইবাৰ ঘটনাৰ স্থান শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ মেজেংজুলিৰ। এই সংক্ৰান্তত লাভ কৰা তথ্য অনুসৰি, ঢেকিয়াজুলি শিক্ষা খণ্ডৰ অন্তৰ্গত মেজেংজুলি প্ৰাথমিক বিদ্যালয়ত ভাস্কৰ ডেকা নামৰ এজন শিক্ষকে বিদ্যালয়খনতেই মধ্যাহ্ন ভোজনৰ ৰান্ধনী হিচাপে কৰ্মৰত এগৰাকী যুৱতীক শ্লীলতাহানিৰ অপচেষ্টা চলায়। শিক্ষকজনৰ এনে কাণ্ড যুৱতীগৰাকীৰ জৰিয়তে গাঁওখনত বিয়পি পৰাত যোৱা ২২ অক্টোবৰত অঞ্চলটোৰ লোকসকলে বিদ্যালয়খনত উপস্থিত হৈ শিক্ষকগৰাকীক আৱদ্ধ কৰি জৱাবদিহি কৰে। ঘটনাৰ খবৰ পাই বিদ্যালয়খনত আৰক্ষী আৰু শিক্ষা বিভাগৰ বিষয়া উপস্থিত হোৱাত পৰিস্থিতি নিয়ন্ত্ৰণত আহে। এই লৈ বিদ্যালয়খনৰ চৌহদত শিক্ষকজনৰ বিৰুদ্ধে সভা অনুষ্ঠিত হয়। ইফালে, এই সংক্ৰান্তত স্থানীয় ৰাইজ, দল-সংগঠনৰ কৰ্মীয়ে শীঘ্ৰেই শিক্ষকজনৰ এনে নিকৃষ্ট কৰ্মৰ বাবে বিদ্যালয়খনৰ পৰা স্থানান্তৰ কৰিবলৈ দাবী জনাইছে। বৃত্তিত শিক্ষক হৈ শিক্ষক সমাজক কলংকিত কৰা ডেকাক দৃষ্টান্তমূলক শাস্তি দাবী জনাইছে ইফালে আঞ্চলিক আদিবাসী ছাত্ৰ সন্থা (আছা) ঢেকিয়াজুলি শাখা আটাইছে। শিক্ষকজনৰ বিৰুদ্ধে ৰাইজে এই বিষয়ে এখন লিখিত অভিযোগ ঢেকিয়াজুলি শিক্ষা খণ্ডত দাখিল কৰিছে।

## ■ পৰিবহণ বিভাগৰ নিৰ্লিপ্ততাৰ সুযোগ ■ দুৰ্ভোগ স্থানীয় ৰাইজৰ

# চিৰাঙত পঞ্জীয়নবিহীন ই-ৰিক্সাৰ অতপালি

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৩ অক্টোবৰ ঃ** ই-ৰিক্সাৰ অতপালিত অতিষ্ঠ হৈছে জনসাধাৰণ। এটা সময়ত বাসুগাঁও চহৰত লঘু পথৰ যাতায়াত কৰিবলৈ বহুলভাৱে ব্যৱহৃত হৈছিল মানৱচালিত তিনিচকীয়া ৰিক্সা। কিন্তু সময়ৰ পৰিবৰ্তনৰ লগে লগে মানৱচালিত ৰিক্সাৰ ঠাইত এতিয়া স্থান লৈছে বেটাৰী চালিত ই-ৰিক্সা। এই ই-ৰিক্সা এতিয়া চহৰ-নগৰ, গাঁৱে-ভূঞে বহু শিক্ষিত নিবনুৱা যুৱকসকলক কৰ্ম সংস্থান দিবলৈ সক্ষম হৈছে। কিন্তু পৰিবহণ বিভাগৰ নিৰ্লিপ্ততাৰ বাবে বহুতৰে কৰ্মসংস্থাপন দিয়া অনিয়ন্ত্ৰিত ই-ৰিক্সাবোৰে এতিয়া চহৰ অঞ্চলৰ ৰাইজৰ বহু অসুবিধাৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপিত হৈছে। কোনো ধৰণৰ পৰিবহণ আইন নমনা ই-ৰিক্সাচালকসকলে নিজ ইচ্ছামতে চহৰখনৰ য'তে-ত'তে ই-ৰিক্সা ৰাখি থৈ সাধাৰণ ৰাইজৰ যানবাহনৰ চলাচলৰ ব্যাঘাত সৃষ্টি কৰা নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে। তাতকৈ লক্ষ্যণীয় কথাটো হৈছে যে অধিকাংশ ই-ৰিক্সাতে দেখিবলৈ নাই পৰিবহণ বিভাগৰ পঞ্জীয়ন ফলক, নাই কোনো সাধাৰণ বীমা ব্যৱস্থা, নাই চালকৰ কোনো অনুজ্ঞাপত্ৰ, বাহন চালনাৰ সাধাৰণ জ্ঞান নথকা অপৈণত কিশোৰ চালকৰ অতপালিত অতিষ্ঠ চিৰাঙৰ বাসুগাঁও, বিজনী আৰু কাজলগাঁও চহৰবাসী। বিশেষকৈ পঞ্জীয়নবিহীন ই-ৰিক্সাবোৰ এতিয়া ৰাইজৰ চিন্তাৰ কাৰণ হৈ পৰিছে। কাৰণ এনে ধৰণৰ পঞ্জীয়নবিহীন ই-ৰিক্সাবোৰে যদি কোনো ধৰণৰ পথ দুৰ্ঘটনাত পতিত হয় তেনেহ'লে দুৰ্ঘটনাগ্ৰস্ত লোকসকলে কোনো ধৰণৰ বীমা ক্ষতি পূৰণ লাভ নকৰিব। তদুপৰি পঞ্জীয়নবিহীনভাৱে বছৰৰ পাছত বছৰ ধৰি ই-ৰিক্সাবোৰে চলাচল কৰি আছে, কিন্তু এই ক্ষেত্ৰত জিলা পৰিবহণ বিভাগৰ পৰা বিশেষ পদক্ষেপ গ্ৰহণ নকৰাৰ কাৰণে চৰকাৰে বুজন পৰিমাণৰ ৰাজহ হেৰুৱাব লগাত পৰিছে। বাসুগাঁও চহৰত পূৰ্বতকৈ লঘু যানবাহনৰ সংখ্যা বৃদ্ধি পোৱাত এই ই-ৰিক্সাবোৰৰ কাৰণে পাৰ্কিং পোৱাটো দুৰূহ হৈ পৰিছে। বাসুগাঁও চহৰৰ সচেতন মহলৰ দাবী পৰিবহণ বিভাগৰ নিয়ম-নীতি অনুসৰি ই-ৰিক্সা চলাচল কৰক ইয়াত ক'বলগীয়া নাই কিন্তু পৰিবহণ বিভাগৰ নীতি-নিয়ম অবমাননা কৰি পঞ্জীয়নবিহীন আৰু অনুজ্ঞাপত্ৰবিহীন ই-ৰিক্সা চালকসকলক জিলা পৰিবহণ বিভাগৰ পৰা নাকী লগাবলৈ আহ্বান জনোৱা হয়।

# চৰকাৰী শ্ল'গানতহে বন্ধ গৰুৰ সৰবৰাহ

*এক পৃষ্ঠাৰ পৰা* ওলাইছে। চোৰাং ব্যৱসায়ীয়ে তেনে দুৰ্গম স্থানৰ সুযোগ লৈ গৰুৰ চোৰাং সৰবৰাহ অব্যাহত ৰাখিছে। সাধাৰণতে বাৰিষা আৰু নদীত পানী বেছি থকা সময় চোৰাং ব্যৱসায়ীৰ বাবে অনুকূল। পানী যেনি-তেনি বৈ যোৱাত বিএছএফে ঢুকি নোপোৱা স্থানৰ পৰা চোৰাং ব্যৱসায়ীয়ে গৰু নদীয়েদি বাংলাদেশলৈ উটুৱাই লৈ যায়। সেই কাৰণে বাৰিষাৰ সময়ত বিএছএফৰ সক্ৰিয়তা অধিক বৃদ্ধি হয়। এইবাৰ বাৰিষা তেনেকৈ নহ'ল আৰু নদীতো অতিৰিক্ত পানী অধিক দিন নাথাকিল। সূত্ৰটোৱে কয় যে অসম চৰকাৰৰ তৎপৰতাৰ আৰম্ভণি পৰ্যায়ত চোৰাং সৰবৰাহকাৰীৰ তৎপৰতা কিছু পৰিমাণে স্তিমিত হৈ থাকে; কিন্তু লাহে লাহে পুনৰ সক্ৰিয়তা বৃদ্ধি পাইছে এই চক্ৰবোৰৰ। তাৰ ফলত গৰুৰ সৰবৰাহ যিদৰে বাঢ়িছে, বিভিন্ন স্থানত গৰুসহ সৰবৰাহকাৰী জব্দও হৈছে। অসমৰ উপৰি দেশৰ বিভিন্ন ৰাজ্যৰ পৰা অনা চোৰাং গৰুবোৰ সীমান্তৰ নদীৰ আশে-পাশে থকা দুৰ্গম অংশবোৰত লুকুৱাই ৰখা হয়। তাৰ বাবে এজেণ্টৰ জৰিয়তে দুটা বা তিনিটা গৰুহে এবাৰত এজেণ্টৰ দলে সীমান্তলৈ লৈ যায়। বেছি সময় গৰুবোৰ ৰখা নহয়। সুযোগ বুজি নাও, কলৰ ভুৰ আদিৰে অতি ক্ষিপ্ৰতাৰে এজেণ্ট তথা ব্যৱসায়ীৰ দলে গৰুসহ নদী সীমান্ত অতিক্ৰম কৰে। গৰু লুকুৱাই ৰাখিবলৈ সীমান্তৰ কোনো কোনো স্থানত সুৰংগ পৰ্যন্ত খন্দাৰ তথ্যও পোহৰলৈ আহিছে।

প্ৰসংগক্ৰমে উল্লেখ্য যে যোৱা ২১ অক্টোবৰৰ নিশা বাংলাদেশলৈ প্ৰেৰণৰ বাবে ছেগ চাই থকা অৱস্থাত দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ আন্তৰ্জাতিক সীমান্তৰ সমীপৰ শিশুমাৰা গাঁৱত আৰক্ষী আৰু বিএছএফে যৌথ অভিযান চলাই নটা চোৰাং পশুধন জব্দ কৰাৰ লগতে তিনিজন সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰে। যোৱা ১৭ অক্টোবৰত পশ্চিমবংগৰ পৰা এখন ট্ৰাকেৰে বাংলাদেশলৈ প্ৰেৰণৰ বাবে আনি থকা অৱস্থাত ধুবুৰী আৰক্ষীয়ে ছটা গৰু জব্দ কৰে। যোৱা ১৯ অক্টোবৰতো বঙাইগাঁও আৰক্ষীয়ে বইটামাৰীৰ পৰা ২১টা চোৰাং গৰু জব্দ কৰে। এই গৰুকেইটাও বাংলাদেশলৈ প্ৰেৰণৰ বাবে ধুবুৰী অভিমুখে নি থকা হৈছিল। এনেদৰে চোৰাং সৰবৰাহ ব্যাপক ৰূপত চলি আছে যদিও তেনেই মুষ্টিমেয় সংখ্যক পশুধনহে সীমান্ত সুৰক্ষা বাহিনী অথবা আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হৈছে।

# নিৰ্বাচনৰ পূৰ্বে গলা-গলি আৰু পাছত

*এক পৃষ্ঠাৰ পৰা* বৰাৰ। আজি দুপৰীয়া মৰিয়নিত মিত্ৰজোঁটৰ বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ হৈ দলৰ কাৰ্যকৰী সভাপতি তথা স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ স'তে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি এইদৰে কয় মন্ত্ৰী বৰাই। মৰিয়নি নগৰত স্থাপন কৰা অগপৰ নিৰ্বাচনী কাৰ্যালয়ত দলীয় কৰ্মীৰ স'তে মত-বিনিময় কৰে সভাপতি বৰাই। ইয়াৰ পাছতে দেবেৰাপাৰ চাৰিআলিত অগপৰ আন এটা নিৰ্বাচনী কাৰ্যালয়ত উপস্থিত হৈ দলীয় কৰ্মী তথা সমৰ্থকসকলক উদ্দেশি তেওঁ কয় যে কংগ্ৰেছৰ দখলত থকা বাবে মৰিয়নি সমষ্টিৰ সৰ্বাংগীণ উন্নয়ন নহ'ল। কুৰ্মীয়ে এই সকলোবোৰ বুজি পাই কংগ্ৰেছ এৰি বিজেপিলৈ আহিছে। কংগ্ৰেছৰ স্বৰূপ মানুহে গম পাইছে বুলি উল্লেখ কৰি অগপ সভাপতিজনে কয় যে এতিয়া কংগ্ৰেছ ক্ৰমাৎ অস্তিত্বহীন হ'বলৈ ধৰিছে। আনহাতে, অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ নাম নোলোৱাকৈ বৰাই কয়, 'একাংশ দলে নিজকে জাতীয়তাবাদৰ আৰু আঞ্চলিকতাবাদৰ ধ্বজাবাহক বুলি ক'ব খোজে যদিও বিগত সময়ছোৱাত তেওঁলোকৰ কাম-কাজে প্ৰমাণ কৰিছে যে প্ৰকৃততে তেওঁলোক জাতীয়তাবাদ বা আঞ্চলিকতাবাদত বিশ্বাসী নহয়। তেওঁলোক প্ৰকৃততে সুবিধাবাদীহে।' লগতে কংগ্ৰেছৰ মহাজোঁটক কটাক্ষ কৰি বৰাই কয়, 'সেয়া সকলোৱে দেখি আহিছে, নিৰ্বাচনৰ পূৰ্বে গলা-গলি হয় আৰু নিৰ্বাচনৰ পাছত তেওঁলোকৰ মাজত ঠেলা-ঠেলি হয়। একমাত্ৰ নিৰ্বাচনী সুবিধা ল'বৰ বাবেহে তেওঁলোকে এইদৰে নিৰ্বাচনৰ পূৰ্বে গলাগলি কৰিছে।' দলীয় কৰ্মীসকলক বিজেপিৰ প্ৰাৰ্থীজনক ভোট দিবলৈ আহ্বান জনাই অগপ সভাপতিজনে কয়, 'পোৱা-নোপোৱাৰ বেদনা বা যিকোনো কথা পাহৰি আৰু সৰু-সুৰা কথাবোৰ ধৰি নাৰাখি বিজেপিৰ প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ হৈ ৰাইজৰ মাজলৈ যাওক আমাৰ দলীয় কৰ্মীসকল।' সভা দুখনত অগপৰ কাৰ্যকৰী সভাপতি তথা স্বাস্থ্যমন্ত্ৰী মহন্তই ৩০ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে অগপ কৰ্মীয়ে ভোট দিয়া প্ৰাৰ্থী জয়ী হ'ব বুলি দাবী কৰে। তেওঁ কয়, '১৯৮৫ৰ পাছত এতিয়ালৈকে মৰিয়নি অগপৰ সমৰ্থকসকলে ভোট দিয়া প্ৰাৰ্থী জয়ী হ'ব পৰা নাই; কিন্তু এইবাৰ জয়ী হ'ব।' মৰিয়নি সমষ্টিত এইবাৰ প্ৰকৃত উন্নয়ন হ'ব বুলি দাবী কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমষ্টিটোলৈ আহি ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ বাবে ঘোষণা কৰি গৈছে। এই সন্দৰ্ভত মহন্তই কয়, 'মুখ্যমন্ত্ৰীৰ কোৱা কথা মানে ঘোষণা কৰা। গতিকে মৰিয়নিৰ সৰ্বাংগীণ উন্নয়ন হ'বই।' লগতে মৰিয়নিৰ স্বাস্থ্যৰ ক্ষেত্ৰত থকা সমস্যাসমূহ অতি শীঘ্ৰে সমাধান কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীজনে প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিৰোধীৰ নাম নোলোৱাকৈ মন্ত্ৰী মহন্তই কংগ্ৰেছ আৰু ৰাইজৰ দলক সমালোচনা কৰি কয়, 'বেলেগ দলৰ প্ৰাৰ্থী জিকিলে মৰিয়নি সমষ্টিৰ কোনো উন্নয়ন নহয়। ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত এতিয়া উন্নয়নৰ গতি ত্বৰান্বিত হৈছে। বৰ্তমানৰ চৰকাৰৰ আঁচনিয়ে প্ৰতিটো পৰিয়ালক চুই যাব।'

এই নিৰ্বাচনী সভাত দেৰগাঁও সমষ্টিৰ বিধায়ক তথা দলৰ উপ-সভাপতি ভবেন ভৰালী, মৰিয়নি সমষ্টিৰ দায়িত্বত থকা অগপৰ সাধাৰণ সম্পাদক তথা বিধায়ক প্ৰদীপ হাজৰিকা, উপ-সভাপতি পুতুল বৰুৱা, কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰবীণ হাজৰিকা, অতুল মেধি, নুৰুল চুলতান, কেন্দ্ৰীয় মুখপাত্ৰ কস্তুৰী চুতীয়া, ৰাজীৱ দত্ত, সৌৰভ প্ৰাণ বৰা, ড° ৰমানন্দ দাস, ভাস্কৰ কালিন্দি প্ৰমুখ্যে দলীয় নেতাসকলে অংশগ্ৰহণ কৰে।

# ধৈৰ্য কোঁৱৰৰ বিৰুদ্ধে নটা-ফণীধৰ

*এক পৃষ্ঠাৰ পৰা* সম্পত্তি আৰু তেওঁলোকৰ বিৰুদ্ধে থকা অপৰাধ গোচৰৰ এক প্ৰতিবেদন ৰাজহুৱা কৰিছে ডেমক্ৰেটিক ৰিফৰ্ম (এডিআৰ)-এ। এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৩১জন প্ৰাৰ্থীয়ে দাখিল কৰা শপতনামা বিশ্লেষণ কৰি সংস্থাটোৱে প্ৰস্তুত কৰা প্ৰতিবেদনত এই উল্লিখিত প্ৰাৰ্থীসকলৰ ভিতৰত পাঁচজনৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে বুলি উল্লেখ কৰি ইয়াৰে চাৰিজনৰ অপৰাধৰ গোচৰ গুৰুতৰ বুলি প্ৰকাশ কৰিছে। উল্লেখ্য যে আগন্তুক উপ-নিৰ্বাচনত থাওৰা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৰাইজৰ দলৰ নিৰ্দলীয় প্ৰাৰ্থী ধৈৰ্য কোঁৱৰৰ বিৰুদ্ধে নটাকৈ গোচৰ আছে। সংস্থাটোৱে সদৰী কৰা তথ্য অনুসৰি, কোঁৱৰৰ বিৰুদ্ধে গুৱাহাটী মহানগৰীৰ বিভিন্ন আৰক্ষী থানাত বিভিন্ন গুৰুতৰ ধাৰাত আঠটাকৈ গোচৰ ৰুজু হৈ থকাৰ সমান্তৰালভাৱে বেআইনী প্ৰতিৰোধ আইনৰ অধীনত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (নিয়া)ত এটা গোচৰ ৰুজু হৈ আছে। এডিআৰৰ বিশ্লেষণ অনুসৰি কোঁৱৰৰ বিৰুদ্ধে ৰুজু হৈ থকা এই গোচৰসমূহ অমীমাংসিত হৈ আছে আৰু এই গোচৰসমূহত ভাৰতীয় দণ্ড বিধিৰ ১৭টা গুৰুতৰ ধাৰা সন্নিবিষ্ট হৈ আছে। প্ৰকাশিত তথ্য অনুসৰি, কোঁৱৰৰ বিৰুদ্ধে দিছপুৰ থানাত ৩২৩৪/২০১৭, ৩৭৫০/২০১৭, পাণবজাৰ অপৰাধ শাখাত ০১/২০১৯, বশিষ্ঠ থানাত ২১৩০/২০১৯, ২১২৬/২০১৯, ২১২৯/২০১৯, পাণবজাৰ থানাত ৪১২/২০১৬, পল্টনবজাৰ থানাত ৬২০/২০১১ আৰু নিয়াত আৰচি-১৩/২০১৯ নম্বৰত গোচৰ ৰুজু হৈ আছে। ইয়াৰ বিপৰীতে ভৱানীপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ বিৰুদ্ধে অৰ্থনৈতিক অপৰাধ তদন্ত সংস্থাত ০২/২০১৮ নম্বৰত আৰু চিআৰ ২০৭৫/২০২০ নম্বৰত মুঠ দুটাকৈ গোচৰ ৰুজু হৈ আছে। একেদৰে মৰিয়নি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে যোৰহাট আদালতত চিআৰ ২২০/২০১৯ আৰু পল্টনবজাৰ থানাত ৭০১/২০১৭ নম্বৰত মুঠ দুটা গোচৰ ৰুজু হৈ আছে। ইয়াৰ উপৰি গোসাঁইগাঁও সমষ্টিৰ এআইইউডিএফৰ প্ৰাৰ্থী খাইৰুল আনম খণ্ডকাৰৰ বিৰুদ্ধে তামাৰহাট থানাত ৬১/২০২১ আৰু নিৰ্দলীয় প্ৰাৰ্থী কমল ৰয়ৰ বিৰুদ্ধে তামাৰহাট থানাত ২৩৪/২০১৯ নম্বৰত এটাকৈ গোচৰ ৰুজু হৈ আছে।

ইফালে, উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা মুঠ ৩১জন প্ৰাৰ্থীৰ ভিতৰত নজন প্ৰাৰ্থী কোটিপতি। এডিআৰে প্ৰকাশ কৰা তথ্য অনুসৰি, ১০ কোটি ৭৮ লাখ টকাৰ সম্পত্তিৰে কোটিপতি প্ৰাৰ্থীৰ তালিকাৰ শীৰ্ষত আছে ভৱানীপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা সদ্য প্ৰাক্তন বিধায়ক ফণীধৰ তালুকদাৰ। অৱশ্যে দ্বাদশ শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীজনৰ এক কোটি ২৩ লাখ টকা ঋণৰ বোজা আছে। সমান্তৰালভাৱে কোটিপতি প্ৰাৰ্থীৰ তালিকাৰ দ্বিতীয় স্থানত আছে তামুলপুৰ সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী গণেশ কছাৰী। তেওঁৰ মুঠ সম্পত্তিৰ মূল্য ৭,০৬,২৮,০০৮ কোটি টকা। একেদৰে গোহাঁইগাঁও সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীৰ মুঠ সম্পত্তিৰ মূল্য ৬,৬০,১২,৬১০ কোটি, থাওৰা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী মনোৰঞ্জন কোঁৱৰৰ মুঠ সম্পত্তিৰ মূল্য ৩,৫০,২৩,৮২০ কোটি, বিজেপি প্ৰাৰ্থী সুশান্ত বৰগোহাঁইৰ মুঠ সম্পত্তিৰ মূল্য ২,৪৮,১৪,৮৭০ কোটি, গোসাঁইগাঁও সমষ্টিৰ এআইইউডিএফ প্ৰাৰ্থী খাইৰুল আনম খণ্ডকাৰৰ মুঠ সম্পত্তিৰ মূল্য ১,৯৩,৩৩,৩৯৮ কোটি, তিতাবৰৰ কংগ্ৰেছ প্ৰাৰ্থী লোহিত কোঁৱৰৰ মুঠ সম্পত্তিৰ মূল্য ১,৮৫,৪৯,৭৬৩ কোটি, ভৱানীপুৰৰ নিৰ্দলীয় প্ৰাৰ্থী চকট আলী আহমেদৰ মুঠ সম্পত্তিৰ মূল্য ১,৭০,৬৮,৫৪৫ কোটি আৰু কোটিপতি নৱমজন তথা মৰিয়নিৰ বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ মুঠ সম্পত্তিৰ মূল্য ১,৬১,৮৩,৩৫৩ কোটি টকা। উল্লেখ্য যে ইয়াৰে চকট আলী আহমেদৰ দুই লাখ ৬৪ হেজাৰ, লোহিত কোঁৱৰৰ ৪৩ লাখ ৪২ হেজাৰ টকা আৰু ৰূপজ্যোতি কুৰ্মীৰ ২৭ লাখ ৮১ হেজাৰ টকা ঋণ অনাদায় হৈ আছে।

# মুখ্যমন্ত্ৰীয়ে পৈতৃক সম্পত্তিৰে আঁচনিৰ

*এক পৃষ্ঠাৰ পৰা* সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীৰ সমৰ্থনত আজি সদলবলে উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ চলাই অসম জাতীয় পৰিষদ (অজাপ)ৰ নেতৃবৃন্দই। সমষ্টিটোৰ উপ-নিৰ্বাচনৰ কংগ্ৰেছৰ প্ৰাৰ্থী শৈলেন্দ্ৰ নাথ দাসৰ সমৰ্থনত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। অজাপৰ ভৱানীপুৰ সমষ্টি কমিটীয়ে চমুৱা গাতিত আয়োজন কৰা প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিজেপিক কঠোৰ ভাষাৰে সমালোচনা কৰি সভাপতি গগৈয়ে কয়, 'ভৱানীপুৰ সমষ্টি হৈছে বীৰ ছহিদৰ স্থান। অসম আন্দোলনৰ প্ৰথমগৰাকী ছহিদ খৰ্গেশ্বৰ তালুকদাৰ আৰু সংশোধিত নাগৰিকত্ব আইন আন্দোলনৰ ছহিদ আব্দুল আলিমৰ এই পবিত্ৰ ভৱানীপুৰত জন্ম হৈছিল। এই স্থানৰ লোকে বিভেদকামী শক্তিক প্ৰশ্ৰয় নিদিয়ে। স্বাভিমানী ইয়াৰ লোকে বিবেকৰে সিদ্ধান্ত লৈ দালালক কেনেকৈ খেদিব লাগে ভালদৰে জানে। এইখন চৰকাৰে বাকী আৰু ফাকিত চলিছে। এইখন চৰকাৰে আজি মূল্যবৃদ্ধিৰ কথা নকয়, বান-খহনীয়াৰ কথা নকয়, চিকিৎসালয়সমূহৰ আন্তঃগাঁথনিৰ কথা নকয়; কিন্তু কয় অমুকত ৩০খন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণ কৰিব, অৰুণোদয় ধন বৃদ্ধি কৰিব, বিনামূলীয়া চাউলৰ বৃদ্ধি কৰা হ'ব ইত্যাদি ইত্যাদি। ৫০ লাখ নিবনুৱাৰ কৰ্মসংস্থাপনৰ কথা নকয়। কয় এক লাখ নিবনুৱাক চাকৰি দিয়াৰ কথা। বাকী ৪৯ লাখৰ কি অৱস্থা হ'ব?' মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী সভাসমূহত দিয়া প্ৰতিশ্ৰুতিসমূহ মিছা বুলি অভিযোগ কৰি তেওঁ কয় যে এক লাখ চাকৰিও নিদিয়ে এইখন চৰকাৰে। বিগত সাধাৰণ নিৰ্বাচনত সোণ দিয়াৰ প্ৰতিশ্ৰুতি হেনো নিৰ্বাচনী বক্তব্য আছিল। এইবেলিও টুপী পিন্ধাইছে ৰাইজক। নিৰ্বাচন পাৰ হ'লেই ক'ব সেইবোৰ ৰাজনৈতিক বক্তব্য বুলি। নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ লগে লগে অসাংবিধানিক কথা-বতৰাবোৰে পৰিৱেশ দূষিত কৰিবলৈ ধৰিছে। বিধায়কক ভেঞ্চাৰ বুলি কি বুজাব বিচাৰিছে বুলি উল্লেখ কৰি গগৈয়ে কয়, 'মুখ্যমন্ত্ৰীয়ে পৈতৃক সম্পত্তিৰে আঁচনিৰ নামত ধন ব্যয় নকৰে। আপোনাৰ, মোৰ কৰ-কাটলৰ টকাৰে আঁচনিৰ ধন আবণ্টন দিয়ে। তাত ৰাইজৰ সম্পূৰ্ণ অধিকাৰ আছে। মাজনী, সোণজনী, যি আঁচনিৰ প্ৰাপ্য সকলোৱে পাব লাগিব। তাৰ বিনিময়ত ভোট দিব লাগিব বুলি কথা থাকিব নোৱাৰে।' ইপিনে, হিন্দুসকলৰ সংকট নামি আহিছে বুলি ধৰ্মীয় মেৰুকৰণেৰে বিজেপিয়ে ভোট আদায়ত নামিছে বুলি অভিযোগ কৰি তেওঁ কয়, 'কোনো হিন্দু বা কোনো মুছলমানৰ একো সংকট নামি অহা নাই। সংকট নামি আহিছে জনমূৰি ২৭ হেজাৰ টকাৰ ঋণৰ বোজা জাপি দিবলৈ ওলোৱা অসমীয়াৰ। জাতিটোৰ এই সংকট দূৰ কৰিবলৈ বিজেপি আৰু এআইইউডিএফৰ মিতিৰালি ভংগ কৰি দুয়োটা দলকে উৎখাত কৰিব লাগিব।' ইয়াৰ পাছতে সৰুপেটাত অনুষ্ঠিত আন এখন সভাত অজাপৰ সভাপতিজনে সমগ্ৰ অসমৰ লগতে ভৱানীপুৰ বিধানসভা সমষ্টিৰ পৰাও সাম্প্ৰদায়িক বিজেপি আৰু এআইইউডিএফক উৎখাতৰ বাবে ৰাইজক সংকল্পবদ্ধ হ'বলৈ মুকলি আহ্বান জনায়। ভৱানীপুৰৰ দৰে জাতীয় স্বাভিমান জড়িত থকা সমষ্টিটোৰ ৰাইজে বিজেপি, এআইইউডিএফৰ দৰে সাম্প্ৰদায়িক অপশক্তিৰ দল-জাতিধ্বংসী দলক উৎখাত কৰাৰ স্বাৰ্থতে উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী শৈলেন্দ্ৰ নাথ দাসক ভোটদানৰ বাবে আহ্বান জনায়। ইয়াৰ পাছতে ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ উজান বৰবৰীৰ সমাধিস্থলীৰ ছহিদ বেদীত আৰু ভৱানীপুৰ চ'কত আত্মবলিদান স্থলীৰ ছহিদ বেদী আৰু প্ৰতিমূৰ্তিত সেৱা জনাই পুষ্পাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰে অজাপৰ সভাপতিজনে। আনহাতে, সংশোধিত নাগৰিকত্ব আইন আন্দোলনৰ ছহিদ আব্দুল আলিমৰ হলংবাৰীস্থিত বাসগৃহত উপস্থিত হৈ তেওঁ কয়, 'কা' বিৰোধী আন্দোলনৰ ছহিদৰ ত্যাগ অথলে নাযায়। 'কা' বলবৎ কৰিবলৈ দিয়া নহ'ব। 'কা'ৰ বিৰুদ্ধে ৰাইজক লৈ সৰ্বশক্তিৰে সংগ্ৰাম অব্যাহত থাকিব।' আনহাতে, ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ আত্মবলিদান স্থলী ভৱানীপুৰ চ'কত উপস্থিত হৈ গগৈয়ে ভাৰতবৰ্ষৰ, অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে, জাতীয় স্বাভিমান, সমাজ, সংস্কৃতি ৰক্ষাৰ স্বাৰ্থত বিজেপিক উৎখাত কৰিবই লাগিব বুলি হুংকাৰ দিয়ে।

অসম জাতীয় পৰিষদৰ বজালী জিলাৰ সম্পাদক হৰিধন লহকৰে আঁত ধৰা সভাত দলৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই অংশগ্ৰহণ কৰি মহিলাসকলক ভোট দিবলৈ যাওতে ৰন্ধন গেছৰ চিলিণ্ডাৰটোত সেৱা কৰি যাবলৈ কৈ মূল্যবৃদ্ধিৰ প্ৰসংগ টানি আনে। ভৱানীপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ফণীধৰ তালুকদাৰক কঠোৰ সমালোচনা কৰি কয়, 'মাটিৰ দালালক গামোচা পিন্ধাই বিদায় দিয়াৰ পৰিৱৰ্তে মুখ্যমন্ত্ৰীয়ে গামোচাৰে কুখ্যাত দালালক আদৰিলে। সেই দালালকে আকৌ ভোট দিবলৈ ৰাইজক আহ্বান কৰাটো কিমান দুৰ্ভাগ্যজনক কথা হ'ব পাৰে আপোনালোকে চিন্তা কৰক। এতিয়া এশ টকাতকৈ অধিক দামত পেট্ৰ'ল, দুশ টকাতকৈ অধিক দামত মিঠাতেল বিক্ৰী কৰি নৰেন্দ্ৰ মোদী, আদানী, আম্বানী সুখত থাকিব পাৰে; কিন্তু ভাৰতৰ জনসাধাৰণৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা হৈছে।' ইপিনে, অসমৰ চাৰিসীমাৰ ভিতৰত অসমীয়া ভাষা উচ্ছেদ কৰাটো বিজেপিৰ সংশোধিত নাগৰিকত্ব আইন আন্দোলনৰ প্ৰতিফলন বুলি উল্লেখ কৰি তেওঁ কয়, 'আমাৰ ভাষা, আমাৰ সংস্কৃতি, আমাৰ সম্পত্তি বিজেপিৰ শাসনত মুঠেই সুৰক্ষিত নহয়।' এই নিৰ্বাচনী প্ৰচাৰ অভিযানত অসম জাতীয় পৰিষদৰ উপ-সভাপতি চমছেৰ সিং, সম্পাদক ফণী পাঠক, অমৃত খাটনিয়াৰ, প্ৰিন্স ফাইজুল হক, অমল ডেকা, ৰাজীৱ ভট্টাচাৰ্য, মনোজ শৰ্মা, মহেশ শৰ্মা, জিয়াউৰ ৰহমান, গোবিন্দ গায়ন প্ৰমুখ্যে দলীয় নেতাসকল উপস্থিত থাকে।

# উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশকো

*এক পৃষ্ঠাৰ পৰা* লাইটিছিয়া জে ছীয়েমিয়ঙে দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিতে হাজৰিকাই পত্ৰ প্ৰেৰণ কৰে। প্ৰতিবেদনত বন বিষয়াজনে কয় যে ক্ষেত্ৰ পৰ্যায়ত কৰা পৰিদৰ্শনত দেখা গৈছে যে বন্যপ্ৰাণী কৰিড'ৰৰ সংলগ্নভাৱে অবৈধ নিৰ্মাণ কাৰ্য কৰা হৈছে। ইয়াৰ দ্বাৰা উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক অৱমাননা কৰা হৈছে। এই নিৰ্দেশ অনুসৰি সকলো ধৰণৰ নিৰ্মাণ আৰু খনন কাৰ্য নিষিদ্ধ কৰাৰ উপৰি ব্যক্তিগত ভূমিকে ধৰি নটা বন্যপ্ৰাণী কৰিড'ৰৰ কোনো ধৰণৰ নতুন নিৰ্মাণ কাৰ্য কৰিব নোৱাৰিব। বনকৰ্মী ৰোহিত চৌধুৰীয়ে দেশৰ শীৰ্ষ আদালতক অৱমাননা কৰি বন্যপ্ৰাণী কৰিড'ৰত হোৱা অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে দাখিল কৰা আপত্তিৰ ভিত্তিতে এই প্ৰতিবেদন দাখিল কৰা হৈছে। মনকৰিবলগীয়া যে ২০১৯ৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত এই কথা স্পষ্ট কৰি দিয়া হৈছে যে নটা চিহ্নিত বন্যপ্ৰাণী কৰিড'ৰৰ অন্তৰ্গত ব্যক্তিগত ভূমিতো কোনো ধৰণৰ নতুন নিৰ্মাণত অনুমোদন দিব নোৱাৰিব। তদুপৰি উচ্চতম ন্যায়ালয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাৰ্বি আংলঙৰ পাহাৰৰ পৰা বৈ অহা ইয়াৰ সংলগ্ন নৈপৰীয়া অঞ্চলতো সকলো ধৰণৰ খননত নিষেধাজ্ঞা জাৰি কৰিছে। আদালতে নিৰ্দেশত কয়, 'আমি নিৰ্দেশ দিওঁ যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰত কোনো ধৰণৰ খনন আৰু এই সম্পৰ্কীয় কাম কৰিব নোৱাৰিব তথা ব্যাঘ্ৰ সংৰক্ষণক অন্তৰ্ভুক্ত কৰি কাৰ্বি আংলং পাহাৰশৈলীৰ পৰা বৈ অহা নৈ অথবা সুঁতিৰ সমস্ত অঞ্চলত কোনো ধৰণৰ এনে কাৰ্য কৰিব নোৱাৰিব।'

# বাংলাদেশত হিন্দুৰ সুৰক্ষাৰ

*এক পৃষ্ঠাৰ পৰা* আফ্ৰিকা, ৰাছিয়া, হলেণ্ড, গ্ৰেট ব্ৰিটেইন, ইটালী, ৰোম, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, স্পেইন, চীন সহিতে মুঠ ১৫০খন ৰাষ্ট্ৰত এই প্ৰতিবাদ সাব্যস্ত কৰে। সমগ্ৰ বিশ্বত একেটা সময়তে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কীৰ্তন পৰিৱেশনেৰে প্ৰতিবাদকাৰীসকলে বাংলাদেশৰ ভূমিলৈ শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। প্ৰতিবাদকাৰীসকলে হাতে হাতে বাংলাদেশত থকা মন্দিৰসমূহ ৰক্ষা কৰক, বাংলাদেশৰ হিন্দুসকলক ৰক্ষা কৰক, সমূহ সংখ্যালঘু সম্প্ৰদায়ৰ নিৰাপত্তা নিশ্চিত কৰক ইত্যাদি শ্ল'গান সম্বলিত বেনাৰ, পোষ্টাৰ, প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে, গুৱাহাটী ইস্কনৰ উদ্যোগতো দিনৰ ১১ বজাৰ পৰা বিয়লি চাৰি বজালৈ দীঘলীপুখুৰী পাৰত কীৰ্তন প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচী সন্দৰ্ভত ইস্কন গুৱাহাটীৰ সভাপতি শ্ৰীজীবা দাসে বাংলাদেশত শেহতীয়াকৈ সংখ্যালঘুৰ ওপৰত যি আক্ৰমণ সংঘটিত হৈছে সেয়া যেন ভৱিষ্যতে নহয় তাৰ আশা প্ৰকাশ কৰে। তেওঁ কয়, 'কেৱল হিন্দু বুলিয়েই নহয় কোনো সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত যাতে এনে ধৰণৰ আক্ৰমণ দুনাই নহয়। ধৰ্মৰ অধিকাৰ সকলোৰে আছে। কোনে কি ধৰ্ম, দৰ্শন, আদৰ্শত বিশ্বাস কৰে সেয়া সকলোৰে ব্যক্তিগত কথা। তেওঁলোকৰ অধিকাৰ আছে। আমি কাকো বাধা দিব বা জোৰ কৰিব নোৱাৰো। আমি সকলোৰে দৃষ্টিভংগীক সন্মান কৰা উচিত। আজি বিশ্বৰ মুঠ ১৫০খন ৰাষ্ট্ৰই সংখ্যালঘুৰ ওপৰত হোৱা আক্ৰমণৰ বিৰোধিতা কৰি আৰু তেওঁলোকৰ সুৰক্ষাৰ দাবীত কীৰ্তন প্ৰতিবাদ সাব্যস্ত কৰিছে। ঈশ্বৰৰ নাম-কীৰ্তনে পৰিৱেশ, মন মগজু শান্ত কৰে। যদি এজনে কাজিয়াত লিপ্ত হয় তেন্তে আনজনে কাজিয়াৰে প্ৰত্যুত্তৰ নিদি মৌন হৈ দিলেই সংঘাত তাতেই সমাপ্ত হয়; কিন্তু আমি তেনে নকৰো। আমাৰ সংস্কাৰে আমাক তেনে কৰিবলৈ নকয়। আমি নম্ৰ হ'লেই অহংকাৰ দূৰ হ'ব। তদুপৰি অহংকাৰ দূৰ কৰাৰ অন্যতম উপায় হৈছে আধ্যাত্মিকতা। আধ্যাত্মিক চিন্তাধাৰাই অহংকাৰ দূৰ কৰি মানুহক নম্ৰ কৰি তোলে। সেয়ে আধ্যাত্মিকতাৰ পৰিৱেশ গঢ়িবলৈ আমি কীৰ্তনৰ আশ্ৰয় লৈছো।'

# ভৌগোলিক অৱস্থিতিয়ে গুৰুত্ব

*এক পৃষ্ঠাৰ পৰা* জিঅ' পলিটিকেল ইভেণ্টছ ইন ইটছ নেইবাৰহুড ইমপেক্টিং নৰ্থ-ইষ্ট ইণ্ডিয়া' শীৰ্ষক প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজন কৰা প্ৰথম ৰবিকান্ত সিং সোঁৱৰণী বক্তৃতাৰ মুখ্য বক্তাৰূপে ৰাৱটে ভাৰতৰ স'তে বাংলাদেশ, ভূটান আৰু নেপালৰ সুসম্পৰ্কৰ কথা উল্লেখ কৰে। এই প্ৰসংগতে চীনে ভাৰতৰ এই সম্পৰ্কত ব্যাঘাত জন্মোৱাৰ চেষ্টা কৰা বুলি তেওঁ উল্লেখ কৰে। চীনে ম্যানমাৰত খোপনি পতা, পাকিস্তানক বিভিন্ন দিশেৰে সহায় কৰা আদিৰ প্ৰসংগয়ো ৰাৱটৰ ভাষণত স্থান পায়। তেওঁ কয়, 'ভাৰতে এই প্ৰতিটো দিশতে চোকা দৃষ্টি ৰাখিছে। পাকিস্তানৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ, চীনৰ গতিবিধি আমি প্ৰতিমুহূৰ্ততে লক্ষ্য ৰাখিছো। আফগানিস্তানৰ শেহতীয়া পৰিস্থিতিৰ ওপৰতো ভাৰতে চোকা দৃষ্টি ৰাখিছে। এটা কথা ঠিক যে ভাৰতে উত্থানৰ যি কৌশল আৰু গতি গ্ৰহণ কৰিছে তাত ব্যাঘাত জন্মোৱাৰ চেষ্টা কোনো কোনো দেশত স্বাভাৱিকতে থাকিব। বিশেষকৈ চীনৰ কাম-কাজৰ ওপৰত প্ৰতি মুহূৰ্ততে চকু ৰাখিবই লাগিব। চীনে পাকিস্তানক কৰা সহায়-সহযোগৰ ওপৰত আমাৰ দৃষ্টি আছে।' তেওঁ ভাৰত-ম্যানমাৰ-থাইলেণ্ড ত্ৰিদেশীয় ৰাজপথৰ কথাও ভাষণত উল্লেখ কৰে। এই যোগাযোগৰ ক্ষেত্ৰত অসমৰ ভৌগোলিক স্থিতিৰ সুকীয়া গুৰুত্ব আছে বুলি উল্লেখ কৰি ৰাৱটে ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ জলপথেৰে বাংলাদেশৰ বন্দৰত সংযোগ ঘটোৱাত গুৰুত্ব আৰোপ কৰে। এনে যোগাযোগৰ ফলত ভূটান, নেপালৰ দৰে চুবুৰীয়া দেশসমূহ উপকৃত হ'ব।

ইপিনে, এক সংবাদমেলত ৰাৱটে চাইবাৰ ব্যৱস্থাৰ সুৰক্ষাৰ ওপৰত কয় যে এই ক্ষেত্ৰত সকলোৱে সতৰ্কতা অৱলম্বন কৰিব লাগে। কাৰণ চাইবাৰ ছিষ্টেমৰ জৰিয়তে ব্যক্তিগত বিষয়ো ৰাজহুৱা হৈ পৰে যিবোৰ হ'ব নালাগে। দেশৰ প্ৰতিৰক্ষাৰ দিশটোত চাইবাৰৰ নেতিবাচক প্ৰভাৱ নপৰিবলৈ ভাৰতে বিশেষ সতৰ্কতামূলক ব্যৱস্থা প্ৰতি মুহূৰ্ততে অধিক উন্নত কৰিবলৈ কাম কৰি আহিছে।

অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই উদ্বোধনী ভাষণ প্ৰদান কৰা বক্তৃতা অনুষ্ঠানটোত বাংলাদেশস্থিত ভাৰতৰ উচ্চায়ুক্ত বিক্ৰম কুমাৰ দোৰাইস্বামীয়ে ভাৰত আৰু বাংলাদেশৰ সুসম্পৰ্কৰ পৰা দেশ দুখনৰ পৰা লাভ আৰু এই সম্পৰ্কই বহন কৰা সম্ভাৱনীয়তাৰ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত আদৰণি ভাষণ দিয়ে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। উল্লেখ্য যে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া ৰবিকান্ত সিং ১৯৯৬ত তিনিচুকীয়াত উগ্ৰপন্থীৰ আক্ৰমণত নিহত হৈছিল। তেওঁৰ স্মৃতিত আজিৰ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়।

# সোমবাৰৰ পৰা মাজুলীলৈ বন্ধ

*এক পৃষ্ঠাৰ পৰা* তৎপৰতাত মাজুলী-নিমাতীঘাট ফেৰী সেৱাত পুনৰ সংযোজিত কৰা হৈছিল ৰ'পেক্স জাহাজৰ চলাচল; কিন্তু জাহাজৰ কৰ্মচাৰীসকলক তিনিমাহ ধৰি দৰমহা প্ৰদান নকৰাৰ অভিযোগ তুলি আজি পুৱা জাহাজ নচলোৱাৰ সিদ্ধান্তক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় অফলামুখ পাৰঘাটত। আজি পুৱা অফলামুখ পাৰঘাটত উপস্থিত যাত্ৰীসকলে আনুষ্ঠানিকতা সম্পন্ন কৰাৰ পাছতো আঠ বজাত ফেৰী চলাচল আৰম্ভ নকৰাত ঘটনাৰ সবিশেষ জানিব বিচাৰি যাত্ৰীসকলে জ্ঞাত হয় যে জাহাজৰ কৰ্মচাৰীসকলক সময়মতে দৰমহা প্ৰদান কৰা হোৱা নাই। তিনিমাহ ধৰি দৰমহা নাপাই ক্ষুব্ধ কৰ্মচাৰীসকলে জাহাজ নচলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি সদৰী কৰাত অঞ্চলটোত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। যাত্ৰীসকলে এনে কাৰ্যৰ প্ৰতিবাদ কৰাৰ বিপৰীতে কৰ্মচাৰীসকলে নিজৰ সিদ্ধান্তত অটল হৈ থকাত প্ৰায় ৪৫ মিনিট ধৰি পাৰঘাটত অভাৱনীয় পৰিৱেশৰ সৃষ্টি হয়। পাছত মাজুলী প্ৰশাসনৰ দুজন বিষয়াই ঘটনাস্থলীত উপস্থিত হৈ জাহাজ কৰ্মচাৰীৰ ঊৰ্ধৱতন কৰ্তৃপক্ষৰ লগত মৌখিক চুক্তিৰে দেওবাৰলৈকে জাহাজ চলাচলত সন্মতি প্ৰদান কৰাত ৪৫ মিনিট পলমকৈ জাহাজখনে যাত্ৰা আৰম্ভ কৰে। উল্লেখ্য যে ৰ'পেক্সৰ দুয়োখন জাহাজত 'ডলফিন' নামৰ এটা কোম্পানীৰ অধীনত ১১জন কৰ্মচাৰী নিয়োজিত হৈ আছে। দশকৰ পাছত দশক ধৰি বিপদসংকুল আওপুৰণি যাতায়াতৰ সুবিধাকে সৰ্বোচ্চ সুবিধা বুলি কৈ যাতায়াত কৰি থকা মাজুলীৰ জল পৰিবহণ ব্যৱস্থাক প্ৰাক্তন মুখ্যমন্ত্ৰী তথা পূৰ্বৰ স্থানীয় বিধায়ক সৰ্বানন্দ সোণোৱালৰ তৎপৰতাত দুখন উন্নত জাহাজৰ সেৱা আৰম্ভ হৈছিল; কিন্তু ৰাজনৈতিক মেৰপেচত পৰি জনসাধাৰণক অন্ধকাৰত ৰাখি এটা শক্তিশালী পক্ষই স্থবিৰ কৰি তুলিছিল এই যাতায়াত। ইয়াৰ পৰৱৰ্তী সময়ত খন্তেকীয়া চমকৰ আশা এৰি মাজুলীবাসীয়ে গুটীয়া কাঠৰ নাৱকে শেষ ভৰসা কৰি চলিছিল; কিন্তু যোৱা আঠ ছেপ্টেম্বৰত সংঘটিত ফেৰী দুৰ্ঘটনাত তিনিগৰাকীকৈ যাত্ৰীয়ে প্ৰাণ হেৰুৱাবলগীয়া হোৱাত তৎপৰ হৈ উঠে সমগ্ৰ দিছপুৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অন্যান্য বহুকেইজন মন্ত্ৰীৰ লগতে আভ্যন্তৰীণ জলপৰিবহণ বিভাগটোৱে নিমাতীঘাটত দেখুওৱা তৎপৰতা শেহতীয়াভাৱে পূৰ্বৰ দৰে এক চমক হোৱাৰ দিশে আগবাঢ়িছে। নিমাতীঘাটৰ শোকাৱহ দুৰ্ঘটনাৰ পাছত পৰিবহণ মন্ত্ৰীয়ে একপ্ৰকাৰ নিমাতীঘাট আৰু মাজুলীত বাহৰ পাতি লৈ জল পৰিবহণ ব্যৱস্থাটো নিজেই তদাৰক কৰি মাজুলীবাসীক নিশ্চিতি প্ৰদানৰ ছমাহ উকলি যোৱাৰ পাছতে দৰমহা নোপোৱাৰ বাবে জাহাজৰ কৰ্মচাৰীয়ে চলাচল বন্ধ ৰাখিবলৈ কৰা সিদ্ধান্তই সমগ্ৰ ব্যৱস্থাটোৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। ইপিনে, মাজুলীৰ জল পৰিবহণৰ সমস্যা সমাধানত চৰকাৰৰ তৎপৰতাৰ বিপৰীত ছবি এখন এমাহ হৈ যোৱাৰ পাছতে প্ৰকট হোৱাত স্তম্ভিত হৈছে মাজুলীবাসী। ৰাজ্য চৰকাৰে তৎপৰ হৈ পৰা বিষয় এটাত কেনেদৰে কিমান সহজে স্থবিৰতা আহিব পাৰে বুলি প্ৰশ্ন উত্থাপন কৰি কয় যে মাজুলীবাসীয়ে এয়া প্ৰকৃততে এচাম ৰাজনীতিকৰ ক্ষমতাৰ খঁক নে অভিজ্ঞতাৰ বাহ্যিক প্ৰকাশ? পৰিবহণ মন্ত্ৰীয়ে কি চুক্তি কৰি জাহাজ চলাচল কৰাৰ ব্যৱস্থা কৰিছিল আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ ভূমিকা কি আছিল সেয়া সদৰী কৰিবলৈ মাজুলীবাসীয়ে আহ্বান জনাইছে। উপ-নিৰ্বাচনক লৈ মুখ্যমন্ত্ৰীয়ে ব্যস্ত থকাৰ সময়তে মাজুলীৰ পৰা এনে অনিশ্চিত আৰু চৰকাৰী পক্ষৰ দায়িত্বহীন খবৰে চৰকাৰখনৰ অদূৰদৰ্শী চিন্তা আৰু কাৰ্যকে প্ৰতীয়মান কৰিছে বুলি উল্লেখ কৰে।

# কংগ্ৰেছ গাখীৰ নিদিয়া গৰু, ঘাঁহ খুৱাই

*এক পৃষ্ঠাৰ পৰা* বিজেপি মিত্ৰ দলক ভোট দিছে। দিল্লীত বিজেপি মিত্ৰদলৰ চৰকাৰ, ৰাজ্যত তথা বিটিচিত মিত্ৰদলৰ চৰকাৰ। বিজেপিৰ চৰকাৰ অহাৰ পাছতে দেশত পৰিৱৰ্তন আহিছে। উন্নয়নৰ ঢল বৈছে।' মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি মুখ্যমন্ত্ৰীয়ে তামুলপুৰ আৰু গোসাঁইগাঁও বিধানসভা সমষ্টিৰ মিত্ৰজোঁটৰ ইউপিপিএল প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। দুয়োটা সমষ্টিত মুঠ চাৰিখন নিৰ্বাচনী সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতিৰ বন্যা বোৱায়। তামুলপুৰত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীয়ে লগতে কয়, 'গতিকে তামুলপুৰত আমি মিত্ৰ দল ইউপিপিএলক ভোট দিলেহে কিবা পাম। বেলেগ দলক দিলে একো নাপাম। কাৰণ দিল্লী, দিছপুৰ, কোকৰাঝাৰত আমাৰ চৰকাৰ। আমাক এতিয়া এটা বস্তু বেছি দৰকাৰ। সেইটো হৈছে শান্তি। বিগত ২০ বছৰত বিটিচিত শান্তি নাছিল। বিএলটি, এনডিএফবি, আলফা, এনএলএফবিৰ কাৰ্যকলাপত ২০ বছৰে শান্তি নাছিল। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ শাসনভাৰ অহাৰ পাছত সকলোতে শান্তি আহিল। বিটিচিত প্ৰমোদ বড়ো অহাৰ পাছতেই এনডিএফবি, এনএলএফবি সকলোকে মূল সুঁতিলৈ অনাত বিটিচিলৈ শান্তি আহিল। এই শান্তি স্থায়ী হ'ব লাগিব। এই শান্তি ধৰি ৰাখিব লাগিলে মোদী, প্ৰমোদ বড়োৰ হাত, বিজেপি-ইউপিপিএলৰ হাত মজবুত কৰিব লাগিব।'

মুখ্যমন্ত্ৰীয়ে আজি সমষ্টি দুটাৰ কাছিয়াবাৰী, হাতীধূৰা, শুক্লাই চেৰফাংগুৰি আৰু লক্ষীনাৰায়ণপুৰত অনুষ্ঠিত সভাত অংশ লৈ তামুলপুৰৰ প্ৰাৰ্থী জলেন দৈমাৰী আৰু গোসাঁইগাঁৱৰ প্ৰাৰ্থী জিৱণ বসুমতাৰীৰ হৈ প্ৰচাৰ চলায়। তামুলপুৰৰ লক্ষীনায়াৰণপুৰৰ আঙাৰকাটাত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'পাঁচ মাহৰ আগতে তামুলপুৰৰ ৰাইজে লেহোৰাম বড়োক ভোট দিছিল, কিন্তু কাল কৰ'নাই তামুলপুৰবাসী অতিকৈ প্ৰিয় বিধায়কজনক আমাৰ মাজৰ পৰা চিৰদিনৰ কাৰণে লৈ গ'ল। যাৰ বাবে সমষ্টিটোত উপ-নিৰ্বাচন পাতিব লগীয়া হ'ল; কিন্তু তামুলপুৰৰ ৰাইজক লাইচেন্স আগতে দিয়াই আছে, এতিয়া মাত্ৰ ৰিণিউ কৰিব লাগে।' কংগ্ৰেছক সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'তামুলপুৰৰ উপ-নিৰ্বাচনত কংগ্ৰেছৰ ভাস্কৰ দাহাল আৰু নিৰ্দলীয় গণেশ কছাৰী আহিলে একো লাভ নহ'ব। কংগ্ৰেছ এতিয়া গাখীৰ নিদিয়া গৰু। গতিকে কংগ্ৰেছৰ গৰুৰ পৰা গাখীৰ নোলায় আৰু গণেশক ওলোটাই গাখীৰ খুৱাবহে লাগিব।' বিগত নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিসমূহ পালন কৰা হ'ব বুলি অংগীকাৰ কৰি মুখ্যমন্ত্ৰীয়ে লগতে বৃহত্তৰ আঙাৰকাটা অঞ্চলৰ মাটিৰ সমস্যাৰ সন্দৰ্ভতো মন্তব্য কৰে। ড° শৰ্মাই কয়, 'তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীৰ পৰা মই জানিব পাৰিছো যে এই অঞ্চলটোৰ মাটি ভিজিআৰ। সমান্তৰালভাৱে ইয়াত এছ চি প্ৰমাণপত্ৰ, ডি ভোটাৰৰ সমস্যা, ৰাস্তাঘাট, দলঙৰ সমস্যা আছে; কিন্তু সমস্যাসমূহ কাকো ক'ব পৰা নাই। অঞ্চলটোৰ ৰাইজৰ মাটিৰ সমস্যা, এছ চিৰ প্ৰমাণ পত্ৰ ঘৰতে পোৱাৰ ব্যৱস্থা কৰা হ'ব। যাতে সকলো দুখীয়া মানুহে সময়মতে এছ চিৰ প্ৰমাণ পত্ৰ খৰচ নোহোৱাকৈ পাব পাৰে।' আঙাৰকাটাৰ মাটিৰ সমস্যা সমাধানৰ বাবে নিৰ্বাচনৰ পাছতে তামুলপুৰত আলোচনা কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে অহা ২৬ জানুৱাৰীত তামুলপুৰ জিলাৰূপে জাতীয় পতাকা উৰিব। লগতে আগন্তুক বৰ্ষৰ পহিলা এপ্ৰিলৰ পৰা পাঠদান কৰিব পৰাকৈ আঙাৰকাটাত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰাৰো প্ৰতিশ্ৰুতি দিয়ে মুখ্যমন্ত্ৰীয়ে। আনহাতে, বন্দী শিবিৰৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, 'কোনো লোক ডিটেনছন কেম্পত নাই। মাত্ৰ এটা পৰিয়ালৰ দুজন লোকহে ডিটেনছন কেম্পত আছে। ডিটেনছন কেম্প এতিয়া হাৰা হৈ গ'ল। মোৰ এতিয়া ইয়াত এটাই কাম। জলেন এমএলএ হ'ব লাগে, তামুলপুৰ জিলাৰ পাগলাদিয়াত দলং হ'ব লাগে।' অনাগত দিনত তামুলপুৰত অধিক উন্নতি হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'বিটিচিত বিজেপি-ইউপিপিএল শক্তিশালী হৈ গৈ আছে। সকলো নিশ্চিত হৈ থাকক আমি আছো। য'ত যেনেকৈ পাৰো সহায় কৰিম। তামুলপুৰত আমি যে জিকিম খাটাং। লেহো বড়োতকৈ অধিক ভোটত জিকিম। বিপক্ষৰ কোনো গ'লকীপাৰ নাই, যিয়ে যিমান পাৰে গ'ল দি থাকক।'

ইপিনে, গোসাঁইগাঁৱৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীজনৰ হৈ প্ৰচাৰত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কাছিয়াবাৰীতো এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাম আগন্তুক বৰ্ষৰ এপ্ৰিলৰ পূৰ্বেই আৰম্ভ হ'ব বুলি মন্তব্য কৰি লগতে যমদুৱাৰত সোণকোষ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ কাম নৰেম্বৰৰ পৰাই আৰম্ভ হ'ব বুলি সদৰী কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে সমষ্টিটোত চৰকাৰী বিজ্ঞান মহাবিদ্যালয় প্ৰতিষ্ঠা, ৩০খন বিছনাযুক্ত হাস্পতালৰ স্থাপন, জলজীৱন আঁচনিৰে প্ৰতিটো পৰিয়ালক পানী যোগান, কাছিয়াবাৰীত খণ্ড উন্নয়ন কাৰ্যালয় স্থাপনকে ধৰি বিভিন্ন প্ৰতিশ্ৰুতি প্ৰদান কৰে। গোসাঁইগাঁও সমষ্টিৰো দুয়োখন সভাতে কংগ্ৰেছক গাখীৰ নিদিয়া গৰুৰ স'তে তুলনা কৰি মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'ৰাইজে গাখীৰ দিয়া গৰুৰ লগতহে থাকিব লাগে। এতিয়া ইউপিপিএলৰ পৰাহে মানুহে বিনা পইচাত গাখীৰ পাব।' উপ-নিৰ্বাচনত বিৰোধীক জিকালে অঞ্চলটোৰ একো উন্নয়ন নহ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ৰাইজক সতৰ্ক কৰি দিয়ে। আনহাতে, সভাত ভাষণ প্ৰসংগত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৱে কয় যে হত্যা, অপহৰণ, ধনদাবী আদিৰে এসময়ত সন্ত্ৰাসজৰ্জৰ অঞ্চলৰূপে পৰিচয় থকা মহকুমাটোৰ লগতে সমগ্ৰ বিটিচি অঞ্চলতে প্ৰগতিশীল চৰকাৰৰ প্ৰচেষ্টাত শান্তি স্থাপন হৈছে। বড়োৱে লগতে কয়, 'এটা সময়ত গোষ্ঠী সংঘৰ্ষ, বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভেদ ভাৱে বিৰাজ কৰিছিল। ইয়াত কৰিবলগীয়া বহুত কাম আছে। ৰাইজৰ কোনো নিৰাপত্তা নাছিল। য'ত শান্তি চিৰস্থায়ী, তাতেই প্ৰগতি। এতিয়াৰ পৰিৱৰ্তনকামী চৰকাৰে উন্নয়ন বিচাৰিছে। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ সপোনক বাস্তৱায়িত কৰিবলৈ হ'লে প্ৰতিনিধি নিৰ্বাচন কৰি চৰকাৰক সহায়-সহযোগ কৰিব লাগিব।'

আজি মুখ্যমন্ত্ৰীৰ প্ৰচাৰ অভিযানৰ সময়ত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, ৰঞ্জিত দাসৰ উপৰি বিটিচিৰ একাধিক কাৰ্যবাহী সদস্য আৰু বিজেপি-ইউপিপিএলৰ কে'বাজনো নেতা উপস্থিত থাকে।

# অসমৰ অংগচ্ছেদৰ তীব্ৰ বিৰোধিতা

*এক পৃষ্ঠাৰ পৰা* নালাগে যাৰ ফলত মানুহৰ মনত দূৰত্ব বৃদ্ধি হয়। বৰাকত যদি দুখন অসমীয়া প'ষ্টাৰ যায় তাত বেয়া পাব নালাগে। একেদৰে ব্ৰহ্মপুত্ৰ উপত্যকাত যদি ভুলবশতঃ বাংলা ভাষাত এখন পাঠ্যপুথি ছপোৱা হয় তেতিয়াও বেয়া পোৱা উচিত নহয়। ভাষাই মানুহৰ মাজত একতা গঢ়ি তোলে। ভাষাই সমন্বয়-সম্প্ৰীতি স্থাপন কৰে।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিজেপিয়ে এখন বৰ অসম গঢ়াৰ বাবে কাম কৰিছে। তাত বাধা দিব বিচাৰি একাংশই পৰিৱেশ বিনষ্ট কৰা কাৰ্য কৰি আহিছে।

অসমক পুনৰ খণ্ডিত কৰাৰ বিৰোধিতা কৰিছে বৰাকৰ প্ৰবীণ ৰাজনীতিক, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থই। তেওঁ কয় যে ড° শইকীয়াই কি দৃষ্টিভংগীৰে বৰাকক অসমৰ পৰা বিচ্ছিন্ন কৰি দিব লাগে বুলি কৈছে সেয়া তেওঁৰ জ্ঞাত নহয়; কিন্তু বৰাকবাসীয়ে অসমৰ পৰা বিচ্ছিন্ন হোৱাৰ কথাই নাহে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজৰ সদ্ভাৱ-সম্প্ৰীতিৰে অসমখন এতিয়াৰ দৰে থাকিব লাগিব বুলি উল্লেখ কৰি পুৰকায়স্থই কয়, 'ড° নগেন শইকীয়া হ'ল পণ্ডিত ব্যক্তি। অসমৰ সাহিত্যৰ জগতৰ তেওঁ হ'ল উজ্জ্বল নক্ষত্ৰ। তেনে ক্ষেত্ৰত তেওঁ অসমক বিভক্ত কৰাক লৈ, বৰাকক বিচ্ছিন্ন কৰা বক্তব্যক কি দৃষ্টিভংগী দিছে বুজা নাই। আমি আমাৰ দেশ, আমাৰ ৰাজ্য পুনৰ খণ্ডিত হোৱাটো নিবিচাৰো। অসম যিদৰে এতিয়া আছে, সেইভাৱে থকাটো সকলোৰে বাবে ভাল। বৰাক, ব্ৰহ্মপুত্ৰৰ মানুহে স্বাধীনতা বজাই ৰাখি অসমৰ উন্নয়নৰ বাবে অবদান আগবঢ়াব লাগে। আমি সেইভাৱে থাকিব বিচাৰো।' উত্তৰ কৰিমগঞ্জৰ বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি কমলাক্ষ্য দে পুৰকায়স্থয়ো ড° নগেন শইকীয়াৰ বক্তব্যৰ তীব্ৰ বিৰোধিতা কৰে। বৰাকক পৃথক কৰাৰ বক্তব্যৰ সন্দৰ্ভত পুৰকায়স্থই কয়, 'বৰাকৰ মানুহে পৃথক বৰাক বিচৰা নাই। আমি ঐক্যবদ্ধ অসমৰ অংশ। বৰাক অসমৰ অবিচ্ছেদ্য অংগ। বৰাকক অসমৰ পৰা বিচ্ছিন্ন কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে।'

ইপিনে, সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সম্পাদক প্ৰধান অধিবক্তা চৰণ ডেকাই ড° শইকীয়াৰ বক্তব্য শান্তিৰ পৰিপন্থী বুলি মন্তব্য কৰে। ডেকাই কয় যে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ গুণী, জ্ঞানী লোকসকলে দুয়োটা উপত্যকাৰ জনগণৰ মাজত পাৰস্পৰিক সংহতি, সম্প্ৰীতি আৰু সমন্বয় ৰক্ষাৰ বাবে নিষ্ঠাৰে কাম কৰি আহিছে। ড° শইকীয়াৰ দৰে বিশিষ্ট ব্যক্তিসকলে সম্প্ৰীতি আৰু সমন্বয়ৰ হকে যথাসম্ভৱ বৰঙণি যোগোৱাটোহে সময় আৰু পৰিস্থিতিৰ দাবী বুলি গণ্য হোৱাটো অপৰিহাৰ্য। তাৰ পৰিৱৰ্তে শান্তিৰ বাবে বৰাকক পৃথক কৰাৰ আহ্বান জনোৱাটো এটা দুঃস্বপ্নহে। ডেকাই লগতে কয়, 'নাম-গোন্ধহীন আৰু বৰাকৰ ৰাইজৰ মাজত কোনো প্ৰভাৱ নথকা স্বয়ম্ভূ সংগঠনৰ আবেগ প্ৰৱণ কৰ্মীয়ে প্ৰচাৰ মাধ্যমত নিজৰ নাম জাহিৰ কৰাৰ সংকীৰ্ণ স্বাৰ্থত অসমীয়া ভাষা বিদ্বেষী কাৰ্য কৰাটোৱে বৰাকৰ সকলো ৰাইজ অসমীয়া ভাষাৰ বিৰোধী বুলি গণ্য নকৰে। তাৰেই গইনা লৈ উভয় উপত্যকাৰ লোকৰ মাজত গঢ়িবলৈ লোৱা সম্প্ৰীতি বিনষ্ট হ'বলৈ এৰি দিয়াটো সমীচিন নহয়। বৰাকৰ মাটিও অসমৰ মাটি। বৰাক অসমৰ অংগ। ইয়াক কাটি পেলাব বিচৰাটো অমূলক। বৰাক কেৱল বাংলা ভাষীৰে ঠাই নহয়। তাৰ ৰাজবংশী, মণিপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী, ডিমাছা, হিন্দীভাষী, চাহ বাগানীয়া, ভোজপুৰী, চাওতাল, মিজো আদিকে ধৰি সকলো জাতি-জনগোষ্ঠীৰ আৱাস আছে। ৩৫ খনতকৈও অধিক অসমীয়া গাঁও আছে।'

সদৌ অসম ছাত্ৰ সন্থায়ো ড° নগেন শইকীয়াৰ বক্তব্যৰ তীব্ৰ বিৰোধিতা কৰে। সংগঠনটোৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই মন্তব্য কৰে যে সমস্যাৰ উদ্ভৱ হ'লে কাৰোবাক পৃথক কৰি সমাধান কৰিব নোৱাৰি। ভৌগোলিক অখণ্ডতা ৰক্ষা কৰি সমস্যাৰ সমাধান কৰিব পাৰি। এই ক্ষেত্ৰত বৰুৱাই চৰকাৰক আহ্বান জনাই কয়, 'চৰকাৰে অসমৰ এইধৰণৰ সমস্যাবোৰ অখণ্ডতা ৰক্ষা কিদৰে সমাধান কৰিব পাৰি তাৰ উপায় উলিয়াব লাগে। আমি চৰকাৰক এই আহ্বান জনাইছো।' অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদেও বৰাকক বিচ্ছিন্ন কৰাৰ বক্তব্যৰ বিৰোধিতা কৰে। সংগঠনটোৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে কয় যে তেওঁলোকৰ সংগঠনে অসমখনক আৰু খণ্ড-বিখণ্ড কৰাটো নিবিচাৰে। অৱশ্যে একে সময়তে ড° নগেন শইকীয়াৰ বক্তব্যৰো পৰ্যালোচনাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি চাংমায়ে কয়, 'বৰাকত যে অসমীয়া ভাষা নচলিব তেনেদৰে ভবাটো অনুচিত। কাৰণ অসমীয়া হ'ল অসমৰ ৰাজ্য ভাষা। তেনে ক্ষেত্ৰত অসমীয়া ভাষাক অপমান কৰাটো উচিত হ'বই নোৱাৰে। বৰাকত আগৰে পৰা অসমীয়া ভাষাক লৈ বিভিন্ন সময়ত বিৰূপ কাণ্ড সংঘটিত হৈ আহিছে। অসমীয়া ভাষা-সংস্কৃতিৰ ওপৰত এক আগ্ৰাসনো মাজে মাজে দেখা গৈছে। হয়তো সেইবাবে ড° নগেন শইকীয়াই তেনে বক্তব্য আগবঢ়াইছে।'

আলফা (স্বাধীন)ৰ মুৰব্বী পৰেশ বৰুৱাই ড° শইকীয়াৰ বক্তব্যক দুৰ্ভাগ্যজনক, হতাশজনক আৰু অদ্ভুত বুলি আখ্যা দিছে। ড° শইকীয়াক তেওঁৰ বক্তব্য প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাই পৰেশ বৰুৱাই কয় যে তেতিয়াহে তেওঁৰ দৰে ব্যক্তিৰ সন্মান অটুট থাকিব। ড° শইকীয়াৰ নিচিনা বিদ্বান, বুদ্ধিজীৱীয়ে তেওঁৰ বক্তব্যৰে অসমৰ বুৰঞ্জীত কুঠাৰাঘাত কৰিছে বুলিও বৰুৱাই মন্তব্য কৰে। তেওঁ লগতে কয়, 'প্ৰদীপ দত্ত ৰায় নামৰ কুলাংগাৰ এটাই যিবোৰ কাম-কাজ বিগত দিনবোৰত কৰি আহিছে তাৰ প্ৰত্যুত্তৰ অসম মাতৃৰ শিৰশ্চেদ কৰাটো হ'ব নোৱাৰে। বৰাক অসমৰ অবিচ্ছেদ্য অংগ। তাতেই কছাৰী ৰাজ্য আছিল। খাচী, বড়ো, ডিমাছা ৰাজ্য আছিল। বৰাকৰ ওপৰত আমাৰ অধিকাৰ আছে। প্ৰদীপ দত্ত ৰায়ৰ কি অধিকাৰ আছে? ড° নগেন শইকীয়াই যিধৰণৰ কথা কৈছে, ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী নামৰ আন এজন ঘৰত বহি বুদ্ধিজীৱী হোৱা লোকেও মাজে মাজে কিছুমান কথা কয়। মতিভ্ৰম হোৱা লোক তেওঁলোক। আবোল-তাবোল বকিছে তেওঁলোকে। চিন্তা-ভাৱনাৰ নামত ধীৰেন্দ্ৰ নাথ চক্ৰৱতীৰ যি কেন্সাৰ হৈছে নগেন শইকীয়াৰো হৈছে। প্ৰয়োজনত এইসকলক সমাজৰ পৰা এঘৰীয়া কৰিব লাগিব। প্ৰয়োজনত আমি মিজোৰাম, মণিপুৰ, নগাক বৰাক এৰি দিব পাৰো; কিন্তু প্ৰদীপ দত্ত ৰায়ৰ দৰে বাঙালীক এৰি দিব নোৱাৰো।'

### তেওঁলোকে কেতিয়াও অসমীয়া হ'বলৈ নিশিকিলে ঃ নিজৰ স্থিতিত অটল ড° শইকীয়া

বৰাকক ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা পৃথক কৰাৰ নিজৰ বক্তব্যক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'লেও নিজৰ স্থিতিতে অটল আছে ড° নগেন শইকীয়া। অৱশ্যে একাংশই তেওঁৰ ভাষ্য সম্পূৰ্ণ নুশুনাকৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা বুলিও ড° শইকীয়াই কয়। ইতিহাস নজনাকৈ কৰা সমালোচনা গ্ৰহণযোগ্য নহয় বুলি মন্তব্য কৰি বিশিষ্ট সাহিত্যিকগৰাকীয়ে কয়, 'বৰাকৰ প্ৰতি মোৰ গভীৰ প্ৰেম আছে; কিন্তু সেই মূল্য তেওঁলোকে বুজিব লাগিব। তেওঁলোকে কেতিয়াও অসমীয়া হ'বলৈ নিশিকিলে। বৰাকৰ অসম বিশ্ববিদ্যালয়ত পশ্চিমবংগৰ বাংলাৰ সকলো বিশিষ্ট সাহিত্যিকৰ প্ৰতিমূৰ্তি আছে; কিন্তু তাত লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা বা পদ্মনাথ গোহাঞি বৰুৱা আদিৰ প্ৰতিমূৰ্তি আজিলৈকে নাই। এনে দৃষ্টিভংগী থাকিলে আমি কেনেকৈ তেওঁলোকক আপোন বুলি ভাবিম? বৰাকক পৃথককৈ বিচৰাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহৰ কোনো দোষ নাই। বৰাকৰ নাগৰিকৰহে দোষ আছে। তেওঁলোকে বৰাকৰ অপশক্তিসমূহৰ বিৰুদ্ধে কেতিয়াও ব্যৱস্থা গ্ৰহণ কৰা নাই। তেনে অপশক্তিসমূহক চিনাক্ত নকৰে বা প্ৰতিহত নকৰে। গতিকে দোষ তেওঁলোকৰেই, যাৰ বাবে আমি লাঞ্ছনা ভোগ কৰিব লগা হয়। সম্পৰ্কৰ মধুৰতা একপক্ষীয়ভাৱে নহয়, দুই পক্ষৰ পৰা হ'ব লাগিব। বন্ধুত্বৰ ভাৱ, আত্মীয়তা ভাৱ দুই পক্ষৰ পৰা হ'ব লাগিব; কিন্তু তেওঁলোকে নিজেই সম্পৰ্ক মধুৰ হোৱাটো নিবিচাৰে।' প্ৰসংগক্ৰমে ড° শইকীয়া উল্লেখ কৰে যে তেওঁ বৰাকৰ ২৪ খন অসমীয়া গাঁৱলৈ গৈছিল আৰু সেইসকল লোক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হৈ থকা নিজ চকুৰে দেখিছে। তদুপৰি শইকীয়াই কয় যে পূৰ্বে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হিতেশ ডেকা আৰু মহেন্দ্ৰ বৰাই বৰাকক কেন্সাৰ বুলি কৈ অসমৰ পৰা বাদ দিবলৈ কওঁতে তেওঁ তাৰ বিৰোধিতা কৰিছিল যদিও এতিয়া সেই কথা নিজেই ভাবিবলৈ বাধ্য হৈছে। অসমীয়া ভাষা-সাহিত্যলৈ বৰাকৰ কে'বাজনো বিশিষ্ট সাহিত্যিকৰ বৰঙণি আছে বুলি দোহাৰি শইকীয়াই কয় যে সেইসকলে কিন্তু বৰাকৰ অপসংস্কৃতিৰ বিৰুদ্ধে কেতিয়াও থিয় নিদিয়ে। নাগৰিকত্ব সংশোধনী আইনৰ সন্দৰ্ভত অসমত আন্দোলন হোৱাৰ সময়তো বৰাকত আইনখনৰ সমৰ্থন কৰা হৈছিল। বেনাৰত অসমীয়া ভাষাৰ ওপৰত ক'লা ৰঙা সনা ঘটনাৰ সন্দৰ্ভত ড° শইকীয়াই কয়, 'ফলকত অসমীয়া আখৰ কটাটো এটা কেৱল উদাহৰণহে। মনত ভাল ভাৱ থাকিলে এই কাম কেতিয়াও কৰিব নোৱাৰে। মনটো যদি বিষাক্ত, তেনে বিষাক্ত লোকৰ ওচৰত আমি প্ৰতিদিনে কিয় লাঞ্ছিত হ'ম? বৰাকৰ বিশিষ্ট, জ্ঞানী ব্যক্তিসকলে তেনে মানসিকতাৰ লোকসকলক বুজাবলৈ আগবাঢ়ি আহিব লাগিব। যদি সঁচাকৈ ভাই ভাই হৈ থাকিব লাগে, তেনে আমি ভাই ভাই হ'ব লাগিব, ঠাই ঠাই হ'লে নহ'ব। তেতিয়া বৰাক ব্ৰহ্মপুত্ৰ উপত্যকাৰ অবিচ্ছেদ্য অংগ হৈ থকাৰ বাবে ময়েই দাবী জনাম।' আনহাতে, আলফা (স্বা)ৰ নেতা পৰেশ বৰুৱাই তেওঁৰ বক্তব্য সম্পূৰ্ণ নুশুনাকৈ সমালোচনা কৰা বুলি ড° শইকীয়াই কয়।

## চুলি সৰা কেনেকৈ বন্ধ কৰিব ?





**প্ৰায়ভাগ** লোকৰ চুলি সৰাৰ সমস্যা থাকে। কাৰোবাৰ কম আৰু কাৰোবাৰ বেছি চুলি সৰে। নাৰী-পুৰুষৰ উভয়ৰে এনে ধৰণৰ সমস্যা থাকে। চুলি সৰিলে শৰীৰৰ বিশেষ ক্ষতি নহয় যদিও সৌন্দৰ্য ৰক্ষাত ব্যাঘাত জন্মে। সাধাৰণতে যিসকল লোকে দিনৰ দিনটো ঘৰৰ বাহিৰতে কটায় তেওঁলোকৰ বেছিকৈ চুলি সৰে। অৱশ্যে এটা কথা ঠিক যে বেছিকৈ চুলি সৰাৰ লগে লগে কিছুমান ইয়াকে লৈ মানসিক সমস্যাই গা কৰি উঠিব পাৰে। চুলি সৰা বন্ধ কৰিব পাৰি যদিহে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰা হয়। সাধাৰণতে কিছুমান কথাত গুৰুত্ব দিলেই চুলি সৰা বন্ধ হোৱাৰ উপৰি আন সমস্যাৰ পৰাও হাত সাৰিব পাৰিব।

✦ চুলিৰ গুৰিত যদি ভিটামিন 'ই' ব্যৱহাৰ কৰা হয় তেতিয়াহ'লে মূৰৰ ছালখনত ৰক্ত সঞ্চালন স্বাভাৱিক হ'ব। কিছুদিন এইবিধ ভিটামিন ব্যৱহাৰ কৰিলে লাহে লাহে চুলি সৰা বন্ধ হ'বলৈ ধৰে।

✦ কিছুমান লোকৰ প্ৰ'টিনৰ অভাৱতো চুলি সৰিবলৈ ধৰে। সেই বাবে খাদ্য তালিকাত প্ৰ'টিন সমৃদ্ধ মাছ, মাংস. চয়াবিন আদি অন্তৰ্ভুক্ত কৰা উচিত। এনে ধৰণৰ খাদ্যই চুলি সৰা বন্ধ কৰাৰ উপৰি স্বাস্থ্য ৰক্ষাতো সহায় কৰে।

✦ চুলিখিনি সদায় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিলে উফি আদিয়ে গা কৰি উঠিব নোৱাৰে। যিমানেই উফি আদিৰ সৃষ্টি হয় সিমানেই বেছিকৈ চুলি সৰে। তাৰ উপৰি কিছুমানৰ মূৰৰ পৰা দুৰ্গন্ধ ওলায়। এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ নিয়মীয়াকৈ চুলিখিনি চেম্পু কৰা উচিত।

✦ কেতিয়াও তিতি থকা চুলি আঁচুৰিব নালাগে। এই ক্ষেত্ৰত মহিলাসকল বেছ সতৰ্ক যদিও পুৰুষসকলে বিশেষ গুৰুত্ব প্ৰদান নকৰে। তিতা চুলি কোমল হৈ থাকে। চুলিৰ গুৰিও কোমল হৈ থাকে বাবে বেছিকৈ আঁচুৰিব নালাগে। চুলি ভালদৰে শুকোৱাৰ পাছত আঁচুৰিলে বেছিকৈ নসৰে।

✦ ঘৰুৱা উপাদান কিছুমান ব্যৱহাৰ কৰিও সুফল লাভ কৰাটো সম্ভৱ। নিয়মীয়াকৈ আদা, নহৰু আৰু পিঁয়াজৰ ৰস ব্যৱহাৰ কৰিলে সুফল পোৱাটো সম্ভৱ।

✦ আজিকালি কিছুমান লোকৰ শৰীৰত পানীৰ অভাৱ বা ডিহাইড্ৰেচন হ'লে এনে সমস্যাই গা কৰি উঠিব পাৰে। দৰাচলতে জলশূন্য আদি সমস্যাই গা কৰি উঠিলে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

✦ মদ্যপান, ধূমপানৰ বাবেও সোনকালে চুলি সৰিবলৈ আৰম্ভ কৰে। সেইবাবে এনে ধৰণৰ অভ্যাসৰ পৰা নিজকে আঁতৰাই ৰাখিব লাগিব।

✦ গৱেষকসকলে শেহতীয়াভাৱে এই বুলি মন্তব্য কৰিছে যে গ্ৰীণ টি ব্যৱহাৰ কৰিলে সুফল পোৱাটো সম্ভৱ। একাপ পানীত গ্ৰীণ টি দুই বেগ মিহলি কৰিব লাগে। সেয়া ভালদৰে উতলাই ঠাণ্ডা কৰি পাছত চুলিৰ আগৰ পৰা গুৰিলৈকে ব্যৱহাৰ কৰা উচিত। এঘণ্টামান পাছত ভালদৰে ধুলেও সুফল পোৱা যায়। ১০-১৫ দিনমান এনেদৰে ব্যৱহাৰ কৰিলে চুলি সৰা বন্ধ হ'বলৈ ধৰে।

✦ কিছুমান লোকৰ মূৰৰ ছালখন অনবৰতে তিতি থাকে। আচলতে তৈলাক্ত হোৱা বাবে এনে হয়। ফলত ধূলি-বালি আদি তাৰ ওপৰত পৰি সঘনাই মলিয়ন হয়। তৈলাক্ত ছালৰ বাবে বেছিকৈ চুলি সৰে। সাধাৰণতে পুৰুষসকলৰ এনে সমস্যাই সঘনাই হোৱা দেখা যায়।

## ডায়েবেটিছ ৰোগৰ বাবে কৃত্ৰিম চেনি কিমান নিৰাপদ



ডাঃ ৰূপম দাস
ডায়েবেটোল'জিষ্ট
ফোন ঃ ৯৮৬৪১১৬৯৯৯



**আজিকালি** ডায়েবেটিছ বুলি কোৱাৰ লগে লগেই বহুতে চেনি বা মিঠা বস্তুও খাবলৈ বাদ দিয়ে। কাৰণ চেনি খোৱাৰ লগে লগে শৰ্কৰা বৃদ্ধি হোৱা। পিছে সকলোৱে চেনিৰ মোহ এৰিব পাৰে জানো? নিশ্চয় নোৱাৰে। তদুপৰি চেনি বিনে কিছুমান বস্তুৰ সোৱাদো নাপায়। সেইবাবে গৱেষকসকলে বিভিন্ন ধৰণৰ অধ্যয়নৰ পাছত প্ৰস্তুত কৰিছে কৃত্ৰিম চেনি । অতি সম্প্ৰতি টেবলেট অথবা কৃত্ৰিম ছুইটনাৰ বজাৰত উপলব্ধ হৈছে। এনে ধৰণৰ কৃত্ৰিম চেনি প্ৰস্তুত কৰা সকলে দাবী কৰি কয় যে খাদ্যত কৃত্ৰিম চেনি মিহলালে খাওতাই মিঠা অনুভৱ কৰে যদিও শৰীৰত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি নাপায়। অৰ্থাৎ ডায়েবেটিছত আক্ৰান্ত সকলৰ শৰীৰত কেলৰি প্ৰৱেশ নকৰা বাবে শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব। অৱশ্যে কৃত্ৰিম চেনি হ'ল বুলিয়ে যে মোকৰা মোকৰে খাব তেনে নহয়। কিয়নো যদিও কৃত্ৰিম চেনিত কেলৰি কম থাকে বুলি কয় তথাপি বেছি খোৱাৰ লগে লগে শৰীৰে কেলৰিও বেছিকৈ লাভ কৰে। এইখিনিতে উল্লেখ কৰিব লাগিব যে কৃত্ৰিম চেনি খোৱাৰ আগতে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবই লাগে। কাৰণ এনে চেনি খোৱাটো কিছুমান বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে।

### গৰ্ভাৱস্থাত খাওতে সাৱধান

গৰ্ভধাৰণৰ পাছত প্ৰতিগৰাকী মহিলাই সতৰ্ক হ'ব লাগিব। কিয়নো এই সময়ত যদি পুষ্টিকৰ আহাৰ গ্ৰহণ নকৰে তেতিয়াহ'লে ভ্ৰূণৰ বিকাশ সঠিকভাৱে নহ'ব। ফলত ভৱিষ্যতে এটা সুস্থ শিশুৰ আশা কৰিব নোৱাৰি।

ডায়েবেটিছত আক্ৰান্ত মহিলাগৰাকী অধিক সতৰ্ক হ'বই লাগিব। চিকিৎসকৰ পৰামৰ্শ অবিহনে যিকোনো খাদ্য নোখোৱাটোৱে মংগলজনক। গৱেষকসকলে কৃত্ৰিম চেনি বা ছুইটনাৰ খোৱাৰ ক্ষেত্ৰত সতৰ্ক বাণী শুনাইছে। গৰ্ভৱতী মহিলাৰ বাবে কৃত্ৰিম চেনি নিৰাপদ নহয় বুলি গৱেষকসকলে মন্তব্য কৰিছে। গৰ্ভৱতী মহিলাই কৃত্ৰিম চেনি বুলিয়েই নহয় কৃত্ৰিম মিঠাই আদিও খোৱাৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।



### নিৰ্দিষ্ট পৰিমাণতকৈ বেছি নহয়

কৃত্ৰিম চেনি আদি নিৰ্দিষ্ট পৰিমাণতকৈ কেতিয়াও বেছি খাব নালাগে। টেবলেট, পাউডাৰ আদিৰ আকাৰত থকা কৃত্ৰিম চেনিৰ কণ্টেইনাৰত থকা লেবেলত যি পৰিমাণে দিনটোৰ ভিতৰত খাব পাৰি বুলি লিখা থাকে তাতকৈ সামান্য পৰিমাণেও বেছি খাব নালাগে। সকলোবোৰ প্ৰস্তুতকৰ্তাৰ পৰিমাণ একে নহয়। কিছুমানৰ কমকৈ দিলেও মিঠা হয়। খোৱাৰ সময়ত সতৰ্কতা অৱলম্বন কৰিবই লাগিব। কিছুমান কৃত্ৰিম চেনি খাদ্যবস্তু প্ৰস্তুত কৰাৰ সময়ত ব্যৱহাৰ কৰা হয়। আনহাতে, কিছুমান চেনি খাদ্য প্ৰস্তুত হোৱাৰ পাছত ওপৰত ছটিয়াই দিয়া হয়। এই বিষয়ে ভালদৰে জানি লোৱাটো মংগলজনক।

### বেছিকৈ খালে হ'ব পাৰে বিপদ

কৃত্ৰিম চেনি বেছি খালে শৰীৰত কেলৰিৰ পৰিমাণ বৃদ্ধি পাব। কেলৰি বৃদ্ধি মানেই ডায়েবেটিছত আক্ৰান্তৰ বাবে বিপদ ঘণ্টা। তদুপৰি যিকোনো খাদ্যৰেই প্ৰভাৱ পৰে লিভাৰ বা যকৃতৰ ওপৰত। গৱেষকসকলে কৰা মন্তব্য অনুসৰি দীৰ্ঘদিন ধৰি এনে চেনি ব্যৱহাৰ কৰাৰ ফলত লিভাৰৰো ক্ষতি হোৱাৰ আশংকা থাকে।

### কেলৰিৰ পৰিমাণ বেছি হ'ব নালাগে

এগৰাকী সুস্থ ব্যক্তিক দৈনন্দিন কাৰ্য পৰিচালনাৰ বাবে প্ৰয়োজন নিৰ্দিষ্ট পৰিমাণৰ কেলৰিৰ । এই পৰিমাণ কম বেছি হোৱা মানেই বিপদ। সাধাৰণতে কেলৰি গ্ৰহণ বিষয়টো নিৰ্ভৰ কৰে লোকজনৰ দৈনন্দিন কৰ্মপদ্ধতিৰ ওপৰত। এজন কঠোৰ পৰিশ্ৰম কৰা লোকৰ বাবে যিমান কেলৰি দৈনিক প্ৰয়োজন, আন এজন কম পৰিশ্ৰম কৰা লোকক কমকৈ লাগিব। কিছুমান লোকে দিনৰ দিনটো বহি থাকিও কামত ব্যস্ত হৈ দীৰ্ঘসময় পৰিশ্ৰম কৰে। বিশেষকৈ কম্পিউটাৰ, লিখা-মেলা কৰা লোকসকলে দীৰ্ঘসময় ধৰি একে ঠাইতে বহি থাকি পাছত আকৌ নিশা দুপৰত টোপনি যায়। এনে ধৰণৰ পৰিশ্ৰমৰ ক্ষেত্ৰত বেছি কেলৰিৰ প্ৰয়োজন নহয়। এজন সুস্থ ব্যক্তিৰ বাবে দৈনিক ১৬০০-১৭০০ কিলো কেলৰিৰ প্ৰয়োজন। আনহাতে, মেদবহুল লোকৰ বাবে ১২০০ কিলো কেলৰিয়ে যথেষ্ট। যদি ডায়েবেটিছত আক্ৰান্ত ব্যক্তি এজনে শৰ্কৰা নিয়ন্ত্ৰণত থকাৰ পাছত এদিন এটা মিঠাই খায় তেতিয়াহ'লে তেওঁ ভাত বা ৰুটি কমকৈ খাব লাগিব। অৰ্থাৎ এবিধ খোৱাৰ বাবে আনবিধ কম পৰিমাণে খালে শৰীৰত কেলৰিৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব। সেইবাবে কৃত্ৰিম চেনি বা মিঠাইৰ ক্ষেত্ৰতো সকলোৱে সাৱধান হ'ব লাগিব। কিছুমানে আকৌ কৃত্ৰিম চেনি খোৱাৰ মাজতে চেনি বা সৰল শৰ্কৰাও খায়। ফলত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি পায়। মনত ৰখা উচিত যে শৰ্কৰা এদিনতে বৃদ্ধি পায় যদিও সেই পৰিমাণৰ শৰ্কৰাকে নিয়ন্ত্ৰণ কৰিবলৈ কে'বাদিনৰ প্ৰয়োজন হয়।




*অনুলিখন ঃ*
***নয়ন কুমাৰ শৰ্মা***

## ভুলতো নাখাব গজালি মেলা আলু



**সাধাৰণতে** বজাৰৰ পৰা যেতিয়া আলু ক্ৰয় কৰা হয় তেতিয়া তাৰ মাজত কিছুমান সেউজীয়া ৰঙৰো আলু পোৱা যায়। বিষয়টো বহুতৰ দৃষ্টিগোচৰ হয় যদিও বিশেষ গুৰুত্ব প্ৰদান নকৰে। পিছে এনে ধৰণৰ আলু খালে শৰীৰৰ অপকাৰ বেছিকৈ হোৱাৰ আশংকা থাকে। জীৱ বিজ্ঞানীসকলৰ মতে, আলুৱে নিজেই ছোলানাইন নামৰ এবিধ বিষ উৎপন্ন কৰে। কোনো ধৰণৰ পোক পৰুৱা জীৱাণুৱে যাতে আক্ৰমণ কৰিব নোৱাৰে সেই বাবেই এনে ধৰণৰ বিষ উৎপন্ন কৰে। অৱশ্যে যেতিয়া আলু খাব পৰা অৱস্থাত থাকে তেতিয়া এইবিধ বিষ বেছি উৎপন্ন নহয় যেতিয়া বেছিদিন থকাৰ পাছত গজালি ওলাবলৈ ধৰে তেতিয়া এনে এনে বিষ উৎপন্ন কৰিবলৈ ধৰে। বহুতে গজালি কাটি আলু খায়। জীৱ বিজ্ঞানীসকলে এনে ধৰণৰ আলু খাব নালাগে বুলি সতৰ্ক কৰি দিছে। কিয়নো আলুত থকা ছোলানাইন যদি সামান্য পৰিমাণেও শৰীৰত প্ৰৱেশ কৰে তেতিয়া হ'লে পেটৰ বিষ হ'ব পাৰে। আনহাতে, এনে কাৰণতে বহুতৰ আকৌ মূৰৰ বিষো হোৱা দেখা যায়। গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে যদিহে এনে ধৰণৰ বিষ বেছিকৈ শৰীৰত প্ৰৱেশ কৰে তেতিয়াহ'লে ক'মা পৰ্যায়লৈ গৈ আনকি মৃত্যু মুখতো পৰিব পাৰে। তদুপৰি এনে ধৰণৰ বিষ যদি সঘনাই শৰীৰত প্ৰৱেশ কৰি থাকে তেতিয়া স্নায়ুৰো ক্ষতি সাধন হোৱাৰ আশংকা থাকে। সেই বাবে এনে ধৰণৰ আলু বেছিকৈ নোখোৱাটোৱে মংগলজনক। আলু সদায় এন্ধাৰ আৰু শীতল ঠাইত সংৰক্ষণ কৰিলে সহজে গজালি মেলিব নোৱাৰে।

## নখত দেখা দিয়া লক্ষণৰ পৰা ৰোগ নিৰ্ণয়



**আপুনি** জানেনে নখ চায়ো ৰোগ নিৰ্ণয় কৰিব পাৰে। কেতিয়াবা কিছুমান নখত ফুটি উঠা লক্ষণৰ পৰাই অনুমান কৰিব পাৰি বহুতো ৰোগৰ বিষয়ে। বহুতৰে নখৰ ৰোগ হোৱাটো তেনেই সাধাৰণভাৱে লয়। ফলত সময়ত জটিল ৰূপ লোৱা দেখা যায়। সেইবাবে যদিহে নখৰ কিবা ৰোগে গা কৰি উঠিলেই সতৰ্ক হোৱা উচিত। পলম নকৰি চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ আগবাঢ়িব লাগে।

■ কিছুমান লোকৰ নখ কেতিয়াবা সহজেই ভাঙি যায়। বহুতো লোকে এনে হোৱাৰ পাছতো বিশেষ গুৰুত্ব প্ৰদান নকৰে। নখ ভাঙি যোৱাটো এটা তেনেই সাধাৰণ ঘটনা বুলি ভাবে। যদিহে এনে ধৰণৰ সমস্যাই গা কৰি উঠিছে তেতিয়া হ'লে থাইৰয়ডৰ পৰীক্ষা কৰা উচিত। কাৰণ বিশেষজ্ঞ চিকিৎসকে কৰা মন্তব্য অনুসৰি 'হাইপোথাইৰয়ড' হ'লে এনে ধৰণৰ লক্ষণ ফুটি উঠে।

■ শৰীৰত ভিটামিন 'এ' আৰু ভিটামিন 'চি'ৰ অভাৱ হ'লে এনে লক্ষণে দেখা দিব পাৰে। বায়োটিনৰ অভাৱ হ'লেও এনেদৰে লক্ষণে গা কৰি উঠিব পাৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। সেই বাবে নখ ভাঙিলে কেতিয়াও অৱহেলা কৰা অনুচিত।

■ নখৰ তলৰ অংশত অৰ্ধচন্দ্ৰাকৃতি দাগ থাকিলে হাঁও-ফাঁওৰ ৰোগৰ লক্ষণ হিচাপে গণ্য কৰা উচিত। হাঁও-ফাঁওলৈ উপযুক্ত পৰিমাণে অক্সিজেন সৰবৰাহ নহ'লেও এনে ধৰণৰ সমস্যাই গা কৰি উঠিব পাৰে।

## ক'লেষ্টেৰল বৃদ্ধিৰ লক্ষণ ভৰিত প্ৰতিফলিত হয়

**আজিকালি** ক'লেষ্টেৰল বুলি কোৱাৰ লগে লগে প্ৰায়ভাগ লোকেই উচপ খাই উঠে। যেন ক'লেষ্টেৰল মানেই মৃত্যু ঘণ্টা বাজে। দৰাচলতে ক'লেষ্টেৰল মানেই বিপদ নহয়। ক'লেষ্টেৰল দুই ধৰণৰ— এইছ ডি এল আৰু এল ডি এল। লোডেনাচিটি লাইপোপ্ৰ'টিন বা এল ডি এল হ'ল শৰীৰৰ বাবে তেনেই ক্ষতিকাৰক ক'লেষ্টেৰল। যেতিয়া শৰীৰত প্ৰ'টিনৰ অভাৱ হয় আৰু চৰ্বিৰ পৰিমাণ বেছি হয় তেতিয়া ক'লেষ্টেৰলৰ স'তে মিলি সৃষ্টি কৰে এল চি এল। যেতিয়ালৈকে ক'লেষ্টেৰলৰ পৰিমাণ বৃদ্ধি নাপায় তেতিয়ালৈকে বিশেষ লক্ষণ ফুটি নুঠা বাবেই বিপদৰ কাৰণ হৈ পৰে। সেইবাবে নিয়মীয়াকৈ তেজ পৰীক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। যেতিয়া ক'লেষ্টেৰলৰ পৰিমাণ বেছি হয় তেতিয়া ভৰিৰ টেণ্ডন লিগামেণ্টৰ ওপৰত প্ৰভাৱ পৰিবলৈ ধৰে। ভৰিৰ ধমনীসমূহ যেতিয়া সৰু হ'বলৈ ধৰে তেতিয়া ভৰিৰ তললৈ অক্সিজেনযুক্ত তেজৰ সৰবৰাহ হ্ৰাস পায়। এনে হ'লে অলপ খোজ কঢ়াৰ লগে লগে বিষাবলৈ ধৰে। ওজন ওজন অনুভৱ হোৱাৰ লগতে গধুৰ গধুৰ লাগে। এনে হোৱাৰ লগে লগে ভৰিৰ অসহ্য যন্ত্ৰণা হোৱাটো কোনো অস্বাভাৱিক কথা নহয়। এনে ধৰণৰ লক্ষণ ফুটি উঠাৰ লগে লগে সতৰ্ক হ'বই লাগিব। এলডিএল বৃদ্ধি পালে টোপনি গৈ থাকোতে ভৰিৰ পতা আৰু আঙুলি হঠাতে টান হ'বলৈ ধৰে। বিশেষকৈ নিশাৰ ভাগত এনে ধৰণৰ সমস্যাই বেছিকৈ গা কৰি উঠে। উৰু আৰু আঁঠুৰ তলফালে কিহবাই টানি ধৰাৰ দৰে অনুভৱ হয়। তেজ চলাচল স্বাভাৱিক নহ'লে ভৰিৰ আঙুলিৰ বৰণ ৰঙচুৰা হ'ব পাৰে।

## কি কাৰণে কেলছিয়ামৰ অভাৱ হয়





**শৰীৰৰ** বাবে প্ৰয়োজনীয় উপাদানসমূহৰ ভিতৰত অন্যতম হ'ল কেলছিয়াম। আধুনিক জীৱন-যাপন আৰু উপযুক্ত খাদ্যাভ্যাসৰ অভাৱত এতিয়া বহুতো লোকৰ এইবিধ উপাদানৰ ভাৰসাম্য ৰক্ষাত ব্যাঘাত জন্মিছে। সেইবাবে এইবিধ উপাদানৰ অভাৱ নহ'বলৈ সকলোৱে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত। কেলছিয়ামৰ অভাৱ হোৱাটো বহুতো বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে। খাদ্যৰ জৰিয়তে গ্ৰহণ কৰাৰ পৰিৱৰ্তে যদি 'ছাপ্লিমেণ্ট' গ্ৰহণ কৰে তেতিয়া অতিৰিক্ত পৰিমাণে কিডনী বা বৃক্কত পাথৰৰ সৃষ্টি কৰিব পাৰে। আনহাতে, ইয়াৰ অভাৱৰ সমস্যা দূৰ কৰিবলৈ হ'লে জীৱন যাপনৰ পদ্ধতিৰ পৰিৱৰ্তন কৰিবই লাগিব। পনিৰ আদিও ব্যৱহাৰ কৰিলে সুফল পোৱা যায়।

■ কেলছিয়ামৰ অভাৱ ৰোধ কৰিবলৈ নিয়মীয়াকৈ গাখীৰ খাব লাগিব। কাৰণ গাখীৰত প্ৰচুৰ পৰিমাণে কেলছিয়াম পোৱা যায়।

■ যিসকলে প্ৰচুৰ পৰিমাণে কোমল পানীয় আদি খায় তেওঁলোকৰ শৰীৰত এইবিধ উপাদানৰ অভাৱ হয়।

■ শাৰীৰিক দুৰ্বলতাৰ সময়ত এইবিধ উপাদানৰ অভাৱ ঘটে।


■ মহিলাসকলৰ মেন'পজৰ সময়ত কেলছিয়ামৰ অভাৱ হয়। যিসকল মহিলাই কম বয়সৰ পৰাই এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰে তেওঁলোকৰ কম হোৱা দেখা যায়।

■ যিসকলে সদায় অতিৰিক্তভাৱে ব্যায়াম কৰে তেওঁলোকৰ শৰীৰত অভাৱ হ'ব পাৰে।

■ কেলছিয়াম শোষণত ভিটামিন 'ডি'ৰ ভূমিকা গুৰুত্বপূৰ্ণ। যেতিয়া ভিটামিন 'ডি'ৰ অভাৱ ঘটে তেতিয়া কেলছিয়ামৰ অভাৱ হোৱাৰ আশংকা অধিক। সেইবাবে সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত।

■ সকলোৱে সদায় কেলছিয়ামযুক্ত খাদ্য গ্ৰহণ কৰা উচিত।

## মিঠাই খালে ডায়েবেটিছ বৃদ্ধি হয় নে?




**আজিকালি** প্ৰায়ভাগ লোকেই মিঠাই খাব নোখোজে। কিছুমান লোকে মিঠাই শব্দটো শুনাৰ লগে লগে সাত জাঁপ মাৰে। চাহ দোকানতো বিনা চেনিৰ চাহ বিচৰা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। কম বয়সীয়া ল'ৰা-ছোৱালীয়ে মিঠাইৰ পৰা সাত হাত আঁতৰত থাকিব বিচাৰে। এনে কিছু লোক আছে যিয়ে চাহৰ লগত মিঠাই নাখায় যদিও ৰসগোল্লা আদি খোৱাৰ লোভ সামৰিব নোৱাৰে। বিনা চেনিৰ চাহৰ লগত মিঠাই খোৱা লোকৰ সংখ্যাই এতিয়া অধিক; কিন্তু এনে কৰিলে তেজত শৰ্কৰাৰ পৰিমাণ হ্ৰাস অথবা নিয়ন্ত্ৰণত থাকে জানো?

দুই দশকমান আগলৈকে যিয়ে যিমান পাৰে সিমান মিঠাই খাইছিল। চাহৰ কথাতো বাদেই দৈ, চিৰা আদিৰ লগত বেছিকৈ মিঠাই খোৱাৰ প্ৰতিযোগিতাহে চলিছিল। এনেদৰে মিঠাই বেছিকৈ গ্ৰহণ কৰিলেও বিশেষ সমস্যাৰ সৃষ্টি হোৱা নাছিল। সকলোৱে স্বাভাৱিকভাৱেই কাৰ্য সম্পাদন কৰিছিল। অথচ এতিয়া 'মিঠা' বুলি ক'লেই প্ৰায়ভাগ লোকেই সাত জাঁপ মাৰে। সম্প্ৰতি কমৰো কম মিঠাই খোৱা লোকৰ সংখ্যাই বেছি। কাৰণ মিঠাইৰ স'তে জড়িত হৈ থকা 'ডায়েবেটিছ' শব্দটোৱে এতিয়া সকলোৱে বাবে হৈ পৰিছে ত্ৰাসৰ কাৰণ। ডায়েবেটিছত আক্ৰান্ত হোৱাৰ লগে লগে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে নিয়ন্ত্ৰণ কৰাটো গুৰুত্বপূৰ্ণ বিষয় হৈ পৰে। খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি জিৰণি লোৱা, কৰ্মক্ষেত্ৰ সকলোতে নিৰ্দিষ্ট নিয়মৰ মাজেদি আগবাঢ়িব লগীয়া হয়।

মিঠাই খালেই ডায়েবেটিছ হয় নে? নিশ্চয় নহয়। মিঠাই খোৱাটো শৰীৰৰ বাবে প্ৰয়োজন। কাৰণ মিঠাইৰ উপাদানে শাৰীৰিক ভাৰসাম্য ৰক্ষাত সহায় কৰে। শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদানসমূহৰ ভিতৰত অন্যতম হ'ল শৰ্কৰা। আমি গ্ৰহণ কৰা প্ৰায়ভাগ খাদ্যতেই কম-বেছি পৰিমাণে শৰ্কৰা থাকে। সেইবাবে খাদ্য তালিকাত সুষম আহাৰ অন্তৰ্ভুক্ত হোৱাটো গুৰুত্বপূৰ্ণ বিষয়। এতিয়া বহুতৰে মনত শৰ্কৰা হৈ পৰিছে খলনায়ক সদৃশ। দৰাচলতে এইবিধ উপাদান তেতিয়াহে শৰীৰৰ বাবে অপকাৰী হয় যেতিয়া তেজত ইয়াৰ উপস্থিতি অস্বাভাৱিক ৰূপত ধৰা পৰে। নিৰ্দিষ্ট পৰিমাণতকৈ বেছি থাকিলে ডায়েবেটিছে লাহে লাহে জটিল ৰূপ ধাৰণ কৰে। অৱশ্যে ইয়াক নিয়ন্ত্ৰণ কৰি ৰাখিলে কোনো সমস্যাই জটিল ৰূপ ধাৰণ কৰিব নোৱাৰে। এই উপাদানবিধ নিয়ন্ত্ৰণ বিষয়টো খাদ্য গ্ৰহণ, কায়িক শ্ৰমৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত। সেইবাবে ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ হ'লে দৈনন্দিন জীৱনৰ প্ৰতিটো বিষয়তে সমানেই গুৰুত্ব প্ৰদান কৰিব লাগিব।

শৰ্কৰা নিয়ন্ত্ৰণ কৰে ইনছুলিন নামক অগ্নাশয়ৰ পৰা নিঃসৃত হৰম'ন বিধে। ইনছুলিন স্বাভাৱিক পৰিমাণে নিঃসৃত হৈ থাকিলে তেজত শৰ্কৰাও নিৰ্দিষ্ট পৰিমাণেই থাকে। যেতিয়া কোনো কাৰণত ইনছুলিন নিঃসৰণত ব্যাঘাত জন্মে তেতিয়াই আৰম্ভ হয় বিপদ। ইনছুলিন নিঃসৰণত উনৈশ-বিশ হোৱাৰ আঁৰত থাকে বিভিন্ন কাৰণ। যিসকলৰ একেবাৰে নিঃসৰণ নহয় তেওঁলোকে ইনছুলিন দিবলগীয়া হয়। দৰাচলতে ইনছুলিনৰ নিঃসৰণত ব্যাঘাত জন্মিলেহে শৰ্কৰা নিয়ন্ত্ৰণ হয় নে নহয় সেয়া জড়িত হৈ পৰে।

## টোপনিৰ মহৌষধ কল-এলমণ্ড



**টোপনি** ভাল হ'লেহে সুস্বাস্থ্যৰ অধিকাৰী হ'ব পাৰি। এতিয়া প্ৰায়ভাগ লোকেই বিভিন্ন কাৰণত টোপনিৰ সমস্যাত আক্ৰান্ত হ'ব। যিমানেই টোপনিৰ সমস্যাত ভোগে সিমানেই বিভিন্ন ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। সদায় ভাল টোপনিৰ বাবে সেইবাবে সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। খাদ্য গ্ৰহণৰ পৰা আৰম্ভ কৰি শোৱালৈকে সকলো ক্ষেত্ৰতে গুৰুত্ব প্ৰদান কৰিব লাগে। মনত ৰখা উচিত যে টোপনিত ব্যাঘাত জন্মিলে মানসিকভাৱে ভাৰসাম্যহীন হয়।

■ ভাল টোপনিৰ বাবে নিয়মীয়াকৈ কল খোৱা উচিত। ইয়াত মেগনেছিয়াম আৰু পটাছিয়াম প্ৰচুৰ পৰিমাণে থাকে। এই দুয়োবিধ উপাদান স্নায়ুতন্ত্ৰ সজীৱ কৰি ৰখাত সহায় কৰে। ইয়াত প্ৰচুৰ পৰিমাণে কাৰ্বোহাইড্ৰেট পোৱা যায়। শেহতীয়াভাৱে গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে যিসকল লোকে নিয়মীয়াকৈ কল খায় তেওঁলোকৰ সহজে টোপনিৰ সমস্যা বা নিদ্ৰাহীনতাই সহজে গা কৰি উঠিব নোৱাৰে। আজিকালি প্ৰায়ভাগ লোকেই কল খাব নোখোজে। কল খোৱাৰ পৰিৱৰ্তে ফাষ্ট ফুড, জাংক ফুড আদিহে খাই ভাল পায়। অথচ এইবোৰ বেছিকৈ খালে টোপনি আদিত ব্যাঘাতহে জন্মে। যিমানেই ফাষ্ট ফুড আদি খাব সিমানেই শৰীৰত বিভিন্ন ৰোগে খোপনি পুতিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। যদিহে নিয়মীয়াকৈ নাখায় তথাপি সপ্তাহত চাৰি-পাঁচদিন কল খালেও উপকাৰ পোৱা যায়।

■ কাঠবাদাম বা এলমণ্ড খালেও টোপনি ভাল হয়। ইয়াত ট্ৰিপ্টোফেন, মেগনেছিয়াম আদি থাকে বাবে টোপনি ভাল হয়। এইবোৰ উপাদানে মস্তিষ্কত আৰামদায়ক অনুভূতিৰ সৃষ্টি কৰে। এলমণ্ডত ফাইবাৰৰ পৰা আৰম্ভ কৰি চৰ্বি, ভিটামিন ই, মেগনেছিয়াম, মেংগানিজ, প্ৰ'টিন, এণ্টিঅক্সিডেণ্ট, অপকাৰী ক'লেষ্টেৰল এল ডি এল আদি পোৱা যায়। সেইবাবে নিয়মীয়াকৈ খাব লাগে।

# ঢালিগাঁও থানাৰ সমীপতে মুকলিভাৱে জুৱাৰ আড্ডা

## ■ ছাত্ৰ সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৩ অক্টোবৰ ঃ** ৰাজ্যৰ চৌদিশে এতিয়া আৰম্ভ হৈছে উৎসৱৰ বতৰ আৰু এই উৎসৱৰ অচিলা লৈ একাংশ লোকে ঠায়ে ঠায়ে বহুৱাইছে মুকলি জুৱাৰ আড্ডা। যোৱা নিশাৰ ভাগত চিৰাং জিলাৰ ঢালিগাঁও থানাৰ পৰা মাত্ৰ পাঁচশ মিটাৰ নিলগৰ কুকুৰমাৰীত মুকলিভাৱে ঝাণ্ডিমুণ্ডাৰ জুৱাৰ আড্ডা বহুওৱাৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনত উৎসৱৰ অচিলা লৈ য'তে-ত'তে জুৱাৰ আড্ডা বন্ধ কৰাৰ দাবীত আক্ৰাছু, আমছু, এবিএমছু, আছা, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, সদৌ চাওতাল ছাত্ৰ সন্থা, সদৌ বিটিআৰ বাঙালী যুৱ-ছাত্ৰ পৰিষদ আদি কৰি মুঠ আঠটা ছাত্ৰ সংগঠনৰ সমন্বয়ৰক্ষী সমিতিয়ে যোৱা ১৯ অক্টোবৰত উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক স্মাৰকপত্ৰ প্ৰদান কৰিছিল। সেইমৰ্মে জিলা প্ৰশাসনৰ পৰা এই অনৈতিক কৰ্মকাণ্ড আৰু জুৱা খেলৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও নিশা ঢালিগাঁও থানাৰ পৰা মাত্ৰ পাঁচশ মিটাৰ আঁতৰত কুকুৰমাৰীত জুৱা খেলা অনুষ্ঠিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। তাকে লৈ এতিয়া ছাত্ৰ সংগঠনসমূহে ঢালিগাঁও আৰক্ষীৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। জিলা আমছুৰ সভাপতি নাজিৰ ৰহমানে



আজি সংবাদ মাধ্যমৰ আগত অভিযোগ কৰি কয় যে আৰক্ষীৰ মিতিৰালি অবিহনে থানাৰ পৰা পাঁচশ মিটাৰ আঁতৰত মুকলিকৈ জুৱা খেল কেনেকৈ অনুষ্ঠিত হ'ব পাৰে। তেওঁলোকৰ সন্দেহ এই জুৱাৰ আড্ডাৰ স'তে আৰক্ষীৰ কোনো গোপন বুজাবুজি নিশ্চয় আছে। জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে আঠটাকৈ ছাত্ৰ সংগঠনৰ প্ৰতিনিধিক প্ৰতিশ্ৰুতি দিয়াৰ পাছতো যদি এনেধৰণে জুৱাৰ আড্ডা বহে তেনেহলে আমি ইয়াৰ বিৰুদ্ধে সমন্বয়ৰক্ষী সমিতিয়ে আন্দোলনত নামিবলৈ বাধ্য হ'ব বুলি সকীয়নি প্ৰদান কৰে জিলা প্ৰশাসনক। উল্লেখ্য যে নিশা উক্ত জুৱাৰ খেলৰ বিৰুদ্ধে স্থানীয় লোকে অভিযোগ কৰাৰ পাছত আৰক্ষী অধীক্ষকৰ নিৰ্দেশত উপ-আৰক্ষী অধীক্ষকৰ নেতৃত্বত এটা দলে অভিযান চলায় যদিও আৰক্ষীৰ লোক জুৱাস্থলীত উপস্থিত হোৱাৰ আগতেই জুৱাৰীৰ দল পলায়ন কৰে। অভিযোগ অনুসৰি, যোৱা নিশা ঢালিগাঁও থানাৰ অন্তৰ্গত কুকুৰমাৰী, বেংতলগেট, দোলাইগাঁৱৰ ওচৰত আৰু ছাপাগুৰিতো অনুষ্ঠিত হৈছিল ঝাণ্ডিমুণ্ডাৰ জুৱা। প্ৰতি বছৰেই এই উৎসৱৰ বতৰত জিলাখনত আৰক্ষীৰ স'তে বুজা-বুজিৰে য'তে-ত'তে মুকলিভাৱে জুৱা আৰু মুকলিভাৱে মদৰ আড্ডা বহুওৱা পৰিলক্ষিত হৈ আহিছে।



*মৰাণত অনুষ্ঠিত ভাওনাৰ দৃশ্য।*

## বৰভাগ মহাবিদ্যালয়ৰ সমস্যাৰ সমাধানৰ দাবীত স্মাৰকপত্ৰ প্ৰদান অধ্যক্ষক



**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰভাগ মহাবিদ্যালয়ৰ চৌহদৰ প্ৰস্ৰাৱাগাৰ স্বচ্ছ আৰু পানীৰ সু-ব্যৱস্থাৰ লগতে ছাত্ৰ জিৰণিকোঠা পুনৰ খুলি ৰাখিবলৈ আজি বৰভাগ মহাবিদ্যালয়ৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ স্বাক্ষৰিত আবেদন মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষক প্ৰদান কৰে। আবেদন প্ৰদান কৰাৰ সময়ত উপস্থিত থাকে বৰভাগ মহাবিদ্যালয়ৰ স্নাতক পঞ্চ ষান্মাসিক ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ ময়ুৰ ৰহমান, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ অনুপ কলিতা, বিকাশ ৰাজবংশী, পাৰ্থজিৎ ডেকা, হিৰকজ্যোতি শৰ্মা আদি।

## কৃষক বন্ধু তথা কৃষিমন্ত্ৰী প্ৰয়াত সোণেশ্বৰ বৰাৰ সমাধি নিৰ্মাণৰ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২৩ অক্টোবৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত দ-গাঁওস্থিত প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত যোৱা ২২ অক্টোবৰত কৃষক বন্ধু তথা কৃষিমন্ত্ৰী প্ৰয়াত সোণেশ্বৰ বৰাৰ সমাধি নিৰ্মাণৰ এখন ৰাজহুৱা সভা সম্পন্ন হয়। উল্লেখ্য যে আহ্বায়ক পূৰ্ণ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় দেৱাশীষ বৰাই। সভাত সমাজকৰ্মী খগেন বৰা, সাংবাদিক দ্বীপজ্যোতি বৰদলৈ, জয়ন্ত হাজৰিকা, প্ৰয়াত কৃষিমন্ত্ৰীজনৰ জ্যেষ্ঠ পুত্ৰ ভীম বৰা, প্ৰধান শিক্ষক প্ৰভাত কছাৰী-বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি যশোৱন্ত বৰা, সাংবাদিক চন্দন কৰ্মকাৰ আদি ব্যক্তিসকলে বক্তব্য ৰাখে। সভাত পূৰ্ণ ৰাজখোৱাক সভাপতি আৰু দেৱাশীষ বৰাক সম্পাদক হিচাপে লৈ এখন সমাধি নিৰ্মাণ সমিতি গঠন কৰে।

## দীপাৱলী উদ্‌যাপন সম্পৰ্কে গোৱালপাৰাত আলোচনা সভা

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৩ অক্টোবৰ ঃ** আগন্তুক পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপন সন্দৰ্ভত যোৱা ২২ অক্টোবৰত গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত মিনাক্ষী দাস নাথৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত অতিৰিক্ত উপায়ুক্ত মানস দাসে আগন্তুক দীপাৱলী উদ্‌যাপনত প্ৰশাসনে লোৱা বিভিন্ন ব্যৱস্থাৱলীৰ বিষয়ে সভাত অৱগত কৰে। কে'বাটাও বিভাগৰ মুৰব্বী বিষয়াৰ লগতে কে'বাখনো পূজা সমিতিৰ প্ৰতিনিধি আৰু মাৰোৱাৰী সমাজৰ লগতে কে'বাগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰা সভাখনক সম্বোধন কৰি উপায়ুক্তগৰাকীয়ে কয় যে এইবেলি গোৱালপাৰা জিলা প্ৰশাসনে ব্যতিক্ৰমীভাৱে পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ আৰু কয় যে অতি প্ৰাৱল্যৰ ফটকা বা আতচবাজীৰ সলনি ফুলজাৰি আৰু বন্তি প্ৰজ্বলনেৰে গ্ৰীণ দীপাৱলীৰ লগত সংগতি ৰাখি আমি বিভিন্ন প্ৰতিযোগিতা যেনে খাদ্য প্ৰস্তুত, আলোকসজ্জাৰ প্ৰতিযোগিতা, ৰংগুলি প্ৰতিযোগিতা আদি হাতত লৈছো। গোৱালপাৰা মহাবিদ্যালয় খেলপথাৰত আমি কে'বাটাও ষ্টল নিৰ্মাণ কৰি উক্ত ষ্টলসমূহত বিভিন্নজনে থলুৱা আৰু পৰম্পৰাগত খাদ্য প্ৰস্তুত কৰাৰ লগতে বিক্ৰীৰ ব্যৱস্থা থাকিব। ইয়াৰ বাবে অনলাইনযোগে ইচ্ছুক ব্যক্তিসকলে ষ্টল বুকিঙৰ পঞ্জীয়ন কৰিব পাৰিব। স্বাধীনতাৰ ৭৫ সংখ্যক অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি কাছাৰীঘাটত ৭৫টা আকাশ বন্তি জ্বলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। তেওঁ পোহৰৰ উৎসৱ দীপাৱলী প্ৰশাসনৰ লগত সহযোগ কৰি সকলোকে সামাজিকভাৱে একেলগে দীপাৱলী উদ্‌যাপন কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত কে'বাগৰাকী ব্যক্তিয়ে গ্ৰীণ দীপাৱলী উদ্‌যাপন সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়। অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাই দীপাৱলীৰ সময়ছোৱাত কোনো ধৰণৰ যাতে আইন-শৃংখলাজনিত কোনো ঘটনা সংঘটিত নহয় তাৰ বাবে সকলোকে অতি আন্তৰিকতাৰে দীপাৱলী উদ্‌যাপন কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত জিলা উন্নয়ন আয়ুক্ত অশ্ৰুমণি মালাকাৰ, অতিৰিক্ত উপায়ুক্ত জয়ন্ত কুমাৰ বৰাৰ লগতে সহকাৰী আয়ুক্তসকল উপস্থিত থাকে।

## মুকালমুৱাত মহিলাৰ মৃতদেহ উদ্ধাৰ

**মুকালমুৱা, ২৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ নিকটৱৰ্তী কান্ধবাৰী গাঁৱত আজি এগৰাকী মহিলাৰ উৰলি যোৱা মৃতদেহ উদ্ধাৰ হয়। ঘৰৰ সন্মুখৰ এটা পুখুৰীত মৃতদেহ উদ্ধাৰ হোৱা মহিলাগৰাকীৰ নাম হৈছে ৰমেনা খাতুন (৩৫)। কান্ধবাৰী গাঁৱৰ স্থানীয় বাসিন্দা ৰাইজুদ্দিন আহমেদৰ পত্নী ৰমেনা বিগত পাঁচদিন ধৰি নিজঘৰৰ পৰা নিৰুদ্দেশ হৈ আছিল। আনহাতে, স্থানীয় লোকে স্বামী ৰাইজুদ্দিন আহমেদক পত্নীৰ কথা সুধিলে মাকৰ ঘৰলৈ যোৱা বুলি ৰাইজে সদৰী কৰিছে। পাঁচ দিন ধৰি নিৰুদ্দেশ হৈ থকা মহিলাগৰাকীৰ মৃতদেহ আজি উদ্ধাৰ হোৱাৰ পাছত এয়া পৰিকল্পিত হত্যাকাণ্ড বুলিহে স্থানীয় লোকসকলৰ মাজত সন্দেহ ঘনীভূত হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষী থানাত এই মুহূৰ্তলৈকে কোনোৱে এজাহাৰ দাখিল কৰা নাই। আৰক্ষীৰ তদন্তৰ পাছতহে প্ৰকৃত ঘটনা পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে। মুকালমুৱাৰ আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

## জনজাতি বসতিপূৰ্ণ অঞ্চলত নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক অভিযান

**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়-খুমটাই, ২৩ অক্টোবৰ ঃ** নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়, নুমলীগড় ছ'চিঅ' ডেভেলপমেণ্ট ছ'চাইটী আৰু নুমলীগড় বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ উদ্যোগত অনুসূচিত জাতি আৰু জনজাতিৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, গোলাঘাট জিলা সমিতিৰ বিশেষ আঁচনিৰে এক শৈক্ষিক অভিযান আজি নুমলীগড়ৰ বালিকা মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, সাঁথৰ, নৃত্য, গীত আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে স্থানীয় ৰাইজৰ মাজত শৈক্ষিক দিশৰ এক অন্তৰংগ আলাপ অনুষ্ঠিত হয়। শিক্ষক সঞ্জীৱ শৰ্মা, চফিকুজ জামান আৰু মঞ্জু বৈশ্যই ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ সমস্যাৰ বুজ লোৱাৰ লগতে শিক্ষাৰ অধিকাৰ আইনৰ অনুসৰি সকলোকে মানুহৰূপে গঢ়াৰ লক্ষ্যৰে বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান জনায়। ৰাইজৰ মাজৰ পৰা পটী বৰাইক আৰু অৰুণিমা হাজৰিকাই বৰ্তমান সময়ত অনুসূচিত জাতি আৰু জনজাতি অঞ্চলত পোৱা সমস্যাৰ বিষয়ে অৱগত কৰে। পৰ্যায়ক্ৰমে নুমলীগড় অঞ্চলৰ প্ৰতিটো অনুসূচিত জাতি আৰু জনজাতি অঞ্চলত এনে কৰ্মসূচী অব্যাহত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। এনে শৈক্ষিক অভিযানে অনুসূচিত জাতি আৰু জনজাতি অঞ্চলৰ সৰ্বাংগীণ বিকাশ হ'ব বুলি ৰাইজে মত পোষণ কৰে। ইপিনে, উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিছু শিক্ষণ সামগ্ৰী প্ৰদান কৰে। নুমলীগড় অঞ্চলৰ শিক্ষানুষ্ঠান একেলগ হৈ অঞ্চলটোৰ শৈক্ষিক বাতাবৰণ উন্নত কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহেন শইকীয়াই জানিবলৈ দিছে।

## নলবাৰীত ৰাষ্ট্ৰীয় জনকল্যাণকাৰী পৰিষদৰ মাস্ক-ছেনিটাইজাৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৩ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় জনকল্যাণকাৰী পৰিষদ নামৰ ৰাষ্ট্ৰীয় সামাজিক সংগঠনটোৱে কালি সন্ধিয়া পকোৱাত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ লগত সংগতি ৰাখি ৰাইজক সজাগ আৰু সচেতনতা বৃদ্ধি আৰু মহামাৰী ক'ভিডৰ পৰা ৰক্ষা কৰিবলৈ ভক্ত ৰাইজৰ মাজত এহেজাৰখন মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰে। স্বেচ্ছাসেৱী সংগঠনটোৰ নলবাৰী জিলা সমিতি (মহিলা প্ৰভাগ)ৰ সভানেত্ৰী জিমনি তামুলীৰ নেতৃত্বত অনুষ্ঠিত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কাৰ্যসূচী মুকলি কৰে মঞ্চ জগতৰ বলিষ্ঠ অভিনেতা মৃদুল ভূঞাই। ভাষণত তেওঁ ক'ভিডৰ পৰা মুক্ত হ'বলৈ ৰাইজক মাস্ক পিন্ধিবলৈ আৰু ছেনিটাইজাৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ এনে পদক্ষেপক ধন্যবাদ জনোৱাৰ লগতে সংগঠনটোলৈ শুভেচ্ছা জনায় আৰু ভৱিষ্যতে বিভিন্ন সামাজিক কাম-কাজ কৰিবলৈ আহ্বান জনায়। মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কাৰ্যসূচীত লক্ষ্মী পূজা উদ্‌যাপন সমিতি আৰু সংগঠনটোৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## অৱসৰপ্ৰাপ্ত অভিযন্তাৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২৩ অক্টোবৰ ঃ** আজাৰা অঞ্চলৰ ধাৰাপুৰ কোচপাৰাৰ অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ অৱসৰপ্ৰাপ্ত অভিযন্তা লোহিত চন্দ্ৰ কলিতা (৭৬)ত আজি মৃত্যু হয়। ধাৰাপুৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত তথা ধাৰাপুৰ তালুকৰ প্ৰাক্তন সভাপতি কলিতাৰ মৃত্যুত ধাৰাপুৰ তালুক সমিতি, পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী-ছাত্ৰ-ছাত্ৰী, ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ধাৰাপুৰ এম ভি স্কুল, সদৌ গুৱাহাটী ছাত্ৰ-সন্থা, ধাৰাপুৰ ছাত্ৰ সন্থা আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়।

## ■ ছিপাঝাৰত অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখা বঁটা প্ৰদান অনুষ্ঠান

# তত্ত্বগধুৰ গ্ৰন্থ ৰচনা কৰিও পেঞ্চন নাপায় সাহিত্যিকে

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ২৩ অক্টোবৰ ঃ** বিশ্বত্ৰাস কৰ'না মহামাৰীৰ বাবে দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা ছিপাঝাৰ সাহিত্য সভাৰ সাহিত্য চক্ৰৰ বৈঠক আজি অনুষ্ঠিত হয়। ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত আবেলি অনুষ্ঠিত সভাৰ ৪৭৬ সংখ্যক নিয়মীয়া বৈঠকৰ লগত অসম সাহিত্য সভাৰ ২০১৮-২০ৰ শ্ৰেষ্ঠ শাখা বঁটা এই অনুষ্ঠানত ছিপাঝাৰ সাহিত্য সভাক প্ৰদান কৰা হয়। ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি চন্দ্ৰ কান্ত নাথৰ সভাপতিত্বত অনুষ্ঠিত আৰু সম্পাদক দুলাল চন্দ্ৰ ডেকা, প্ৰাক্তন সম্পাদক গোপাল চহৰীয়াই আঁত ধৰা অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই শ্ৰেষ্ঠ শাখা সাহিত্য সভাৰ বঁটা হিচাপে ছিপাঝাৰ সাহিত্য সভাক মানপত্ৰ আৰু গ্ৰন্থৰ টোপোলা প্ৰদান কৰে। উক্ত বঁটা প্ৰদান কৰি প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই কয়, 'সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত দৰং জিলাৰ সুকীয়া পৰিচয় আছে। ইয়াৰ দলিল হিচাপে অসম সাহিত্য সভাৰ অন্তৰ্ভুক্ত এহেজাৰ শাখা সাহিত্য সভাৰ ভিতৰত ছিপাঝাৰ সাহিত্য সভাই শ্ৰেষ্ঠ শাখাৰ স্বীকৃতি লাভ কৰি ছিপাঝাৰ-দৰংবাসীলৈ গৌৰৱ কঢ়িয়াই আনে।' আগন্তুক দিনত জিলাখনৰ এই পৰিচয় বৰ্তাই ৰখাৰ দায়িত্ব দৰঙী ৰাইজ তথা সাহিত্য-সংস্কৃতিৰ কাণ্ডাৰীসকলৰ বুলিও তেওঁ মন্তব্য কৰে। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন সন্দৰ্ভত ভাষণ প্ৰসংগত তেওঁ কয়, 'তত্ত্বগধুৰ গ্ৰন্থ ৰচনা কৰিও সাহিত্যিক পেঞ্চন লাভৰ পৰা একাংশ সাহিত্যিক বঞ্চিত হয়, অথচ জানানে, মই কলকাতালৈ গৈছিলো আদিৰ লেখীয়া গ্ৰন্থ প্ৰকাশ কৰিও এচামে সাহিত্যিক পেঞ্চন লাভ কৰে।' এনে ক্ষেত্ৰত সাহিত্যিক পেঞ্চনৰ যোগ্যতাৰ মাপকাঠিক লৈও ৰাইজৰ মাজত প্ৰশ্ন চিহ্নৰ উদ্ৰেক হয় বুলি মন্তব্য কৰে। অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ হকে কাম কৰি যোৱাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই আপোচ নকৰে বুলিও তেওঁ দোহাৰে। উক্ত অনুষ্ঠানত অভ্যাগতৰ আসনত উপবিষ্ট হয় ছিপাঝাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে-ৰজনীকান্ত নাথ, লোহিত চন্দ্ৰ কলিতা, উমাকান্ত শৰ্মা, শশীধৰ নাথ, ৰত্নেশ্বৰ নাথ, কমিৰাম নাথ আৰু ছিপাঝাৰ শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিয়তি চহৰীয়া। শিল্পী প্ৰভাত বণিয়া আৰু নিয়তি চহৰীয়াই গীত পৰিৱেশন কৰা অনুষ্ঠানটোৰ স্ব-ৰচিত লেখা পাঠ শিতানত অমূল্য দাস, বৃন্দা ভূঞা, কুলেন্দ্ৰ চহৰীয়াই কবিতা, ডাঃ বৈকুণ্ঠ নাথ, মহেন্দ্ৰ মোহন নাথে গল্প, চন্দ্ৰ কান্ত নাথ, হেৰম্ব কুমাৰ নাথে প্ৰবন্ধ, শশীধৰ নাথে লিমাৰিক পাঠ কৰে। স্মৰ্তব্য যে অসম সাহিত্য সভাই ১৯৯৮ত প্ৰৱৰ্তন কৰা শ্ৰেষ্ঠ শাখা সাহিত্য সভাৰ বঁটা প্ৰথমবাৰৰ বাবে ছিপাঝাৰ সাহিত্য সভাই লাভ কৰিছিল।

## মাজুলীত জিলা হকাৰ সন্থা গঠন

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২৩ অক্টোবৰ ঃ** অসমৰ সংবাদ মাধ্যমত মাজুলীৰ পৰা কাকত প্ৰচাৰ আৰু সম্প্ৰসাৰণ জীৱিকা হিচাপে গ্ৰহণ কৰা হকাৰসকলৰ বিভিন্ন সমস্যা সমাধান, উন্নয়নকল্পে আজি মাজুলীত সংগঠিত হয় মাজুলীৰ হকাৰসকল। সেই উপলক্ষে জিলা সদৰ গড়মূৰত অৱস্থিত গড়মূৰ প্ৰেছ ক্লাবত অনুষ্ঠিত হয় এখন সাধাৰণ সভা। জ্যেষ্ঠ হকাৰ প্ৰফুল্ল হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দেৱ বৰাই। সভাৰ আৰম্ভণিতেই অলপতে নিমাতী-মাজুলীৰ নাও দুৰ্ঘটনাত মৃত্যুবৰণ কৰা তিনি বিশিষ্ট ব্যক্তিৰ আত্মাৰ সদগতিৰ কাৰণে ভগৱানৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। ইয়াৰ পাছতেই হকাৰ সন্থাৰ কেন্দ্ৰীয় সম্পাদক দীপক শৰ্মাই ভিডিঅ' কনফাৰেন্সযোগে গঠনমূলক পৰামৰ্শ প্ৰদান কৰি শুভেচ্ছা জ্ঞাপন কৰে। সভাত মাজুলী জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক, সাংবাদিক-লেখক-সাহিত্যিক, সাংস্কৃতিক কৰ্মী আৰু সামাজিক কৰ্মী হেমচন্দ্ৰ দলেই অসমৰ সংবাদ মাধ্যম আৰু বাতৰি কাকত গোষ্ঠী উত্তৰণৰ হকাৰসকলৰ গুৰুতৰ ভূমিকা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। সভাই আগন্তুক দ্বিবৰ্ষৰ কাৰণে প্ৰফুল্ল হাজৰিকাক সভাপতি, মাণিক শইকীয়াক উপ-সভাপতি, দেৱ বৰাক সম্পাদক, মকুণ্ড শইকীয়াক উপ-সভাপতি হিচাপে লৈ ২৫জনীয়া এখন সবল জিলা সমিতি গঠন কৰে।

# নাট্যকৰ্মী-অৱসৰপ্ৰাপ্ত শিক্ষক কমল নাথক স্মৰণ

## ■ বিহগুৰিত পদাংক স্মৃতিলেখা উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ২৩ অক্টোবৰ ঃ** বিগত বৰ্ষত পষ্ট ক'ভিড আৰু মধুমেহ ৰোগত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটা শোণিতপুৰ জিলাৰ বিহগুৰি মৌজাৰ বিশিষ্ট সমাজসেৱক, নাট্যকাৰ অৱসৰপ্ৰাপ্ত শিক্ষক কমল নাথ (বাবা)ৰ যোৱা ২২ অক্টোবৰত বছৰেকীয়া আদ্যশ্ৰাদ্ধ উপলক্ষে পিঠাখোৱাস্থিত নিজ বাসগৃহত 'পদাংক' নামেৰে এখন স্মৃতিলেখা উন্মোচনী সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষীতিশ নাথে। পদাংক নামৰ স্মৃতিলেখা উন্মোচন কৰে শোণিতপুৰ জিলা সাহিত্য সভাৰ সম্পাদক দুলাল নাথে। উন্মোচনী সভাত নাথে কয় যে বৃহত্তৰ বিহগুৰি অঞ্চলত সাংস্কৃতিক যি পৰিমণ্ডল এই পৰিমণ্ডল আগবঢ়াই দিয়াত, পিছৰ চামে নাটক কৰা, নাটক লিখা, অভিনয় কৰা, নাট্য সন্মিলনৰ শাখা গঠন, সাহিত্য সংগঠনৰ কাম-কাজ বা নাট্যচৰ্চা আদি কাম-কাজ কৰা গুৰিতে কিছু লোক সক্ৰিয়ভাৱে জড়িত হৈ আছে। তাৰে ভিতৰত প্ৰয়াত কমল নাথ অন্যতম। জাতীয়তাবাদী চিন্তাৰে সিক্ত এগৰাকী অত্যন্ত সাহসী আৰু কোনো কাৰণতে মূৰ তল নকৰাকৈ কথা কোৱা সমাজ হিতৈষী ব্যক্তি কমল নাথে অহৰ্নিশে সমাজৰ হকে কাম কৰি গ'ল বুলি উল্লেখ কৰে লগতে ভৱিষ্যতে এইজন বহু গুণৰ অধিকাৰী লোকৰ নামত এখন স্মাৰক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ উদ্যোক্তাসকলক আহ্বান জনায়। সভাৰ প্ৰাৰম্ভণিতে চন্দ্ৰ শৰ্মা শাখা সাহিত্য সভাৰ সভাপতি জিতেন শইকীয়াই প্ৰয়াত কমল নাথৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি ভাষণ ৰাখে। স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক তথা চন্দ্ৰ শৰ্মা শাখাৰ প্ৰাক্তন সভাপতি জিতেন বৰাই প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি গুণানুকীৰ্তন কৰে। শিক্ষক, সাহিত্যকৰ্মী প্ৰবীণ কটকীয়ে আঁত ধৰা সভাত নাট্যকৰ্মী তথা অসম নাট্য সন্মিলনীৰ কেন্দ্ৰীয় নেতা মৃগেন বৰা, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ৰঞ্জন মহন্ত, অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণকান্ত নাথ, দিলীপ নাথ, সমাজকৰ্মী দিলীপ বৰা, বিশ্বজিৎ নাথ, নাট্যকাৰ গণেশ দাস, ত্ৰৈলোক্য মোহন নাথ, বিশিষ্ট কবি ফাৰহান জাভেদ, বিনীতা সুত কটকী, তেজপুৰ জিলা প্ৰাথমিক মহকুমা শিক্ষক সন্মিলনীৰ সম্পাদক অৱনী বৰা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নৃপেন নাথ, জ্যেষ্ঠ সাংবাদিক গৌতম খনিকৰ আৰু বাবলু কলিতাই নিজ অনুভৱ ব্যক্ত কৰে। সভাৰ মাজতে দিগন্ত বৰাই এটি স্বৰচিত কবিতা পাঠ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে সভাত অঞ্চলটোৰ কে'বাটাও সংগঠনৰ প্ৰতিনিধিৰ লগতে প্ৰায় দুই শতাধিক লোক উপস্থিত থাকে।

# অসমীয়া সাংবাদিকতা অসমীয়া জাতীয়তাবাদৰ ওপৰত প্ৰতিষ্ঠিত

## নলবাৰীত সভা সম্পন্ন

**বিশেষ সংবাদদাতা**
**নলবাৰী, ২৩ অক্টোবৰ ঃ** 'বৰাকৰ ঘটনাক লৈ আমি প্ৰতিবাদ কৰিছো। দুই এজনে আমাক কৈছে যে সাংবাদিকে এই ক্ষেত্ৰত কিয় মাত মাতিছে। কিন্তু আমি অন্ততঃ সাংবাদিকসকলে উপলব্ধি কৰা উচিত যে অসমীয়া সাংবাদিকতা অসমীয়া জাতীয়তাবাদৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে আমাৰ সাংবাদিকতা জাতীয়তাবাদৰ স্বাৰ্থত হ'বই লাগিব।' সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি পংকজ নাথে আজি নলবাৰীত এখন সভাত এইদৰে মন্তব্য কৰে। উল্লেখ্য যে বৰাক উপত্যকাত অসমীয়া ভাষাৰ ওপৰত চলা আগ্ৰাসনক কেন্দ্ৰ কৰি বিগত কিছুদিন ধৰি ৰাজ্যৰ প্ৰায় সৰ্বত্ৰতে বিতৰ্ক চলি আছে। ইয়াৰ মাজতে সদৌ অসম সাংবাদিক সন্থাৰ মজিয়াৰ পৰা সংগঠনটোৰ সভাপতি নাথে এনেদৰে স্থিতি পৰকাশ কৰে। আনহাতে, ৰজাঘৰীয়া সাংবাদিকতাৰ বিপৰীতে সাংবাদিকসকলক গণমুখী সাংবাদিকতা কৰাৰ আহ্বান জনায় তেওঁ। তদুপৰি গতানুগতিক বাতৰিৰ উপৰি অনুসন্ধানমূলক বাতৰিত গুৰুত্ব দিয়াৰ আহ্বান জনায় সভাপতি নাথে। লগতে নিজৰ জীৱন সুৰক্ষিত কৰাৰ বাবে সাংবাদিকসকলক সংগঠিত হ'বলৈ সভাপতি নাথে আহ্বান জনায়। ইপিনে, অসমৰ সংবাদক্ষেত্ৰত শেহতীয়াভাৱে একাংশ প'ৰ্টেল সাংবাদিকে সাংবাদিকতাত কালিমা সানিছে বুলি নাথে মন্তব্য কৰে। তেওঁ কয়, 'একাংশ প'ৰ্টেল সাংবাদিকতাই সাংবাদিকতাত কালিমা সানিছে। তেওঁলোকে কেৱল ভিউৱাৰ্ছৰ কথাহে ভাবে।' উল্লেখ্য যে নলবাৰী জিলা সাংবাদিক সন্থাৰ সভাপতি তথা নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি, নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাৰ সঞ্চালনত ইয়াৰ সাহিত্য সমাজৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত নলবাৰী জিলা সাংবাদিক সন্থাৰ অধিবেশনৰ প্ৰতিনিধি সভা আৰু মুকলি সভা মুকলি কৰি আজুৰ সভাপতি নাথে এইদৰে কয়। ইপিনে, উক্ত সভাত আজুৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, আছুৰ শিক্ষা আৰু সাংস্কৃতিক সম্পাদক ভৰজিৎ বেজবৰুৱা, নলবাৰী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অনিন্দিতা গগৈও উপস্থিত থাকি ভাষণ আগবঢ়ায়। আজুৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰে কয় যে অসমৰ সংবাদ ক্ষেত্ৰত নলবাৰীৰ ভূমিকা সৰ্বাধিক। সেইকাৰণে ইয়াত বেছিকৈ সাংবাদিক নিগ্ৰহ হ'ব লগা হয়। ইপিনে, অনিল মজুমদাৰৰ হত্যাকাণ্ডৰ উচিত বিচাৰ নহ'ল, ৰাজেন ডেকাৰ আক্ৰমণৰ ঘটনাৰ সুবিচাৰ নহ'ল, অনিমেশ বৰ্মনৰ আক্ৰমণৰ ঘটনাৰ বিচাৰ নহ'ল বুলি তেওঁ একপ্ৰকাৰ ক্ষোভ প্ৰকাশ কৰে। আনহাতে, নলবাৰী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অনিন্দিতা গগৈয়ে আৰক্ষীৰ ক্ষেত্ৰ আৰু সাংবাদিকৰ ক্ষেত্ৰৰ এটা ওতঃপ্ৰোত সম্পৰ্কে থাকে বুলি কয়। আছুৰ শিক্ষা আৰু সাংস্কৃতিক সম্পাদক ভৰজিৎ বেজবৰুৱাই নলবাৰী জিলাৰ সাংবাদিকসকল অলপ হ'লেও ব্যতিক্ৰম বুলি অনুভৱ প্ৰকাশ কৰে। উক্ত মুকলি সভাৰ অন্তত অনুষ্ঠিত হয় বিষয় বাছনি সভা। ইয়াতে সাংবাদিক ৰাজেন ডেকাক সভাপতি হিচাপে লৈ নলবাৰী জিলা সাংবাদিক সন্থাৰ এখন নতুন সমিতি গঠন কৰা হয়। কাৰ্যকৰী সভাপতি হিচাপে এম মহিবৰ ৰহমান আৰু ফাইজুৰ ৰহমান, উপ-সভাপতি পদত ৰাজেন বৈশ্য, আব্দুল মজিদ শ্বাস আলম আহমেদ আৰু কামিনী মিশ্ৰ যুটীয়া সম্পাদক হিচাপে বসন্ত দাস আৰু সুভাষ ডেকাক লৈ নতুন সমিতিখন গঠন কৰা হয়।

## বঙাইগাঁও জিলাত আবকাৰী বিভাগৰ অভিযান

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলা সদৰ আৰু জিলাখনৰ উত্তৰ শালমাৰা মহকুমাৰ আবকাৰী বিভাগৰ দলে যোৱা নিশা অভয়াপুৰী, বঙাইগাঁৱৰ চহৰৰ আশে-পাশে অভিযান চলাই বৃহৎ পৰিমাণৰ চুলাই মদ জব্দ কৰি সেইবোৰ বিনষ্ট কৰে। অভয়াপুৰী অঞ্চলত ৩০ লিটাৰ আৰু বঙাইগাঁও অঞ্চলত মুঠ ৮০ লিটাৰ চুলাই মদ জব্দ কৰে।

# কাছাৰ কাণ্ডত তৃতীয় শক্তিৰ হাত আছে ঃ জয়ন্ত

## ■ ঘগ্ৰাপাৰত বিজেপিৰ কাৰ্যালয় আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৩ অক্টোবৰ ঃ** 'অসমখন ভিন্ন জাতি, উপ-জাতিৰ মিলনভূমি। যুগ যুগ ধৰি এই জাতিসত্তাসমূহে একতাৰ ডোলেৰে বান্ধ খাই অসমৰ সাহিত্য-সংস্কৃতি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ অহৰহ চেষ্টা কৰি আহিছে। শেহতীয়াভাৱে কাছাৰ কাণ্ডত তৃতীয় শক্তি জড়িত হোৱাৰ সন্দেহ ঘনীভূত হৈছে।' এই মন্তব্য বিধায়ক জয়ন্ত মল্ল বৰুৱাৰ। নলবাৰী জিলা বিজেপিৰ অন্তৰ্গত বড়িগোগ বনভাগ মণ্ডলৰ মুখ্য কাৰ্যালয় উদ্বোধন কৰি বিধায়কজনে অসমত বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা এটা অপশক্তিয়ে ৰাজ্যখনত অশান্তিৰ বীজ সিঁচিবলৈ অহৰহ চেষ্টা চলাই থকা বুলি মন্তব্য কৰি কাছাৰত সংঘটিত শেহতীয়া ঘটনা ইয়াৰ প্ৰতিফলন বুলি ব্যক্ত কৰে। ঘগ্ৰাপাৰ তামুলপুৰ পথৰ বহুমুখী সমবায়ৰ সন্মুখত (উষা ভৱন) দলটোৰ নতুনকৈ স্থাপিত কাৰ্যালয়টো উদ্বোধন কৰি বিধায়ক মল্ল বৰুৱাৰ সমাগত বিধানসভা উপ-নিৰ্বাচনত বিজেপি মিত্ৰদলে আটাইকেইখন আসনে দখল কৰিব বুলি দাবী কৰি কংগ্ৰেছক স্বাভিমান অসমীয়াই কাহানিবাই বিদায় দিয়া বুলি মন্তব্য কৰে। কংগ্ৰেছৰ এটা অচল মুদ্ৰাত পৰিণত হোৱা বুলি তেওঁ কয়। তেওঁ কয় যে ভবানীপুৰ সমষ্টিত ৩০ হেজাৰ ভোটত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হ'ব।



ইপিনে, বিধায়ক মল্ল বৰুৱাৰ ৫০ সংখ্যক জন্মদিনৰ সংগতি ৰাখি আজি ঘগ্ৰাপাৰ দমোদৰ ধামত ৫০ জোপা মূল্যৱান গছপুলি ৰোপণ কৰে। অনুষ্ঠানত জনপ্ৰিয় নাগাৰা নামৰ জনপ্ৰিয় শিল্পী পাঠক কৈলাশ তালুকদাৰে নাম পৰিৱেশন কৰে। অনুষ্ঠানটোত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, সাধাৰণ সম্পাদক মনোজ ডেকা, বিজয় বৰ্মন, ভাৰতীয় জনতা যুৱ মৰ্চাৰ নীতি আৰু গৱেষণা বিভাগৰ ৰাজ্যিক আহ্বায়ক জিতাংকুৰ দাস, কিষাণ মৰ্চাৰ ৰাজ্যিক সম্পাদক সঞ্জীৱ বৰাই অংশগ্ৰহণ কৰে।

■ সিংহভাগ ধনেই আত্মসাৎ কৰি বিসংগতিপূৰ্ণ কামেৰে দায়িত্ব সামৰাৰ অভিযোগ ঠিকাদাৰৰ বিৰুদ্ধে

# মাৰ্ঘেৰিটাত ১০ কোটিটকীয়া পথ নিৰ্মাণত অনিয়ম

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ২৩ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ১২৪ নম্বৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত মাৰ্ঘেৰিটা ব্লক তিনিআলিৰ পৰা মিৰিকা মাজুলীলৈকে নিৰ্মাণ হোৱা পথছোৱা নিৰ্মাণত বিসংগতি হোৱাৰ অভিযোগ উঠিছে। বিশেষকৈ ঠিকাদাৰ, বিভাগীয় বিষয়া, অভিযন্তাৰ বিৰুদ্ধে লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ফলত অতি নিম্নমানৰ সামগ্ৰী তথা বিসংগতিপূৰ্ণ কামেৰে নিৰ্মাণ কৰাৰ পাছতো বিভাগীয় বিষয়াই মৌনতা অৱলম্বন কৰাত অধিক ৰহস্যৰ সৃষ্টি হৈছে। স্থানীয় লোকে কৰা অভিযোগ মতে এছ অ' পি ডি আঁচনিৰ ২০১৯-২০ বৰ্ষৰ ১৯-২০-৭৩ পেকেজৰ অধীনত মাৰ্ঘেৰিটা ব্লক তিনিআলিৰ পৰা মাকুমকিল্লা মিৰিকা মাজুলীলৈকে ৮,৭০০ কিলোমিটাৰ পথ ১০ কোটি টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণৰ অনুমতি লাভ কৰিছিল গিৰিণ চুতীয়া নামৰ এজন ঠিকাদাৰে। কিন্তু ঠিকাদাৰজনৰ পৰা উক্ত পথছোৱা নিৰ্মাণৰ উপ-ঠিকাদাৰ হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল লালন মৰাণ নামৰ আন এজন ঠিকাদাৰে। উল্লেখ্য যে, পথটোৰ এক অংশ অৰ্থাৎ মাৰ্ঘেৰিটা ব্লক তিনিআলিৰ পৰা ব্ৰহ্মকুমাৰী আশ্ৰমলৈকে এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথত পেভাৰ ব্লক লগাইছিল যদিও পথছোৱাত পেভাৰ ব্লক দি নিৰ্মাণ কৰাত বিসংগতিপূৰ্ণ কামেৰে নিৰ্মাণ কাৰ্য সমাপন কৰাত ৰাইজৰ চকু কপালত উঠিছে। আনহাতে, ২০২০ৰ ২১ আগষ্টত আৰম্ভ কৰা পথছোৱা ২০২১ ৰ ২০ মে'ত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ নিৰ্দেশনা থকাত পথটোৰ নিৰ্মাণ কাৰ্য নিৰ্ধাৰিত সময়তে সম্পূৰ্ণ কৰিলে যদিও উল্লেখিত এক কিলোমিটাৰ পথছোৱা নিম্নমানৰ হোৱা বুলি অভিযোগ উত্থাপন হোৱাৰ পাছতো বিভাগীয় বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত স্থানীয় লোকে আশ্চৰ্য প্ৰকাশ কৰিছে। পথছোৱাৰ নিৰ্মাণৰ পাছতে নিৰ্মাণ কাৰ্য নিম্নমানৰ হোৱা বুলি অভিযোগ উত্থাপন হোৱাত কৰ্তব্যৰত অভিযন্তাজনৰ পৰা জানিব বিচৰাত পেভাৰ ব্লকৰ পথছোৱা পুনৰ মেৰামতি কৰাৰ আশ্বাস প্ৰদান কৰা আজি তিনিমাহ উকলি যোৱাৰ পাছতো মেৰামতি নকৰাত বৰষুণ দিলেই ডোঙা-ডোঙে পানী জমা হৈ পথযাত্ৰী অহা যোৱাত ভীষণ সমস্যাৰ সৃষ্টি কৰিছে।



*বাংলাদেশত সংঘটিত হিন্দু নিৰ্যাতন-হত্যাৰ বিৰুদ্ধে সচেতন নাগৰিক মঞ্চৰ প্ৰতিবাদ, ধুবুৰীত শনিবাৰে।*

# জামুগুৰিহাটত গ্ৰেপ্তাৰ দুই তীৰ এজেণ্ট



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৩ অক্টোবৰ ঃ** সমগ্ৰ অসমতে মদ, ভাং, ড্ৰাগছৰ লগতে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়ত যোনানিশা জামুগুৰিহাটৰ বিভিন্ন স্থানত তীৰ ব্যৱসায়ী তথা এজেণ্টৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলায়। আৰক্ষীয়ে অভিযানৰ সময়ত জামুগুৰিহাটৰ মহমৰাৰ পৰা মুকেশ চাহুৰ লগতে কুসুমটোলাৰ মিলনপুৰৰ পৰা জয়ন্ত বৰা (জয়নাল) নামৰ দুজন তীৰৰ এজেণ্টক আটক কৰি আজি বিয়লিৰ ভাগত জেললৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে আটকাধীন তীৰৰ এজেণ্ট দুজনৰ পৰা তীৰ খেলৰ প্ৰধান অভিযুক্ত গম্ব ওজাক আৰক্ষীয়ে আটক কৰিবলৈও সক্ষম হোৱা নাই। কালি তীৰৰ প্ৰধান অভিযুক্তজনক বিচাৰি আৰক্ষীয়ে তেওঁৰ ঘৰত অভিযান চলায় যদিও ব্যৰ্থ হয়। উল্লেখ্য যে জামুগুৰিহাটত তীৰ খেলে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। দৈনিক এই খেলৰ কৱলত পৰি বহুলোক সৰ্বস্বান্ত হৈছে। শেহতীয়াকৈ শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষকৰ তৎপৰতাত জামুগুৰি আৰক্ষীয়ে তীৰ-জুৱাৰ বিৰুদ্ধে অভিযান চলাইছে।

■ শিল্পী সূৰ্য দাসক সুৰৰত্ন যজ্ঞ বেজবৰুৱা স্মৃতি বঁটা প্ৰদান

# 'আমি বাটৰুৱা শিল্পী, টলৌগুটি শিল্পী নহয়'



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৩ অক্টোবৰ ঃ** শিল্পী সূৰ্য দাসক সুৰৰত্ন যজ্ঞ বেজবৰুৱা স্মৃতি বঁটা, ২০২১ প্ৰদান কৰা হয়। তদুপলক্ষে যোৱা নিশা নগাঁও চহৰৰ আমোলাপট্টিস্থিত নাট্য মন্দিৰত অনুষ্ঠিত এক অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি শিল্পী সূৰ্য দাসে কয়, 'আমি বাটৰুৱা শিল্পী, টলৌগুটি শিল্পী নহয়। আমি মানুহৰ দুখ, সুখ গীতৰে প্ৰকাশ কৰোঁ। আমাৰ অহংকাৰ নাছিল। সেয়ে আমাক কোনেও হৰুৱাব নোৱাৰে।' তেওঁ লগতে কয়, 'মই বহুত বঁটা লাভ কৰিছোঁ। কিন্তু নগঞা বঁটা বহু ওপৰত। নগঞা বঁটাৰ মাদকতা আছে। মই লুইতৰ পাৰত কৰ্মসূত্ৰে থাকিলেও মই কলংপৰীয়া।' উক্ত বঁটাত আছে গামোচা, চেলেং, শৰাই, সম্বৰ্ধনাপত্ৰ, জাপি আৰু গ্ৰন্থৰ টোপোলা। উল্লেখ্য যে 'গান্ধাৰ' নামৰ অনুষ্ঠানটোৰ উদ্যোগত তথা 'গান্ধাৰ'ৰ সভাপতি বিষ্ণুৰাম মেধি আৰু সম্পাদক প্ৰদীপ বৰাৰ তদাৰকত অনুষ্ঠিত অনুষ্ঠানটোত প্ৰথমে বিশিষ্ট শিল্পী যজ্ঞ বেজবৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত বেজবৰুৱাৰ সহধৰ্মিণী মিনতি বেজবৰুৱাই। ইয়াৰ পাছত মঞ্চ উদ্বোধন কৰে জনপ্ৰিয় শিল্পী কৃষ্ণমণি নাথে। অনুষ্ঠানটোত সুৰৰত্ন যজ্ঞ বেজবৰুৱা লিখিত কবিতা আবৃত্তি কৰে লক্ষ্মীপ্ৰভা কলিতাই। অনুষ্ঠানটোত সুৰৰত্ন যজ্ঞ বেজবৰুৱা স্মাৰক গ্ৰন্থ 'তোমাৰ ছবি আঁকো' উন্মোচন কৰে গীতিকাৰ, সাহিত্যিক ডঃ দীনেশ বৈশ্যই। উন্মোচনী ভাষণত তেওঁ কয় যে যজ্ঞ বেজবৰুৱাই এক সফল জীৱন যাপন কৰি গ'ল। মৃত্যুৰ পাছতো তেওঁৰ গানৰ সুৰ আজিও বৈ আছে। তেওঁৰ সকলোবোৰ গানৰ সুৰৰ বৈশিষ্ট্য আছে। যজ্ঞ বেজবৰুৱা এজন সুৰৰ যাদুকৰ। ডঃ বৈশ্যই গ্ৰন্থখন প্ৰকাশ কৰাৰ বাবে সুৰৰত্ন যজ্ঞ বেজবৰুৱাৰ পুত্ৰ চন্দন বেজবৰুৱা প্ৰমুখ্যে পৰিয়ালৰ লোকসকলৰ শলাগ লয়। অনুষ্ঠানত শিল্পী-সাহিত্যিক ডঃ ৰাণু বৈশ্যয়ো ভাষণ প্ৰদান কৰে। ইয়াৰ পাছতেই গান্ধাৰৰ ছাত্ৰী আৰাধ্যা শইকীয়াই গীত পৰিৱেশন কৰে। নিশা অনুষ্ঠিত গীতৰ অনুষ্ঠানত শিল্পী আৰিফুল হক, দীপশিখা বৰদলৈ, নিলাক্ষী চাংকাকতি, নীলোৎপল গায়ন, টুটুমণি বৰা, ৰিমলী শৰ্মা বৰা, মৃগেন দাস, প্ৰণতি বৰুৱা, মনদ্বীপ মহন্ত, পল্লৱী শৰ্মা, জুৰিমণি বৰা, সন্তোষ কলিতা, চন্দনা বেজবৰুৱা, দুলুমণি শইকীয়া, শিশু শিল্পী ঝিনি পৰিণ আদিয়ে গীত পৰিৱেশন কৰে। উক্ত অনুষ্ঠানতে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা, বিশিষ্ট সমাজকৰ্মী মুকুট চন্দ্ৰ ভূঞা, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, শিল্পী দীগেন মহন্ত, তাৰিণী শৰ্মা আদিকো সম্বৰ্ধনা জনোৱা হয়।

# ঔপন্যাসিকা জুৰী বৰা বৰগোহাঞিলৈ 'অনন্যা নাৰী অনন্য গ্ৰন্থ বঁটা'

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৩ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলা মহিলা সমিতিয়ে প্ৰতি দুবছৰৰ মূৰে মূৰে আগবঢ়াই অহা 'অনন্যা নাৰী অনন্য গ্ৰন্থ' বঁটা ২০২১ৰ বাবে আগবঢ়োৱা হৈছে বিশিষ্ট ঔপন্যাসিকা, লেখিকা, সমাজকৰ্মী তথা ডিব্ৰুগড়ৰ বৈৰাগীমঠ নিবাসী জুৰী বৰা বৰগোহাঞিক। নাৰী সমাজলৈ আগবঢ়োৱা বৰঙণি আৰু বহু সমাদৃত 'সিহঁত' নামৰ উপন্যাসখনিৰ বাবে বৰগোহাঞিক এই বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে মহিলা সংগঠনটোৰ সভানেত্ৰী কল্যাণী দেৱী আৰু সম্পাদিকা দীপালি শইকীয়াই। দ্বাদশ ডিব্ৰুগড় গ্ৰন্থমেলাত আয়োজিত এক অনুষ্ঠানত ঔপন্যাসিকা গৰাকীক এই বঁটা প্ৰদান কৰা হ'ব বুলি সংগঠনটোৰ তৰফৰ পৰা জনাইছে। উল্লেখ্য যে এই বঁটা পূৰ্বে লাভ কৰিছিল ক্ৰমে বিশিষ্ট লেখিকা, সমাজকৰ্মী তথা কেঞ্চাৰ গৱেষিকা ডাঃ গায়ত্ৰী গগৈ আৰু আদৰ্শ মাতৃ, সমাজকৰ্মী শান্তি গগৈয়ে। প্ৰণিধানযোগ্য যে ১৯৯৮ৰ পৰা ২০০৫লৈ কে'বাখনো বাতৰি কাকতত সাংবাদিকতা কৰা বৰগোহাঞিৰ প্ৰথম উপন্যাস হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পটভূমিৰে লিখা 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নন্দিনী' তেওঁৰ পৰৱৰ্তী উপন্যাসবোৰ ক্ৰমে 'আপোনজনৰ ঠিকনা' 'অভিলাষী যাত্ৰা', 'ৰাগ...ইমন', 'নাংফা', 'লিড'লাম', 'ভোক', 'আংকুশ' আৰু এটা ভয়ংকৰ ধৰ্ষণ কাণ্ডত নিজৰ ঘৰতে সৰ্বস্ব হেৰুওৱা ১১গৰাকী নাৰী তথা সীমাহীন অন্যায়ৰ বলি হোৱা এজাক নাৰীক লৈ 'সিহঁত' আৰু 'জলজ' দৈনিক জনমভূমিৰ বসুন্ধৰাত প্ৰকাশিত ধাৰাবাহিক উপন্যাস। তদুপৰি লক্ষীনন্দন বৰগোহাঞিৰ স'তে যুটীয়াকৈ কৰা প্ৰকৃতি বিষয়ক গ্ৰন্থ 'বনশাক আৰু ইয়াৰ ব্যৱহাৰ' আৰু সম্পাদিত গ্ৰন্থ 'এক সন্ধান যাত্ৰা' অন্যতম। 'সাতসৰী'ত ২০১০ৰ পৰা বৰ্তমানলৈকে 'আমাৰ শাক চিনাকি', 'আমাৰ মাছ চিনাকি', 'আমাৰ ফল চিনাকি' আৰু 'গামোচাৰ চানেকি বিচাৰি' নামেৰে অসমৰ থলুৱা শাক, মাছ, ফল আৰু বস্ত্ৰৰ ওপৰত গৱেষণালব্ধ তথ্যৰে চাৰিখনকৈ সচিত্ৰ ধাৰাবাহিক প্ৰকাশ পাইছে।

# মঙলদৈত নদীত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ সলিল সমাধি

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৩ অক্টোবৰ ঃ** আজি পুৱাই মঙলদৈ নদীত এজন লোকৰ মৃতদেহ হোৱাৰ পাছতে মঙলদৈৰ আৰেং বালিচুকত হুৱাদুৱা লাগে। ৰাইজে মৃতদেহটো উদ্ধাৰৰ পাছত মূৰত আঘাতৰ চিন প্ৰত্যক্ষ কৰে। পাছত আৰক্ষী উপস্থিত হৈ মৃতদেহটো আৰেং নিৱাসী তথা উপায়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ভূৱনেশ্বৰ দাস ওৰফে 'কালীয়া কাই'ৰ বুলি চিনাক্ত কৰে। গা ধুবলৈ যাওঁতে পিছলি পৰি যোৱাৰ পৰিণতিত এইদৰে সলিল সমাধি ঘটা বুলি অনুমান কৰা হৈছে।

# গমাৰিগুৰিৰ গোবিনপুৰত সোণৰ পদক প্ৰাপ্ত ৰাষ্ট্ৰীয় খেলুৱৈক অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৩ অক্টোবৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ দৈয়াং অঞ্চলৰ অন্তৰ্গত আদৰ্শ পঞ্চায়তৰ গোবিনপুৰ গাঁৱৰ যুৱ সংঘৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত কালি সন্ধিয়া অনুষ্ঠিত শ্ৰীশ্ৰীলক্ষ্মীপূজা মণ্ডপত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কিক্ বক্সিঙৰ প্ৰতিযোগিতাত সোণৰ পদকপ্ৰাপ্ত দুগৰাকী খেলুৱৈক অভিনন্দন জ্ঞাপন কৰা হয়। শ্ৰীমন্ত শংকৰজ্যোতি কেন্দ্ৰীয় সমাজ লক্ষীবাৰীৰ সভাপতি নন্দেশ্বৰ দত্তই পৰিচালনা কৰা অনুষ্ঠানত স্থানীয় অঞ্চলৰ ৰাষ্ট্ৰীয় খেলুৱৈ উত্তম বল্লভ গোস্বামী আৰু চয়নিকা দত্তক অভিনন্দন পত্ৰ আৰু ফুলাম গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সাংবাদিক কবি পাৰ্থপ্ৰতীম শইকীয়া, ভূমিদাতা অৰুণ শইকীয়া, লোকশিল্পী তোম্বেশ্বৰ শইকীয়া, ক্ষুদ্ৰ চাহ খেতিয়ক চন্দ্ৰ কলিতা প্ৰমুখে ভালেকেইগৰাকী বক্তাই খেলুৱৈ দুগৰাকীক শলাগ জ্ঞাপন কৰি ভৱিষ্যত উজ্জ্বল কামনা কৰে। সম্বৰ্ধনা অনুষ্ঠান আৰু লক্ষ্মীপূজাৰ লগত সংগতি ৰাখি স্থানীয় শিশুশিল্পীসকলে দিহানাম বৰগীত লোকগীত, আধুনিকগীত, নৃত্য আদি পৰিবেশন কৰে। অনুষ্ঠানৰ আঁত ধৰে সংঘৰ সভাপতি শুক্লেশ্বৰ দত্ত, সম্পাদক বিজিত বৰা আৰু বিৰোচন হাজৰিকাই।

# চামগুৰিৰ কনুৱামাৰীত হিন্দু জাগৰণ মঞ্চৰ বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২৩ অক্টোবৰ ঃ** চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত হিন্দুসকলক অত্যাচাৰ কৰাৰ প্ৰতিবাদত নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত কনুৱামাৰীত আজি এক প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। কনুৱামাৰী বৌ বজাৰ অঞ্চলৰ ৰাজপথত হিন্দু জাগৰণ মঞ্চৰ উদ্যোগত আৰু সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ সহযোগত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাচিনাৰ পুত্তলিকা দাহ কৰে প্ৰতিবাদকাৰীসকলে। লগতে শান্তিকামী হিন্দুক অত্যাচাৰ কৰা পাকিস্তানৰ আশিসপুষ্ট মৌলবাদী সংগঠনৰ বিৰুদ্ধে হুংকাৰ প্ৰদান কৰে হিন্দু জাগৰণ মঞ্চ আৰু সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ নগাঁও জিলা সমিতিৰ লগতে আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে। বাংলাদেশত ষড়যন্ত্ৰমূলকভাৱে হিন্দুসকলক অত্যাচাৰ কৰি পৰিৱেশ বিনষ্ট কৰিব খোজা লোকসকলক সকীয়নি দিয়ে সংগঠন দুটাৰ জিলা সমিতিৰ লগতে আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে। বাংলাদেশত হিন্দুসকলক অত্যাচাৰ চলাই পৰিৱেশ বিনষ্ট কৰিব খোজা ইকবাল হুছেইনসহ চাৰি শতাধিক অভিযুক্তক বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে আৰক্ষীৰ দ্বাৰা গ্ৰেপ্তাৰ কৰি আঁভুৱা ভাৰিছে বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে। প্ৰতিবাদকাৰীসকলে ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ এটা দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# সোণতলীত বৃহৎ পৰিমাণৰ চোৰাং কেৰাচিন জব্দ

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২৩ অক্টোবৰ ঃ** দক্ষিণ কামৰূপৰ সোণতলীত দীৰ্ঘদিনৰে পৰা একাংশ অসাধু ব্যৱসায়ীয়ে অঞ্চলটোত মুকলিকৈ চলাই আহিছে অবৈধ নীলা কেৰাচিনৰ ৰমৰমীয়া ব্যৱসায়। আজি সোণতলীৰ সেলেসুতি গাঁৱৰ পৰা সোণতলী আৰক্ষীয়ে জব্দ কৰে ১৫শ লিটাৰকৈ চোৰাং কেৰাচিন তেলৰ ড্ৰাম। গাঁওখনৰে তাইজুদ্দিন নামৰ লোকজনৰ ঘৰত এই বৃহৎ পৰিমাণৰ কেৰাচিন তেলখিনি চোৰাংকৈ মজুত ৰখাৰ খবৰ আৰক্ষীয়ে লাভ কৰি অভিযান চলায়। অভিযান কালত তাইজুদ্দিনৰ ঘৰত উপস্থিত হৈ সোণতলী আৰক্ষীয়ে জব্দ কৰে সাত ড্ৰামকৈ চোৰাং কেৰাচিন তেল। ইফালে, জব্দকৃত কেৰাচিনখিনি তাইজুদ্দিনৰ ঘৰত পানীখাইতি গাঁৱৰ আবুচামাই মজুত কৰি ৰাখিছিল বুলি তাইজুদ্দিনৰ পৰিয়ালৰ লোকে জানিবলৈ দিয়ে। বৰ্তমানলৈ আৰক্ষীয়ে কাকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই যদিও জব্দকৃত কেৰাচিন তেলভৰ্তি ড্ৰামকেইটা সোণতলী আৰক্ষী চকীলৈ লৈ যায়।

■'দক্ষযজ্ঞ' ভাওনাত স্থানীয় শিল্পীৰ দৃষ্টিনন্দন অভিনয়

# মৰাণত তিলৈনগৰ আঞ্চলিক ভাওনা প্ৰদৰ্শন অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৩ অক্টোবৰ ঃ** মৰাণৰ সমীপৱৰ্তী তিলৈনগৰৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান তিলৈনগৰ আঞ্চলিক ভাওনা সমিতিৰ উদ্যোগত যোৱা ২০ অক্টোবৰত অনুষ্ঠিত হয় ৪৮ সংখ্যক বাৰ্ষিক ভাওনা প্ৰদৰ্শন অনুষ্ঠান। এই উপলক্ষে দিনজোৱা বিভিন্ন কাৰ্যসূচীৰ লগতে সন্ধিয়া 'দক্ষযজ্ঞ' ভাওনা প্ৰদৰ্শন কৰা হয়। ক'ভিড পৰিস্থিতিৰ বাবে বিগত বৰ্ষত স্থগিত ৰখা বাৰ্ষিক ভাওনা অনুষ্ঠান এইবাৰ ক'ভিড প্ৰট'কল মানি অনুষ্ঠিত কৰা হয়। সীমিত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা কাৰ্যসূচীত পুৱা বৃক্ষৰোপণ কৰে স্থানীয় সমাজকৰ্মী ক্ৰমে মিনেধৰ চেতিয়া, ৰমাকান্ত কোঁৱৰ, ৰোহিনী গগৈ আৰু কমল গগৈয়ে। ধৰ্মধ্বজা উত্তোলন কৰে তিলৈনগৰ আঞ্চলিক ভাওনা সমিতিৰ স্থায়ী সমিতিৰ সভাপতি জিতেন দিহিঙীয়াই। স্থায়ী সমিতিৰ সম্পাদক অনিল কুমাৰ সন্দিকৈয়ে স্মৃতি তৰ্পণ কৰাৰ পাছাতে বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ উপ-সভাপতি জিতেন ফুকন আৰু উপদেষ্টা কমলাকান্ত ৰাইদঙীয়াই। দুপৰীয়া নাম-প্ৰসংগৰ পাছতে সন্ধিয়া 'দক্ষযজ্ঞ' ভাওনা প্ৰদৰ্শন কৰা হয়। ভাওনা অনুষ্ঠানত প্ৰতিকূল বতৰকো নেওচি যথেষ্ট ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। 'দক্ষযজ্ঞ' ভাওনাখনৰ বিভিন্ন ভাৱত স্থানীয় যুৱক-যুৱতীসকলে দৃষ্টিনন্দন অভিনয়ৰে সকলোকে আপ্লুত কৰে। ভাওনাখন পৰিচালনা কৰে মৰাণৰ জিতু চুতীয়া আৰু সহযোগীসকলে। ভাওনাত শিৱৰ চৰিত্ৰ ৰূপায়ণ কৰা তপোব্ৰত গগৈয়ে প্ৰথম শ্ৰেষ্ঠ অভিনেতা, দক্ষৰ ভাৱত অভিনয় কৰা লোহিত বৰুৱাই দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা, সতীৰ চৰিত্ৰ ৰূপায়ণ কৰা মণিকা সন্দিকৈয়ে তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী, নাৰায়ণৰ চৰিত্ৰ ৰূপায়ণ কৰা মুনি গোহাঁয়ে চতুৰ্থ শ্ৰেষ্ঠ অভিনেতা আৰু নাৰদৰ চৰিত্ৰ ৰূপায়ণ কৰা বিপিন গগৈয়ে উদগনিমূলক বঁটা লাভ কৰিবলৈ সক্ষম হয়।

# জুৰীয়াৰ কঁঠালগুটি বালিকা মোক্তাব বিদ্যালয়ত শিক্ষক বিচাৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ২৩ অক্টোবৰ ঃ** 'আছে গৰু নাবাই হাল থকাতকৈ নথকাই ভাল'- এই আপ্ত বাক্যশাৰী প্ৰযোজ্য হৈছে নগাঁও জিলাৰ জুৰীয়া শিক্ষাখণ্ডৰ অন্তৰ্গত এখন বিদ্যালয়ৰ ক্ষেত্ৰত। কাৰণ দীৰ্ঘদিনৰ মূৰকত ৰাজ্যৰ প্ৰাথমিক শিক্ষানুষ্ঠানসমূহ যোৱা ১৯ অক্টোবৰৰ পৰা বিদ্যালয়সমূহত পাঠদান কাৰ্য আৰম্ভ হৈছে যদিও বিগত তিনিদিন পাৰ হৈ যোৱাৰ পাছতো বিদ্যালয়ত উপস্থিত নহ'ল এজনো শিক্ষক। জুৰীয়াৰ কঁঠালগুৰি মোক্তাব বিদ্যালয়ত বিগত তিনিদিন ধৰি প্ৰতিদিনে ছাত্ৰ-ছাত্ৰী আহিছে যদিও এজনো শিক্ষক উপস্থিত নথকাত ছাত্ৰ-ছাত্ৰীসকলে পাঠদানৰ পৰা বঞ্চিত হ'বলগা হৈছে। বিদ্যালয়খনত চাৰিজনকৈ শিক্ষক থকাৰ পাছতো এজন শিক্ষকেও ছাত্ৰ-ছাত্ৰীক পাঠদান দিবলৈ উপস্থিত নোহোৱাত এতিয়া ছাত্ৰ-ছাত্ৰীসকল বিপাঙত পৰিছে। এইদৰে বিদ্যালয়খনত তিনিদিন ধৰি ছাত্ৰ-ছাত্ৰী আহি এজনো শিক্ষক নোপোৱাত শিক্ষক বিচাৰি প্ৰতিবাদত নামিব লগা হৈছে ছাত্ৰ-ছাত্ৰীসকলে। বিষয়টোৰ সন্দৰ্ভত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে জনোৱা মতে তদানীন্তন খণ্ড প্ৰাথমিক শিক্ষা বিষয়া গৰাকীৰ কাৰ্যকালতে বিদ্যালয়খনত বাৰিষা পানীত ডুবি থকাৰ বাবে বিদ্যালয়ৰ কাষতে থকা প্ৰধান শিক্ষকৰ চোতালতে অস্থায়ীভাৱে বিদ্যালয় চলাই যাবলৈ অনুমতি প্ৰদান কৰিছিল আৰু তেতিয়াৰ পৰাই বিদ্যালয়খন এনেদৰেই চলি আহিছে। বিষয়া গৰাকীয়ে কালি নিজে গৈ বিদ্যালয়খনৰ পৰিৱেশ পৰ্যবেক্ষণ কৰিছে বুলি উল্লেখ কৰি জুৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া জীতেন দাসে জনোৱা মতে বিদ্যালয়খনৰ ভিতৰত এতিয়া পানী নাই যদিও বিদ্যালয়ৰ ভিতৰ ভাগ এতিয়াও ছাত্ৰ-ছাত্ৰীয়ে পাঠ গহণৰ উপযোগী হৈ উঠা নাই। কম দিনৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়খনলৈ উভতাই আনিবলৈ চেষ্টা চলোৱা বুলি উল্লেখ কৰে। স্থানীয় অভিভাৱকে প্ৰধান শিক্ষকৰ চোতালৰ পৰিৱৰ্তে বিদ্যালয়খনতে নিয়মীয়াকৈ শিক্ষক-কৰ্মচাৰীক উপস্থিতি কৰাই পাঠদান নিশ্চিত কৰিবলৈ বিভাগৰ উৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে।

■ বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ

# বকোৰ মালিবাৰীত বিশ্ব হিন্দু পৰিষদ-বজৰং দলৰ প্ৰতিবাদ

**আলোপতি, ২৩ অক্টোবৰ ঃ** বকো সমষ্টিৰ অন্তৰ্গত মালিবাৰী নিচলামাৰীত আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ পুত্তলিকা দাহ কৰে বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলে। শেহতীয়াকৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত হিন্দুসকলক কৰা আক্ৰমণৰ বিৰুদ্ধে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ অব্যাহত থকাৰ সমান্তৰালকৈ আজি বকো সমষ্টিৰ মালিবাৰী নিচলামাৰীত বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলে যৌথভাৱে ৰূপায়ণ কৰে প্ৰতিবাদী কাৰ্যসূচী। সংগঠন দুটাৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত মালিবাৰীৰ পৰা নিচলামাৰীলৈ প্ৰতিবাদী সমদল উলিয়াই বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ পুত্তলিকা দাহ কৰি বাংলাদেশত হিন্দুসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী জনায়। অনাগত দিনত হিন্দুসকলৰ ওপৰত এনে বৰ্বৰ আক্ৰমণ নকৰিবলৈ প্ৰতিবাদকাৰীসকলে সকীয়াই দিয়ে প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক।

■ টেঙাখাত শাখা সমিতি গঠন

# ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ বাৰ্ষিক সন্মিলন সমাপন

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ২৩ অক্টোবৰ ঃ** ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ টেঙাখাত শাখাৰ বাৰ্ষিক সন্মিলনখনি ১৯ অক্টোবৰত টেঙাখাত সৰু অভয়াপুৰী গাঁৱত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পাৰ্টিৰ পতাকা উত্তোলন আৰু ছহিদ তৰ্পণেৰে সন্মিলনৰ আৰম্ভ হয়। বাৰ্ষিক সন্মিলন উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে কম্‌ৰেড ৰুচিনাথ গগৈয়ে। সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ডিব্ৰুগড় জিলা কমিটীৰ সম্পাদক কমৰেড সুৰেশ ডেকাই। টেঙাখাত শাখা কমিটীৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে সম্পাদক কমৰেড ভদ্ৰ গগৈয়ে। প্ৰতিনিধিসকলৰ আলোচনাৰ মৰ্মে সংযোজন, সংশোধন কৰি সভাত প্ৰতিবেদনখন গৃহীত কৰা হয়। উক্ত সভাত বিভিন্নজনে বিভিন্ন মত প্ৰকাশ কৰি প্ৰস্তাৱ আৰু পৰামৰ্শ দাঙি ধৰে। বিশেষকৈ অত্যাৱশকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হ্ৰাস কৰে, পৰ্যাপ্ত প্ৰতিষেধক যোগান ধৰি শীঘ্ৰে সকলোকে প্ৰতিষেধক দিয়াতো নিশ্চিত কৰা, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীক অগ্ৰাধিকাৰৰ ভিত্তিত প্ৰতিষেধক দিয়া, ৰাজহুৱাখণ্ড বেচৰকাৰীকৰণ বন্ধ কৰা, কৃষক বিৰোধী তিনিখন আইন বাতিল কৰা, শিক্ষানুষ্ঠানসমূহ দ্ৰুতগতিত খোলাৰ ব্যৱস্থা কৰা ইত্যাদি সমস্যাসমূহ সমাধান কৰিবলৈ সভাই দাবী জনায়। উক্ত সভাতে ভদ্ৰ গগৈক সাধাৰণ সম্পাদক হিচাপে লৈ ন জনীয়া টেঙাখাত শাখা কমিটীখন পুনৰ গঠন কৰা হয়। অহা ১৮ আৰু ১৯ নৱেম্বৰত নামৰূপত অনুষ্ঠিত হ'বলগীয়া জিলা সন্মিলনলৈ পঠাবলৈ তিনিজন প্ৰতিনিধি সভাই নিৰ্বাচন কৰে। নিৰ্বাচিত প্ৰতিনিধিসকল ক্ৰমে, ৰুচিনাথ গগৈ, ব্ৰজেন বৰুৱা আৰু উমেশ চুতীয়া। টেঙাখাত অঞ্চলত দলৰ সাংগঠনিক দিশ সবল কৰি তুলিবলৈ সভাই আলোচনা কৰে। কৃতজ্ঞতা জ্ঞাপন কৰি বক্তব্য আগবঢ়ায় সভাপতি ৰুচিনাথ গগৈয়ে।

# ঐতিহ্যমণ্ডিত নামফাকে গাঁৱৰ স্থায়ী আদৰণি তোৰণৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া/নামৰূপ, ২৩ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলাৰ জয়পুৰত অৱস্থিত ঐতিহ্যমণ্ডিত নামফাকে গাঁৱৰ প্ৰৱেশ পথত কালি স্থায়ী আদৰণি তোৰণৰ আধাৰশিলা স্থাপন কৰা হয়। উল্লেখ্য যে ১৮৫০ খ্ৰীষ্টাব্দতে স্থাপিত হোৱা তথা দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰস্থল হৈ পৰা বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ অনন্য কৃষ্টি-সংস্কৃতিৰে ভৰা এই নামফাকে গাঁওখন তাই জনগোষ্ঠীৰ অন্যতম ফাকেয়াল লোকসকলৰ বসতিস্থল। য়ুনানাৰ পৰা বুঢ়ীদিহিঙৰ পাৰলৈকে বিস্তাৰিত ভ্ৰাতৃত্ববোধ আৰু এনাজৰীৰ চানেকি বহন কৰা বৌদ্ধ ধৰ্ম তথা তাই জনগোষ্ঠীয় ৰীতি-নীতিৰে চহকী এই গাঁওখনৰ প্ৰৱেশ পথৰ পুৰণি তোৰখন জহি-খহি যোৱাৰ পাছতে শুভাকাংক্ষী ৰাইজৰ সহায় শুভেচ্ছাৰে পুনৰ নতুনকৈ তোৰণখন নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। সম্পূৰ্ণ বৌদ্ধ ৰীতি-নীতিৰে নামফাকে বৌদ্ধ বিহাৰৰ বিহাৰাধ্যক্ষ ভান্তে জ্ঞানপাল মাহাথেৰৰ প্ৰাৰ্থনাৰ পাছতে গাঁৱৰ ৰাইজৰ উপস্থিতিত নাহৰকটীয়াৰ ৰাজহ চক্ৰ বিষয়া শৰৎ গগৈয়ে তোৰণৰ আধাৰশিলা স্থাপন কৰে। কাৰ্যসূচীত নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জ্যোতিপ্ৰসাদ কোঁৱৰ, প্ৰকৃতি প্ৰেমী মৃদুৱন ফুকন আৰু তাই লোক সংস্কৃতিৰ গৱেষক প্ৰেমথী গোহাঁই উপস্থিত থাকে।

■ যোৰহাটত দিলীপ কুমাৰ কলিতা স্মাৰক অনুষ্ঠান সম্পন্ন

# সমাজত ভাল মানুহৰ সংখ্যা কমি আহিছে ঃ গোস্বামী



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৩ অক্টোবৰ ঃ** 'সমাজত ভাল মানুহৰ সংখ্যা ক্ৰমশঃ কমি আহিছে। মানুহবোৰ শিক্ষিত হৈছে, সাজ-পোছাক সুন্দৰকৈ পিন্ধিবলৈ লৈছে, ঘৰ-দুৱাৰ আধুনিক হৈছে, কিন্তু ঘৰৰ কাষৰ মানুহ ঘৰৰ বিপদ হ'লে সহায় কৰাৰ মানসিকতা নোহোৱা হৈছে। ভাল মানসিকতাৰ অভাৱত সমাজখনত বেমেজালিৰ সৃষ্টি হৈছে।' অসমৰ সৰ্বপ্ৰথম স্বীকৃতিপ্ৰাপ্ত শাখা সভা যোৰহাট সাহিত্য সভাৰ উদ্যোগত আজি যোৰহাট তাৰকা গৃহত অনুষ্ঠিত প্ৰকৃতিপ্ৰেমী, অধ্যাপক ডঃ দিলীপ কুমাৰ কলিতা স্মাৰক অনুষ্ঠানত উদ্বোধক হিচাপে এই মন্তব্য কৰে যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে। লগতে উদ্বোধকজনে কয় যে আমি ইজনে সিজনক সহায় কৰাৰ মানসিকতা গঢ় দিয়াৰ বাবে চেষ্টা কৰা উচিত। সাহিত্য একাডেমী বঁটাপ্ৰাপক বিশিষ্ট গল্পকাৰ ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই অনুষ্ঠানত অতিথি হিচাপে অংশ লৈ কয়, 'বিজ্ঞান আৰু সাহিত্য দুয়োটাই কল্পনা আৰু অনুভৱৰ যুগলবন্দী। সৃষ্টিমূলক কল্পনাই সাহিত্য আৰু অনুসন্ধিৎসামূলক কল্পনাই বিজ্ঞানৰ জন্ম দিয়ে। কলেৰিজৰ মতে, গদ্যৰ বিপৰীতাৰ্থক শব্দটো কবিতা নহয় পদ্যাংশহে, ঠিক তেনেকৈ কবিতাৰ বিপৰীতাৰ্থক শব্দটো গদ্য নহয়, ই বিজ্ঞানহে।' লগতে গল্পকাৰজনে কয় যে ডঃ দিলীপ কুমাৰ কলিতাৰ বিজ্ঞান সমন্ধীয় লেখা উচ্চস্তৰৰ আৰু তেওঁৰ লেখাত সমাজ সচেতনতাৰ উমান পোৱা যায়। দিলীপ কুমাৰ কলিতাৰ বিজ্ঞান মনস্কতাই সকলোকে অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা কৰে। যোৰহাট সাহিত্য সভাৰ সভাপতি ডঃ দিপালী খাৰঘৰীয়া কলিতাৰ সঞ্চালনাত অনুষ্ঠিত আৰু 'প্ৰিন্স অৱ ৱেলছ'ৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা 'চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাত 'প্ৰিন্স অৱ ৱেলছ'ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ধনজিৎ শৰ্মাই বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতে বেদ পাঠ কৰে শ্ৰী সত্য সাই সেৱা সংগঠনৰ যোৰহাট জিলা সমিতিয়ে। যোৰহাট সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মৃদুল কুমাৰ বৰাই আদৰণি ভাষণ দিয়া আৰু সম্পাদক অজন্ত কুমাৰ বৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত 'প্ৰকৃতি সুৰক্ষাৰ স্বপ্নদ্ৰষ্টা' শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই। যোৰহাটৰ বিভিন্ন ক্ষেত্ৰৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানত ডঃ দিলীপ কুমাৰ কলিতাৰ স্মৃতিচাৰণ কৰে ধীৰেন্দ্ৰ কুমাৰ গগৈ, লেখক অদিতি বেজবৰুৱা, যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মাধৱ মহন্ত, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ দিব্য কমল মজুমদাৰ, ভেলী হাইৰ একাডেমীৰ সুমনা কৌশিক আদিয়ে। উত্তম কুমাৰ হাজৰিকাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত ভ্ৰাম্যমাণ জগতৰ বলিষ্ঠ অভিনেতা মহেশ বৰা, জোনাকী সংঘ বিদ্যালয়ৰ অংকুৰ শ্ৰেণীৰ ছাত্ৰ অদিভিৎ বৰাই কবিতা আবৃত্তি কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ বহুকেইগৰাকী বিষয়ববীয়াৰ লগতে অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক প্ৰতাপ চন্দ্ৰ বৰুৱা, সভাৰ আইন উপদেষ্টা ভৱ গোস্বামী, প্ৰাক্তন সভাপতি ৰাজা চক্ৰৱৰ্তী, লেখক অনন্ত কুমাৰ শৰ্মা ,অসম সাহিত্য সভাৰ সহযোগী আহ্বায়ক ক্ৰমে জুলি বৰুৱা, গাৰ্গী ভূঞা শইকীয়া, জিলাৰ প্ৰাক্তন সভাপতি নীৰদা গগৈ বৰা, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি মাণিক শইকীয়া, চিন্তাশীল লেখক বিকাশ বৰদলৈ, ডঃ পৰাণ বৰুৱাকে ধৰি জিলাখনৰ বিভিন্ন ক্ষেত্ৰৰ বহু ব্যক্তি উপস্থিত থাকে।




মুক্তি নিদিয়াকৈ বা চিত্ৰগ্ৰহণ নকৰাকৈ বন্ধ ৰাখিবলগীয়া হৈছিল বলিউদৰ তাৰকাসমৃদ্ধ একাধিক বিগ বাজেটৰ ছবি। মাজতে সুৰুঙা বুজি দুই-এখন ছবি চিত্ৰগৃহত মুক্তি দিয়া হৈছিল। যদিও ক'ভিড বিধিৰ বাবে চিত্ৰগৃহসমূহত দৰ্শকৰ পৰ্যাপ্ত সমাগম ঘটা নাছিল। কিছুমান ছবি ডিজিটেল মাধ্যমতো মুক্তি দিয়া হৈছিল, কিন্তু এইবোৰ ছবিৰ বক্স অফিচত সফলতা-বিফলতা নিৰূপণ হোৱা নাই। সেয়ে নিৰ্মাতা আৰু অভিনেতাসকলে অধিকাংশ ছবিয়েই পৰিস্থিতিৰ উন্নতিৰ সময়লৈ ৰাখি থৈছিল।

# চিত্ৰগৃহলৈ সাজু অনেক তাৰকা

## নৱেম্বৰৰ পৰাই আৰম্ভ হ'ব ছবিৰ মুক্তিৰ দৌৰ

**ক'ভিড-১৯** পৰিস্থিতিৰ বাবে থমকি ৰৈছিল সমগ্ৰ বিশ্ব। থমকি ৰ'বলগীয়া হৈছিল বলিউদো। মুক্তি নিদিয়াকৈ বা চিত্ৰগ্ৰহণ নকৰাকৈ বন্ধ ৰাখিবলগীয়া হৈছিল বলিউদৰ তাৰকাসমৃদ্ধ একাধিক বিগ বাজেটৰ ছবি। মাজতে সুৰুঙা বুজি দুই-এখন ছবি চিত্ৰগৃহত মুক্তি দিয়া হৈছিল। যদিও ক'ভিড বিধিৰ বাবে চিত্ৰগৃহসমূহত দৰ্শকৰ পৰ্যাপ্ত সমাগম ঘটা নাছিল। কিছুমান ছবি ডিজিটেল মাধ্যমতো মুক্তি দিয়া হৈছিল, কিন্তু এইবোৰ ছবিৰ বক্স অফিচত সফলতা-বিফলতা নিৰূপণ হোৱা নাই। সেয়ে নিৰ্মাতা আৰু অভিনেতাসকলে অধিকাংশ ছবিয়েই পৰিস্থিতিৰ উন্নতিৰ



সময়লৈ ৰাখি থৈছিল। উল্লেখ্য যে ছবিৰ মুক্তিৰ ক্ষেত্ৰত বলিউদৰ শীৰ্ষস্থানীয় অভিনেতা-অভিনেত্ৰীৰ মতামতেও গুৰুত্ব লাভ কৰে। এতিয়া ক'ভিড পৰিস্থিতিৰ ক্ৰমাৎ উন্নতি ঘটিছে। যাৰ বাবে বহু ৰাজ্যতে চিত্ৰগৃহসমূহ খুলি দিয়া হৈছে। ইয়াতে উৎসাহিত হৈছে বলিউদ। উল্লেখ্য যে বলিউদৰ ছবিৰ চিত্ৰগ্ৰহণ ইতিমধ্যেই আৰম্ভ হৈছিল। তলাবন্ধৰ বাবে অসমাপ্ত হৈ ৰোৱা বহু ছবিৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। ছবিঘৰসমূহ ভালদৰে খুলিবলৈ আৰম্ভ কৰাৰ লগে লগে বৃহৎ বাজেটৰ ছবিসমূহো মুক্তিৰ দিন ঘোষণা কৰিবলৈ প্ৰস্তুতি চলাইছে নিৰ্মাতাসকলে।

প্ৰথমেই চৰ্চালৈ আহিছে দুই খানৰ পৰৱৰ্তী ছবি 'পাঠান' আৰু 'টাইগাৰ ৩'। দুয়োখন ছবিৰ নিৰ্মাণ প্ৰক্ৰিয়া সম্প্ৰতি বন্ধ হৈ আছে। শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান সম্প্ৰতি মাদক-কাণ্ডত জড়িত হৈ জেলত থকাৰ বাবেই 'পাঠান'ৰ চিত্ৰগ্ৰহণ বন্ধ ৰখা হৈছে। তাৰ লগতেই বন্ধ ৰাখিছে ছলমান খানৰ ছবি 'টাইগাৰ ৩'ৰ চিত্ৰগ্ৰহণ। শুনা মতে 'পাঠান' ছবিৰ কাহিনী য'ত শেষ হ'ব, তাৰ পৰাই আৰম্ভ হ'ব 'টাইগাৰ ৩'ৰ কাহিনী। সেইবাবেই হয়তো এতিয়া ছলমানৰ ছবিখনৰো চিত্ৰগ্ৰহণ কৰা নাই বুলি ধাৰণা কৰিব পাৰি। পৰিকল্পনা অনুসৰি আগন্তুক বৰ্ষৰ স্বাধীনতা দিৱসত 'পাঠান' মুক্তি দিয়াৰ কথা আছিল। সেইদৰে ২০২২ৰ বৰদিনত ছলমানৰ ছবিখন মুক্তি দিয়াৰ কথা। এতিয়া যিহেতু চিত্ৰগ্ৰহণ সাময়িকভাৱ বন্ধ হৈ আছে, গতিকে ছবি দুখনৰ মুক্তিৰ দিন সলনি হ'বও পাৰে। উল্লেখ্য যে ছলমানে সততে ঈদ বা দীপাৱলীৰ সময়ত নিজৰ ছবি মুক্তি দিবলৈ পছন্দ কৰে। অৱশ্যে ক'ভিড পৰিস্থিতিৰ বাবেই তেওঁ এই সিদ্ধান্ত সলনি কৰিবলৈ বাধ্য হৈছে।

অহা পাঁচ নৱেম্বৰত ছবিঘৰলৈ আহিব অক্ষয় কুমাৰৰ ছবি 'সূৰ্যবংশী'। ৰোহিত ছেট্টীৰ 'সিংঘম' শৃংখলাৰ পৰৱৰ্তী ছবি 'সূৰ্যবংশী'ৰ নিৰ্মাণ কেতিয়াবাই



সম্পূৰ্ণ হৈছিল। ছবিখনত শৃংখলাটোৰ পূৰ্বৰ ছবি 'সিংঘম' আৰু 'ছিম্বা'ৰ চৰিত্ৰৰে অজয় দেৱগণ আৰু ৰণবীৰ সিঙেও ভুমুকি মাৰিব। ছবি নায়িকা



কেটৰিণা কাইফ। ১৯ নৱেম্বৰত মুক্তি পাব 'বাণ্টি অউৰ বাব্লি' ছবিৰ ছিকুৱেলখনে। ৰাণী মুখাৰ্জী এইখন ছবিতো আছে যদিও অভিযেক বচ্চনৰ পৰিৱৰ্তে অভিনয় কৰিছে ছঈফ আলী খানে। যশৰাজ ফিল্মছৰ দ্বাৰা নিৰ্মিত ছবিখনত নতুন যুটিৰূপে দেখা যাব সিদ্ধান্ত চতুৰ্বেদী আৰু শৰ্বৰী ৱাগক। মিলন লুথৰিয়াই পৰিচালনা কৰা 'তড়প' নামৰ ছবিখনৰ যোগেদি বলিউদত অভিযেক ঘটাব সুনীল ছেট্টীৰ পুত্ৰ আহানে। তেওঁৰ বিপৰীতে আছে তাৰা সুতাৰিয়া। ২০১৮ত মুক্তি প্ৰাপ্ত তেলুগু ছবি 'আৰ এক্স ১০০'ৰ ৰিমেক এই ছবিখনে তিনি ডিচেম্বৰত মুক্তি লাভ কৰিব। উল্লেখ্য যে সুনীলৰ কন্যা আহানাই ইতিমধ্যেই বলিউদত আত্মপ্ৰকাশ ঘটাইছে যদিও বিশেষ সফলতা লাভ কৰিব পৰা নাই। সাময়িক তাৰকা কন্যাসকলৰ দৰে তেওঁ ছবিৰ বাবে চৰ্চা লাভ কৰা নাই। ইয়াৰ বিপৰীতে তাৰকা ক্ৰিকেটাৰ কে এল ৰাহুলৰ স'তে গঢ়ি উঠা সম্পৰ্কৰ বাবেহে আহানাৰ কথা বেছিকৈ চৰ্চা হয়। কন্যাৰ পৰিৱৰ্তে এইবাৰ পুত্ৰক লৈ আশাত বন্দী সুনীল।

ৰণবীৰ সিং অভিনীত '৮৩' নামৰ ছবিখনে বহু দিনৰ পৰাই মুক্তিৰ অপেক্ষাত আছে। কিংবদন্তি ক্ৰিকেটাৰ কপিল দেৱৰ বায়'পিকখন এতিয়া বৰদিনত মুক্তি দিয়া হ'ব বুলি স্থিৰ কৰা হৈছে। কপিলৰ নেতৃত্বত ভাৰতে প্ৰথমবাৰলৈ বিশ্বকাপত জয়লাভ কৰিছিল। সেই কাহিনীয়েই ছবিখনত তুলি ধৰা হ'ব। কপিলৰ ভূমিকাত ৰণবীৰ আৰু তেওঁৰ পত্নীৰ ভূমিকাত অভিনয় কৰিছে দীপিকা পাডুক'নে। উল্লেখ্য যে আমিৰ খানৰ ছবি 'লাল সিং চাড্ডা' আগন্তুক বৰদিনত মুক্তি দিয়াৰ কথা আছিল। অৱশ্যে '৮৩' বৰদিনত মুক্তি দিব বুলি ঘোষণা কৰাৰ পাছত আমিৰৰ ছবিখনৰ মুক্তিৰ দিন পিছুৱাই দিয়া হৈছে। আগন্তুক বৰ্ষৰ ১৪ ফেব্ৰুৱাৰী অৰ্থাৎ 'ভেলেণ্টাইন ডে'ত ছবিখনে মুক্তি পোৱাৰ সম্ভাৱনা আছে। চলিত বৰ্ষৰ একেবাৰে শেষত মুক্তিলাভ কৰিব আন এখন ক্ৰিকেট ভিত্তিক ছবিয়ে। এই ছবিখন হৈছে শ্বাহিদ কাপুৰ অভিনীত 'জাৰ্ছী'। ছবিখন এখন তেলুগু ছবিৰ ৰিমেক। এজন ক্ৰিকেটাৰৰ জীৱনৰ ভিত্তিত নিৰ্মিত ছবিখনত শ্বাহিদৰ বিপৰীতে অভিনয় কৰিছে মৃণাল ঠাকুৰে। ছবিখনৰ আন এটি গুৰুত্বপূৰ্ণ চৰিত্ৰত দেখা যাব পংকজ কাপুৰক। ছবিখনে ৩১ ডিচেম্বৰত মুক্তিলাভ কৰিব।

আগন্তুক বৰ্ষৰ আৰম্ভণিতেই পুনৰ চিত্ৰগৃহলৈ আহিব অক্ষয় কুমাৰ। ঐতিহাসিক চৰিত্ৰ পৃথ্বীৰাজ চৌহানৰ চৰিত্ৰ ৰূপায়ণ কৰিব খিলাড়ী কুমাৰে। চন্দ্ৰপ্ৰকাশ দ্বিবেদীয়ে পৰিচালনা কৰা 'পৃথ্বীৰাজ' ছবিখন ২০২২ৰ ২১ জানুৱাৰীত মুক্তি দিয়াৰ কথা। এইখন ছবিৰ যোগেদিয়ে বলিউদত আত্মপ্ৰকাশ কৰিব বিশ্বসুন্দৰী মানুষী চিল্লাৰে। সঞ্জয় দত্তয়ো এটি গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে। আগন্তুক দিনত অক্ষয়ৰ পাছতে ৰণবীৰ সিঙৰো একাধিক ছবিয়ে মুক্তিলাভ কৰিব। ৰণবীৰৰ আন এখন ছবি 'জয়েছভাই জোৰদাৰ'ত তাৰকা অভিনেতাজনৰ বিপৰীতে দেখা যাব দক্ষিণী ছবিৰ নায়িকা শালিনী পাণ্ডেক। 'অৰ্জুন ৰেড্ডী' খ্যাত অভিনেত্ৰীগৰাকীয়ে বলিউদত প্ৰথমবাৰলৈ অভিনয় কৰিছে। অহা ২৫ ফেব্ৰুৱাৰীত ছবিখনে মুক্তি পাব।

২০২২ৰ চাৰি মাৰ্চত ছবিঘৰলৈ আহিব অক্ষয় কুমাৰৰ আন এখন ছবি 'বচ্চন পাণ্ডে'। একচন-কমেডী ছবিখনত অক্ষয়ৰ বিপৰীতে অভিনয় কৰিছে কৃতী শ্বেননে। আন এটা গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে জেকুলিন ফাৰ্ণাণ্ডেজে। ৰণবীৰ কাপুৰে অভিনয় কৰা ছবি 'ব্ৰহ্মাস্ত্ৰ'ৰ মুক্তিৰ দিন এতিয়াও ধাৰ্য কৰা নাই। অৱশ্যে ৰণবীৰৰ আন এখন ছবি 'ছমছেৰা'ই আগন্তুক বৰ্ষৰ ১৮ মাৰ্চত মুক্তিলাভ কৰিব। কৰণ মালহোত্ৰাই অভিনয় কৰা এই ছবিখনত ৰণবীৰে দ্বৈত চৰিত্ৰত অভিনয় কৰিছে। তেওঁৰ বিপৰীতে আছে বাণী কাপুৰ। ইয়াৰ উপৰি আন এক গুৰুত্বপূৰ্ণ চৰিত্ৰত দেখা যাব সঞ্জয় দত্তক।



২০০৭ত প্ৰবল জনপ্ৰিয়তা অৰ্জন কৰিছিল অক্ষয় কুমাৰ আৰু বিদ্যা বালানে অভিনয় কৰা 'ভুল ভুলাইয়া' নামৰ ছবিখনে। সেই আইকনিক হৰৰ কমেডীখনৰ ছিকুৱেলত অভিনয় কৰিছে কাৰ্তিক আৰিয়ান আৰু কিয়াৰা আদৱানীয়ে। 'ভুল ভুলাইয়া ২' ছবিঘৰলৈ আহিব আগন্তুক বৰ্ষৰ ২৫ মাৰ্চত। আগন্তুক বৰ্ষৰ ২৯ এপ্ৰিলত মুক্তি পাব অজয় দেৱগণৰ 'মে' ডে' ছবিখনে। এই থ্ৰীলাৰ ছবিখন অজয়েই পৰিচালনা কৰিছে। দুটা গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে ৰাকুলপ্ৰীত সিং আৰু অংগীৰা ধৰে। আনহাতে, আগন্তুক বৰ্ষৰ মে'ত পুনৰ 'হিৰোপান্তি' কৰা দেখা যাব টাইগাৰ শ্ৰফক। আহমেদ খানৰ পৰিচালনাত 'হিৰোপান্তি ২'ত টাইগাৰৰ বিপৰীতে অভিনয় কৰিছে তাৰা সুতাৰিয়াই।

## বলিউদত য়'হানি

**ভাৰ্চুৱেল** জগতত গীত বা ভিডিঅ' ভাইৰেল হ'বলৈ বেছি সময় নালাগে। এইদৰে ভাইৰেল হোৱা এটি গীতৰ পৰশ লাগিছে বলিউদত। সম্প্ৰতি সামাজিক মাধ্যমৰ বদান্যতাত বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছে শ্ৰীলংকাৰ ৰেপ গায়িকা য়'হানি ডিল'কা ডি ছিলভাৰ 'মানিকে মাগে হিথে' শীৰ্ষক গীতটিয়ে। ইতিমধ্যেই গীতটি বিভিন্ন ভাষাত গোৱা হৈছে আৰু বিভিন্ন ধৰণে ব্যৱহাৰ কৰা হৈছে। এইবাৰ সেই গীতটোৰেই বলিউদত গোৱাৰ প্ৰস্তাৱ পালে য়'হানিয়ে। 'থেংক গড' নামৰ ছবিখনত য়'হানিয়ে এই গীতটো হিন্দী ভাষাত গাব। হিন্দী গীতটো লিখিছে ৰশ্মি-বিৰাগে আৰু কম্পোজ কৰিছে তানিষ্ক বাগ্‌চীয়ে। 'থেংক গড' নামৰ ছবিখনত অভিনয় কৰিছে অজয় দেৱগণ, সিদ্ধাৰ্থ মালহোত্ৰা আৰু ৰাকুলপ্ৰীত সিঙে। ভূষণ কুমাৰ আৰু ইন্দ্ৰ কুমাৰে প্ৰযোজনা কৰা এই ছবিখনত গীত গোৱাৰ সুযোগ পাই য়'হানি অতিশয় আনন্দিত। তাৰকাগৰাকীয়ে কয়, 'ভাৰতীয় নাগৰিকৰ পৰা এই গীতৰ বাবে প্ৰচুৰ ভালপোৱা পাইছো। ভূষণ কুমাৰ আৰু ইন্দ্ৰ কুমাৰৰ প্ৰতিও সদায় কৃতজ্ঞ হৈ ৰ'ম।' উল্লেখ্য যে ছলমান খানে সঞ্চালনা কৰা 'বিগ বছ'তো য়'হানিয়ে ইতিমধ্যে অতিথিৰূপে অংশগ্ৰহণ কৰিছিল।



ছবিৰ গীতটোৰ দৃশ্যাংশৰ চিত্ৰগ্ৰহণ হ'ব গোৱাত। অন্যতম প্ৰযোজক ভূষণ কুমাৰে কয়, 'য়'হানিৰ দৰে প্ৰতিভাশালী গায়িকাৰ স'তে কাম কৰাৰ সুযোগ লাভ কৰি আমি গৰ্বিত।'



## দৰ্শকৰ বিশেষ চৰ্চাত ৰাজদ্বীপৰ 'বুকুৰ মাজত তুমি'

**উদয়ন** থিয়েটাৰৰ মঞ্চত যুৱ নাট্যকাৰ, সংগীত পৰিচালক ৰাজদ্বীপৰ বুকুৰ মাজত তুমিয়ে বিশেষ সমাদৰ লাভ কৰিছে দৰ্শক-শ্ৰোতাৰ মাজত। প্ৰেম আৰু প্ৰতিশোধ এই দুয়োটা জীৱনৰ স'তে সংপৃক্ত হৈ থকা দুই প্ৰবল শক্তি আৰু আৱেগ। প্ৰেমে মানুহক যিকোনো বাটেৰে লৈ যাব পাৰে। একেদৰে প্ৰতিশোধেও মানুহক অকস্মাতে যিকোনো পৰ্যায়লৈ লৈ যাব পাৰে। এই দুই বিপৰীতমুখী শক্তিক আধাৰ হিচাপে লৈয়ে গঢ় লৈ উঠা এটা কাহিনী হৈছে 'বুকুৰ মাজত তুমি'। এটা ত্ৰিকোণ প্ৰেম কাহিনীক লৈ আমি আগুৱাই যাবলৈ লওঁ যদিও আমাৰ অজানিতে কাহিনীটোত সংযোজিত হৈ থাকে চতুৰ্থটো কোণ। জীৱন যুঁজত হাৰ মানিব নোখোজো এজন ভ্ৰাতৃৰ পৰা আৰম্ভ কৰি নিজ পুত্ৰৰ সুখৰ বাবে স্বাভিমান ত্যাগ কৰিব খোজা মাতৃলৈকে তথা ভ্ৰাতৃৰ প্ৰেমৰ বাবে নিজৰ জীৱনকো তুচ্ছ কৰি পেলোৱা এজন উন্মাদ জ্যেষ্ঠ ভ্ৰাতৃলৈকে এই সকলো দিশ সামৰি ৰচনা কৰা হৈছে নাট 'বুকুৰ মাজত তুমি'। নাটখনত অভিনয় কৰিছে মৃদুল বৰুৱা, অৰূপ বৰা, অঞ্জনজ্যোতি বেজ, দেবাশ্ৰী গগৈ, ভায়োলিনা বৰুৱা, হেমেন শৰ্মা, কৌতুক অভিনেতা দীপক তালুকদাৰ, চন্দন ডেকা, দেৱজিৎ ৰয় আৰু প্ৰণীতা নাথে। আৱহ সংগীতেৰে সজাই তুলিছে অহিব ভৈৰৱে। প্ৰযোজক জ্যোতিপদ তালুকদাৰ, সম্পাদকৰ দায়িত্বত আছে কিশোৰ মালাকৰ, সামগ্ৰিক পৰিকল্পনা ভূপেশ খাটনিয়াৰৰ।

**ভূপেশ খাটনিয়াৰ**


## ভাগ্যদেৱীৰ মঞ্চত 'মহাশ্মশান'



**ভ্ৰাম্যমাণ** নাট্যজগতৰ বাদশ্বাহ চম্পক শৰ্মাৰ ৰচিত, পৰিচালিত আৰু অভিনীত থিয়েটাৰ ভাগ্যদেৱীৰ মঞ্চত 'মহাশ্মশান' নাটকখনৰ দৰ্শক হ'লো। চলিত বৰ্ষৰ চম্পক শৰ্মাৰ প্ৰথম নাটক চোৱাৰ সৌভাগ্য হ'ল, আচলতে চম্পক শৰ্মাৰ নাটক চোৱাৰ এটা হেঁপাহ থাকে, অক'ল মোৰ নহয় নাটক ভালপোৱা প্ৰতিজনৰে চাগে এই হেঁপাহ, মহাশ্মশান নামটোৱে পৃথক হয়তো নোচোৱালৈ অনুভৱ কৰিব নোৱাৰিব তাৰ তত্ত্ব আমাৰ সমাজত থকা কিছুমান লুভীয়া মানুহে নিজ স্বাৰ্থৰ বাবে বহুতখিনি অপৰাধ কৰিব পাৰে, লোভৰ বাবেই মানুহে পাপ কৰে, পাপৰ বাবে হিংসা হয়, পাপৰ শেষ পৰিণতি মৃত্যু। সমাজত অসংখ্য বেয়া মানুহৰ মাজত কিছু সংখ্যক ভাল মানুহো থাকে। কাৰোবাৰ অসহায় যন্ত্ৰণাময় জীৱন এটাই এজন ভাল মানুহৰ আশ্ৰয় পালে সুন্দৰকৈ সজ্জিত হয়। কিন্তু সেই আশ্ৰয়দাতাই যেতিয়া নিজৰ স্বাৰ্থৰ বাবে কাৰোবাক ব্যৱহাৰ কৰাৰ নাম পায়, তেতিয়া সেই অসহায় জীৱনটোৰ কি অৱস্থা হ'ব পাৰে। প্ৰকৃত সত্য কি? দোষী আৰু লোভী কোন? কোনে কাক নিজ যুদ্ধৰ অস্ত্ৰ সজালে? মহাশ্মশান বা মা-কালী এই যুদ্ধৰ সাক্ষী কেনেকৈ হ'ল? মূলতে এয়াই মহাশ্মশানৰ কাহিনী, অভিনয়ৰ ক্ষেত্ৰত বলিষ্ঠ অভিনেতা চম্পক শৰ্মা, ভূপেন ডেকাৰ শক্তিশালী অভিনয়ে নাটখন গৰম কৰিছে। আনহাতে, কমেডি কিং ভাস্কৰ বৰ্মনৰ হাঁহিৰ খোৰাক, অভিনেতা চম্পক শৰ্মাৰ, ভূপেন ডেকাৰ শক্তিশালী অভিনয়ে নাটখন গৰম কৰিছে। আনহাতে, কমেডি কিং ভাস্কৰ বৰ্মনৰ হাঁহিৰ খোৰাক, তাৰ উপৰি কবিতা চুতীয়া, ৰূপৰেখা গোস্বামী, উৎপল জ্যোতি নাথ আৰু বিকি কাশ্যপৰ অভিনয় প্ৰশংসনীয়। অনুশ্ৰী দাস, জিতু শইকীয়া, প্ৰণামিতা মুদৈ, জিতেন দাসক নাট্যকাৰে দিয়া ধৰণে সফল, তাৰ উপৰি নাটখনৰ নায়কৰূপী অভিনৱ অপূৰ্বৰ সহজ-সৰল হোজা প্ৰেমিকৰ চৰিত্ৰটোৱে দৰ্শকৰ হৃদয়ত সাঁচ বহুৱাইছে, মুঠৰ ওপৰত সুন্দৰ কাহিনী, সুন্দৰ অভিনয়ৰ সমাহাৰেৰে এখন সৰ্বাংগসুন্দৰ নাটক মহাশ্মশান।

**ৰমেন কলিতা**

## ঋতুৰাণী মৌচুমী সংস্কৃত-হিন্দী ভক্তিমূলক আৰু দেশপ্ৰেমমূলক গীতৰ অনন্য কণ্ঠ



**ৰাজ্যৰ** সংগীত ক্ষেত্ৰখনত স্বপ্ৰতিভাৰে উজলি উঠিছে ঋতুৰাণী মৌচুমী। অসমীয়া, হিন্দী আৰু সংস্কৃত ভাষাত দেশপ্ৰেম আৰু ভক্তিমূলক গীত গাই জনপ্ৰিয় হোৱা আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ লোকগীতৰ স্বৰ্ণপদক বিজয়ী ঋতুৰাণী মৌচুমী আজি অসমৰ সংগীত জগতৰ এক উজ্জ্বল নাম। শেহতীয়াকৈ শিল্পীগৰাকীয়ে দিল্লী দূৰদৰ্শনৰ ডিডি নিউজ, আকাশবাণী, ইউটিউব আদিৰ মাধ্যমেৰে সংস্কৃত গীতৰ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী ৰঞ্জন বেজবৰুৱাৰ পৰিচালনাত অতি সাৱলীল উচ্চাৰণেৰে ভালেখিনি সংস্কৃত গীত পৰিৱেশন কৰি সৰ্বভাৰতীয় শ্ৰোতাৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। নগাঁৱৰ জীয়ৰী ঋতুৰাণীয়ে পৰিৱেশন কৰা সংস্কৃতলৈ অণূদিত গীতসমূহৰ ভিতৰত আছে—এ আৰ ৰহমানৰ 'দিল হ্যে চোটা চা', লতা মংগেশকাৰৰ কণ্ঠৰ 'য়ে মেৰে ৱতন কে লোগো' আৰু সমৱেত ৰূপত 'চাৰে জাঁহা চে আচ্ছা, 'ভাৰত হমকো জান চে প্যাৰা হ্যে, 'জাহা ডাল ডাল পৰ' আদি। ইয়াৰ উপৰি আগশাৰীৰ সংগীতকাৰৰ তত্ত্বাবধানত শ্ৰব্য চিডিত গোৱা বহু অসমীয়া গীত শ্ৰোতাৰ মাজত বেছ জনপ্ৰিয় হৈ পৰিছে। ঋতুৰাণীৰ এই সুৰীয়া যাত্ৰাত সম্প্ৰতি অন্তৰ্ভুক্ত হৈছে হিন্দী আৰু সংস্কৃত ভাষাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ 'পৰজনমৰ শুভ লগনত', ভূপেন হাজৰিকাৰ 'বিমূৰ্ত মোৰ নিশাটি', 'অস্ত আকাশৰে'; লতাজীৰ কণ্ঠৰ 'য়াৰা চিলি চিলি', 'য়শোমতী মঈয়া চে', আশাজীৰ কণ্ঠৰ 'শ্যাম তেৰে বংশী', ভালকে পুনৰ চোৱা এবাৰ' এ আৰ ৰহমানৰ 'য়ে হসী ৱাদিয়া', ৰেছমাৰ কণ্ঠৰ চুফী গীত, লম্বী জুদাই', জয়ন্ত হাজৰিকাৰ 'এই আকাশ বৰ বিশাল', মন্দিৰা লাহিড়ীৰ 'অহাৰ দৰেই', ৰঞ্জন বেজবৰুৱাৰ ৰচনাৰে 'নীলনয়না', মহাৰাষ্ট্ৰীয়, উড়িয়া আৰু ৰাজস্থানী লোকগীত, সংস্কৃত শ্লোক-স্তুতি আদিয়েই প্ৰধান। শৈশৱৰ পৰা বিভিন্ন মান সম্পন্ন অনুষ্ঠানত গীত গোৱা নগাঁও, গুৱাহাটী, মুম্বাইত বিভিন্ন সময়ত ভাৰতীয় ৰাগ-সংগীত আৰু পাশ্চাত্য সংগীতৰ শিক্ষা গ্ৰহণ কৰা, বৃত্তিত এগৰাকী শিক্ষয়িত্ৰী-ঋতুৰাণীৰ গীত ইতিমধ্যে অসমৰ বাহিৰৰ শ্ৰোতাই আদৰি লৈছে।

**হেমেন কুমাৰ দাস**

## অভিনেতা-কণ্ঠশিল্পী দীনেশ দাসৰ অন্য ৰূপ ঈশ্বৰত



**অসমীয়া** চিনেমা, ধাৰাবাহিকৰ এজন পাৰ্শ্ব চৰিত্ৰৰ অভিনেতা দীনেশ দাস। সকলো ধৰণৰ চৰিত্ৰতে অভিনয় কৰি অহা দীনেশ দাস এজন ভাল কণ্ঠশিল্পী হিচাপেও জনাজাত। ৯০ৰ দশকত যেতিয়া গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই অসমীয়া ধাৰাবাহিকৰ সম্প্ৰচাৰ আৰম্ভ কৰিছিল সেই সময়ৰ অতিকৈ জনপ্ৰিয় ধাৰাবাহিক আজিৰ মানুহ, সঁফুৰা, সন্ধান আদি কৰি বহু ধাৰাবাহিকত বিভিন্ন চৰিত্ৰত তেওঁক দেখা গৈছিল। শেহতীয়াভাৱে দাসে ৰুবুল দাসৰ 'ঈশ্বৰ' নামৰ নতুন অসমীয়া চিনেমাখনত এটি ব্যতিক্ৰমী চৰিত্ৰত অভিনয় কৰিছে। সৎ আৰক্ষী বিষয়াৰ ৰূপত কৰা দীনেশ দাসে চৰিত্ৰটোৰ বাবে বহুখিনি কষ্টও কৰিছে। একচন ধৰ্মী চিনেমাখনত তেওঁৰ বিপৰীতে নিগেটিভ চৰিত্ৰৰ আৰক্ষী বিষয়াৰ ৰূপত আছে মঞ্চ তাৰকা চম্পক শৰ্মা। কাহিনীৰ তাগিদাত দীনেশ দাসে চম্পক শৰ্মা আৰু আন সহযোগীৰ স'তে মাৰপিটকে ধৰি আন আন বহুকেইটা একচন দৃশ্যত অভিনয় কৰিছে। আন এক ভাল খবৰ যে দীনেশ দাসে 'ঈশ্বৰ' চিনেমাখনৰ এটা পৰিয়ালকেন্দ্ৰিক গীতত কণ্ঠদানো কৰিছে। অভিনয়ৰ ক্ষেত্ৰখনত কেনেকৈ আহিল বুলি সোধাত বহু কথাই ক'লে তেওঁ। তেওঁৰ দেউতাক হ'ল বৰপেটা বামুন বাৰাদীৰ প্ৰয়াত ৰামগোপাল দাস আৰু মাতৃ প্ৰয়াত অৱলা দাস। দেউতাক আছিল ৰূপাঞ্জলী থিয়েটাৰৰ প্ৰযোজক। ১৪ বছৰ থিয়েটাৰখন চলিছিল। বাল্যকালৰে পৰা নিজৰ ঘৰতেই সাংস্কৃতিক পৰিৱেশ পোৱা দাসে জন্মগতভাৱে ইয়াৰ প্ৰতি বিশেষ টান অনুভৱ কৰি আহিছে। বৰপেটা বিদ্যাপীঠত পঢ়া সময়ৰ নাটকৰ স'তে জড়িত দাসৰ অভিনীত প্ৰথম নাটক 'অন্তগামী সূৰ্য'। প্ৰফুল্ল বৰাৰ 'অলংকাৰ', 'সাঁকো', 'তেৰ নম্বৰ কোঠালি', আদি অসংখ্য নাটকত বৰপেটা অঞ্চলক কেন্দ্ৰ কৰি অভিনয় কৰা দাস এজন সুদক্ষ ফুটবল প্লেয়াৰ হিচাপে বৰপেটাত সুনাম আছে।

দীনেশ দাসে এতিয়ালৈকে অভিনয় কৰা অসমীয়া চিনেমাকেইখন হ'ল— দেশপ্ৰেমমূলক চিনেমা 'কনকলতা', ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চিনেমা 'মোহমুক্তি', বিনোদনধৰ্মী চিনেমা 'ফুটপাথৰ হিৰ' আৰু মুক্তিৰ পথত থকা 'ঈশ্বৰ'। যুৱাৱস্থাতেই সুধাকণ্ঠৰ বিশেষ সান্নিধ্য লাভ কৰা দাসে কণ্ঠশিল্পী হিচাপে অসমৰ ভালেমান বিহুমঞ্চ, পূজা, সাংস্কৃতিক মঞ্চত নিজৰ সুকীয়া শৈলীৰে গীত পৰিৱেশন কৰি আহিছে। এজন সফল অসমীয়া ব্যৱসায়ী হিচাপে প্ৰতিষ্ঠা লাভ কৰা দাসে বেলতলা বিহু সন্মিলনৰ স'তে পূৰ্বৰ পৰাই বিশেষভাৱে জড়িত হৈ সামাজিকভাৱেও সক্ৰিয়তাত থকা দাস বৰ্তমান জয়ানগৰ চাৰিআলিৰ স্থায়ী বাসিন্দা। বৰ্তমান তেওঁ জোনাক চেনেলৰ ধাৰাবাহিক 'আছুতীয়া সপোন'ৰ শ্বুটিঙত ব্যস্ত হৈ আছে।

**জিতু ৰায়মেধি**



## সংগীত সত্ৰ, গুৱাহাটীৰ প্ৰেক্ষাগৃহত সত্ৰীয়া সংগীত দিৱস উদ্‌যাপন

**যোৱা** ১৪ অক্টোবৰত সংগীত সত্ৰ, গুৱাহাটীৰ প্ৰেক্ষাগৃহত সত্ৰীয়া সংগীত দিৱস উদ্‌যাপন হৈ যায়। সত্ৰীয়া সংগীত নৃত্যক সত্ৰৰ বাহিৰৰ প্ৰতিষ্ঠা দিয়া কাণ্ডাৰী ৰসেশ্বৰ শইকীয়া বৰবায়নৰ মৃত্যু তিথিদিনা সত্ৰীয়া শিক্ষক সমাজে সত্ৰীয়া দিৱস হিচাপে পালন কৰি অহাৰ উপৰি সংগীত সত্ৰ, গুৱাহাটীৰ জ্যেষ্ঠ শিল্পীসকলে যোৱা বছৰৰ পৰা সত্ৰীয়া সংগীত দিৱস আয়োজন কৰি আহিছে। বিয়লি চাৰি বজাত আৰম্ভ অনুষ্ঠানটোৰ প্ৰাৰম্ভতে সংগীত সত্ৰৰ সাধাৰণ সম্পাদক ৰঞ্জুমণি শইকীয়াৰ আহ্বান ক্ৰমে নৃত্যাচাৰ্য যতীন গোস্বামী, বায়নাচাৰ্য ঘনকান্ত বৰা, ড° জগদ্বীশ পাটগিৰি, ড° খগেন শৰ্মা, অতুল্যমাধৱ গোস্বামী আদি সুধীবৃন্দই ৰসেশ্বৰ বৰবায়নৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পন কৰে। সুধীবৃন্দই পুনৰ ৰঞ্জুমণি শইকীয়াৰ স'তে মঞ্চৰ বন্তি প্ৰজ্বলন কৰে। সংগীত সত্ৰৰ জ্যেষ্ঠ ছাত্ৰী ৰুমা কলিতা ভূঞাই অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে আঁত ধৰি সাৱলীলভাৱে অনুষ্ঠানটোৰ আগবঢ়াই নিয়ে। সংগীত সত্ৰৰ কাৰ্যবাহী সভাপতি অতুল্য মাধৱ গোস্বামীয়ে আদৰণি বক্তব্য আগবঢ়ায়। নৃত্যাচাৰ্য পদ্মশ্ৰী যতীন গোস্বামীয়ে মাজুলী গড়মূৰত দ্ৰোণ ভাগৱতীৰ সাহায্যত নাৰীক সত্ৰীয়া নৃত্য শিকোৱাকে ধৰি প্ৰাগ্‌জ্যোতি কলা পৰিষদত অংকীয়া ভাওনা শিক্ষণ দিয়া, গুৱাহাটীলৈ আহি সংগীত সত্ৰ প্ৰতিষ্ঠা কৰি সত্ৰীয়া নৃত্যৰ অগ্ৰগতি দিয়াৰ দীৰ্ঘ পৰিক্ৰমা বৰ্ণনা কৰে। অথচ বৰবায়নে সত্ৰীয়া নৃত্যৰ ৰাষ্ট্ৰীয় স্বীকৃতি চাই যাবলৈ নাপালে।

সংগীত সত্ৰৰ কিশোৰী শিল্পীসকলে মহাপুৰুষ মাধৱদেৱৰ বৰগীত এ-ই চিন্তোহো গোবিন্দ সত্ৰ মেৰি, বৰগীতটো পৰিবেশন কৰে। আশোৱাৰী ৰাগৰ বৰগীতটো শিল্পীসকলে মাৰ্গ বৈশিষ্ট্য অনুসৰি লয়—মান ধৰি ৰাখি সুৰীয়াকৈ পৰিবেশন কৰে। শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলাকেন্দ্ৰৰ মুৰব্বী অধ্যাপক ড° জগদ্বীশ পাটগিৰিয়ে ৰসেশ্বৰ বৰবায়নৰ সহচৰ্য লাভ কৰাৰ প্ৰসংগৰে বিশ্বৰোৰ প্ৰণয়ন কৰোতে ৰসেশ্বৰ বৰবায়নৰ বিষয়ে অন্তৰ্ভুক্ত হোৱাখিনি পাঠ কৰি শুনায়। প্ৰসংগক্ৰমে ড° মহেশ্বৰ নেওগৰ সত্ৰীয়া সংগীত নৃত্য-নাট্যত থকা গভীৰ গৱেষণামূলক দিশখিনিৰো উল্লেখ কৰে। ড° খগেন শৰ্মাই ৰসেশ্বৰ শইকীয়াৰ বৰবায়নৰ নামৰ চৰকাৰীভাৱে বঁটা দিয়াৰ দাবী জনোৱা প্ৰসংগত অৱগত কৰে। সংগীত সত্ৰৰ জ্যেষ্ঠ ছাত্ৰী মৃণ্ময়ী চেতিয়াই মহাপুৰুষ শংকৰদেৱৰ 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটো ধ্ৰুপদী গুণ ৰাখি সুৰীয়া আৰু শ্ৰুতিমধুৰকৈ পৰিৱেশন কৰে। জগন্নাথ হাজৰিকা সাংস্কৃতিক বিদ্যালয়ৰ ফালৰ পৰা জ্যেষ্ঠ প্ৰতিভাশালী সাংস্কৃতিক বিদ্যালয়ৰ ফালৰ পৰা জ্যেষ্ঠ প্ৰতিভাশালী নৃত্যশিল্পী সীতাৰাণী হাজৰিকাৰ পৰিচালনাত শ্লোক আৰু ঘোষাত সত্ৰীয়া নৃত্যাভিনয় পৰিৱেশন কৰে। বৰ্ণালী ডান্স একাডেমীৰ তৰফৰ পৰা ঘোষাত কৃষ্ণলীলাৰ নৃত্যাভিনয় বৰ্ণালী মহন্তৰ পৰিচালনাত প্ৰদৰ্শন কৰে। গীতিকা দত্তৰ পৰিচালনাত সৃজনী কলাকেন্দ্ৰৰ শিল্পীসকলে শ্লোকত 'ঈশবন্দনা' প্ৰদৰ্শন কৰি 'গোপী নাচ' পৰিৱেশন কৰে। মাধৱদেৱৰ 'এ'চন মনোহৰ বাল গোপাল' বৰ গীতটোত কৃষ্ণলীলাৰ নৃত্যাভিনয় পৰিৱেশন কৰে তানুসূয়া কলাকেন্দ্ৰৰ শিল্পীসকলে। গায়ত্ৰী কোঁৱৰৰ পৰিচালনাত ৰজাঘৰীয়া চালি নৃত্য প্ৰদৰ্শন কৰে। নাম ঘোষাৰ আধাৰত গুৰু বন্দনা প্ৰদৰ্শন কৰি গীতাৰ শ্লোকত বিষ্ণু বন্দনা প্ৰদৰ্শন কৰে। সংগীত সত্ৰৰ জ্যেষ্ঠ ছাত্ৰীসকলে 'নমোকৃষ্ণ নমোদেৱ নমোনেত মুৰাৰী' ঘোষাত ঈশবৰ্ণন কৰি 'কালীয় দমন' নাটৰ শ্লোকৰ কৃষ্ণৰ ৰূপ গুণ গৰিমা প্ৰদৰ্শন কৰে। চালি নৃত্যৰ বৰৰামদানী শুদ্ধ নাটখন নিভাঁজ ৰূপত প্ৰদৰ্শন কৰে। সংগীত দিৱস অনুষ্ঠানটোত হেমন্ত নৃত্যাংশৰ পৰিচালনা ৰিঞ্জুমণি শইকীয়া আৰু ধ্ৰুৱজ্যোতি পাঠকৰ। সত্ৰীয়া সংগীত দিৱস অনুষ্ঠানটোত হেমন্ত ভাগৱতী, নৃত্য নাট্যসমালোচক অতুল দত্ত, জ্যেষ্ঠ নৃত্যশিল্পী গুৰু গোপাল বৰদলৈ, নৃত্যশিল্পী নীৰেন কাকতি, বিচমিল্লাখান --ৰ বঁটা প্ৰাপক শিল্পী ঊষাৰাণী বৈশ্য, জয়ন্ত --কায়স্থ, আদিৰ উপস্থিতিয়ে সৌষ্ঠৱ বৃদ্ধি কৰে। সংগীত সত্ৰ, গুৱাহাটীৰ সত্ৰীয়া সংগীত দিৱস অনুষ্ঠানটো সফল বুলি পৰিগণিত হৈ ৰ'ল।

**সাংস্কৃতিক প্ৰতিনিধি**


দেওবৰীয়া দৈনিক
অগ্ৰদূত
ক্ৰীড়াভূমি/ক্ৰীড়াভূমি
গুৱাহাটী, ২৪ অক্টোবৰ ২০২১
দেওবাৰ, পৃষ্ঠা ১৫

# টি-২০ বিশ্বকাপত আজি ভাৰত-পাকিস্তান



**ডুবাই, ২৩ অক্টোবৰ ঃ** ভাৰতে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত কাইলৈ প্ৰথম মেচ খেলিব পাকিস্তানৰ বিৰুদ্ধে। হাইভ'ল্টেজ মেচখন নিশা 7.30 বজাত ডুবাইত অনুষ্ঠিত হ'ব। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত পাকিস্তানৰ মুখামুখি হ'ব ভাৰত। দুই দেশৰ ৰাজনৈতিক আৰু সামৰিক দ্বণ্ডৰ মাজতে ক্ৰিকেট ক্ষেত্ৰত মুখামুখি হ'ব ভাৰত আৰু পাকিস্তান। আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ অভিযান মেচতে উভয় দেশৰ মেচে স্বাভাৱিকতে চাপত ৰাখিছে দল আৰু সমৰ্থকক। মেচৰ ফেভাৰিট টীম ইণ্ডিয়া যদিও ভাৰতীয় অধিনায়ক বিৰাট কোহলিয়ে পাকিস্তান শক্তিশালী দল বুলি আজি সংবাদমেলত কয়। কিন্তু কাইলৈৰ মূল একাদশক লৈ কোনো আগতীয়া ইংগিত দিয়া নাই বিৰাটে। ইফালে, পাকিস্তানৰ হৈ আজি বাবৰ আজমে কয় যে চাপ আছে যদিও ইতিহাস পাহৰি শ্ৰেষ্ঠ খেল খেলিবলৈ সাজু হৈছে। আই চি চি প্ৰতিযোগিতাত ভাৰত পাকিস্তানৰ বিৰুদ্ধে সদায়ে সফলতা লাভ কৰি আহিছে যদিও চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত টীম ইণ্ডিয়া পৰাস্ত হৈছিল। পাকিস্তানৰ আত্মবিশ্বাসৰ কাৰণে সেইটো। অৱশ্যে দল হিচাপে ভাৰত অধিক ভাৰসাম্য পাকিস্তানতকৈ। উল্লেখ্য যে বিৰাট কোহলিৰ নেতৃত্বত খেলিব লগা ভাৰতীয় দলৰ সদস্যসকল হ'ল-ৰোহিত শৰ্মা, লোকেছ ৰাহুল, সূৰ্যকুমাৰ যাদব, ঋষভ পণ্ট, ইযাণ কিযান, হাৰ্দিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা, ৰাহুল চাহাৰ, ৰবীচন্দ্ৰন অশ্বিন, ছাৰ্দুল ঠাকুৰ, বৰুন চক্ৰৱৰ্তী, যশপ্ৰীত বুমৰাহ, ভূৱনেশ্বৰ কুমাৰ আৰু মহম্মদ ছামি।



## দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ জয়

**ডুবাই, ২৩ অক্টোবৰ ঃ** অষ্ট্ৰেলিয়াই চলিত আই চি চি টি-20 বিশ্বকাপত জয়ৰে অভিযান আৰম্ভ কৰিছে। আজি দলে নিজৰ প্ৰথম মেচত পাঁচ উইকেটত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাক। ডুবাইত হোৱা মেচখনত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ন উইকেটত 118 ৰাণ কৰে। দলৰ হৈ মাৰ্কৰামে 40 আৰু ৰাবাডাই 19 ৰাণ কৰে। বাকী বেটাৰসকল ব্যৰ্থ হয়। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ হৈ মিচেল ষ্টাৰ্ক, জ'ছ হাজলউদ আৰু আদাম জাম্পাই দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই আৰম্ভনিতে উইকেট হেৰুৱাই যদিও ষ্টিভ স্মিথৰ 35 আৰু ষ্ট'নিছৰ 24 ৰাণৰ সহায়ত পাঁচ উইকেটত 121 ৰাণ কৰি জয় অৰ্জন কৰে। মেচৰ শ্ৰেষ্ঠ হয় জ'ছ হাজলউদ।

## তীব্ৰ মানসিক চাপত পাকিস্তান ক্ৰিকেট দল

**ডুবাই, ২৩ অক্টোবৰ ঃ** আই চি চি টি-20 বিশ্বকাপ, তাতে আকৌ নিজৰ প্ৰথম মেচৰ প্ৰতিদ্বন্দ্বী শক্তিশালী ভাৰত। মেচৰ 24 ঘণ্টা পূৰ্বেই মানসিক চাপক পাকিস্তান ক্ৰিকেট দল। উল্লেখ্য যে অনুশীলন মেচতো দলে



প্ৰত্যাশিত প্ৰদৰ্শন কৰাত ব্যৰ্থ হৈছিল। ভাৰতৰ বিৰুদ্ধে মুখামুখি হোৱাৰ পূৰ্বে খেলা অনুশীলন মেচত পাকিস্তান ছয় উইকেটত পৰাস্ত হৈছিল দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে। পোনতে বেটিং কৰি পাকিস্তানে ফখৰ জামানৰ 52 ৰাণৰ সহায়ত ছয় উইকেটত 186 ৰাণ কৰে। দক্ষিণ আফ্ৰিকাৰ ৰাবাডাই তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত, ডুছানৰ (101] অপৰাজিত শতকৰে দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত 190 ৰাণ কৰি জয় অৰ্জন কৰে। অৱশ্যে পাকিস্তান প্ৰথম অনুশীলন মেচত জয়ী হৈছিল ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। পোনতে বেটিং কৰি কেৰিবিয়ান দলে সাত উইকেটত 130 ৰাণ কৰে। দলৰ হৈ হেটমীয়েৰে 28, প'লাৰ্ডে 23 আৰু গেইলে 20 ৰাণ কৰে। প্ৰত্যুত্তৰত, পাকিস্তানে 15.3 অভাৰত তিনি উইকেটত 131 ৰাণ কৰি বিজয়লক্ষ্যত উপনিত হয়। দলৰ হৈ 50 ৰাণ কৰে বাবৰ আজমে। আনহাতে, ফখৰ জামানে 46 ৰাণৰ অবদান আগবঢ়ায়।

## ডুবাইত আই পি এল খেলাটোৱে বিশ্বকাপত টীম ইণ্ডিয়াক সহায় কৰিব

**ডুবাই, ২৩ অক্টোবৰ ঃ** চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত কাইলৈ পাকিস্তানৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব ভাৰতে। ভাৰতীয় দলৰ সকলো সদস্যই সদ্য সমাপ্ত আই পি এলত খেলাটোৱে দলক পাকিস্তানতকৈ অধিক সুবিধাজনক স্থিতিত ৰাখিছে বুলি বিশেষজ্ঞই মতব্যক্ত কৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত নিজৰ আৰম্ভণি কৰাৰ পূৰ্বে ভাৰতে দুখন অনুশীলন মেচত অংশ লৈছিল আৰু উভয় মেচত জয়ী হৈ দৃঢ়তাৰে অভিযান কৰিবলৈ সাজু হৈছে। দ্বিতীয়খন অনুশীলন মেচত ভাৰতে আঠ উইকেটত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই পাঁচ উইকেটত 152 ৰাণ কৰে। দলৰ প্ৰথম তিনিজন বেটাৰ ক্ৰমে ৱাৰ্ণাৰ (1], ফিন্স (8] আৰু মিচেল মাৰ্শ্ব (0] ব্যৰ্থ হোৱাৰ পাছত ষ্টিফেন স্মিথ (57], মেক্সৱেল (37] আৰু ষ্ট'নিছে (41] দৃঢ়তাৰে খেলি ইনিংছ গঢ় দিয়ে। প্ৰত্যুত্তৰত, ভাৰতে দুই অপেনাৰ লোকেছ ৰাহুল (39]



আৰু ৰোহিত শৰ্মাৰ (60] লগতে সূৰ্যকুমাৰ যাদবৰ (38] অনবদ্য বেটিঙৰে 17.5 অভাৰত দুই উইকেটত 153 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে ভাৰতে প্ৰথম অনুশীলন মেচ খেলিছিল ইংলণ্ডৰ বিৰুদ্ধে। মেচখনত ভাৰতে সাত উইকেটত পৰাস্ত কৰে ইংলণ্ডক। পোনতে বেটিং কৰি ইংলণ্ডে পাঁচ উইকেট 188 ৰাণ কৰে। দলৰ হৈ মঈন আলীয়ে 43 আৰু বেয়াৰষ্টোৱে 49 ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ হৈ মহম্মদ ছামিয়ে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত, ভাৰতে এক অভাৰ বাকী থাকোতেই তিনি উইকেট হেৰুৱাই 192 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ ইনিংছ মুকলি কৰা দুই বেটছমেন লোকেছ ৰাহুল আৰু ইশাণ কিষানে অৰ্ধশতক পূৰ্ণ কৰে। ইশানে অপৰাজিত 70 ৰাণ কৰাৰ বিৰপীতে ৰাহুলে 51 ৰাণ কৰে। বিৰাট কোহলি ব্যৰ্থ হোৱাৰ বিপৰীতে ঋষভ পণ্টে 29 ৰাণৰ অবদান আগবঢ়ায়।



## ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে ইংলণ্ডৰ জয়

**ডুবাই, ২৩ অক্টোবৰ ঃ** ইংলণ্ডে চলিত আই চি চি টি-20 বিশ্বকাপত জয়ৰে অভিযান আৰম্ভ কৰিছে। আজি দলে নিজৰ প্ৰথম মেচত ছয় উইকেটত পৰাস্ত কৰে ৱেষ্ট ইণ্ডিজক। ডুবাইত হোৱা মেচখনত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে মাত্ৰ 55 ৰাণতে ইনিংছ সামৰে। উল্লেখ্য যে ইংলণ্ডৰ হৈ ৰছিদে চাৰিটা তথা মঈন আৰু মিলছে দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত, ইংলণ্ডে চাৰি উইকেটত 56 ৰাণ কৰি জয় অৰ্জন কৰে। বাটলাৰে কৰে 24 ৰাণ।



## ছিনিয়ৰ মহিলা হকীত অসমৰ প্ৰথম জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৩ অক্টোবৰ ঃ** অসমৰ ছোৱালী হকী দলে ছিনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত নিজৰ প্ৰথম মেচত পৰাস্ত হৈছিল যদিও আজি দ্বিতীয় মেচত 6-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে জন্মু এণ্ড কাশ্মীৰক। উল্লেখ্য যে প্ৰথম মেচত অসমৰ ছোৱালী হকী দল উত্তৰ প্ৰদেশৰ বিৰুদ্ধে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল। উল্লেখ্য যে উত্তৰ প্ৰদেশত আৰম্ভ হৈছে মহিলাৰ ছিনিয়ৰ ৰাষ্ট্ৰীয় হকী প্ৰতিযোগিতা।

## শ্ৰীলংকাৰ বিৰুদ্ধে আত্মবিশ্বাসী হৈ নামিবলৈ ৰণনীতি বাংলাদেশৰ

**শ্বাৰজাহ, ২৩ অক্টোবৰ ঃ** চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত কাইলৈৰ দিনটো এছিয়াৰ নামতে থাকিব। এখন হাইভ'ল্টেজ মেচত ভাৰত আৰু পাকিস্তান মুখামুখি হোৱাৰ বিপৰীতে দিনটোৰ প্ৰথম মেচত বাংলাদেশে খেলিব শ্ৰীলংকাৰ বিৰুদ্ধে। উল্লেখ্য যে বাংলাদেশে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত পৰাজয়েৰে আভিযান কৰিছিল যদিও কোৱালিফায়িং ৰাউণ্ডৰ ক্ৰমাগত দুখন মেচত জয়ী হৈ মূল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে। মৰণপণ মেচত বাংলাদেশে 84 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে পাপুৱা-নিউ গিনিক। পোনতে বেটিং কৰি বাংলাদেশে সাত উইকেটত 181 ৰাণ কৰে। দলৰ হৈ ছাকিব আল হাছানে 46 আৰু মেহমুদুল্লাই 50 ৰাণ কৰে। প্ৰত্যুত্তৰত, পি এন জিয়ে 19.3 অভাৰত 97 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে বাংলাদেশে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত ব্যৰ্থতাৰে




নিজৰ অভিযান আৰম্ভ কৰাৰ পাছত ওমানৰ বিৰুদ্ধে খেলা দ্বিতীয় মেচত 26 ৰাণত জয়লাভ কৰিছিল। মেচত পোনতে বেটিং কৰি বাংলাদেশে কৰে 153 ৰাণ। নায়ীমে 64 আৰু ছাকিব আল হাছনে 42 ৰাণ কৰে। ওমানৰ বিলাল খান আৰু ফায়াজ ভাটে তিনিটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত, ওমানে ন উইকেটত 127 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। যতীন্দৰ সিঙে 40 আৰু কাশ্যপ প্ৰজাপতিয়ে 21 ৰাণ কৰে। বাংলাদেশৰ হৈ মুস্তাফিজুৰে চাৰিটা আৰু ছাকিবে তিনিটা উইকেট পায়। উল্লেখ্য যে বিশ্বকাপৰ উদ্বোধনীৰ দিনাই অঘটনৰ সন্মুখীন হৈ টেষ্ট খেলা দল বাংলাদেশ নিজৰ প্ৰথম কোৱালিফায়িং ৰাউণ্ডৰ মেচত স্কটলেণ্ডৰ হাতত ছয় ৰাণৰ ব্যৱধানত পৰাস্ত হৈছিল। পোনতে বেটিং কৰি স্কটলেণ্ডে ন উইকেটত সংগ্ৰহ কৰে 140 ৰাণ। দলৰ হৈ ক্ৰিছ গ্ৰেভেছে 45, জৰ্জে 29 আৰু মাৰ্ক ৱাটে 22 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে সাত উইকেটত 134 ৰাণ কৰি কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ মুছফিকুৰ ৰহিমে 38, মেহমুদুল্লাহে 23 আৰু ছাকিব আল হাছানে 20 ৰাণ কৰে।



## সিংহলী বাহিনীৰ লক্ষ্য অপৰাজেয় যাত্ৰা অব্যাহত ৰখা

**শ্বাৰজাহ, ২৩ অক্টোবৰ ঃ** টি-20 বিশ্বকাপৰ তিনিবাৰ ফাইনেল খেলা একমাত্ৰ দল শ্ৰীলংকাই এইবাৰ কোৱালিফায়িং ৰাউণ্ডৰ মেচ খেলিব লগা হৈছে। কিন্তু দলে তিনিওখন মেচত জয়ী হৈ মূল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে আৰু কাইলৈ মুখামুখি হ'ব বাংলাদেশৰ। অপৰাজেয় যাত্ৰা অব্যাহত ৰখাৰ লক্ষ্য শ্ৰীংকাৰ। উল্লেখ্য যে শ্ৰীলংকাই এখন মেচ খেলিবলৈ বাকী থাকোতেই কোৱালিফায়িং ৰাউণ্ডৰ প্ৰথমটো দল হিচাপে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ মূল ৰাউণ্ডত প্ৰৱেশ কৰিছিল। দলে অন্তিম মেচত আঠ উইকেটত নেদাৰলেণ্ডক হৰুৱাৰেই অপৰাজেয় যাত্ৰা অব্যাহত ৰাখি মূল ৰাউণ্ডলৈ দৃঢ়তাৰে যায়। মেচত পোনতে বেটিং কৰি নেদাৰলেণ্ডে মাত্ৰ 44 ৰাণতে ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শ্ৰীলংকাই সাত অভাৰত দুটা উইকেট হেৰুৱাই 45 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে যোৱা মেচত শ্ৰীলংকাই 70 ৰাণত আয়াৰলেণ্ডক পৰাস্ত কৰি ক্ৰমাগত দ্বিতীয় জয়ৰে যোগ্যতা অৰ্জন কৰিছিল। মেচত পোনতে বেটিং কৰি শ্ৰীলংকাই দুই বেটাৰ নিছাংকা (61] আৰু হাছাৰাংগাৰ (71] শতকীয় যুটীৰে সাত উইকেটত 171 ৰাণ কৰে। আয়াৰলেণ্ডৰ হৈ জ'ছ লিটিয়ে চাৰিটা উইকেট পায়। প্ৰত্যুত্তৰত, আয়াৰলেণ্ডে 18.3 অভাৰত 101 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম মেচত পূৰ্ব চেম্পিয়ন শ্ৰীলংকাই সাত উইকেটত জয়লাভ কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। নামিবিয়াৰ বিৰুদ্ধে খেলা মেচখনত শ্ৰীলংকাই 97 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি 13.3 অভাৰত তিনিটা উইকেট হেৰুৱাই 100 ৰাণ সংগ্ৰহৰে সহজ জয় অৰ্জন কৰে। দলৰ হৈ ভানুকাই 42 আৰু অভিস্কাই 30 ৰাণ কৰে। ইয়াৰপূৰ্বে পোনতে বেটিং কৰা নামিবিয়াই 19.3 অভাৰত 96 ৰাণত ইনিংছ সামৰে। দলৰ হৈ ক্ৰেইগ উইলিয়ামছে সৰ্বাধিক 29 ৰাণ কৰে।

## প্ৰেমদা কান্ত শৰ্মাৰ ১০৭ সংখ্যক জন্মজয়ন্তী পালন

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** 'যিখন সমাজে ক্ৰীড়াবিদক সন্মান দিব নোৱাৰে সেই সমাজখনক আমি আদৰ্শ সমাজ বুলি ক'ব নোৱাৰো। সমাজ নিৰূপন কৰাৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিবিদ্যাৰ চমক কেতিয়াও মানদণ্ড নহয়। সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়াৰ উৎকৰ্ষ সাধন হোৱাটোৰেহে এখন সমাজৰ অভিজাত ৰূপটো প্ৰতিফলিত কৰে। সেই কাৰণে যিসকল ব্যক্তিয়ে চৰম ত্যাগ কৰি সমাজৰ ভালৰ বাবে নাগৰিকৰ কল্যানৰ হকে সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়াৰ উৎকৰ্ষ সাধনত একান্ত হৈ ব্ৰতী থাকে সেইসকল ব্যক্তিক আমি সন্মান কৰা উচিত।' এই মন্তব্য বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ চন্দ্ৰ বড়োৰ। উল্লেখ্য যে ক্ৰীড়াৰত্ন লৌহপুৰুষ প্ৰেমদা কান্ত শৰ্মাৰ 107 সংখ্যক জন্মজয়ন্তী উপলক্ষে আজি অসম ক্ৰীড়া সন্থাই পালন কৰে অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠান। কৰ'নাৰ বাবে চৰকাৰী নিয়ম পালন কৰি সীমিত লোকৰ অংশগ্ৰহণৰে গুৱাহাটী প্ৰেছ ক্লাবত অসম ক্ৰীড়া সন্থাই পালন কৰে অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠান। এই অনুষ্ঠানতে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি সাহিত্যিক, ক্ৰীড়াবিদ তথা সাংস্কৃতিক জগতলৈ অনবদ্য অৰিহনা আগবঢ়োৱা বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ চন্দ্ৰ বড়োই আক্ষেপৰে লগতে কয় যে দেশৰ স্বাধীনতা যুঁজৰ সেনানী তথা অসমক বিশ্বৰ মানচিত্ৰত গৌৰৱৰ অধিকাৰী কৰা প্ৰেমদা কান্ত শৰ্মাক চৰকাৰ তথা সমাজে সন্মান নিদিলে। অসমত কেৱল এইটোৱে একমাত্ৰ ঘটনা নহয়। ক্ৰীড়া-সংস্কৃতিত জড়িত অনেক মহান ব্যক্তিক প্ৰাপ্য সন্মান দিয়া নহ'ল। অৱশ্যে শেহতীয়াকৈ ৰাজ্য চৰকাৰে এইদিশত পৃথক দৃষ্টিভংগী লোৱাটো ইতিবাচক বুলি ব্যক্ত কৰে বড়োই। বিশিষ্ট সংগঠক তথা আন্তৰ্জাতিক খেলুৱৈ কৈলাশ শৰ্মাই পৰিচালনা কৰা অনুষ্ঠানত অংশ লয় অসম অলিম্পিক সন্থাৰ উপসভাপতি বিষ্ণুৰাম নুনিছাই। তেওঁ ভাষণত কয় যে চৰকাৰৰ লগত অসম অলিম্পিকে আলোচনা কৰি ক্ৰীড়াৰত্ন লৌহপুৰুষ প্ৰেমদা কান্ত শৰ্মাৰ স্মৃতি স্থায়ী কৰাৰ বাবে অচিৰেই পদক্ষেপ ল'ব। বিজনলাল চৌধুৰীৰ অধ্যক্ষতাত হোৱা সভাত মকুল হাজৰিকা, পবিত্ৰ শৰ্মা, আৰতি কলিতা আদিসকলেও মাত্ৰ 1933 তে 15 মিনিটত ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হৈ অক্ষত বিশ্ব অভিলেখ গঢ়া তথা অসম শক্তি মেলাৰ প্ৰথম চেম্পিয়ন প্ৰেমদা কান্ত শৰ্মাৰ স্মৃতিচাৰণ কৰে। অসম ক্ৰীড়া সন্থাই অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষত আজি দুগৰাকী ব্যক্তিক সম্বৰ্ধনা জনায়। প্ৰথম অসমীয়াৰূপে অলিম্পিকৰ চিফ দ্যা মিছন হোৱা বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু অসমৰ প্ৰথম সাংবাদিকৰূপে অলিম্পিকৰ ৰিপ'ৰ্টিং কৰা কুলপ্ৰদীপ ভাগৱতীক আজি সম্বৰ্ধনা জনায়।



## ছহিদ সোঁৱৰণী ফুটবলৰ ছেমিত ৰয়েল ব্ৰাডাৰ্ছ এফ চি

**অগ্ৰদূত বাৰ্তা, মঙলদৈ ২৩ অক্টোবৰ ঃ** চলিত বড়োলেণ্ড গেলাণ্ট ছহিদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ৰয়েল ব্ৰাডাৰ্ছ এফ চি দলে। আজিৰ কোৱাৰ্টাৰ ফাইনেলত ৰয়েল ব্ৰাডাৰ্ছ এফ চি দলে 4-0 গ'লত পৰাস্ত কৰে পানেৰী ৰিজ'নেল স্পৰ্টছ ক্লাবক। ইয়াৰপূৰ্বে ছেমিফাইনেলত প্ৰৱেশ কৰিছে পুনিয়া ইউথ ক্লাব। কোৱাৰ্টাৰ ফাইনেলত পুনিয়া ইউথ ক্লাবে 3-1 গ'লত পৰাস্ত কৰে কবিৰালি আদিবাসী ফুটবল ক্লাবক।

## ৰমেশ দাস-প্ৰবীণ ব্ৰহ্ম ফুটবল

**অগ্ৰদূত বাৰ্তা, জালাহ, ২৩ অক্টোবৰ ঃ** ৰাইজিং স্পৰ্টছ ক্লাবে আয়োজন কৰা ৰমেশ দাস আৰু প্ৰবীন ব্ৰহ্ম ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে আই আৰ বি এন চৰাইমাৰী। আজিৰ দ্বিতীয়খন ছেমিফাইনেলত আই আৰ বি এন চৰাইমাৰী দলে 3-1 গ'লত পৰাস্ত কৰে বজালী এফ চিক।

## ফাইনেলত চামতা এ জে ইলেভেন

**অগ্ৰদূত বাৰ্তা**
**বহাৰঘাট, ২৩ অক্টোবৰ ঃ** ষ্টাৰ ইলেভেনে আয়োজন কৰা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে চামতা এ জে ইলেভেন। প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি ছেমিফাইনেলত চামতা এ জে ইলেভেনে 4-1 গ'লত পৰাস্ত কৰে মাধাপুৰ অমৰজ্যোতি ক্লাবক।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৪ অক্টোবৰ, ২০২১ দেওবাৰ পৃষ্ঠা ১৬



জাপানৰ জনসংখ্যা ক্ৰমে এনে পৰ্যায় পাইছেগৈ যে আচৰিত হ'বলগীয়া হয়। ২০১৮ৰ চৰকাৰী হিচাপ অনুসৰি, জাপানৰ ১৩.৬ শতাশ অঞ্চল তেতিয়ালৈ পৰিত্যক্ত সম্পত্তিত পৰিণত হৈছিল। আন এক সমীক্ষা অনুসৰি, ২০৪০ পৰ্যন্ত দেশখনৰ পৰিত্যক্ত সম্পত্তিৰ পৰিমাণ বাঢ়ি যিমান হ'বগৈ, তাৰ সন্মিলিত হিচাপ মধ্য ইউৰোপৰ দেশ অষ্ট্ৰিয়াৰ সমান হ'ব।

# জাপানত ক্ৰমাৎ বৃদ্ধি পাইছে ভূত বঙলাৰ সংখ্যা

## জনসংখ্যা বঢ়াবলৈ সস্তাত পৰিত্যক্ত গৃহ বিক্ৰী কৰিছে প্ৰশাসনে

■ নিউজ ব্যুৰ'

**টকিঅ', ২৩ অক্টোবৰ ঃ** ক্ৰমাৎ যেন চপলতা হেৰুৱাইছে জাপানে। ক্ৰমান্বয়ে জনহীন হৈ পৰিবলৈ আৰম্ভ কৰিছে দেশখনে। জাপানৰ জনসংখ্যা ক্ৰমে এনে পৰ্যায় পাইছেগৈ যে আচৰিত হ'বলগীয়া হয়। ২০১৮ৰ চৰকাৰী হিচাপ অনুসৰি, জাপানৰ ১৩.৬ শতাশ অঞ্চল তেতিয়ালৈ পৰিত্যক্ত সম্পত্তিত পৰিণত হৈছিল। আন এক সমীক্ষা অনুসৰি, ২০৪০ পৰ্যন্ত দেশখনৰ পৰিত্যক্ত সম্পত্তিৰ পৰিমাণ বাঢ়ি যিমান হ'বগৈ, তাৰ সন্মিলিত হিচাপ মধ্য ইউৰোপৰ দেশ অষ্ট্ৰিয়াৰ সমান হ'ব। এই পৰিত্যক্ত সম্পত্তিৰ ভৱিষ্যতক কেন্দ্ৰ কৰিয়েই এতিয়া জাপান উদ্বিগ্ন হৈ পৰিছে। এইবোৰক কিদৰে কামত লগাব পাৰি, সেয়াই এতিয়া জাপান চৰকাৰৰ বাবে বিৰাট প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে।

জাপানত কিয় এনে পৰিস্থিতিৰ সৃষ্টি হৈছে সেয়া বিশ্লেষণ কৰি বিশেষজ্ঞই জনোৱা মতে, দুটা কাৰণৰ মিশ্ৰিত প্ৰভাৱ পৰিছে দেশখনত। প্ৰথমতে, ক্ৰমহ্ৰাসমান জনসংখ্যা আৰু দ্বিতীয়তে কৰ্মসূত্ৰে তৰুণ প্ৰজন্মৰ ব্যাপক হাৰত বিদেশ গমনৰ প্ৰৱণতা। জনসংখ্যা হ্ৰাসৰ বিষয়টোৱে বিগত কিছু বছৰ ধৰিয়ে জাপানৰ বাবে বিৰাট উদ্বিগ্নতাৰ কাৰণ হৈ দেখা দিছে। ২০১৮তে জাপানৰ জনসংখ্যা চাৰি লাখ ৪৯ হেজাৰ হ্ৰাস পায়। ১৯৬৮ৰ পৰা যদি এই জনসংখ্যা হ্ৰাসৰ হিচাপ কৰা হয়, তেন্তে সেয়াই আছিল সৰ্বাধিক সংখ্যা। উক্ত সমীক্ষাই আৰু এটা উদ্বেগজনক তথ্য দাঙি ধৰিছিল।

সেই অনুসৰি, ১৯৬৮ৰ পৰা ২০১০ পৰ্যন্ত কমেও ১০ লাখ জনসংখ্যা হেৰুৱাইছিল জাপানে। ইয়াৰ লগতে যোগ হৈছে জাপানৰ ক্ৰমাগত জন্মহাৰ হ্ৰাস পোৱাৰ বিষয়টো। তদুপৰি কৰ্মসূত্ৰে তৰুণ প্ৰজন্মই ব্যাপক হাৰত বিদেশত ভৰি দিবলৈ আৰম্ভ কৰাত এই সমস্যা অধিক বাঢ়ি যায়।

পৰিস্থিতি এনে হৈছে গৈ যে জাপানৰ বহু বাসগৃহেই এতিয়া পৰিত্যক্ত হৈ পৰিছে। ভূত বঙলাৰ দৰে থিয় আছে সেইবোৰ গৃহ। এই বাসগৃহসমূহৰ গৰাকীৰো কোনো শুংসূত্ৰ নাই। বহু অনুসন্ধান চলোৱা সত্বেও প্ৰশাসনে এই বাসগৃহসমূহৰ কোনো দাবীদাৰৰো সন্ধান উলিয়াব নোৱাৰিলে। ফলত দীৰ্ঘদিন ধৰি পৰিচৰ্যাহীনভাৱে পৰি থকাৰ বাবে এই বাসগৃহসমূহ নষ্ট হৈ পৰিছে। জাপানৰ আইন অনুসৰি, পৰিত্যক্ত সম্পত্তি চৰকাৰে সহজে অধিগ্ৰহণ কৰিব নোৱাৰে। সেইবোৰ সম্পত্তি ইচ্ছা কৰিলেই কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।



সেইবাবেই সম্পত্তিসমূহক লৈ জাপানৰ উদ্বিগ্নতা বাঢ়িছে। সেইবোৰ এতিয়া কামত লগোৱাৰ নষ্ট হোৱাৰ বাবেই পেলাই থোৱা হৈছে। টকিঅ'ৰ ট'য়'শ্বিমা-কু চহৰৰ প্ৰশাসনে সম্প্ৰতি এই সমস্যাসমূহৰ এটা উপায় বিচাৰি উলিয়াইছে। কোনোবাই যদি এই পৰিত্যক্ত গৃহ ক্ৰয় কৰি সংস্কাৰ কৰিব বিচাৰে, তেন্তে প্ৰশাসনৰ তৰফৰ পৰা ৰাজসাহায্য প্ৰদান কৰা হ'ব। ট'য়'শ্বিমাৰ সমান্তৰালকৈ আন একাংশ অঞ্চলৰ প্ৰশাসনেও ৰাজসাহায্যৰ নিয়ম প্ৰয়োগ কৰিছে। টকিঅ'ৰ পৰা প্ৰায় দুঘণ্টা সময়ৰ দূৰত্বত অৱস্থিত অ'কোছুকা চহৰৰ প্ৰশাসনে এনে ভূত বঙলা বিক্ৰীৰ বাবে পৃথককৈ এটা ৱেবছাইট প্ৰস্তুত কৰিছে। পুৰণি গৃহ ক্ৰয় কৰাত ইচ্ছুকসকলৰ বাবে অতিশয় সস্তাত গৃহ বিক্ৰীৰ বিজ্ঞপ্তি জাৰি কৰা হৈছে। ইচ্ছুক লোকে ভাৰতীয় মুদ্ৰাত মাত্ৰ চাৰি লাখ টকাৰ বিনিময়তে ভূমিসহ একোটা পৰিত্যক্ত গৃহ ক্ৰয়ৰ সুযোগ লাভ কৰিব। অৱশ্যে ইয়াৰ বাবে এটা বিশেষ চৰ্তও আছে। যিজনে বা যিসকলে উক্ত গৃহ ক্ৰয় কৰিব, তেওঁলোকৰ ১৮ বছৰৰ তলৰ সন্তান থাকিব লাগিব। অঞ্চলটোত কম বয়সীয়া ল'ৰা-ছোৱালীৰ ক্ৰমহ্ৰাসমান সংখ্যা নিয়ন্ত্ৰণত ৰখাৰ বাবেই এই সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে ইমানবোৰ পদক্ষেপ সত্ত্বেও জাপানখন আকৌ আগৰ দৰে প্ৰাণোচ্ছল হৈ উঠিব নে নাই, সেই বিষয়ত নিশ্চিত হ'ব পৰা নাই প্ৰশাসন।



এটা দামী স্মাৰ্টফোন ক্ৰয়ৰ চখ পূৰণ কৰাৰ বাবেই নিজৰ নৱপৰিণীতা পত্নীক বিক্ৰী কৰিলে এজন তৰুণে। স্মাৰ্টফোন ক্ৰয়ৰ বাবে ধন যোগাৰ কৰিবলৈকে নাবালকজনে এই কাণ্ড সংঘটিত কৰে।

# স্মাৰ্টফোনৰ বাবেই নৱপৰিণীতাক বিক্ৰী কৰিলে তৰুণে

## ওড়িছা আৰক্ষীয়ে ৰাজস্থানৰ পৰা উদ্ধাৰ কৰিলে ভুক্তভোগী মহিলাক

■ নিউজ ব্যুৰ'

**ভুৱনেশ্বৰ, ২৩ অক্টোবৰ ঃ** এটা দামী স্মাৰ্টফোন ক্ৰয়ৰ চখ পূৰণ কৰাৰ বাবেই নিজৰ নৱপৰিণীতা পত্নীক বিক্ৰী কৰিলে এজন তৰুণে। স্মাৰ্টফোন ক্ৰয়ৰ বাবে ধন যোগাৰ কৰিবলৈকে নাবালকজনে এই কাণ্ড সংঘটিত কৰে। ওড়িছাৰ ১৭ বছৰীয়া তৰুণজনৰ কাণ্ডত সকলোৱেই অবাক হৈ পৰিছে। আৰক্ষীয়ে ইতিমধ্যে অভিযুক্তজনক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ পত্নীক ৰাজস্থানৰ পৰা উদ্ধাৰ কৰি পৰিয়ালক গতাই দিছে।

আৰক্ষীয়ে জনোৱা মতে, চলিত বৰ্ষতে নাবালকজনৰ স'তে এগৰাকী ২৬ বছৰীয়া যুৱতীৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। যোৱা জুলাইত দুয়ো বিবাহপাশত আবদ্ধ হয়। অৱশ্যে সংসাৰ চলোৱাৰ বাবে টকাৰ প্ৰয়োজন। সেয়ে উক্ত দম্পতীয়ে ইটাভাটাত কাম কৰাৰ সিদ্ধান্ত লয়। সেই অনুসৰি দুয়ো বিবাহৰ এমাহৰ পাছতে ৰাইপুৰ, ঝান্সী হৈ মধ্যপ্ৰদেশৰ সীমান্তৱৰ্তী ৰাজস্থানৰ বৰন জিলাত উপস্থিত হয় আৰু তাৰে এটা ইটাভাটাৰ কাম যোগাৰ কৰে। ভুক্তভোগী যুৱতীগৰাকীয়ে জনোৱা মতে, দুয়োৰে উপাৰ্জন কম আছিল যদিও ভালদৰেই সংসাৰ চলিছিল। এদিন হঠাৎ তেওঁলোকৰ সম্পৰ্কত যতি পৰে। নাবালক স্বামীয়ে তেওঁক উক্ত অঞ্চলৰে এজন ৫৫ বছৰীয়া লোকক বিক্ৰী কৰি দিয়ে। ইয়াৰ বিনিময়ত তৰুণজনে এক লাখ ৮০ হেজাৰ টকা লাভ কৰে। সেই ধন তেওঁ এটা স্মাৰ্টফোন ক্ৰয় কৰাৰ লগতে বোৱা-বোৱাতে ব্যয় কৰে বুলি জনায় আৰক্ষীয়ে। উল্লেখ্য যে পত্নীক বিক্ৰী কৰাৰ পাছতে তৰুণজন নিজৰ ঘৰলৈ উভতি আহে। পত্নীয়ে তেওঁক এৰি আন এজনলৈ পলাই যোৱা বুলি সকলোকে জনায়। অৱশ্যে এই কথাত বিশ্বাস নহ'ল যুৱতীৰ পিতৃগৃহৰ লোকৰ। তেওঁলোকে আৰক্ষীক এজাহাৰ দিয়াৰ পাছত আৰক্ষীয়ে তৰুণজনক জেৰা কৰে। তেতিয়াই তৰুণৰ ভাষ্যত বিসংগতি লক্ষ্য কৰি আৰক্ষীয়ে মাৰাথন জেৰা চলোৱাত অৱশেষত তেওঁ নিজৰ কুকাৰ্যৰ কথা স্বীকাৰ কৰে। ইয়াৰ পাছতে আৰক্ষীয়ে তৰুণজনক গ্ৰেপ্তাৰ কৰাৰ লগতে ৰাজস্থানত অভিযান চলাই ভুক্তভোগী যুৱতীগৰাকীক উদ্ধাৰ কৰে। আৰক্ষীয়ে জনায় যে যুৱতীগৰাকীক উদ্ধাৰ কৰিবলৈ যোৱা ওড়িছা আৰক্ষীৰ দলটোক স্থানীয় গাঁওবাসীয়ে বাধা প্ৰদান কৰিছিল। যুৱতীগৰাকীৰ বাবে ধন আদায় দিয়াৰ বাবেই তেওঁলোকে প্ৰথমে তেওঁক আৰক্ষীৰ হাতত গতাই দিবলৈ অস্বীকাৰ কৰিছিল। অৱশ্যে ৰাজস্থান আৰক্ষীৰ সহযোগত অভিযানকাৰী দলে যুৱতীগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

উত্তৰাখণ্ডত হোৱা হিমস্খলনত সন্ধানহীন হোৱা ১১জন পৰ্বতাৰোহণকাৰীৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। ১৭ হেজাৰ ফুট উচ্চতাত অতি দুৰ্গম স্থানৰ পৰা ভাৰতীয় বায়ুসেনাৰ অভিযানকাৰী দলে উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে।



# উত্তৰাখণ্ডৰ দুৰ্গম গিৰিপথত দুৰ্যোগ সন্মুখীন পৰ্বতাৰোহণকাৰী

## ১৭ হেজাৰ ফুট উচ্চতাত উদ্ধাৰ ১১জনৰ দেহ ঃ হিমস্খলনৰ কৱলত পৰা ছজনৰ এতিয়াও সন্ধান নাই

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** উত্তৰাখণ্ডত হোৱা হিমস্খলনত সন্ধানহীন হোৱা ১১জন পৰ্বতাৰোহণকাৰীৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। ১৭ হেজাৰ ফুট উচ্চতাত অতি দুৰ্গম স্থানৰ পৰা ভাৰতীয় বায়ুসেনাৰ অভিযানকাৰী দলে উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে। এই পৰ্বতাৰোহণকাৰী দলটোৱে ৰাজ্যখনৰ লামখাগা গিৰিপথত পৰ্বতাৰোহণ কৰিবলৈ গৈ দুৰ্ঘটনাৰ সন্মুখীন হয়।

লামখাগা গিৰিপথ হৈছে উত্তৰাখণ্ডৰ অন্যতম দুৰ্গম অঞ্চল। এই গিৰিপথ অতিক্ৰম কৰিয়েই উত্তৰাখণ্ডৰ হাৰছিল জিলাৰ পৰা হিমাচল প্ৰদেশৰ কিন্নৌৰ জিলালৈ যাব পাৰি। উক্ত স্থানলৈকে দলটো পৰ্বতাৰোহণৰ বাবে গৈছিল। ভয়ানক হিমস্খলনৰ বাবে যোৱা ১৮ অক্টোবৰত ১৭জনীয়া দলটোৱে পথ হেৰুৱায়।

দলটোত পৰ্বতাৰোহণকাৰীৰ লগতে স্থানীয় গাইড আৰু প'ৰ্টাৰো আছিল। ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ জোৱানে এই তথ্য লাভ কৰাৰ পাছত ২০ অক্টোবৰৰ পৰা উক্ত অঞ্চলত অনুসন্ধান আৰম্ভ কৰে। অৱশ্যে উচ্চতা অত্যধিক হোৱাত বায়ুসেনাৰ হেলিকপ্টাৰো অনুসন্ধানত ব্যৱহাৰ কৰা হয়। বায়ুসেনাই কালি পাঁচটা মৃতদেহৰ লগতে আবদ্ধ হৈ থকা এজন লোকক জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে এইসকল উক্ত ১৭জনীয়া দলটোৰ সদস্য নাছিল। আজি উক্ত ১৭জনীয়া দলৰ ১১জনৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয় উদ্ধাৰকাৰী দল। উদ্ধাৰ হোৱা মৃত লোককেইজনৰ পৰিচয় এতিয়াও উদ্ধাৰ হোৱা নাই।

# হৰিনামৰ ধ্বনিৰে মুখৰিত ভোলাগুৰি

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন মন্ত্ৰী অতুল বৰাৰ অংশগ্ৰহণ



**খুমটাই, ২৩ অক্টোবৰ ঃ** হৰিনামৰ ধ্বনিৰে মুখৰিত হ'ল আজি খুমটাই সমীপৰ ভোলাগুৰি। শ্ৰীমন্ত শংকৰদেৱ সংঘ বোকাখাত জিলা শাখাৰ উদ্যোগত, ৰঙামাটি পৰমানন্দ আঞ্চলিক শাখাৰ ব্যৱস্থাপনাত, ভোলাগুৰি প্ৰাথমিক শাখাৰ আতিথ্যত ভোলাগুৰি প্ৰাথমিক শাখাৰ নামঘৰত দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৩ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আৰু জিলা শাখাৰ যুৱ, আইমাতৃ সমাৰোহ অনুষ্ঠিত হৈছে। আজি প্ৰথম দিনা প্ৰাতঃপ্ৰসংগৰে আৰম্ভ হোৱা কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পূৰ্ণিমা গগৈ তামুলী আৰু প্ৰশান্ত কুমাৰ গগৈ বৃক্ষৰোপণ কৰে। গুৰু আৱিৰ্ভাৱ মহোৎসৱৰ মূল তোৰণ উন্মোচন কৰে সমাজকৰ্মী দীনু প্ৰসাদ চাহুৰে। সংঘৰ বোকাখাত জিলা শাখাৰ সভাপতি ধনেশ্বৰ লইঙে ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছতেই জিলা শাখাৰ প্ৰাক্তন সভাপতি ধৰ্মেশ্বৰ হাজৰিকাই ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে। নাৰৰ আৰ্হিত প্ৰস্তুত কৰি উলিওৱা সু-সজ্জিত বাহনত জিলাৰ উপ-সভাপতি দ্বিজেন্দ্ৰনাথ ৰাজখোৱাই ভাগৱত প্ৰতিষ্ঠা কৰাৰ পাছতেই বীৰ শ্বহীদ কেপ্টেইন জিন্টু গগৈৰ পথ হৈ ভোলাগুৰি, বহঁতগুৰি খুমটাই নিউভিল্লা হৈ প্ৰায় ১৫ কিলোমিটাৰ পথত সংঘৰ বোকাখাত জিলা শাখাৰ সেৱাবাহিনী সেৱক, সেৱিকা বাপ আই সকলে ভাগৱত পৰিভ্ৰমণ কৰাই হৰিনামৰ ধ্বনিৰে মুখৰিত কৰি তোলে। জিলাৰ সংস্কৃতি শাখাৰ সম্পাদক প্ৰমোদ হাজৰিকাৰ তত্বাৱধানত খোল প্ৰসংগ আৰু ৰঙামাটি পৰমানন্দ আঞ্চলিক শাখাৰ ব্যৱস্থাপনাত নাম প্ৰসংগ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৰ আঞ্চলিক শাখাৰ ৰিজু হাজৰিকা দলে বৰগীতেৰে ধৰ্মালোচনী সভা মুকলি কৰে। সংঘৰ বোকাখাত জিলা শাখাৰ সভাপতি ধনেশ্বৰ লইঙ বাপৰ সভাপতিত্বত অনুষ্ঠিত সভা উদ্বোধন কৰে জিলা শাখাৰ সম্পাদক যতীন লইঙে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে গোলাঘাটৰ শংকৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষ প্ৰাঞ্জল প্ৰতীম হাজৰিকাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জীৱন-দৰ্শন সম্পৰ্কত তত্ত্ব গধুৰ বক্তব্য প্ৰদান কৰে। সভাত মূলৰ সদস্য যোগেশ লইং, প্ৰাক্তন শৰণ সদস্য মহেশ্বৰ ৰাজবংশী, প্ৰাক্তন মূলৰ সদস্য কুশল গগৈ, ধৰ্মেশ্বৰ হাজৰিকা, সংঘৰ যোগাযোগ আৰু পৰিকল্পনা বিভাগৰ সম্পাদক প্ৰদীপ হাজৰিকা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। উল্লেখ্য যে মুকলি সভালৈ মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ জনোৱা কেবিনেট মন্ত্ৰী অতুল বৰাই পুৱাৰ ভাগতে আৱিৰ্ভাৱ মহোৎসৱৰ যে মুকলি সভালৈ মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ জনোৱা কেবিনেট মন্ত্ৰী অতুল বৰাই পুৱাৰ ভাগতে আৱিৰ্ভাৱ মহোৎসৱৰ অংশগ্ৰহণ কৰি নামঘৰত সেৱালৈ অনুষ্ঠান সফলতা কামনা কৰাৰ লগতে ভোলাগুৰি প্ৰাথমিক শাখাৰ নামঘৰলৈ অসম দৰ্শন আঁচনিৰ অধীনত আৰ্থিক অনুদান আগবঢ়াব বুলি মন্তব্য কৰে। আনহাতে, দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱৰ আৰু জিলা শাখাৰ আইমাতৃ সমাৰোহ সন্ধিয়া অনুষ্ঠিত হয় ভাগৱত পাঠ আৰু ব্যাখ্যাৰ অনুষ্ঠান। কাইলৈ জিলা সেৱা বাহিনীৰ সাধাৰণ পৰিষদ, জিলা শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ সাধাৰণ পৰিষদৰ লগতে সাহিত্য আৰু সংস্কৃতি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।



# মুল্যবৃদ্ধিৰ প্ৰতিবাদত পেট্ৰ'লিয়াম মন্ত্ৰীৰ পুত্তলিকা দাহ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়/চাবুৱা ২৩ অক্টোবৰ ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে ইন্ধনজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অন্যান্য প্ৰান্তৰ লগতে ডিব্ৰগড়টো প্ৰতিবাদ সাব্যস্ত কৰে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদ্বীপ সিং পুৰি আৰু ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ প্ৰতিকৃতি দাহ কৰি পেট্ৰ'লজাত সামগ্ৰী আৰু দৈনিক প্ৰয়োজনীয় অত্যাৱশ্যকীয় সামগ্ৰী মূল্যবৃদ্ধি ৰোধ কৰি দাবী জনায়।

# ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ বাবে কটাযাব ডবকাত বনাঞ্চলৰ সাত হেজাৰ জোপা গছ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৩ অক্টোবৰ ঃ** দেশৰ ভিতৰত সৰ্বাধিক বনাঞ্চল হ্ৰাস পাইছে অসমত। শেহতীয়াকৈ আমেৰিকাৰ মেৰিলেণ্ড বিশ্ববিদ্যালয়ৰ এদল গৱেষকে চলোৱা অধ্যয়নত এই উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। গৱেষণা মতে, ২০০১ৰ পৰা ২০২০লৈ অসমত সৰ্বাধিক ১৪.১ শতাংশ বনাঞ্চল হ্ৰাস পাইছে। অকল ২০২০ত সমগ্ৰ দেশত এক লাখ ৪৩ হেজাৰ হেক্টৰ ভূমিৰ পৰাই বনাঞ্চল ধ্বংস হৈছে। দেশত দ্ৰুত হাৰত বনাঞ্চল হ্ৰাস পোৱাৰ সময়ত স্বাভাৱিক বতৰতো ব্যাঘাত জন্মিছে। জলবায়ু পৰিৱৰ্তনৰ ওপৰত সমগ্ৰ বিশ্ব চিন্তিত হোৱাৰ সময়ত হোজাই জিলাৰ ডবকা সংৰক্ষিত বনাঞ্চলৰ মাজেদি পাৰ হৈ যোৱা ডবকা-ডিফু সংযোগী ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ চাৰি শাৰীলৈ সম্প্ৰসাৰণৰ যো-জা চলিছে। ডবকা-ডিফু ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ইতিমধ্যে চাৰিলেনযুক্ত ঘাইপথলৈ উন্নীতকৰণ কৰি নিৰ্মাণ কৰাৰ প্ৰস্তুতি চলাইছে। তাৰ বাবে ডবকা বনাঞ্চলৰ পৰা সাত হেজাৰ জোপা মূল্যবান গছ কাটিবলগীয়া হ'ব। তাৰে প্ৰায় পাঁচ সহস্ৰাধিক জোপা মূল্যবান শাল গছ। পথ সম্প্ৰসাৰণৰ বাবে কাটিবলগীয়া গছকেইটাত বন বিভাগে ৰঙা ৰঙৰ নাম্বাৰিং কৰিছে। ইয়াতে উল্লেখ কৰা প্ৰয়োজন যে ডবকা ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ বৰ্তমানৰ অৱস্থাৰ পৰা দুয়োফালে ৩০ মিটাৰলৈ সম্প্ৰসাৰণ হ'ব। ফলত ৰাস্তাৰ বৰ্তমানৰ অৱস্থাৰ পৰা ৩০ মিটাৰলৈ দুয়োকাষে সম্প্ৰসাৰণ হ'লে ব্যাপক হাৰত বনাঞ্চল ধ্বংস হ'ব। কেৱল সেয়াই নহয়, বনাঞ্চলৰ মাজেদি ঘাইপথ সম্প্ৰসাৰণ হ'লে হলৌ বান্দৰ, বন্যহস্তীকে ধৰি অন্য জীৱকূল সংকটৰ গৰাহত পৰিব। যিহেতুকে ডবকা বনাঞ্চল হাতী আৰু হলৌ বান্দৰৰ বসতিস্থল। অবৈজ্ঞানিক পদ্ধতিৰে আৰু বিকল্প ব্যৱস্থা থকাৰ সময়ত ঘাইপথ সম্প্ৰসাৰণৰ হঠকাৰী সিদ্ধান্তৰ কথা ৰাজহুৱা হৈ পৰাত ৰাইজে ব্যাপক ক্ষোভ প্ৰকাশ কৰে। ডবকাৰ বহুকেইটা দল-সংগঠনে ক্ষোভ প্ৰকাশ কৰি উত্তৰাখণ্ডৰ 'চিপকো' আন্দোলনৰ আৰ্হিৰে বনাঞ্চল সংৰক্ষণৰ সপক্ষে থিয় দিছে। আমছু, ঐক্য সেনা, অসমৰ হোজাই জিলা সমিতিৰ সভাপতি আহমদ হুছেইন, সাধাৰণ সম্পাদক মিজানুৰ ৰহমান লস্কৰ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, হোজাই জিলা সমিতিৰ সাধাৰণ সম্পাদক জাইদুল লস্কৰৰ নেতৃত্বত শতাধিক ছাত্ৰই বন বিভাগে নাম্বাৰিং কৰা শাল গছবোৰত সাবটি ধৰি এক ব্যতিক্ৰমী প্ৰতিবাদ সাব্যস্ত কৰে। ডবকাৰ বিভিন্ন সংগঠনে ডবকা সংৰক্ষিত বনাঞ্চল সুৰক্ষাৰ দাবীৰে সজোৰে প্ৰতিবাদ অব্যাহত ৰখাৰ সময়ত আজি স্থানীয় বিধায়ক ছিৰাজুদ্দিন আজমলে ডবকা শালবাগানত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে সাংবাদিকৰ লগত মত বিনিময় কৰে। বিধায়কজনে কয়, 'ৰাস্তা লাগিব। কিন্তু এখন সেউজ বনাঞ্চল ধ্বংস কৰি ৰাস্তা নালাগে। পৰিৱেশ আটাইতকৈ ডাঙৰ বিষয়।' ডবকা বনাঞ্চল সুৰক্ষাৰ বাবে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিব বুলি তেওঁ কয়। প্ৰয়োজনত কেন্দ্ৰীয় ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক লগ ধৰিব বুলিও কয় আজমলে। আজি বিধায়কৰ লগত সংগ দিয়ে তেওঁৰ মনোনীত প্ৰতিনিধি আনোৱাৰ হুছেইন, ৰাজনৈতিক সচিব আকবৰ আলী, সচিব নুৰুল হুছেইন, মোহাম্মদ আলীয়ে। স্থানীয় পৰিৱেশ কৰ্মী আহমদ হুছেইন, ছাত্ৰ নেতা মেহবুব আহমেদ বৰভূঞা, জাইদুল লস্কৰ, মইনুল হকে বিধায়কক বনাঞ্চলখন সুৰক্ষাৰ বাবে চৰকাৰৰ ওচৰত সজোৰে দাবী উত্থাপন কৰাৰ আহ্বান জনায়। উল্লেখ্য যে ডবকা-ডিফু ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাম পাৰ্বত্য জিলা কাৰ্বি আংলঙৰ পৰা চলি আহি আছে।

# চাপৰ চাহ বাগিচাৰ পৰিচালক অপসাৰণ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধিৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৩ অক্টোবৰ ঃ** বিলাসীপাৰা মহকুমাৰ চাপৰ থানাৰ অন্তৰ্গত চাপৰ চাহ বাগিচাত আজি প্ৰায় তিনি শতাধিক শ্ৰমিক আৰু ছাত্ৰ-ছাত্ৰীয়ে বাগিচাখনৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি, খালী হৈ থকা পদবোৰ পূৰণ, পিএমএৱাইৰ গৃহৰ বাবে আপত্তি নথকাৰ প্ৰমাণপত্ৰ প্ৰদান, বাগিচাৰ নিবনুৱাসকলৰ সংস্থাপন, অস্থায়ী শ্ৰমিকৰ পদসমূহ স্থায়ীকৰণ, বাগিচাখনত চৰকাৰে মঞ্জুৰ কৰা আদৰ্শ হাইস্কুল নিৰ্মাণত বাধা দিয়া পৰিচালক মনোজ ৰায়ক বাগিচাৰ পৰা অপসাৰণ, বাগিচাখনত শ্ৰমিকৰ ওপৰত অনাহক অত্যাচাৰ, উৎপীড়ন আৰু শোষণ বন্ধ কৰা আদি দাবীৰ সমৰ্থনত পুৱা ৯.৩০ বজাৰ পৰা ১০.৩০ বজালৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত আয়োজিত প্ৰতিবাদী কাৰ্যসূচীত আছাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিদ্বয় ৰেজান হৰো আৰু সুৰ্মেন্দ্ৰ কিস্কু, আছাৰ ধুবুৰী জিলা সমিতিৰ সভাপতি গুলাপ চিক বৰাইক, সাধাৰণ সম্পাদক ৰাজেশ কুজুৰ, সহকাৰী সম্পাদকদ্বয় কালু উৰাও আৰু জয়দীপ হৰোৰ নেতৃত্বত চাহ শ্ৰমিক আৰু ছাত্ৰ-ছাত্ৰীসকল প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰি বাগিচাৰ মূল প্ৰৱেশদ্বাৰ উত্তাল কৰি তোলে। উল্লেখ্য যে, বাগিচাখনৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ স্বাৰ্থত চৰকাৰে বিগত বৰ্ষতে এখন হাইস্কুল মঞ্জুৰি দি নিৰ্মাণ কাৰ্য আৰম্ভ কৰে যদিও বাগিচাখনৰ পৰিচালক মনোজ ৰায়ে স্থান বিতৰ্কৰ সৃষ্টি কৰি পাকে প্ৰকাৰে হাইস্কুলখন নিৰ্মাণত বাধা প্ৰদান কৰি আছে বুলি আছাৰ উপ-সভাপতি ৰেজান হৰোই অভিযোগ কৰি এই ষড়যন্ত্ৰ যিকোনো মূল্যৰ বিনিময়ত ওফৰাই বাগিচাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ সুবিধা প্ৰদান কৰিব বুলিও হুংকাৰ দিয়ে। আছাৰ জিলা সমিতিৰ সভাপতি-সম্পাদকে প্ৰতিবাদী সভাত কয় যে ইতিমধ্যেই বিদ্যালয় নিৰ্মাণত বাধা আৰোপ কৰাৰ অভিযোগত চাপৰ আৰক্ষী থানাত পৰিচালকজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে আৰু আৰক্ষীয়ে তেওঁক থানালৈ সোধপোছৰ বাবে নি পাছত নিজ বাসগৃহত নজৰবন্দী কৰি ৰাখিছে। আছাৰ ধুবুৰী জিলা সমিতিয়ে পৰিচালনা সমিতিয়ে বাগিচাখনত হাইস্কুল নিৰ্মাণত বাধা আৰোপ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ মৌলিক অধিকাৰ খৰ্ব কৰিছে বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে।

Apollo Hospitals
APOLLO HOSPITALS CHENNAI
GASTROENTEROLOGY
ডাঃ পিৰামানায়গম পি MD, DM (Gastro)
কেৱল পৰামৰ্শৰ বাবে পাঠশালাত উপস্থিত থাকিব।
অহা ০৬-১১-২০২১ তাৰিখে
জন্দিচ, পেপটিক আলছাৰ, পেনক্ৰীয়াটাইটিছ, গল্ ষ্টন, লিভাৰ চিৰহোছিচ অথবা যি কোনো গেষ্ট্ৰ ৰোগত ভোগা ৰোগীয়ে তলৰ ঠিকনাত নাম পঞ্জীয়ন কৰিব পাৰে।
APOLLO HOSPITALS INFORMATION CENTER
Pathsala Milanpur Bhutan Road, Barpeta, Assam
Contact : 8939232505, 8939232502

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com